# ৰঙিয়া মহাবিদ্যালয় আলোচনী

অষ্টাত্ৰিংশত্তম সংখ্যক প্ৰকাশ, ২০১০-১১






# ৰঙিয়া মহাবিদ্যালয় আলোচনী

অষ্টাত্ৰিংশত্তম সংখ্যক প্ৰকাশ ২০১০-২০১১

**দীনেশ লহকৰ**
তত্ত্বাৱধায়ক

**ৰূপম বড়ো**
সম্পাদক

ৰঙিয়া মহাবিদ্যালয় আলোচনী ঃ ৰঙিয়া মহাবিদ্যালয়ৰ বাৰ্ষিক প্ৰকাশ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশিত আৰু সৰ্বস্বত্ব সংৰক্ষিত
Rangia College Magazine : The annual Journal of Rangia College
Published by Rangia College Students' Union, Rangia College, Rangia & Edited by Rupam Baro, Rangia College, Session 2010-11

## ৰঙিয়া মহাবিদ্যালয় আলোচনী প্ৰকাশৰ নেপথ্যত ঃ

| | | |
|---|---|---|
| উপদেষ্টা | ঃ | প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা, ভাৰপ্ৰাপ্ত অধ্যক্ষ (অৱসৰপ্ৰাপ্ত), ৰঙিয়া মহাবিদ্যালয় |
| তত্বাৱধায়ক | ঃ | দীনেশ লহকৰ |
| শিক্ষক সদস্য | ঃ | হৃষীকেশ চৌধুৰী<br>অমৰজ্যোতি ভাস্কৰ<br>ফুকন বসুমতাৰী |
| সম্পাদক | ঃ | ৰূপম বড়ো |
| ছাত্ৰ সদস্য | ঃ | বিগ্ৰায়াৰী বড়ো<br>বিদ্যুৎ বেজবৰুৱা |

© ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ২০১০-১১

| | | |
|---|---|---|
| বেটুপাতৰ শিল্পী | ঃ | আশুতোষ বৰঠাকুৰ |
| স্কেচ | ঃ | অমিত মহন্ত<br>ৰূপম কলিতা<br>সীমান্ত চৌধুৰী |
| সামগ্ৰিক পৰিকল্পনা | ঃ | সম্পাদক |
| | ঃ | বেটুপাতৰ দ্বিতীয় পৃষ্ঠা (ভিতৰফাল) শিল্পকৰ্মৰ ছবি<br>শ্ৰীযুত হেমচন্দ্ৰ গোস্বামী, শ্ৰীঅকুণ্ঠ কাকতি আৰু শ্ৰীৰূপম কলিতাৰ সৌজন্যত |
| ডি.টি.পি. আৰু চেটিং | ঃ | বৰলীয়া অফচেট প্ৰেছ, হস্পিতাল ৰোড, ৰঙিয়া |
| ছপা | ঃ | ভৱানী অফ্‌ছেট এণ্ড ইমেইজিং ছিষ্টেমছ্ প্ৰাঃ লিঃ, গুৱাহাটী-৭ |

# শ্ৰদ্ধাঞ্জলি

*"All the world's a stage*
*And all the men and women merely players*
*They have their exists and their entrances*
*And one man in his time plays many parts*
*His acts being seven ages."*

- William Shakespeare

পৃথিৱী এখন নাটঘৰ। আমি সকলো একো একোজন ভাৱৰীয়া। জীৱন নামৰ নাটখনিত ভাও দি আমাৰ পৰা অজান দেশলৈ আঁতৰি গ'ল অসম ৰত্ন অমৃত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা, জ্ঞানপীঠ বঁটা বিজয়ী মানৱতাবাদী সাহিত্যিক ড° মামণি ৰয়ছম গোস্বামী, বিশিষ্ট চিত্ৰশিল্পী ৰজত কমল বঁটা বিজয়ী শোভাব্ৰহ্ম আৰু বিশিষ্ট গায়ক চাৰু গোঁহাই।

ৰঙিয়া মহাবিদ্যালয় পৰিয়ালবৰ্গক শোক সাগৰত পেলাই অকালতে গুচি গ'ল ৰঙিয়াৰ বিশিষ্ট শিক্ষাবিদ, চিন্তানায়ক আৰু অসমীয়া ভাষা জননীৰ সুপুত্ৰ, ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ এই সংখ্যাৰ উপদেষ্টা শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰ।

বিগত বৰ্ষত হেৰাই গ'ল আমাৰ মাজৰ পৰা অনেক গুণীজন অজানিতভাৱে। আমি সকলোৱে আত্মাৰ সদ্গতিৰ বাবে নেদেখাজনৰ ওচৰত প্ৰাৰ্থনা যাচিছোঁ আৰু অশ্ৰুসিক্ত নয়নেৰে গভীৰ শ্ৰদ্ধাঞ্জলি আগবঢ়াইছোঁ।

সম্পাদনা সমিতি

# শলাগৰ শৰাই


মানুহৰ জীৱনটো চিনাকি-অচিনাকি অলেখ লোকৰ সহায়-সহযোগিতাৰ মাজেদি পাৰ হৈ যায়। জীৱনটোক এখন নাটক বুলি ভাবিবে জীৱন নাটকৰ প্ৰতি সহায়-সহযোগিতা আগবঢ়োৱা প্ৰতিজন ব্যক্তিলৈ কৃতজ্ঞতা নজনালে হয়তো মই আধৰুৱা হৈ ৰ'ম, সেইসকল ব্যক্তিলৈ শলাগৰ শৰাই আগবঢ়াইছো।

মোক সমাজৰ প্ৰতি দায়বদ্ধতা হ'বলৈ শিকোৱা মোৰ অতি শ্ৰদ্ধাৰ ৰঙিয়া মহাবিদ্যালয় স্কাউটচ্ এণ্ড গাইডছৰ ৰেঞ্জাৰ লিডাৰ কমলা বৰ্মন বাইদেউ, ৰভাৰ লিডাৰ ড° মহেন্দ্ৰ কলিতা ছাৰ, ফুকন বসুমতাৰী ছাৰ আৰু দিগন্ত দাৰ লগতে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ শ্ৰদ্ধেয় কৰ্মীবৃন্দলৈ আন্তৰিক সহযোগিতাৰ শলাগ লৈছো।

মহাবিদ্যালয় আলোচনী সন্দৰ্ভত উপদেশ আগবঢ়োৱা মাননীয় অধ্যক্ষ মহোদয়লৈ অন্তৰৰ পৰা গভীৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। আলোচনী প্ৰকাশ কৰাত আদিৰ পৰা অন্তলৈ নিজৰ বহুমূলীয়া দিহা-পৰামৰ্শৰে সহায় কৰা তত্বাৱধায়ক দীনেশ লহকৰ ছাৰ, অমৰজ্যোতি ভাস্কৰ ছাৰ, হৃষিকেশ চৌধুৰী ছাৰ, ফুকন বসুমতাৰী ছাৰ, গুণমণি হালৈ ছাৰ, অনুপ দাস ছাৰ, কবিন দাস ছাৰ, ড° মনোজ সিনহা ছাৰ, ড° হেমেন শৰ্মা ছাৰ, কৰ্মচাৰী অনুপ কুমাৰ ডেকা দেৱলৈ আৰু বৰলীয়া অফচেট প্ৰেছৰ স্বত্বাধিকাৰী মিশকাতুল ইছলামলৈ মোৰ গভীৰ কৃতজ্ঞতা জনালোঁ।

মোক বিভিন্ন ভাৱে সহায় কৰা মৃদুল দা, তফিকুৰ, ধ্ৰুৱ, বলৰাম, বিজয়, লক্ষণ, কণিকা, কুঞ্জু, মাইনাও, বন্দিতা, সংগীতা আদি সকলোকে মই ধন্যবাদ যাছিলোঁ।

শেষত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে ২০১০-১১ বৰ্ষত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ আলোচনী বিভাগৰ সম্পাদক পদৰ বাবে মোক নিৰ্বাচিত কৰি মহাবিদ্যালয়ক কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

সম্পাদক


# উছৰ্গা



ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, অসমৰ ভাষা
মাধ্যম আন্দোলনৰ অন্যতম চিন্তা নায়ক, সমাজহিতৈষী আৰু
এই সংখ্যক আলোচনীৰ উপদেষ্টা
প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা দেৱৰ
নামত ৰঙিয়া মহাবিদ্যালয়
আলোচনী (অষ্টাত্ৰিংশত্তম
সংখ্যক প্ৰকাশ,
২০১০-২০১১)
উছৰ্গা কৰা
হ'ল।

সম্পাদনা সমিতি




अर्चना दत्ता ( मुखोपाध्याय )
राष्ट्रपति के विशेष कार्याधिकारी ( जन सम्पर्क )

*Archana Datta (Mukhopadhyay)*
*OSD (PR) to the President*

राष्ट्रपति सचिवालय,
राष्ट्रपति भवन,
नई दिल्ली -110004

*President's Secretariat,*
*Rashtrapati Bhavan,*
*New Delhi -110004*




## MESSAGE

The President of India, Smt. Pratibha Devisingh Patil, is happy to know that the Rangia College, Rangia, District Kamrup is bringing out its College Magazine.

The President extends her warm greetings and felicitations to the faculty, staff and the students of the College and congratulates the College on the launch of the Magazine.

A. Datta

Officer on Special Duty (PR)

অসমীয়া প্ৰতিদিন

ASOMIYA
PRATIDIN
ASSAMESE DAILY

MANIRAM DEWAN ROAD • CHANDMARI • GUWAHATI - 781 003 • Ph. : 2660420, 2664594, 2663647 • FAX : (0361) 2664634



## শুভেচ্ছাবাণী

ৰঙিয়া মহাবিদ্যালয়ৰ ২০১০-২০১১ বৰ্ষৰ বাৰ্ষিক আলোচনীখন প্ৰকাশৰ বাবে প্ৰস্তুতি চলোৱা বুলি শুনি মই নথৈ আনন্দিত হ'লো। একোখন শিক্ষানুষ্ঠানৰ বাৰ্ষিক মুখপত্ৰখনে সেই শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপক-অধ্যাপিকা সকলৰ বৌদ্ধিক উত্তৰণৰ ছবিখন স্পষ্টৰূপত দাঙি ধৰে। ৰঙিয়াৰ দৰে সৰু সৰু চহৰৰ শিক্ষানুষ্ঠানবোৰেই সাম্প্ৰতিক সময়ৰ সংকটকালীন অসমত সাহিত্য-চৰ্চাৰ আৰু জ্ঞানৰ সাধনাৰ নেতৃত্ব বহন কৰিব লাগিব। বহু ভাষা, বহু ধৰ্ম আৰু সৰু-বৰ জাতি গোষ্ঠীৰ মানুহৰ মিলনভুমি ৰঙিয়া অঞ্চলৰ শৈক্ষিক, বৌদ্ধিক নেতৃত্ব প্ৰদানত ৰঙিয়া মহাবিদ্যালয়ে বিগত দিনবোৰত উল্লেখযোগ্য ভূমিকা পালন কৰি আহিছে। বৈচিত্ৰতা আৰু নানা সংঘাতৰ মাজেৰে ৰঙিয়াৰ সমাজখন দিনে দিনে আগবাঢ়ি আছে। তেনে সমাজতহে আচলতে সাহিত্য-সংস্কৃতিৰ বিকাশ আৰু জ্ঞানৰ সাধনাৰ পৰিবেশ গঢ়াৰ বিশেষ সুবিধা থাকে। লোক-সাহিত্য আৰু লোকসংস্কৃতিৰ বিকাশৰ বাবে উৰ্বৰ ক্ষেত্ৰখন ৰঙিয়াৰ দৰে ঠাইতহে পোৱা যায়। প্ৰবল ইচ্ছাশক্তি, একাগ্ৰতা, অধ্যৱসায় আৰু অনুকূল পৰিবেশৰ মাজত ৰঙিয়াৰ ছাত্ৰ-ছাত্ৰীসকল জ্ঞানৰ তপস্যাত ব্ৰতী হওঁক আৰু সেই তপস্যাৰ সুফল আলোচনীখনৰ মাজেৰে প্ৰকাশ পাওঁক। ৰঙিয়া মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰিলোঁ আৰু জ্ঞানৰ পোহৰেৰে ৰঙিয়াক উজলাই তোলাৰ ক্ষেত্ৰত আপোনালোক সফল হওঁক। প্ৰকাশ পাবলগা মুখপত্ৰখনত সেই প্ৰতিশ্ৰুতি প্ৰস্ফুটিত হওঁক- সেই কামনাৰে-

হাইদৰ হুছেইন
মুখ্যসম্পাদক, অসমীয়া প্ৰতিদিন
গুৱাহাটী। ১১ মাৰ্চ ২০১২ ইং চন।

सत्यमेव जयते

*Sri Varnali Deka*, I.A.S.
Sub-Divisional Officer (Civil) &
Sub-Divisional Magistrate. Rangia

Ph.- 03621-240420 (O)
-240509 (R)
+9194350-43004
Fax : -240420
e-mail : varnali.deka@gmail.com

Ref. ................ Date ................



## শুভেচ্ছা বাণী

কামৰূপ জিলাৰ ৰঙিয়া মহকুমাৰ ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান 'ৰঙিয়া মহাবিদ্যালয়'ৰ বাৰ্ষিক আলোচনী খনৰ ৩৮ তম সংস্কৰণটি প্ৰকাশৰ আয়োজন কৰা বুলি জানিব পাৰি মই অতিশয় আনন্দিত হৈছো। এই আলোচনীখন সৰ্বাংগসুন্দৰ হব বুলি আশা কৰিলো। আলোচনীখন ছাত্ৰ-ছাত্ৰীৰ লগতে সাহিত্যপ্ৰেমী ৰাইজৰ সাহিত্য চৰ্চাৰ আশাৰ প্ৰতীক হব বুলি আশা কৰিলো। 'আলোচনী' খনৰ বিভিন্ন শিতানৰ লিখনি সমূহে শিক্ষানুষ্ঠান খনৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভাৰ চানেকী দাঙি ধৰাত তথা সুধী সমাজৰ বৌদ্ধিক, সামাজিক, অৰ্থনৈতিক তথা শৈক্ষিক পৰিবেশৰ ক্ষেত্ৰত পৰিৱৰ্তনৰ পথ প্ৰদৰ্শক হব বুলি কামনা কৰিলো।

-ঃ শুভকামনাৰে ঃ-

বৰ্ণালী ডেকা

তাৰিখ ঃ ১৩ মাৰ্চ, ২০১২ ইং

(শ্ৰীমতী বৰ্ণালী ডেকা, আই.এ.এচ.)
মহকুমাধিপতি (অসামৰিক), ৰঙিয়া
ৰঙিয়া

OFFICE OF THE PRINCIPAL

# RANGIA COLLEGE

03621-240484
98641-40763

**Reaccredited By The NAAC B (2.80)**

P.O. : Rangia, Dist. : Kamrup (Assam), Pin : 781354

e-mail : iqac@rangiacollege.org.webside-www.rangiacollege.org


*Ref :* ......

*Date :* ......................



## FROM THE PRINCIPAL'S DESK -

I am very happy to know that the 38th edition of the annual journal of Rangia College is being published by the Rangia College Students' Union. It is praiseworthy that the magazine has completed the 38 years of its publication irrevocably. It has already made a history in pursuit of literature and knowledge. I shall always have a good will to such a noble effort. Wishing a grand success of this effort, I have written a few lines on the status of education, particularly higher education in our country.

While the Indian education is one of the oldest education systems in the world, still it has not been immune from some major weakness. If we look at the university and college education, it seems that it represent an unwritten contract between the teachers and the students. If we expect success of the education system, then it must have a partnership among the centre, state, university and college. In the light of this partnership, we should consider a restructure of the education system with the objectives of abolishing poverty, eliminating unemployment, attaining self-reliance and equity and promoting growth.

Even 65 years back since the indeependence, the Indian education continues to be dominated by the models and value-systems adopted during the colonial regime.For, example, it lays greater emphasis on narrow individualism, unhealthy competition to the neglect of social good, verbal fluency (especially in English) and mere acquisition of information. It also neglects social objectives, co-operation, manual work tranining in skills and building up of character. The eudcation institutions function in isolation from the community as well as from one another. The system is of gigantic monolith, very difficult to change. It has proved itself to be inadequte to meet our national needs and aspirations.

The education system suffers from dualisim. A small number of educational institutions primary funded by the private enterpreneurs of good quality is open for a selective social group with high income. The number of other category funded by the public is large and is also open to a large number of social group with poor income. The former maintains quality, while the later fails to do it. A nation cannot prosper with the quality of a small group. Even in quantative terms, it is mainly the upper and middle classes that are benaficiaries of this system. The education system, therefore, needs a drastic transformation of its character through the introduction of a modern scientific outlook and other essential measures to suit our national needs and aspirations and to cater local needs. I do hereby hope that the teachers, the guardians, the students along with the central and state government, university and colleges will vigourously pursue a movement for educational reconstruction in India.

Date: 10 March, 2012

(Dr. J Kakati)
Principal
Rangia College, Rangia

# সূচীপত্ৰ


সম্পাদকীয়

সময় গতিশীল .....
- The Art of Writing and Speaking Good English — 1
  - Late Amarendra Sarma

একাঁজলি শ্ৰদ্ধাঞ্জলি.....
- শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি — 4
  - বিদ্যুৎ বেজবৰুৱা
- শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা-অনন্য ব্যক্তিত্ব — 6
  - অমৰজ্যোতি ভাস্কৰ
- শ্ৰদ্ধেয় অমৰেন্দ্ৰ কুমাৰ শৰ্মা- জীৱন আৰু কৃতি — 9
  - দীনেশ লহকৰ

বিজ্ঞান আৰু তথ্য-প্ৰযুক্তিৰ পৃথিৱীত ......
- চিকিৎসা বিজ্ঞান আৰু অন্ধবিশ্বাস — 12
  - ৰাতুল চন্দ্ৰ দাস
- ইন্টাৰনেট — 18
  - অংকিতা পাঠক
- मंगल ग्रहनि सोमोन्दै मिथिनो हांखुर जानानै बिगियानगिरिफोरनि नाजानाय आरो गियान — 20
  - बियायारि बर'
- Mangrove Plants — 30
  - Dr. Snigdha Sarkar
- The Chemistry of Honey — 32
  - Dr. Gitimoni Deka
- The Invention of Mobile Phone And Its Feasibility — 51
  - Dr. Madan Chandra Boro

ভাষা, সাহিত্য আৰু সংস্কৃতিৰ ৰেঙণি .....
- ছাত্ৰ জীৱনত সাহিত্য চৰ্চা — 16
  - শান্তনু কুমাৰ ডেকা
- পুৰণি অসমীয়া সাহিত্যত ৰাজ-পৃষ্ঠপোষকতা — 26
  - বিজুলী চক্ৰৱৰ্তী
- बर' लाइमोन समाजनि मोननैसो गिनांगौ बिथि आरो हारिनि बागै साननो गोनां — 22
  - अनसुमा रामसियारि
- অসমৰ নেপালী জাতি আৰু সংস্কৃতিৰ চমু পৰিচয় — 86
  - মিলি ছেত্ৰী
- অসমীয়া সমাজত বিবাহ আৰু বিবাহত ব্যৱহৃত দাপোনীখন — 88
  - মীতুমণি ডেকা
- হিন্দু সংস্কৃতি — 90
  - নৱনীতা কৰ্মকাৰ
- পুৰণি অসমত নৰবলি প্ৰথাৰ প্ৰচলন — 92
  - বন্দিতা দাস
- উত্তৰ পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষত প্ৰচলিত ভাষাসমূহ - এটি আলোকপাত — 94
  - অমৰজ্যোতি ভাস্কৰ

অতীত মাধুৰী......
- মৰমৰ ছাত্ৰ সকললৈ — 74
  - শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ
- স্মৃতিৰ জলঙাইদি — 111
- সোমৰস আৰু ধূম্ৰপান নিষেধ — 112
  - শ্ৰীগোলোক চন্দ্ৰ ভূঞাঁ

ছন্দ শিল্পৰ চোতালত ....
- ৰক্ত ৰঞ্জিত ধৰা — 68
  - চন্দনা কোঁৱৰ
- শব্দৰ উৎস — 68
  - আতোৱাৰ ৰহমান
- হেৰুৱা জোনাকৰ সন্ধানত — 69
  - প্ৰীতিৰেখা নাথ
- One Hope.... Still to Live ... — 67
  - Raja Das
- Way Towards You — 67
  - Ezazur Rahman
- लिमारिक — 70
  - मिथिसार बसुमतारी
- दावगा लां — 69
  - हाइना बसुमतारी
- दुखु — 71
  - रुमि बसुमतारि

❑ मानो ? आंनि मोजां मोननाया थरथिंसे बिस, नोंनि थाखाय 71
✍ तपन ब्रह्म

জীৱনৰ কল্লোল......

❑ A Brief biography of Dr. Bhupen Hazarika 43
✍ Sri Jyotish Kalita

❑ প্ৰাচ্যতত্ত্ববিদ অধ্যাপক ড° মুকুন্দ মাধৱ শৰ্মা 46
✍ চন্দন কুমাৰ শৰ্মা

❑ কুৰি শতিকাৰ বিস্ময় প্ৰতিভা ৰামানুজন 48
✍ গোবিন্দ নন্দী

অনুভৱৰ কোঠালীত.....

❑ মোৰ তেজত বন্ধুত্বৰ সুবাস 76
✍ মৃণাল শালৈ

❑ প্ৰেম- কিছু অনুভৱ 79
✍ ইফতিকাৰ চৌধুৰী

❑ অনুভৱৰ শীৰ্ষবিন্দুত তোমালোকৰ প্ৰতিচ্ছবি 80
✍ বিদ্যুৎ বেজবৰুৱা

❑ জীৱনৰ কুৰুক্ষেত্ৰ 82
✍ সত্যজিৎ বৈশ্য

❑ "Me" in Twilight years 83
✍ Bulbul Barman

❑ মোৰ প্ৰথম প্ৰেম 104
✍ যুৱৰাজ চৌধুৰী

সাময়িকী ......

❑ Child Abuse 35
✍ Dr. Jyotiraj Pathak

❑ Right to Information Act, 2005 39
✍ Dr. Dwijendra Nath Deka

❑ Anna Hazare : The Voice Against Corruption 49
✍ Neep Saikia

কথা শিল্পৰ আখলত......

❑ कणमानि माइना 55
✍ अनिता हालै

❑ सेन्दुरीया यात्राপথত কালধুমুহা 57
✍ হেমন্ত কুমাৰ ৰাভা

❑ गिबि आरो जोबथा प्रेजेन्ट 60
✍ बिसोम्बि सरगीयारी

❑ थाखोमानाय खोमसिनिफ्राय सोरानि लामाजों 64
✍ कुनजु रानि बर'

❑ মোৰ স্বপ্ন 78
✍ দিপাংকৰ ডেকা

❑ ডাঙৰ মইনা 103
✍ কৰ্ণ নাথ

বিবিধা .....

❑ আমাৰ ভাববৃত্তি 14
✍ লক্ষ্মী লহকৰ

❑ জীৱনত অৰ্থৰ প্ৰয়োজন আছেনে ? 77
✍ মাৰকান্দা দাস

❑ বামুৰ্ডা ত্ৰিভুজ- এক বিতৰ্কিত ৰহস্য 102
✍ অপূৰ্ব তালুকদাৰ

❑ মাদক দ্ৰব্য- অন্য এক বিভীষিকা 105
✍ নিলোৎপল কলিতা

আলাপ.....

❑ নিজৰা আহমেদাৰ সৈতে এখন্তেক 66
❑ ড° ৰীতা চৌধুৰীৰ সৈতে এক সাক্ষাৎকাৰ 72
❑ বিশিষ্ট সাহিত্যিক ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্যৰ সৈতে এটি আলাপ 84
❑ তমসো মা জ্যোতিৰ্গময় 106
❑ অংকুৰিত প্ৰতিভা দ্বীপজ্যোতি বড়ো 109
❑ ভাস্কৰ্য শিল্পী অকুণ্ঠ কাকতিৰ সৈতে এখন্তেক 116
❑ অন্য এক খোজ- ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী 117
❑ সোঁতৰ বিপৰীতে 118
❑ আলোচনী সম্পাদকলৈ কিছু প্ৰশ্ন ? 119

বিভাগীয় প্ৰতিবেদন 120


# সম্পাদকীয়



নমস্কাৰ / খুলুমবায়,

"মানুহে মানুহৰ বাবে যদিহে অকণো নাভাবে অকণি সহানুভূতিৰে ভাবিব কোনেনো কোৱা সমনীয়া...."

ভূপেন দাই গোৱাৰ দৰে, অসমীয়া সাহিত্যৰ বাবে যদিহে অসমীয়া মানুহে নাভাবে তেন্তে কোনেনো ভাবিব কোৱা সমনীয়া ? সাহিত্য এটা জাতিৰ চিনাকি। অসমীয়া সাহিত্যও আমাৰ অসমীয়া জাতিৰ চিনাকি। যদি সাহিত্যই নাথাকে আমাৰ পৰিচয়ে বা ক'ত ? মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, লক্ষ্মীনাথ বেজবৰুৱা, বিষ্ণুপ্ৰসাদ ৰাভা, জ্যোতিপ্ৰসাদ আগৰৱালা ইত্যাদিয়ে আমাৰ সাহিত্যৰ পথ দেখুৱাই গৈছে। লাচিত, চিলাৰায়, জয়মতীয়ে আমাক ধৈৰ্য ধৰিবলৈ আৰু সাহসী হ'বলৈ শিকাইছে। জাতিৰ পিতা মহাত্মা গান্ধীয়ে আমাক ঐক্যবদ্ধ হ'বলৈ শিকাইছে। আমি মাথো তেওঁলোকৰ আদৰ্শক অনুকৰণ কৰাৰ প্ৰয়োজন। এইখিনিয়ে কৰিবলৈ আজি আমাৰ সময় নাই। অথচ আমি নিলাজৰ দৰে কেৱল পশ্চিমীয়া সংস্কৃতিৰ পিছে পিছে দৌৰি আছো। আমাৰো সাহিত্য আৰু থলুৱা সংস্কৃতি আছে। সকলোতে তেওঁলোকক অনুসৰণ কৰাৰ প্ৰয়োজন ক'ত ? প্ৰয়োজন হয়তো আছে, কিন্তু তাৰো সীমা থকা উচিত। পশ্চিমীয়া সংস্কৃতিৰ অন্ধ অনুকৰণে আমাক বিপদত পেলাব। আমি নিজৰ সংস্কৃতিকে পাহৰি যাম। পশ্চিমৰ দেশৰ পৰা আমি সংস্কৃতি নহয় তেওঁলোকৰ কৰ্ম উদ্যমতা, শৃংখলাবদ্ধ, শিক্ষাব্যৱস্থা, ৰাজনীতি শিকিব লাগে। বৰ্তমান সময়ত আমাৰ জাতিটোৰ অস্তিত্ব হেৰুওৱাৰ পথত। ৰাজনীতিৰ নামত বোকা ছটিওৱাৰ খেলত আজি অসমীয়া জাতিটো থানবান হৈ সিঁচৰিত হৈ পৰিছে.........কিহৰ বাবে......... ?

**আমাৰ দেশৰ শিক্ষা**

বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটা লাভ কৰিলেই প্ৰকৃত জ্ঞানী লোক হৈ নাযায়। আমাৰ দেশৰ শিক্ষিতৰ হাৰ দুখজনকভাৱে পিচপৰা। মাত্ৰ ৭৬ শতাংশ। অৰ্থনৈতিক ভাৱে আমাতকৈ দুখীয়া চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাৰ ৯০ শতাংশ লোক শিক্ষিত। তুলনামূলকভাৱে আমাৰ ভাৰতীয় শিক্ষাৰ মানদণ্ড নিম্ন স্তৰত পৰিব। সকলোৱে স্বীকাৰ কৰিব লাগিব এই দুখজনক সত্যতা। ইয়াৰ কাৰণ কি ? ইয়াৰ কাৰণ প্ৰধানত প্ৰচলিত শিক্ষা পদ্ধতি। ইয়াৰ প্ৰধান দোষ দেশৰ শিক্ষাবিদৰ, চৰকাৰৰ নে কাৰ ?

বৰ্তমান আমাৰ শিক্ষাদান আৰু পৰীক্ষা পদ্ধতি যেনে ধৰণে চলি আছে এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীসকলৰ হৃদয়বৃত্তি, কৰ্মমুখিতা, বাস্তৱ সচেতনতা আদি ব্যক্তিত্ব গঠনৰ গুণাৱলীৰ মূল্যায়ন কৰাত কোনো ভূমিকা ল'ব পৰা নাই। বৰ্তমান আমাৰ ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ লক্ষ্য পৰীক্ষাত পাছ কৰিব লাগিব, বিশ্ববিদ্যালয় ডিগ্ৰী লৈ চাকৰি এটা কৰিব লাগে। বেছিভাগ ছাত্ৰ-ছাত্ৰীয়ে ৯৫ শতাংশই নিজৰ লক্ষ্য নিজে নাজানে। কেইমাহমান পূৰ্বে অ.ই.চি. ডিৰ ছাত্ৰ ছাত্ৰীসকলৰ দক্ষতাৰ পুনৰীক্ষণৰ বাবে সম্পন্ন কৰা (দক্ষিণ আৰু দক্ষিণ এছিয়াৰ দেশসমূহৰ বাবে) বাৰ্ষিক গোলকীয় পৰ্য্যায়ৰ পৰীক্ষাত কিৰগিজস্তানক পৰাজিত কৰি ভাৰতে তালিকাত তলৰ ফালৰ পৰা দ্বিতীয় স্থান লাভ কৰাৰ বিপৰীতে চীনদেশে এই তালিকাৰ একেবাৰে শীৰ্ষত স্থান লাভ কৰিছিল। এই তালিকাখনক ভাৰতৰ ঘৃণে ধৰা শিক্ষা ব্যৱস্থাৰ কফিনটোৰ অন্তিমটো গজাল হিচাবে আখ্যা দিব পৰা যায়। ২০১১ চনৰ সমীক্ষাত২০০ খন শীৰ্ষ বিশ্ববিদ্যালয়ৰ ভিতৰত চীনৰ তিনিখন বিশ্ববিদ্যালয়ে স্থান পালে। আমাৰ দেশৰ এখনো নাই। স্নাতকোত্তৰ ডিগ্ৰীৰ বাবে আমাৰ দেশত ১০০০ খন বিশ্ববিদ্যালয়ৰ প্ৰয়োজন। য'ত মাত্ৰ ৫৪৫ খনহে আছে। ইয়াৰ বিপৰীতে চীনত আছে ২,২৩৬ খন বিশ্ববিদ্যালয়। কেৱল শিক্ষাতে নহয়, ক্ৰীড়া বিভাগতো আমি বহু পিছপৰা। ২০০৮ চনত চীনত হোৱা অলিম্পিকত চীনে শীৰ্ষস্থান লাভ কৰিছে আৰু আমাৰ দেশে ৫০ তম। আমাৰ দেশৰ চৰকাৰে কেৱল নিৰ্বাচনৰ সময়ত টেটু ফালি

চিএঞৰিব জানে, তাৰে বাদে একো নাই। আচল ফলাফল আন্তৰাষ্ট্ৰীয় সমীক্ষাবোৰ চালে গম পোৱা যায় দেশখন কি অৱস্থাত আছে। সেয়ে দেশ চলাই থকা সকলক বিনম্ৰ অনুৰোধ তেওঁলোকে অন্তত দেশৰ স্বাৰ্থত শৈক্ষিক পৰিবেশটো আগুৱাই নিয়াত অগ্ৰণী ভূমিকা গ্ৰহণ কৰক।

**মহাবিদ্যালয়ৰ এটি অনুভৱঃ-**

ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ মহান বটবৃক্ষৰ ছাঁয়াত জিৰাবলৈ পাই নিজকে গৌৰৱ অনুভৱ কৰিছো। সুদীৰ্ঘ পাঁচবছৰ মহাবিদ্যালয়ত নিজকে খাপ খোৱাকৈ মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত জড়িত হৈছো। মহাবিদ্যালয়ত কিছুমান এনেকুৱা অনুষ্ঠান অনুষ্ঠিত হৈছে যাৰ দ্বাৰা মই বহু প্ৰভাৱান্বিত হৈছোঁ। আগলৈ হৈ থকাটো কামনা কৰো। ছাৰ বাইদেউসকলৰ লগতে মহাবিদ্যালয়ৰ কৰ্মচাৰী তথা বন্ধু-বান্ধৱীৰ পৰা যথেষ্ট মৰম পাইছোঁ। মূলত মহাবিদ্যালয়ত শিক্ষাৰ বাবে প্ৰৱেশ কৰিছিলো যদিও বিশেষকৈ সামাজিক কামত জড়িত হৈ পৰিলো। এয়াই ছাগে মোৰ ভৱিষ্যত। মহাবিদ্যালয়ৰ লোহিত দাৰ কেন্টিনৰ চাহ পৰঠাৰ কথা নকলে হয়তো ভুল হ'ব। চাহ-পৰঠাৰ সোৱাদৰ সৈতে কেন্টিনত বহি বন্ধুবৰ্গৰ লগত মনৰ কথাবোৰ বিতৰণ কৰিছিলোঁ।

মহাবিদ্যালয়ত বিভিন্ন জনৰ লগত বন্ধুত্বও কৰিলোঁ। কাৰোবাক ভাল লাগিল, আন কাৰোবাৰ পৰা দুখও পালো। সঁচা অৰ্থত ৰঙিয়া মহাবিদ্যালয়ত মিলিবলৈ সহজ। এনেদৰে আগবাঢ়ি গলো মহাবিদ্যালয়ৰ শিক্ষা জীৱন.............. জীৱনক শিকিলো, বুজিলো.......... কিছুমান মধুৰ স্মৃতিৰ দাগ......... কিছুমান মধুৰ অনুভৱৰ মাজেৰে।

आंनिफ्राय रंङिया फरायसालिमानि गासै बर' फरायसुला फरायसुलिनिसिम साबायखर बावहरनाय थाबाय। बर' फरायसाफोरा खामानि मावनायाव जोबोद मोजां नाथाय खामानि रोंनानै थानाया जानाय नङा, फरायनायावबो गोसो होनांगोन। आसा खालामो गासैबो फरायसा फरायसुलिफोरा गावनि खामानिजों लोगोसे फरायनायावबो गोसो होगोन आरो गावखौनो सासे मोजां सुबुं हिसाबै सिनायथि होगोन।

শেষত যিসকল ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীয়ে তেওঁলোকৰ বহুমূলীয়া ভোটদানেৰে ২০১০-১১ বৰ্ষত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰসন্থাৰ আলোচনী বিভাগৰ সম্পাদক পদৰ বাবে মোক নিৰ্বাচিত কৰি তেওলোকৰ হকে কাম কৰিবলৈ সুযোগ দিয়াৰ বাবে আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো।

ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন কামনাৰে

জয়তু ৰঙিয়া মহাবিদ্যালয়।

ধন্যবাদ সহ / गोजोनथों

**ৰূপম বড়ো**

আলোচনী সম্পাদক

ৰঙিয়া মহাবিদ্যালয়



# The Art of Writing and Speaking Good English

**Late Amarendra Kr. Sarma**
*Ex. Principal i/c, Rangia College*

The ability to write and speak English well is an added advantage. The value of such an accomplishment in social and business life is unestimable. Sir Winston Churchill acknowledge the value of such mastery of English when he stated that the only thing he would punish schoolboys for was not knowing English.

Mastery of language opens new spheres of influence and significant living. It also releases inherent ability and increases self-confidence. According to Napoleon, "we rule men with words." So it is significant that when a dictator seizes power, one of his first steps is to control the press, radio and telephone — the chief means of communicating ideas.

As Wilfred Funk, a leading authority on words, asserts, "Nothing can make a man feel more confident than a mastery of his speech." Because confidence leads to more exciting and satisfying living. The study of English should be undertaken if for no other reason than to acquire more self-confidence.

To acquire mastery of a language is not an easy task; yet it is not altogether outside the ability of anyone with average intelligence. What matters most is the need to realise its importance, and develop an urge for this. How to go about the business, here are some outlines of approach.

1. To start with, we should inculcate a habit of reading books

by able authors. Here we see words in action; we see their power and range. By this we increase our vocabulary. Words are omnipotent. There is no scene, no sequence, no experience which they cannot adequately describe. Further, words are the tools of rational thought. The more words you have at your command, the more clearly you can think.

All the great writers of the world have achieved mastery of words. By it they can convey intricate ideas, subtle feelings, breathtaking scenes. As we read their works, we shall imbibe something of their skill in expression. All the great men of literature — Voltaire, Samuel Johnson, Charles Lamb, Robert Louis Stevenson have been avid readers.

2. In the matter of mastering language, listening carefully to good speakers is of immense benefit. As we listen carefully to experts in action, we are bound to be helped in acquiring the mastery, use of radio and television, and attending public lectures and addresses also come in handy.

3. There should be a systematic and methodical practice in literary composition. Practice in using words is essential if we are to achieve word mastery. All we need is a pencil and paper. Looking out of the window, we may describe the scene to someone who has never visited our place. On another occasion, we may describe our room, our house, our parents, our schooldays. We may also write down our hopes for the future or regrets of the past.

Such practices may lead us to keep a diary; it will provide us with excellent daily practice in writing and recording our thoughts, feelings and emotions.

Correspondence is another helpful activity. We should





take pride and pleasure in letter-writing instead of regarding it as a chore. Then there are letters to magazines and newspapers.

Practice will not only help us write good English, it will also definitely help us to speak it. We write far less than we speak. Perfection in the art of writing will naturally bring a cohesion in our art of speech as well, and bring about a mastery in the spoken word.

4. Words matter most if we are interested in writing and speaking well. The more words we have at our command, the better we will be able to fulfil our purpose. This does not necessarily imply the use of long and erudite words. However, in many cases, one particular word only is able to meet the need adequately. Therefore, it becomes essential that we know that word and be able to employ it readily and confidently.

To increase one's ability in word power, the best way is to jot down any word that crosses our path. Preferably the phrase or sentence in which it occurs should also be noted down in a small notebook. After consulting a dictionary, the proper meaning of the word should be found out apart from determining how each word is stressed and pronounced. Next, the several meanings one particular word may have be written down including the one in the original sentence. It should be repeatedly pronounced several times until it slips off the tongue easily. This gives the necessary confidence to use it aptly. Gradually, these lists of words in the notebook and their meanings will become a part of a man's working vocabulary giving him the confidence to speak and write the language correctly, effectively and attractively.

❑❑❑

**This article is published in own handwriting of the writer.**

# শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰলৈ অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি



বিদ্যুৎ বেজবৰুৱা
স্নাতক তৃতীয় বৰ্ষ
অসমীয়া বিভাগ

এজন ব্যক্তি যিজনৰ মুখত শিশুসুলভ কমনিয়তা, সূৰ্যৰ প্ৰসৰতা ডাৱৰৰ সৃষ্টিৰ নিচিনা প্ৰৱলতাকো কোমলাব পৰা ব্যক্তিত্ব, শিক্ষাৰ্থী নাইবা আন আন ব্যক্তিসকলক নিজা নিজা পদ মৰ্যদা প্ৰদানৰ ক্ষেত্ৰত অকনো কৃপনালী নকৰা আৰু সময়ত উগ্ৰ আৰু সৰলতা গুণৰ অধিকাৰী সেইজনা ব্যক্তিয়ে হ'ল শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰ। আজি আমাৰ মাজত আৰু এইজনা বোধিবৃক্ষ সদৃশ ব্যক্তি নাই। এই সংবাদ অকল্পনীয় হ'লেও নিৰ্ম্মম সত্য। জীৱনৰ উপলাকীৰ্ণ পথৰ বহু ব্যাপ্ত খলা-বমা পাৰ হৈ সময় হঠাৎ ৰৈ গ'ল। এটা আস্থাৰ অন্ত হ'ল। অন্ত হ'ল এটি ৰঙালী জীৱনৰ।। আজি ৰঙিয়াই কন্দাৰ দিন। বহাগৰ প্ৰাকক্ষণত ৰঙিয়াৰ হৃদয়ত নাই আনন্দৰ জোৱাৰ, বল্লভাৰ বালিত পুৱাই পৰা চৰাইজাকৰ কল-কাকলিত নাই জীৱনৰ বোল। ৰঙিয়াৰ পথজুৰিত অবিৰাম উচুপনি, ৰিক্সাচালক জনৰ পৰা বাতৰি বিক্ৰেতা হ'কাৰ জনলৈ সকলোৰে মুখত মাথোঁ এটাই প্ৰশ্ন-- "বগা সাঁজ পৰিহিত শৰ্মা ছাৰজন সঁচাকৈ গ'লগৈ ?" কিয়নো তেখেতৰ সান্নিধ্যক কোনেও উপেক্ষা কৰিব নোৱাৰে। সকলোৰে মুখত বিজয়া দশমী নিশাৰ নিঃস্বতা। এইজনা মহীৰূহ স্বৰূপ সৰ্বজন শ্ৰদ্ধেয় শিক্ষাগুৰুৱে হঠাৎ চৈধ্য মাৰ্চ বুধবাৰে আকাশত সপোন-ৰহণ সানি সকলোকে কন্দুৱাই মেলানি মাগিলে অজান দেশলৈ বুলি !!

ছাৰৰ মুখখন সদায় সোণ সদৃশ উজ্জল আছিল। এক অসাধাৰণ কলাসুলভ আভিজাত্য ফুটি উঠিছিল তেখেতৰ খোজ-কাটল, কথা-বতৰা, ভাব-ভংগী, পিন্ধন-উৰণ সকলোতে, সকলো সময়তে। এই একেবাৰে সাধাৰণ মানুহজনৰ আছিল সহজ-সৰল পানীৰ দৰে স্বচ্ছ এক বিৰল চিৰসেউজ ব্যক্তিত্ব। তেখেতৰ মানৱীয় অনুভূতিয়ে তেখেতৰ জীৱন পৰিক্ৰমাক এক অন্য মাত্ৰা প্ৰদান কৰিছিল। তেখেতে ছাত্ৰ-ছাত্ৰীক সকলো সময়তে শিক্ষাৰ্থী হিচাপে বিবেচনা নকৰি বন্ধুত্বৰ দৃষ্টিৰেও চাইছিল। সেয়েহে কোনো এগৰাকী শিক্ষাৰ্থীয়ে যদি কোনো অভিযোগ তথা সহায়ৰ বাবে তেখেতৰ ওচৰত উপস্থিতি হৈছিল তেখেতে কেতিয়াও বিমূৰ্ষ নকৰি উপযুক্ত বুজনিৰে উপযুক্ত সহাৰি দিছিল।

শ্ৰদ্ধাৰ শৰ্মা ছাৰৰ মনত কেতিয়াও হীন-পৰ ভাৱৰ বীজ নাছিল। শৰ্মা ছাৰ কেতিয়াও অধ্যক্ষৰ পদ মৰ্য্যদাৰে ফুলি থকা নাছিল। তেখেতে প্ৰত্যেকজন শিক্ষক-শিক্ষয়িত্ৰীৰ লগত অতি একাত্মভাৱে সমস্যাৰ সমাধান বিচাৰিছিল নাইবা অন্য আলোচনাও কৰিছিল। আনকি বিদ্যালয় সপ্তাহৰ খেল-ধেমালী প্ৰতিযোগিতাতো আগ-ভাগ লৈছিল তেখেতে আন আন শিক্ষক-শিক্ষয়িত্ৰীৰ নিচিনাকৈ। তেখেতে বিশেষকৈ 'স্মৃতি-শক্তি পৰীক্ষা'ত বেছিকৈ আগভাগ লৈছিল। আনকি ইমানতো ক্ষান্ত নাথাকি তেখেতে ছাত্ৰ-ছাত্ৰীৰ মাজত চলা প্ৰতিযোগিতাসমূহো উপভোগ কৰিছিল আৰু প্ৰতিযোগীসকলক সজ উপদেশ প্ৰদান কৰিছিল। শ্ৰদ্ধেয় শৰ্মা ছাৰে কলেজীয়া নিয়মানুবৰ্তিতাত নচলি অনাই-বনাই ঘূৰি ফুৰা ছাত্ৰ-ছাত্ৰীক কেতিয়াও ভাল চকুৰে চোৱা নাছিল।





এইগৰাকী একনিষ্ঠ মহান ব্যক্তিগৰাকীৰ জন্ম হৈছিল ১৯৫১ চনত কামৰূপ জিলাৰ ৰঙিয়াত।। শৰ্মা ছাৰ মানসিক ভাৱে বৰ সুষ্ঠিৰ আছিল। মৃত্যুৰ আগলৈকে এইজনা কৰ্মযোগী কৰ্মতেই ব্যস্ত আছিল। কিন্তু বিধিৰ কি বিড়ম্বনা, মাত্ৰ ৬১ বছৰ বয়সতে এইজনা মহানে পৰিয়ালৰ লগতে আন সকলো আত্মীয়কে কন্দুৱাই ৰহস্যঘন কুঁৱলীৰ আভৰণ ফালি তাৰ মাজত সোমাই পৰিল।

মোৰ জীৱনত প্ৰথমবাৰৰ বাবে শৰ্মাছাৰৰ সাক্ষাৎ লাভ কৰিছিলোঁ ২০০৯-২০১০ বৰ্যত। সেই সময়ত মই 'ৰঙিয়া মহাবিদ্যালয়'ৰ স্নাতক প্ৰথম বৰ্যৰ ছাত্ৰ। এটা বিশেষ কাৰণত (অৱশ্যে কাৰণটো বৰ্ণোৱাৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাই) শৰ্মা ছাৰে কেইযাৰমান কথা কৈছিল- "কিজানি আজি প্ৰথমতে আহিছা ? আগত আৰু তিনিটা বছৰে বাকী আছে......"। সেই কথাকেইষাৰ এতিয়াও মোৰ কাণত বাজি আছে।

যিদৰে কলেজীয়া জীৱনৰ প্ৰথম দিনাই ছাৰৰ আগত উজুতি খাইছিলোঁ ঠিক সেইদৰে কলেজীয়া জীৱনৰ শেষৰ পিনে এদিনাখন ছাৰৰ চৰণ চুই প্ৰণাম কৰাৰ সুযোগ পাইছিলোঁ। সেই চিৰস্মৰণীয় দিনটো আছিল ২০১১-২০১২ বৰ্যৰ মহাবিদ্যালয় সপ্তাহৰ বঁটা বিতৰণী সভা অৰ্থাৎ ছয় জানুৱাৰী। এটা বিশেষ পুৰস্কাৰ শ্ৰদ্ধাৰ 'মুকুল কলিতা' ছাৰৰ পৰা গ্ৰহণ কৰি সন্মুখত বহি থকা শ্ৰদ্ধাৰ অমৰেন্দ্ৰ শৰ্মা ছাৰক চৰণ চুই প্ৰণাম কৰি তেখেতৰ পৰা আৰ্শীবাদ মূৰ পাতি গ্ৰহণ কৰি অনুভৱ কৰিছিলোঁ- এয়াই কলেজীয়া জীৱনৰ অন্তিমটো আৰ্শীবাদ। কিন্তু সেয়া আছিল কলেজীয়া জীৱনৰো শেষ মূহুৰ্তত; আজি সকলো শেষ হৈ গ'ল। প্ৰকৃততে এনে এজন মহান ব্যক্তিৰ কথা আমাৰ নিচিনা ক্ষুদ্ৰ লিখকৰ ক্ষুদ্ৰ লিখনিত লিখি অতাব পৰা বিধৰ নহয়। সেয়েহে সময়ৰ অভাৱত আন কিছুমান কথা বৰ্ণোৱাত বা তথ্য দাঙি ধৰাত বিফল হৈছোঁ, অনুগ্ৰহ কৰি যাতে সহৃদয় পাঠকে এই দোষ মৰিষণ কৰে। এইজনা সৰ্বগুণ সম্পন্ন শ্ৰদ্ধেয় ব্যক্তিৰ যোৱা ১৪.০৩.২০১২ তাৰিখ বুধবাৰে ৰাতিপুৱা ৮-৩০ বজাত মুম্বাইৰ প্ৰিন্স আলীখান হস্পিতালত পৰলোক প্ৰাপ্তি হয়। অতি দুখৰ কথা এয়ে যে এইজনা মহামানবে নিজ কৰ্মজীৱনৰ পৰিসমাপ্তি ঘটাই বৰ বেছিদিন পাৰিবাৰিক সুখ ভোগ কৰিব নাপালে। তেখেতে যোৱা ৩১.০১.২০১২ তাৰিখে আনুষ্ঠানিক সন্মান সহকাৰে ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ আৰু ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক পদৰ পৰা সফল কৰ্মজীৱনৰ পৰিসমাপ্তি ঘটায়।

এই খিনি কথা টোকা বহীত লিখি থৈছিলো যোৱা ১৪.০৩.২০১২ তাৰিখ বুধবাৰে দুপৰীয়া প্ৰায় ১.৩০ বজাত। বন্ধু 'ৰূপম'ৰ পৰা এটা 'মেচেজ' যোগে অহা শৰ্মাছাৰৰ সেই হৃদয় বিদাৰক দুঃখবৰটো পায়। হঠাৎ এইটো মোৰ বাবে মানি লোৱাটো সম্ভৱ নাছিল যদিও সেয়া একান্তই সত্য আছিল। ১৬.০৩.২০১২ তাৰিখ শুক্ৰবাৰে যদিও তেখেতৰ নশ্বৰ দেহ মহাবিদ্যালয়লৈ অনা হৈছিল এটা বিশেষ অসুবিধাৰ কাৰণে শ্ৰদ্ধাৰ ছাৰক শেষ বাৰৰ দৰ্শনৰ পৰা বঞ্চিত হৈছিলো, যিটো মোৰ কাৰণে আছিল অতিকৈ দুৰ্ভাগ্যজনক। এইখিনি লিখাৰ সময়ত মই যথেষ্ট আৱেগিক হৈ পৰিছিলো- সেয়া একান্তই স্বাভাৱিক। জীৱিত কালত শৰ্মা ছাৰক যথেষ্ট ভাল পাইছিলো, শ্ৰদ্ধা কৰিছিলোঁ (বৰ্তমানও ভাল পাওঁ, শ্ৰদ্ধা কৰোঁ), আৰু বহু সময়ত সমালোচনাও কৰিছিলোঁ। কিন্তু সমালোচনা যদিও কৰিছিলোঁ, সেই সমালোচনাৰ গণ্ডীত সোমাই আছিল একান্ত কলেজীয়া স্বাৰ্থহে মাথোঁন।

> এটা বিশেষ পুৰস্কাৰ শ্ৰদ্ধাৰ মুকুল কলিতা ছাৰৰ পৰা গ্ৰহণ কৰি সন্মুখত বহি থকা শ্ৰদ্ধাৰ অমৰেন্দ্ৰ শৰ্মা ছাৰক চৰণ চুই প্ৰণাম কৰি তেখেতৰ পৰা আৰ্শীবাদ মূৰ পাতি গ্ৰহণ কৰি অনুভৱ কৰিছিলোঁ- এয়াই কলেজীয়া জীৱনৰ অন্তিমটো আৰ্শীৰ্বাদ।

সু-ব্যক্তিত্বৰ কেতিয়াও বিনাশ নহয়। সৃষ্টি তথা তেখেতৰ কৰ্মৰাজিৰ মাজেৰেই তেখেত অমৰ। শৰ্মা ছাৰো তেখেতৰ ব্যক্তিত্বৰ মাজেৰেই আমাৰ প্ৰাণত চিৰস্মৰণীয়, চিৰজ্যোতিস্মান। ছাৰৰ জীৱন পৰিক্ৰমাৰ সম্পূৰ্ণ ছবি এই সীমিত লেখাৰ মাজত সামৰি কোৱাটো ইমান সহজ নহয়। সেয়ে পঢুৱৈ সমাজ তথা বিদ্যান সমাজৰ ওচৰত অজানিতে ৰৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে আকৌ এবাৰ লিখক ক্ষমা প্ৰাৰ্থী।

পৰিশেষত গীতিকাৰ হেমন্ত দত্তৰ এটি গীতৰ কিছু অংশ আৰু দুৰ্ভগীয়া লিখকৰ এই ক্ষুদ্ৰ লিখনিটিৰে প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলোঁ----

তুমি যি বাটেৰে ওলালা আজি
জানো নাহা উভতি
তুমি যোৱাৰ বাটত চকুলোৰে ফুল
সিঁচিলো আঁকি।।

❑❑❑

(এই লিখনিটিত শ্ৰদ্ধাৰ অমৰজ্যোতি ভাস্কৰ ছাৰ আৰু বন্ধু ৰূপম বড়োৰ যথেষ্ট সহায় লোৱা হৈছিল। সেয়েহে এই দুইজনাৰ ওচৰত মই চিৰ কৃতজ্ঞ।।)

# শ্ৰদ্ধাৰ অমৰেন্দ্ৰ কুমাৰ শৰ্মা- অনন্য ব্যক্তিত্ব

(প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মাৰ পবিত্ৰ স্মৃতিত প্ৰকাশিত 'অমৰ প্ৰদীপ' স্মৰণিকাৰ পৰা উদ্ধৃত ভিন্ন লিখনিৰ কিয়দাংশ)

সংগ্ৰহক তথা সংকলক
অমৰ জ্যোতি ভাস্কৰ
সহযোগী অধ্যাপক, অসমীয়া বিভাগ

শুধ বগা চোলা আৰু পায়জামা পৰিহিত ডাঠ ক'লা ফ্ৰেমৰ চশমাৰ মাজত বুদ্ধিদীপ্ত চকু জুৰিৰে শৰ্মাৰ চেহেৰাটো কেতিয়াবা কোনোবা মুহূৰ্তত মানস পটত ভুমুকি মাৰি যায়।...... চিন্তাশীল, নীতি নিষ্ঠ বন্ধু অমৰেন্দ্ৰ শৰ্মাৰ অকাল বিয়োগত মৰ্মাহত হৈছো। তেওঁৰ আত্মাই পৰম শান্তি লাভ কৰক।

- পুলকেশ বৰুৱা
প্ৰাক্তন অধ্যক্ষ
অসম বিধান সভা

তেওঁৰ শৈক্ষিক, সাহিতিক, সামাজিক, সাংস্কৃতিক আদি বহুমুখী প্ৰতিভা আৰু কাৰ্যকলাপৰ বিষয়ে ক'বলৈ এটি দীঘলীয়া লিখনিৰ প্ৰয়োজন হ'ব। অধ্যাপক প্ৰয়াত অমৰেন্দ্ৰ শৰ্মা অতি মেধাবী আৰু কৃতী শিক্ষক আছিল...। তেওঁ অতি অমায়িক, সৰ্বপ্ৰিয়ভাজন আৰু শ্ৰদ্ধাবান ব্যক্তি আছিল।

- থানেশ্বৰ বড়ো
প্ৰাক্তন শিক্ষামন্ত্ৰী, অসম

সেই সকু কালতেই তেওঁ আছিল আমাৰ চিন্তাৰ নায়ক। তেওঁৰ বিচাৰ বুদ্ধি আৰু পোনপটীয়া কথাৰ বাবে তেওঁ আছিল আমাৰ অঘোষিত নেতা।...... কলেজ, বিশ্ববিদ্যালয়ত অমৰেন্দ্ৰ আছিল সমনীয়া সহপাঠী, কনিষ্ঠ, জেষ্ঠ সকলো ছাত্ৰ-ছাত্ৰীৰে শ্ৰদ্ধাৰ পাত্ৰ। তেওঁৰ অমায়িক পৰিচ্ছন্ন ব্যৱহাৰ, মাৰ্জিত বিশেষ সাজ পোচাক আৰু জ্ঞানৰ সৌৰভে সকলোকে মোহিত কৰি ৰাখিছিল।

- দীনবন্ধু ঠাকুৰীয়া, শুভাকাংক্ষী

ৰাজনীতি, সমাজনীতি, দেশ বিদেশৰ বিভিন্ন ঘটনা, খেলা-ধুলা আদিৰ উপৰিও গল্প-গাজা আদিয়ে আমাৰ মিলন অৱসৰ বিনোদনলৈ ৰূপান্তৰিত কৰিছিল। অমৰেন্দ্ৰ আমাৰ সকলোতকৈ বয়সত সৰু হেৱা বাবে এক নিৰ্দিষ্ট ব্যৱধান ৰাখি সকলোবোৰ আলোচনাত অংশ গ্ৰহণ কৰিছিল। ব্যৱসায়ী সকলৰ লগত এই আড্ডাত যোগ দিয়া বাবে কোনো কোনো লোকে অমৰেন্দ্ৰক প্ৰশ্ন কৰিছিল - "এই বুঢ়া সকলৰ লগত তুমি কি কৰাহে?" এই প্ৰশ্নৰ উত্তৰ হিচাপে তেওঁ এঠাইত লিখিছে - "এই সঙ্গই আনিছিল এক অসামান্য প্ৰজ্ঞা আৰু জীৱনবোধৰ এক নতুন সন্তেদ।"

- জ্যোতিষ চন্দ্ৰ চৌধুৰী
প্ৰাক্তন মুৰব্বী অধ্যাপক, বুৰঞ্জী বিভাগ
ৰঙিয়া মহাবিদ্যালয়

এক শুভ ইচ্ছাৰ প্ৰতিমূৰ্তি তেওঁ। এটা পৰিশীলিত জীৱনৰ গৰাকী, এক ব্যক্তিক্ৰমী জীৱনশৈলীৰে বিশেষ ব্যক্তিগৰাকীৰ নাম অমৰেন্দ্ৰ কুমাৰ শৰ্মা। মাত্ৰ কেইদিন মানৰ বাবে অতি ওচৰৰ পৰা ব্যক্তিগৰাকীৰ ভিন্নৰঙী প্ৰতিভাৰ মধুৰ অভিজ্ঞতা সম্পূৰ্ণ নহ'লেও উপলব্ধি কৰিব পাৰিছো তেওঁৰ অন্তৰত আছে মানৱতাৰ নিৰ্লোভ ভাস্কৰ্য্য, কৰ্তব্যত নিশ্চিদ্ৰ ধাৰাবাহিকতা, দৃষ্টিত আছে প্ৰসাৰ সৰলতা, হাঁহিত আছে শব্দহীন অযুত প্ৰকাশ, জীৱন শৈলীত আছে গান্ধীবাদৰ উপলব্ধি, সংহতিৰে গঢ়িব খোজে এখন সমাজৰ প্ৰস্তুতি।

- ড° যোগেশ কাকতি
অধ্যক্ষ, ৰঙিয়া মহাবিদ্যালয়

শৰ্মাৰ সু-নীতি, সু-আদৰ্শ, সহজ সৰল জীৱন শৈলী নিৰহংকাৰ মন আৰু জনহিতৈষী চিন্তা-চৰ্চাই মোক বাৰুকৈ আকৃষ্ট কৰি তুলিছিল। ... বহু জ্ঞান সম্পন্ন পণ্ডিত শৰ্মাৰ স্বকীয় মেধা আৰু জ্ঞান পিপাসাই মোক ক্ৰমে অধিকভাৱে প্ৰভাৱান্বিত কৰি তুলিছিল।

- শ্ৰীভৱানন্দ শৰ্মা
প্ৰাক্তন প্ৰধান শিক্ষক
প্ৰেমদা শিৱনাথ বিদ্যাপীঠ হাইস্কুল

শিক্ষকৰ গাত থাকিবলগীয়া সকলো সৎগুণেৰে সমলংকৃত এগৰাকী আদৰ্শ কৃতি শিক্ষক। সংসাৰৰ ঘাত-প্ৰতিঘাতেও তেখেতক কৰ্তব্যনিষ্ঠাৰ পৰা স্খলিত কৰিব পৰা নাছিল। গভীৰ নিষ্ঠা আৰু সততাৰে শিক্ষকতা আৰু অধ্যক্ষতা কৰাৰ উপৰি এগৰাকী দায়িত্বশীল সামাজিক হিচাপে তেখেতে সমাজ জীৱনলৈ প্ৰভূত অৱদান দি থৈ গৈছে।

- ড° দক্ষেশ্বৰ ডেকা
মুৰব্বী অধ্যাপক, সংস্কৃত বিভাগ
ৰঙিয়া মহাবিদ্যালয়





অমৰেন্দ্ৰ শৰ্মাৰ প্ৰজ্ঞা, সৃষ্টিশীলতা, সাংগঠনিক দক্ষতা প্ৰকাশ পাইছিল বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাত ..... বৰ্ণাঢ্য ব্যক্তিত্ব, উচ্চ মূল্যবোধ আছিল তেওঁৰ জীৱন বাটৰ লগৰী। তেওঁৰ ক্ষেত্ৰত বাৰুকৈয়ে প্ৰযোজ্য "Man lives in deed not in year"

- নৰেন্দ্ৰ শৰ্মা
সাংস্কৃতিক কৰ্মী আৰু বিশিষ্ট সমাজসেৱক

বেণ্টিংক কিন্তু সকলোৰে ব্যতিক্ৰম আছিল। তেওঁৰ শুভ্ৰ পোছাক পৰিহিত শান্ত সৌম্য মূৰ্তিয়ে সকলোকে আকৃষ্ট কৰিছিল। তেওঁ সৰু কালৰে পৰা আমাৰ আদৰ্শ আছিল।

- অনিল চৌধুৰী
অন্তৰঙ্গ সহপাঠী

অমৰেন্দ্ৰদা নিষ্ঠাবান কৰ্মীয়ে নহয় অটল প্ৰতিভাৰ অধিকাৰী আছিল। সেই প্ৰতিভা জ্ঞানৰ প্ৰতিভা, কৰ্মৰ হিচাব নিকাচ কৰিব পৰা প্ৰতিভা। যেনেকৈ জ্ঞানী তেনেকৈ তেখেতৰ খুহুঁটীয়া স্বভাৱ।

- আচাৰ্য দয়াল কৃষ্ণ বৰা, শুভাকাংক্ষী

সময়োপযোগী নিৰ্ভীক, ধীৰ, স্থিৰ, বলিষ্ঠ সিদ্ধান্ত প্ৰদানেৰে অসমৰ ছাত্ৰ সমাজৰ গুৰি বঠা ধৰা শৰ্মাদেৱ আছিল বাস্তৱ জীৱনৰ মহান ভাৰতীয় আদৰ্শৰ এটি জীৱন্ত প্ৰতীক। তেখেতৰ কৰ্মময় জীৱনৰ প্ৰতিটো খোজতে ত্যাগৰ আদৰ্শ বিদ্যমান। নাই কোনো মিছা ভেম, মান অভিমান। তেখেতৰ জীৱনৰ মূলমন্ত্ৰটো হৈছে - "Simple living, high thinking"

- লীলাধৰ কাকতি, অধ্যক্ষ,
আৰিমত্ত বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়

ক্ৰিকেট আছিল বাপা খুৰাৰ অতি প্ৰিয় ক্ষেত্ৰ। অদ্ভুত Passion আছিল তেওঁৰ ক্ৰিকেটৰ প্ৰতি। বিশ্ব ক্ৰিকেটৰ অলেখ তথ্যৰ ভড়াল আছিল তেওঁ। লগতে আছিল সম্পূৰ্ণ unpredictable বুলি অভিহিত ক্ৰিকেট খেল সম্বন্ধে তেওঁৰ অসামান্য বিশ্লেষণ দক্ষতা। কিন্তু নিজৰ প্ৰিয় বিষয়টোলৈ তেওঁ কাহানিও উচ্ছাসিত নাছিল।

- চন্দন শৰ্মা, ভতিজা

সমাজৰ তথা তেখেতৰ সংস্পৰ্শলৈ অহা বিভিন্ন জনৰ ব্যক্তিগত জীৱনৰো সৰু সৰু ঘটনাৰাজি চন তাৰিখ বাৰসহ মনত ৰাখিব পৰা এক অদ্ভুত ক্ষমতাৰ অধিকাৰী আছিল অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰ।

- পুলকেশ মজুমদাৰ, আচাৰ্য্য
শংকৰদেৱ শিশু নিকেতন, ৰঙিয়া

প্ৰত্যুৎপন্নমতিৰে সমস্যা সমাধান কৰিব পৰা গুণৰ অধিকাৰী ছাৰে নিকা ভাৱমূৰ্তিৰে, সুদক্ষ প্ৰশাসকৰ ভূমিকাৰে, নিজস্ব জীৱন শৈলীৰে আমাৰ আটাইৰে হৃদয়ৰ কোষে কোষে সোমাই পৰিছিল। স্বল্পভাষী ছাৰে কোনো কথাতেই জোৰকৈ নাহাঁহিছিল, কিন্তু তেখেতৰ নিৰ্মল হাঁহিটোৰ মাদকতাই সকলো সময়তে আমাক পুলকিত কৰিছিল।

- ভুপেন কাকতি
গুণমুগ্ধ প্ৰাক্তন ছাত্ৰ

সমাহিত খোজটো যেন নগৰখনৰ খোজ। নীৰৱ এই খোজটো কিন্তু নিতাল নহয়, নিৰ্দিষ্ট এটা তালত বন্ধা যেন এটা প্ৰভাতী ৰাগ-ধীমান, প্ৰশান্ত, প্ৰদীপ্ত। কিমান দিন, কিমান মাহ, কিমান বছৰ জুৰি সেই একেটা খোজ। ..... খোজ কঢ়া মানহজন যি পালে, যি দিলে, লৰৰি-ঢাপৰি ফুৰা সকলে সেয়া নাপালে, দিবও নোৱাৰিলে।

- নুৰুল আমিন
উদীয়মান সাহিত্যিক

ইংৰাজী নাম আৰু স্বভাৱে চৰিত্ৰই অসমীয়া অমৰেন্দ্ৰ শৰ্মা এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি আছিল। তেওঁ ইংৰাজী সাহিত্যৰ চোকা ব্যক্তি হ'লেও এনে বিষয় আমি জনাত নাই যিটোত তেওঁৰ দখল নাছিল। প্ৰতিটো বিষয়ৰে সুক্ষ্ম পৰ্যবেক্ষণ আৰু অধ্যয়ন কৰি নিৰ্ভুল ভৱিষ্যতবাণী কৰি তেওঁ সফল হৈছিল।

- গিৰীশ কলিতা, বেংক বিষয়া

খোজ কাঢ়িয়েই মহাবিদ্যালয়লৈ অহা যোৱা কৰা সহজ সৰল অনাড়ম্বৰ, অমায়িক স্বভাৱৰ, ঋষিতুল্য এই মহান শিক্ষাবিদ গৰাকীৰ স্মৃতি চিৰযুগমীয়া হৈ ৰ'ব।

- চৈয়দ আব্দুৰ ৰহমান, শুভাকাংক্ষী

ৰঙিয়া মহাবিদ্যালয়ে গৌৰৱেৰে সুঁৱৰিব পাৰিব যে অমৰেন্দ্ৰ কুমাৰ শৰ্মাৰ দৰে এজন শিক্ষাবিদে, নিজৰ পৰিয়ালতকৈয়ো মহাবিদ্যালয়খনক বেছি ভালপোৱা এজন মহানুভৱ ব্যক্তিয়ে তাত অধ্যাপনা আৰু অধ্যক্ষতা কৰিছিল। ৰঙিয়াৰ উত্তৰ পুৰুষলৈ আমাৰ অনুৰোধ, যাতে অমৰেন্দ্ৰ কুমাৰ শৰ্মাক Role model হিচাপে অনুসৰণ কৰি

ৰঙিয়াৰ এটা সুস্থ বাতাবৰণ সৃষ্টি কৰাত মনোনিৱেশ কৰে।

- কৰুণা শৰ্মা, অভিযন্তা, ৰাজ্যিক বিদ্যুৎ পৰিষদ

অমৰেন্দ্ৰদা আছিল বহু গুণ গৰিমাৰে সমৃদ্ধ, সমাজৰ সৰ্বজন নমস্য এগৰাকী অতি উচ্চ খাপৰ ব্যক্তি। সাধুতা, মানৱতা, দয়া আৰু প্ৰচুৰ ধৈৰ্য শক্তি আছিল তেখেতৰ ব্যক্তিত্বক সৌন্দৰ্যময় কৰি তোলাৰ প্ৰধান ভূষণ। তেখেতৰ ইতিবাচক চিন্তা-চেতনাৰ কৰ্ষণে উদ্ভাষিত কৰি তুলিছিল প্ৰকৃত মনুষ্যত্ব গুণৰ পৰম সৌন্দৰ্য, এক সহজ সৰল জীৱনবোধ।

- তৰুণ শইকীয়া
বিশিষ্ট অভিনেতা আৰু প্ৰাক্তন ছাত্ৰ
ৰঙিয়া মহাবিদ্যালয়

......... মহীৰূহ এজোপা যেন প্ৰাত্যাহিকতাৰ বতাহত বাগৰি পৰিল.......।

- গুণমণি কলিতা
প্ৰাক্তন সাধাৰণ সম্পাদক
ৰঙিয়া মহাবিদ্যালয়

সফলতাৰ মাপ কাঠিৰে চালে দেখা যায় যে তেখেত প্ৰকৃততে এশ শতাংশই সফল শিক্ষক আৰু অধ্যক্ষ হিচাবে মই ভাবো শৰ্মাদেৱ দক্ষ প্ৰশাসক আৰু সুপৰিচালক। "কাম বেছি কথা কম" তেখেতৰ জীৱনৰ বাণী।

- ভূপেন্দ্ৰ নাথ শৰ্মা, মুৰব্বী অধ্যাপক
দৰ্শন বিভাগ, ৰঙিয়া মহাবিদালয়

তেখেতৰ এটা উক্তি মোৰ দৰে বহুতৰে বাবে অতি প্ৰনিধান যোগ্য- "তুমি য'লৈ যোৱা তালৈকে অনুষ্ঠানখন লৈ যোৱা" অৰ্থাৎ আমি যদি শিক্ষক হয় তেন্তে সকলো সময়তে শিক্ষক, হয়তো বজাৰত, সভাত আন কৰবাত ইত্যাদি।

- ৰবীন দাস, আচাৰ্য্য
শংকৰদেৱ শিশু নিকেতন, ৰঙিয়া

Modest to a fault and a symbol of simplicity and high thinking. Amarendra Sarma was definitely a role model for the teaching community and a source of inspiration to the students.

- Dilip Kumar Barua
Ex-Principal, Cotton College

Throughout my life, I have not seen a second person as honest and incourruptible as Amanrendra Sarma- so very different from to day's student and other leaders.

- Krishna Gopal Bhattacharyya, Professor,
Deptt. of Chemistry, Gauhati University

Sir was a close observer of life, a great reader of situation, an authority in English and Assamese Language and recent Political History.

- Hrishikesh Choudhury
Asstt. Professor, Deptt. of English
Rangia College

Whenever he talked about his collegues at Rangia College his face brightened with pride and told "they are ranked among the best in the state." A person who de dicated his whole life for giving the best to his student, to the society, to the institution he built up - a person I always respect .......... . On the day of his funeral, Ankur Das (Ankur Deka, noted writer and Art critic) wrote in anSMS to me- "It's the end of a Golden Era."

- Ajanta Phatowali, DGM
IDBI, Guwahati

He was "a worthy son of a worthy father". A good teacher, a successful administrator, a person having full command over Assamese and English Language, a real human being, a store house of old and new information relating to different topics, a silent worker and a true friend of humianity - such were the different roles that he played with uniform distinction during his fruitful career. His memory was so sharp that sometimes I thought that he was a walking computer connected with internet facility.

- Rajesh Kumar
Associate Professor, Deptt. of English
Rangai College

❑❑❑





শিক্ষক হিচাপে তেখেত আছিল সদায় Resourceful. পাণ্ডিত্যৰ ভেম তেখেতৰ নাছিল। তেখেতে দুই দশকৰো অধিক কাল কলেজৰ বিভিন্ন পৰীক্ষাৰ কাম সুকলমে চলাইছিল। দুখীয়া ছাত্ৰ-ছাত্ৰীক তেখেতে ব্যক্তিগতভাৱেও সহায় কৰিছিল। কলেজৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ তেখেত সক্ৰিয় অংশীদাৰ হৈছিল। কলেজ সপ্তাহত অনুষ্ঠিত আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাত তেখেতৰ উপস্থিতি সক্ৰিয় আছিল।

# শ্ৰদ্ধেয় অমৰেন্দ্ৰ কুমাৰ শৰ্মা
# জীৱন আৰু কৃতি

দীনেশ লহকৰ
সহযোগী অধ্যাপক
অৰ্থনীতি বিভাগ

ৰঙিয়া অসমৰ এখন প্ৰাচীন চহৰ। ইয়াৰ বুকুতেই জন্ম হৈছিল ১৯৫১ চনত এক শৈক্ষিক -সাংস্কৃতিকভাৱে চহকী পৰিয়ালত এটি শিশুৰ। নাম অমৰেন্দ্ৰ কুমাৰ শৰ্মা। দেউতাকে পোছাকী নাম দিছিল বেণ্টিংক। ইতিহাসৰ পৃষ্ঠাৰ বেণ্টিংক। জ্যেষ্ঠ আৰু আত্মীয়জনৰ বাবে তেখেতৰ মতা নাম আছিল 'বাপা'। অমৰ আছিল বহুজনে মৰমতে মতা তেখেতৰ সৰলীকৃত নাম।

অমৰেন্দ্ৰ শৰ্মাৰ দেউতাক সেই সময়ৰ ৰঙিয়া- হাইস্কুলৰ প্ৰধান শিক্ষক, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত স্বৰ্গীয় প্ৰাণেশ্বৰ শৰ্মা- ৰঙিয়াৰ শিক্ষা আৰু সামাজিক জীৱনৰ মাইল পোষ্ট। মাতৃ প্ৰয়াত লক্ষ্মীপ্ৰিয়া দেৱী। এক ব্যতিক্ৰমধৰ্মী পৰিবেশত দেউতাকৰ উমাল ছাঁত বেণ্টিংকে ৰঙিয়া হাইস্কুল চৌহদত শৈশৱকাল পাৰ কৰিছিল। এক সৰল জীৱন আৰু উচ্চ চিন্তাৰ আদৰ্শৰে শিশু বেটিংক অনুপ্ৰাণিত হৈছিল শ্ৰদ্ধেয় পিতৃৰ পৰা।

এখোজ দুখোজকৈ ৰঙিয়া এম. ভি স্কুলৰ জপনা মেলি ১৯৫৫ চনত 'ক' মানত নাম ভৰ্ত্তি কৰে অমৰেন্দ্ৰ কুমাৰ শৰ্মাই। অন্যতম সহপাঠী আছিল প্ৰয়াত ভগৱান ডেকা (ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ) আৰু ক'তজন। কেৱল পঢ়া শুনাতেই ব্যস্ত নাছিল শিশু বেণ্টিংক- 'ক' মানৰ পৰা একেবাহে তৃতীয় মানলৈ তেওঁ আছিল ক্লাছৰ কেপ্তেইন।

শৈক্ষিক সামাজিক আৰু বৌদ্ধিক চিন্তাৰ অংকুৰণ ঘটিছিল এচাম শিশুৰ ৰঙিয়াত প্ৰতিষ্ঠিত নীলকণ্ঠ মইনা পাৰিজাতৰ জৰিয়তে। বেণ্টিংক আছিল ইয়াৰ অন্যতম বাটকটীয়া। নীলকণ্ঠ মইনা পাৰিজাতৰ মজিয়াত অনুষ্ঠিত হৈছিল তৰ্ক, আকস্মিক বক্তৃতা, ৰচনা প্ৰতিযোগিতা আদি বিভিন্ন জ্ঞানগৰ্ভ বিষয়ৰ চৰ্চা। বিশিষ্ট শিক্ষাবিদ, আদৰ্শ-শিক্ষক প্ৰয়াত প্ৰাণেশ্বৰ শৰ্মা, প্ৰয়াত বাহাৰুদ্দিন আহমেদ আৰু পৰেশ দত্তদেৱে এই পাৰিজাতক নন্দন বনত ফুলি থকা পাৰিজাতলৈ ৰূপান্তৰ কৰিবলৈ আগবাঢ়িছিল। উল্লেখযোগ্য যে মইনা পাৰিজাতৰ নামাকৰণ কৰিছিল বেন্টিংকে নিজেই। সদৌ অসম মইনা পাৰিজাতৰ এখন বাৰ্ষিক অধিৱেশন আয়োজিত হৈছিল ঐতিহাসিক ৰঙিয়া হৰদত্ত-বীৰদত্ত ভৱনত বেংন্টিংকৰ সাংগঠনিক দায়িত্বত। চেমনীয়া সকলৰ বাবে ৰঙিয়াত আন এক বৌদ্ধিক অনুষ্ঠান গঢ়ি উঠিছিল যাঠীৰ দশকৰ মাজভাগত সন্ধানী সমাজ। অমৰেন্দ্ৰ কুমাৰ শৰ্মা আছিল ইয়াৰ প্ৰথমজন সম্পাদক।

মেধাৱীৰ সংজ্ঞা বিচাৰিব লগা হোৱা নাছিল বেন্টিংকৰ সহপাঠীসকলে। স্কুলীয়া জীৱনত প্ৰতিটো শ্ৰেণীত অমৰেন্দ্ৰ কুমাৰ শৰ্মাৰ স্থান আছিল কেৱল প্ৰথম। গভীৰ আৰু বিস্তৃত অধ্যয়নৰ ভেটি গঢ়িছিল ছাত্ৰাৱস্থাতেই। ষষ্ঠ মানত মজলীয়া বৃত্তি পৰীক্ষাত অসমৰভিতৰতেই অষ্টম স্থান লাভ কৰি ৰঙিয়ালৈ সুখ্যাতি কঢ়িয়াই আনিছিল বেণ্টিংকে। স্কুলীয়া জীৱনত পাঠ্যপুথি অধ্যয়নৰ বাহিৰেও প্ৰবন্ধ-পাতি লিখিছিল অমৰেন্দ্ৰ কুমাৰ শৰ্মাই। তেখেতৰ ইংৰাজী ভাষাত গভীৰ দখল আছিল। এই সম্পৰ্কে তেখেতৰ স্কুলীয়া সহপাঠী অনিল চৌধুৰীৰ অভিমত-" বেন্টিংকৰ স্কুলীয়াকালতে ইংৰাজীৰ ওপৰত ইমান ব্যুৎপত্তি আছিল যে এবাৰ তেওঁ ৰঙিয়া হাইস্কুলৰ মুখপত্ৰ ছাত্ৰপ্ৰদীপ'ত ইংৰাজীত লিখা এটা প্ৰৱন্ধ পঢ়োতে মই বাৰে বাৰে Dictionaryৰ সহায় ল'বগলীয়া হৈছিল। মই আচৰিত হৈছিলো এই কথা ভাবি যে একেলগে একেই কিতাপ পঢ়া-শুনা কৰি আহিছো কিন্তু ইমান ইংৰাজী তেওঁ শিকিলে কেনেকৈ?" ক্লাছ চেভেনত পঢ়ি থাকোতে তেখেতে

ছাত্ৰপ্ৰদীপত লিখা "Is World Peace Possible?"শীৰ্ষক প্ৰৱন্ধটিয়ে বৌদ্ধিক সমাজৰ চকু মেল খুৱাইছিল। অমৰেন্দ্ৰ কুমাৰ শৰ্মা সেই সময়ৰ ৰঙিয়া হাইস্কুলৰ মুখপত্ৰ 'ছাত্ৰ প্ৰদীপ'ৰ সম্পাদকো হৈছিল।

স্কুলীয়া জীৱনত অমৰেন্দ্ৰ কুমাৰ শৰ্মাৰ ক্ৰীকেট খেলৰ প্ৰতি গভীৰ অনুৰাগৰ জন্ম হৈছিল আৰু এই অনুৰাগ আছিল জীৱন ব্যপ্ত। ক্ৰীকেটৰ ব্যাকৰণ আছিল তেখেতৰ মজ্জাগত যদিও তেখেতে ক্ৰীকেটৰ বল বা বেট্‌খন হাতেৰে স্পৰ্শ কৰা নাছিল। দেশ আৰু বিদেশত হোৱা বিভিন্ন টেষ্ট মেছৰ ধাৰা বিৱৰণী ৰেডিঅ'ত তেখেত তেখেত মনপুতি শুনিছিল দিবা নিশা। সহপাঠীৰ মতে তেখেত আছিল সেই সময়ৰ ক্ৰীকেট জগতৰ এক বিশ্বকোষ।

১৯৬৭ চনত অমৰেন্দ্ৰ কুমাৰ শৰ্মাই সুখ্যাতিৰে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ কটন কলেজত প্ৰাক বিশ্ববিদ্যালয় শ্ৰেণীৰ কলা শাখাত নাম ভৰ্তি কৰে। উক্ত সময়ত তেখেত সেই কলেজৰ নিউ হোষ্টেলৰ আবাসী হৈছিল। হোষ্টেলৰ অধীক্ষক ইংৰাজীৰ অধ্যাপক নৱকান্ত বৰুৱাদেৱে অমৰেন্দ্ৰ শৰ্মাক হোষ্টেলৰ প্ৰিফেক্ট পাতিছিল। ১৯৬৮ চনত অমৰেন্দ্ৰ কুমাৰ শৰ্মাই এক বিশেষ পৰিস্থিতিত পৰীক্ষাৰ আগমূহুৰ্তত শিক্ষা বিষয়টি নতুনকৈ অধ্যয়ন কৰি সেই বিষয়ত Letter Mark প্ৰাপ্তিৰে প্ৰাক বিশ্ববিদ্যালয় চূড়ান্ত পৰীক্ষা সফলতাৰে উত্তীৰ্ণ হয়। ১৯৬৮ চনত কটন কলেজত অমৰেন্দ্ৰ কুমাৰ শৰ্মাই ইংৰাজী বিষয়ত অনাৰ্চ (Honours) লৈ স্নাতক মহলাত নাম ভৰ্ত্তি কৰে আৰু সেই একেখন কলেজৰ পৰা ১৯৭১ চনত স্নাতক ডিগ্ৰী লাভ কৰে।

কলেজীয়া জীৱনত অমৰেন্দ্ৰ কুমাৰ শৰ্মাই অগ্ৰজ-অনুজ সকলো সহপাঠীৰে শ্ৰদ্ধাৰ আৰু মৰমৰ পাত্ৰ হৈ পৰিছিল। ইয়াৰ কাৰণ আছিল তেখেতৰ মোহময়ী ব্যক্তিত্ব স্বভাৱজাত সৰলতা, বৌদ্ধিক সজাগতা আৰু এযোৰ শুভ্ৰ পোছাক য'ত আছিল এক সুগন্ধি নিৰ্যাস। কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ বিশিষ্ট সাহিত্যিক নৱকান্ত বৰুৱা, বিশিষ্ট অৰ্থনীতিবিদ আৰু কটন কলেজৰ প্ৰাক্তন অধ্যক্ষ দিলীপ বৰুৱাদেৱৰ বিশেষ আশীষ ধন্য হৈছিল এই গৰাকী অমৰেন্দ্ৰ কুমাৰ শৰ্মা।

স্নাতক ডিগ্ৰী লাভ কৰাৰ পিচত অমৰেন্দ্ৰ কুমাৰ শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ শ্ৰেণীৰ ইংৰাজী বিষয়ত নাম ভৰ্তি কৰে আৰু লোকবন্ধু ডাঃ ভুৱনেশ্বৰ বৰুৱা ছাত্ৰাবাসৰ আবাসী হয়। ১৯৭২ চনত অমৰেন্দ্ৰ কুমাৰ শৰ্মা স্নাতকোত্তৰ ছাত্ৰ সন্থাৰ উপ-সভাপতি হয়। সেই সময়ত ইয়াৰ সম্পাদক আছিল প্ৰয়াত প্ৰসন্ন নাৰায়ন চৌধুৰী। ১৯৭২ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ বিদ্যায়তনিক পৰিষদৰ এক বিতৰ্কিত সিদ্ধান্ত আৰু অসম বিধান সভাত গ্ৰহণ কৰা ভাষা মাধ্যম কেন্দ্ৰিক এক প্ৰস্তাৱক লৈ অসমত ছাত্ৰ-সন্থাৰ উদ্যোগত এক বৃহৎ আন্দোলন আৰম্ভ হয়। এই আন্দোলনতেই ছহিদ হৈছিল নগাওঁৰ অনিল বৰা, মঙ্গলদৈৰ মোজামিল হক, নামৰূপৰ প্ৰমোদ বৰা, সৰুপথাৰৰ বলিন ৰাজখোৱা আৰু কলিয়াবৰ নৰেন মহন্ত। এই আন্দোলনৰ অন্যতম চিন্তানায়ক আছিল প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা। আন্দোলনৰ নীতি নিৰ্দ্ধাৰণ, কৌশল পৰিচালনা প্ৰেছ-বিৱপ্তি, স্মাৰক পত্ৰ তৈয়াৰ কৰাৰ ক্ষেত্ৰত তেখেতৰ অৱদান আছিল অনস্বীকাৰ্য। চিৰ চেনেহী ভাষা-জননীৰ বাবে কৰা প্ৰয়াত শৰ্মাদেৱেৰ এই ত্যাগ চিৰ মহীয়ান হৈ ৰ'ব।

স্নাতকোত্তৰ শিক্ষাৰ সমাপ্তিৰ শেষত অমৰেন্দ্ৰ কুমাৰ শৰ্মাদেৱৰ কৰ্মজীৱন আৰম্ভ হয়। অসম প্ৰকাশন পৰিষদত এটি চাকৰিত তেখেতে যোগদান কৰে। ১৯৭৪ চনত তেখেত কলিয়াবৰ মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। ইয়াৰ পিচত ১৯৭৫ চনত শৰ্মাদেৱে ৰঙিয়া মহাবিদ্যালয়ত ইংৰাজী বিভাগত অধ্যাপক হিচাবে যোগদান কৰে আৰু পিচলৈ একেটা বিভাগৰ মুৰব্বী অধ্যাপক হয়। ২০০৭ চনৰ ১ জানুৱাৰীত তেখেতে ৰঙিয়া মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাবে দায়িত্ব গ্ৰহণ কৰে আৰু ২০১২ চনৰ ৩১ জানুৱাৰীত তেখেতে অৱসৰ গ্ৰহণ কৰে।

শৰ্মাছাৰে সুদীৰ্ঘ কৰ্মময় জীৱনৰ বেছি অংশই কটাইছিল তেখেতৰ হিয়াৰ আমঠু ৰঙিয়া মহাবিদ্যালয়ত। এগৰাকী শিক্ষক হিচাবে আছিল তেখেতৰ বৰঙণি অনবদ্য। শুভ্ৰ পোছাকৰ সৈতে তেখেতৰ পৰিমিত খোজ আৰু অনন্য ব্যক্তিত্বৰে তেখেতে ছাত্ৰ-ছাত্ৰী আৰু সহকৰ্মীৰ মাজত গভীৰ ৰেখাপাত সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

শিক্ষক হিচাপে তেখেত আছিল সদায় Resourceful. পাণ্ডিত্যৰ ভেম তেখেতৰ নাছিল। তেখেতে দুই দশকৰো অধিক কাল কলেজৰ বিভিন্ন পৰীক্ষাৰ কাম সুকলমে চলাইছিল। দুখীয়া ছাত্ৰ-ছাত্ৰীক তেখেতে ব্যক্তিগতভাৱেও সহায় কৰিছিল। কলেজৰ বৌদ্ধিক চিন্তা-চৰ্চাৰ তেখেত সক্ৰিয় অংশীদাৰ হৈছিল। কলেজ সপ্তাহত অনুষ্ঠিত আকস্মিক বক্তৃতা, তৰ্ক প্ৰতিযোগিতা, ৰচনা প্ৰতিযোগিতা, কুইজ প্ৰতিযোগিতাত তেখেতৰ উপস্থিতি সক্ৰিয় আছিল। তেখেতে কুইজ মাষ্টাৰ হিচাপেও অংশগ্ৰহণ কৰিছিল। ৰঙিয়া মহাবিদ্যালয়ত অসমৰ প্ৰথম ৰাজহ মন্ত্ৰী প্ৰয়াত নিদ্ধিনাথ শৰ্মা দেৱৰ সোঁৱৰণত প্ৰতি বছৰ এখনি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাৰ বিষয়বস্তু নিৰ্বাচনত প্ৰয়াত শৰ্মাছাৰৰ ভূমিকা উল্লেখযোগ্য। এই প্ৰতিযোগিতালৈ নিৰ্বাচিত আমাৰ মহাবিদ্যালয়ৰ তাৰ্কিক সকলক প্ৰস্তুতি কৰাৰ ক্ষেত্ৰতো তেখেতে আগভাগ লৈছিল।

মহাবিদ্যালয়ৰ ৰূপালী-জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ সম্পাদক হিচাপে শৰ্মাছাৰে অনন্য কৃতিত্বৰ স্বাক্ষৰ বহন কৰিছে। স্মৃতিগ্ৰন্থৰ ৰূপালী পৰশ এতিয়াও লাগি আছে মহাবিদ্যালয়ৰ বুকুত। বিষয়বস্তুৰ নিৰ্বাচন আৰু তাৰ সংহত প্ৰকাশে স্মৃতিগ্ৰন্থখনিৰ বলিষ্ঠতা বাৰুকৈয়ে প্ৰকাশ কৰিছে। অনা-অত্যাধুনিক প্ৰকাশনেৰে এই স্মৃতিগ্ৰন্থখনিত শৰ্মাছাৰৰ স্বৰচিত 'শিক্ষকতাৰ মৰ্য্যদা' শীৰ্ষক প্ৰৱন্ধটি বিদ্যত সমাজৰ বাবে আজিও প্ৰাসঙ্গিকভাৱে অধ্যয়নৰ গুৰুত্বপূৰ্ণ সমল। শিক্ষকতাৰ কালছোৱাত অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰে ৰঙিয়া মহাবিদ্যালয় আলোচনীৰ বিভিন্ন সংখ্যক প্ৰকাশত বিভিন্ন বিষয়ক লৈ গধুৰ প্ৰৱন্ধ-পাতি লিখিছিল। ইংৰাজী আৰু অসমীয়া দুয়োটা ভাষাত তেখেতৰ সমানে দখল আছিল।

২০০৪ চন। ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ(National Assenment and Accreditation Council) নামৰ উচ্চশিক্ষাৰ অনুষ্ঠানসমূহক মূল্যায়ন কৰা এক অনুষ্ঠানৰ অধীনত এটি পৰ্য্যবেক্ষণকাৰী দলে ৰঙিয়া মহাবিদ্যালয় পৰ্য্যবেক্ষণ কৰিছিল। এই পৰ্য্যবেক্ষণৰ আগতে মহাবিদ্যালয়ৰ পৰা ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদলৈ এক আত্ম অধ্যায়নমূলক প্ৰতিবেদন (Self Study Report) পঠিয়াব লগা হৈছিল। ই আছিল মহাবিদ্যালয়খনৰ মূল্যায়নৰ এক অতি গুৰুত্বপূৰ্ণ অংশ। প্ৰয়াত শৰ্মাছাৰে ইয়াক প্ৰস্তুত কৰাৰ গধুৰ দায়িত্ব মূৰ পাতি লৈছিল। ৰঙিয়া মহাবিদ্যালয়ে আকাংক্ষিত ভাৱে 'B++' গ্ৰেড লাভ কৰি অসমৰ আগশাৰীৰ কলেজসমূহৰ মাজত স্থান লাভ কৰিছিল। শৰ্মাদেৱে এই কৃতিত্বৰ অন্যতম অংশীদাৰ হৈছিল। আকৌ ২০১০ চনত শৰ্মাছাৰে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে থাকি সন্মুখৰ পৰা নেতৃত্ব দি ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদৰ দ্বাৰা আমাৰ মহাবিদ্যালয়খনিক দ্বিতীয় বাৰৰ বাবে পুনৰ মূল্যায়ন কৰিছিল। এক সন্মানজনক গ্ৰেড 'B'(2.80 Point) প্ৰাপ্তিৰে ৰঙিয়া মহাবিদ্যালয় পুনৰ সন্মান অৰ্জন কৰিবলৈ সক্ষম হৈছিল। প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰৰ দায়িত্ববোধ কৰ্তব্যনিষ্ঠা আৰু সময় সচেতনতাক এনেক্ষেত্ৰত সাত শতৰুৱেও প্ৰশংসা আৰু স্বীকাৰ কৰিব।

ৰঙিয়া মহাবিদ্যালয়ৰ শিক্ষক-কৰ্মচাৰীৰ সঞ্চয় আৰু ঋণদান সমিতি (পৰিসীমিত) এক বৃহৎ অনুষ্ঠান। অনা-আনুষ্ঠানিক ভাৱে ইয়াক বেংকৰ সম-পৰ্য্যায়ৰ অনুষ্ঠান হিচাবে অভিহিত কৰিব পাৰি। ১৯৯৬ চনৰ পৰা এটা যুগ ধৰি সম্পাদকৰ দায়িত্ব লৈ শৰ্মাছাৰে এই অনুষ্ঠানটিক যি মৰ্য্যদা দিলে, তাৰবাবে তেখেত চিৰ মহীয়ান হৈ ৰ'ব। এই অনুষ্ঠানত শৰ্মাছাৰৰ সুনিশ্চিত আঁচনিৰ ভিতৰত আছিল দুখীয়া মেধাবী ছাত্ৰ-ছাত্ৰীৰ বাবে বৃত্তি প্ৰদান, গুৰুতৰ অসুখৰ বাবে সদস্য সকলক সাহায্য প্ৰদান, দুৰ্যোগগ্ৰস্ত সদস্যক তৎকালীন বিত্তীয় সাহায্য, অৱসৰ প্ৰাপ্ত শিক্ষক-কৰ্মচাৰীক বোনাছ প্ৰদান আৰু বাৰ্ষিক জনপ্ৰিয় বক্তৃতা কাৰ্যসূচী ইত্যাদি। উল্লেখযোগ্য যে জনপ্ৰিয় বক্তৃতা কাৰ্যসূচীত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য্য ড° অমৰ জ্যোতি চৌধুৰী, সক্ৰিয় ৰাজহুৱা কৰ্মী দেৱেন দত্ত, অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ড বীৰেন্দ্ৰ নাথ দত্ত, ড° লক্ষ্মীনন্দন বৰা আদি বিশিষ্ট লোকে অংশগ্ৰহণ কৰিছে।

অসমৰ শৈক্ষিক মানচিত্ৰত সমকালীন প্ৰসঙ্গত ৰঙিয়া শংকৰদেৱ শিশু নিকেতন এক গৰিমাযুক্ত শিক্ষানুষ্ঠান। যোৱা ২৫ টা বছৰে এশ শতাংশ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সফলতা প্ৰাপ্তি আৰু অসমৰ ভিতৰতে কেইবাগৰাকী ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন বৰ্যত উচ্চ স্থান লাভ কৰি এই অনুষ্ঠানটিৰ যশস্যা বৃদ্ধি কৰি আহিছে। শৰ্মাছাৰৰ পুত্ৰ প্ৰণয় শৰ্মাই এই বিদ্যালয়ৰ পৰাই ২০১২ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অসমৰ ভিতৰতে নৱম স্থান লাভ কৰিছে। উল্লেখযোগ্য যে এটা যুগ ধৰি প্ৰয়াত শৰ্মাছাৰ এই শিক্ষানুষ্ঠানৰ পৰিচালনা সমিতিৰ সম্পাদক আছিল।

প্ৰয়াত শৰ্মাছাৰৰ স্মৃতি শক্তি আছিল অবিশ্বাস্য। তেখেতে বহুতো অতীত আৰু সমকালীন ঘটনাৰ চন, তাৰিখ, বাৰ আদি লিপিবদ্ধ নকৰাকৈ মনত ৰাখিব পাৰিছিল। স্মৃতিৰ মণিকোঠাৰ পৰা তেখেতে বহুতো সাহিত্যিক, বুদ্ধিজীৱি, ৰাজনীতিবিদৰ উক্তি আৰু বিবৃতি হুবহু ব্যক্ত কৰিব পাৰিছিল। তেখেত আছিল বিস্মিত ব্যতিক্ৰম।

ভোগালী উৎসৱ ৰঙিয়া মহাবিদ্যালয়ে পালন কৰি অহা প্ৰীতি-মিলনৰ অনন্য উৎসৱ। ২০০৭ চনৰ পৰা শিক্ষক কৰ্মচাৰী মিলি অতি উলাহৰে এই উৎসৱ জানুৱাৰী মাহত পালন কৰি অহা হৈছে। শৰ্মাদেৱ আছিল এই অনুষ্ঠানৰ বাটকটীয়া। ৰসাল কুইজ, গীত-নৃত্য-ছন্দ, চিৰা-সান্দহ, কোমল চাউল, বিভিন্ন প্ৰকাৰৰ গুৰ, দৈ, দানা পৰা জুলীয়া মিঠাই, ভিন্ন প্ৰকাৰৰ ধেমালিৰে এই অনুষ্ঠান আছিল বৈ বৈ যোৱা। যোৱা ১১/১/১১ ইং তাৰিখে ৬ষ্ঠ ভোগালী উৎসৱতো জাক জমকতাৰে পালন কৰা হৈছিল য'ত শৰ্মাছাৰে শেষবাৰৰ বাবে অংশগ্ৰহণ কৰিছিল। অনাবিল আনন্দৰ মাজেৰে ভোগালী উৎসৱৰ মাদকতা ৰঙিয়া-মহাবিদ্যালয় পৰিয়ালে বাৰুকৈয়ে অনুভৱ কৰে।

২০১২ চনৰ ৩১ জানুৱাৰীৰ দিনা অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰে চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰে। সেইদিনা আছিল ৰঙিয়া মহাবিদ্যালয়ৰ বাথৌ পূজা। ছাত্ৰ-ছাত্ৰীসকলে সেইদিনা শিক্ষাগুৰু শৰ্মাছাৰৰ চৰণ চুই আশীৰ্বাদ লোৱা দৃশ্যই সকলোকে গভীৰ ৰেখাপাত কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মৰম নেওঁচিব নোৱাৰি অৰ্থনীতি বিভাগৰ দ্বাৰা ফেব্ৰুৱাৰী মাহত আয়োজিত সম্বৰ্দ্ধনা সভাত শৰ্মাছাৰে নৰিয়া গাৰেই অংশগ্ৰহণ কৰে। কৰ্মজীৱনৰ শেষ দিনটোলৈ যি নিৰৱচ্ছিন্ন ভাৱে কাম কৰি গ'ল, সেইগৰাকী অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰে সকলোকে যেন কাণে কাণে কৈ থৈ গ'ল, "আদৰ্শতকৈ আৰ্হি ভাল, কৰ্ম দুস্কৃতি নহয় সংস্কৃতি।" তিনিটাকৈ শাখা থকা এখন পূৰ্ণাঙ্গ পৰ্য্যায়ৰ মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষৰ মেটমৰা দায়িত্ব লৈ শৈক্ষিক সামাজিক দায়বদ্ধতাৰ অটল মহাসাগৰত শৰ্মাছাৰে নিজকে বিলীন কৰি দিছিল; হয়তো কৰ্মস্ৰোতত তেখেতে নিজকে পাহৰি পেলাইছিল। এক জটিল ৰোগত ২০১২ চনৰ ১৪ মাৰ্চত মুম্বাইৰ প্ৰিন্স আলী খান হস্পিতালত সকলোকে কন্দুৱাই অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰে ইহ সংসাৰৰ পৰা মেলানি মাগিলে।

অমৰেন্দ্ৰ কুমাৰ শৰ্মা ছাৰৰ বিয়োগত অসমে হেৰুৱালে ভাষা জননীৰ এজন সুযোগ্য পুত্ৰ, ৰঙিয়াৰ সমাজে হেৰুৱালে এক শৈক্ষিক-সামাজিক ছন্দ আৰু ৰঙিয়া মহাবিদ্যালয় পৰিয়ালে এগৰাকী বন্ধু, পথ প্ৰদৰ্শক আৰু দিক্ নিৰ্ণায়ক। তেখেতলৈ হিয়া ভৰা অশ্ৰু-অঞ্জলি যাচি প্ৰাৰ্থনা কৰিছোঁ প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মাছাৰ এক অমৰজ্যোতি হৈ ৰওঁক। ❑❑



❑ ৰঙিয়া মহাবিদ্যালয় আলোচনী ❑

*মানুহৰ সীমিত জ্ঞানবৃদ্ধিৰে যিবোৰ শক্তিক পৰাজিত কৰিব পৰা নাছিল, চকুৰে দেখা যিবোৰ ঘটনা ব্যাখ্যা দিব পৰা নাছিল, তেনে ধৰণৰ ঘটনাৰ পৰাই অন্ধবিশ্বাস, কুসংস্কাৰৰ উৎপত্তি হৈ আহিছে। এইবোৰ কিছুমান প্ৰাকৃতিক ঘটনাৰ বিকৃত প্ৰতিবিম্ব। ইন্দ্ৰই স্বৰ্গৰ পৰা বিজুলী ঢেৰেকণি মাৰে, দেৱতাক জগৰ লগালে বেমাৰ হয় আদি এনে ধৰণৰ কথা।*

ৰাতুল চন্দ্ৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ
বিজ্ঞান শাখা

# চিকিৎসা বিজ্ঞান আৰু অন্ধবিশ্বাস

আমাৰ দেশত জৰা-ফুঁকা, ভূত খেদোৱাৰ পৰা আৰম্ভ কৰি নানা ধৰণৰ অন্ধবিশ্বাস, কু-সংস্কাৰ আদি চিকিৎসা বিজ্ঞানৰ নামত বৰ্তমানেও চলি আছে। এই অন্ধবিশ্বাসনো কি-তাৰ প্ৰকৃত সংজ্ঞা দিবলৈ টান। কুইনাইন আৱিস্কাৰৰ আগতে কোনো এটা পুখুৰীৰ পানী খাই মানুহৰ জ্বৰ ভাল হৈছিল হেনো, পিছে ওচৰৰ মানুহে সেই পুখুৰীতে কিবা মাহাত্ম্য আছে বুলি বিশ্বাস কৰিছিল। পাছত ওলাল যে পুখুৰীৰ পাৰত থকা চিনকোনা গছেহে ইয়াৰ বাবে দায়ী। আভিধানিক মতে মিছা বস্তুক সঁচা বুলি বিশ্বাস কৰা, বিবেচনা নকৰাকৈ কৰা বিশ্বাসেই অন্ধবিশ্বাস; যি বিশ্বাস যুক্তিসংগত নহয়। অন্ধবিশ্বাসৰ নানা সংজ্ঞা দিয়া হয়। এইবোৰৰ কোনোটোৱে প্ৰকৃত শুদ্ধ যেন নালাগে। তথাপি কাম চলাই যাবৰ বাবে এনেকুৱা এটা সংজ্ঞা দিব পাৰি যি বিজ্ঞান সন্মতভাৱে প্ৰমাণিত হোৱা নাই, তেনে বিশ্বাসকেই অন্ধবিশ্বাস বুলিব পাৰি।

এনে বিশ্বাসৰ উৎপত্তি কেনেদৰে হয়? মানুহে জন্ম লগ্নৰ পৰাই বিভিন্ন শক্তিক পৰাজিত কৰি আহিছে আৰু কিছুমানক হয়তো পৰাজিত কৰিব পৰা নাই। মানুহৰ সীমিত জ্ঞানবৃদ্ধিৰে যিবোৰ শক্তিক পৰাজিত কৰিব পৰা নাছিল, চকুৰে দেখা যিবোৰ ঘটনা ব্যাখ্যা দিব পৰা নাছিল, তেনে ধৰণৰ ঘটনাৰ পৰাই অন্ধবিশ্বাস, কুসংস্কাৰৰ উৎপত্তি হৈ আহিছে। এইবোৰ কিছুমান প্ৰাকৃতিক ঘটনাৰ বিকৃত প্ৰতিবিম্ব। ইন্দ্ৰই স্বৰ্গৰ পৰা বিজুলী ঢেৰেকণি মাৰে, দেৱতাক জগৰ লগালে বেমাৰ হয় আদি এনে ধৰণৰ কথা। বিজুলীৰ উৎস বা বেমাৰৰ ব্যাখ্যা দিব নোৱাৰা বাবে তাক অতিপ্ৰাকৃত কৰি দেৱতাৰ কাৰ্য হিচাপে মানুহে ভাবি লৈছিল। তাৰোপৰি কুইনাইনৰ ঘটনাৰ দৰে কোনো ঘটনাৰ সঠিক ব্যাখ্যা দিব নোৱাৰাতো অন্ধবিশ্বাসৰ উৎপত্তি হয়। এনে ঘটনাবোৰ পূৰ্ব পৰিকল্পিত নহয়। কিন্তু কিছু বিশ্বাস আছে যিবোৰ পৰিকল্পিত ভাৱে মানুহৰ মাজত এৰি দিয়া হয়।

অন্ধবিশ্বাসৰ তালিকা প্ৰস্তুত কৰা এই প্ৰৱন্ধৰ উদ্দেশ্য নহয় যদিও এইখিনিতে কেইটামান উদাহৰণ নিশ্চয় দিব লাগিব- গৰ্ভৱতী অৱস্থাত হাত-ভৰি ফুলা বেমাৰ হ'লেও বহুক্ষেত্ৰত মানুহে একেবাৰে ওচৰৰ হস্পিতালখনলৈ যাবলৈ আগ্ৰহ প্ৰকাশ নকৰে। জৰা-ফুঁকা কৰি দিয়া সূতাৰ ৰচী (চেইন্, ধাতুৰ মালা)ৰ পৰা Contact dermatilis বোলা ছালৰ বেমাৰ হৈছে বুলি ক'লেও মানুহে সেই চেইন খুলিবলৈ অস্বীকাৰ কৰা দেখা যায়।

নেমুটেঙাত থকা খাদ্যপ্ৰাণ 'গ' (C) ই কটা ঘা শুকুওৱাত সহায় কৰে। কিন্তু কাটিলে নেমুটেঙা খাবলৈ দিয়া নহয়।

Schizophrenia বা অন্যান্য মানসিক বেমাৰত ভূত লাগিছে বুলি জৰা-ফুঁকা, মাৰপিট (বহুক্ষেত্ৰত অমানুষিক ভাৱে) কৰা হয়। গৰ্ভৱতী অৱস্থাত ভাল খাদ্য খাবলৈ দিব লাগে, অথচ সেই সময়ত ভাল বস্তু বেছিভাগেই খাবলৈ দিয়া নহয়।

বসন্তত দৰৱ খাবলৈ দিয়া নহয়।

ডায়েৰীয়াত পানী খাবলৈ দিয়া নহয়।

তিৰোতা মানুহৰ মাহেকীয়া (Menstruation) হ'লে মাটিত শুবলৈ দিয়া হয়, একো চুবলৈ দিয়া নহয় (চুৱা লাগে বুলি)।



এইবোৰ কেইটামান উদাহৰণহে। এইবোৰৰ কিছুমানে পোনপটীয়াকৈ অপকাৰ সাধন কৰে। গৰ্ভৱতী অৱস্থাত ভাল খাদ্য খাবলৈ নিদিলে কেঁচুৱা পৈণত নহয় আৰু অন্যান্য জটিলতাৰ সৃষ্টি কৰে। বসন্তত দৰৱ খাবলৈ নিদিলে ছেকেণ্ডাৰী ইনফেক্‌শ্যন বা আন জটিলতাই দেখা দিব পাৰে। ডায়েৰীয়াত শৰীৰৰ পৰা বেছিভাগ পানী ওলাই যায়। এনে অৱস্থাত খাবলৈ নিদিলে পানীৰ অভাৱত মৃত্যু পৰ্য্যন্ত হ'ব পাৰে। মাহেকীয়া হৈ থাকিলে পৰিস্কাৰ-পৰিচ্ছন্ন হৈ থকা উচিত, লগতে কিছু জিৰণিৰো প্ৰয়োজন, তথাপি মাটিত শোৱা বা বস্তু-বাহানি চোৱা নিষেধ অথবা চুলে চুৱা লগা কথাষাৰৰ ভিত্তি নাই।

কাণত চুণ লগোৱা, ৰঙা সূতা বন্ধা, জৰাপানী খোৱা আদি চিকিৎসাই কোনো কাম নিদিয়ে। আন এবিধ চিকিৎসা হ'ল গ্ৰহ-উপগ্ৰহৰ অৱস্থান চাই (জ্যোতিষ গণনা কৰি) ধাৰণ কৰা বিভিন্ন পাথৰ। এনে ধৰণে পাথৰ লৈ নিশ্চিত মৃত্যুৰ পৰা বচা কোনো মানুহ নাই। জাৰ্মেনীৰ ফ্ৰীবাৰ্গত নশ ছাব্বিশ (৯২৬) জন মানুহৰ ৰাশিফল আৰু বিয়া-বাৰু সম্পৰ্কীয় ঘটনাক লৈ কৰা এটা সমীক্ষাত আৰ্ণ মূলাৰে কোনো ধৰণৰ মিল উলিয়াব নোৱাৰিলে। বেমাৰৰ ক্ষেত্ৰটো নিশ্চয় একেটাই কথা হ'ব। ১৯৬৬ চনত কানাডাত পাঁচটা সন্তানৰ মাতৃ এগৰাকী এটা ক্ষুদ্ৰ অস্ত্ৰোপচাৰৰ পাচতেই মৃত্যু মুখত পৰে। মজাৰ কথা এয়ে যে মানুহগৰাকী সেই বয়সতে (৪৩) বছৰত মৰিব বুলি এজন জ্যোতিষীয়ে ভৱিষ্যৎ বাণী কৰি থৈছিল। মৰণোত্তৰ পৰীক্ষাৰ পৰা দেখা গ'ল যে adrenal glandত প্ৰচুৰ ৰক্তক্ষৰণ হৈছিল। ঘটনাটো ব্যাখ্যা কৰিব কেনেকৈ! মানুহ গৰাকীয়ে সেই সময়ত মৰিব পাৰে বুলি জানি (ভৱিষ্যত বাণীৰ পৰা) অত্যন্ত ভয় খাইছিল যিটো অস্ত্ৰোপচাৰৰ আগতে তেখেতে কেবাজনকো কৈছিল। সেই ভয় আৰু অস্ত্ৰোপচাৰৰ Stress ৰ বাবে adrenal gland ৰ পৰা ৰক্তক্ষৰণ হৈ মৃত্যু মুখত পৰিল।

যি কোনো ধৰণৰ বেমাৰ হ'লেই পানী জাৰি খোৱা এটা সাধাৰণ কথা। এখন ঘৰত কেবাজনৰো একেলগে বেমাৰ হ'লে ভেটিত কিবা পুতি থৈছে বুলি ধৰা হয় আৰু এনে ধৰণৰ যাদু গুচাবলৈ পুনৰাই যাদু বিদ্যাৰ প্ৰয়োগ কৰা হয়। এই ধৰণৰ কথাবোৰে আমাৰ সমাজ ব্যৱস্থাৰ ওপৰত বিভিন্ন ধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। এইবোৰে সমাজখনক আগুৱাই যোৱাত বাধা দিয়ে। যুক্তিৰে কথা ভাবিবলৈ বা সেইধৰণে কাম কৰিবলৈ সংকোচ জন্মায়। যিবোৰ অন্ধবিশ্বাস পৰিকল্পনা কৰি মানুহৰ মগজুত সুমুৱাই দিয়া হয় (উদাহৰণ স্বৰূপে - গ্ৰহৰ অৱস্থানৰ বাবে বেয়া দিন চলিছে, যাগ-যজ্ঞ কৰিলে বেমাৰ ভাল হ'ব, কোনোবা বাবাৰ নামত টকা দিলে আৰোগ্য হ'ব, মন্দিৰ, মছজিদ আদি বনাই দিলে সন্তানহীনৰ সন্তান হ'ব আদি)। সেইবোৰে সমাজৰ এচাম মানুহৰ সুবিধাৰ্থে কাম কৰি থাকে। দেখাত ব্যক্তিগতভাৱে কোনোৱা এজনে, কোনোবা এটা সংখ্যা, কোনোবা এটা বাৰ বেয়া বুলি ভাবিলে অথবা দোষ খণ্ডাবৰ বাবে আঙুঠি পিন্ধিলে তাৰ লগত সমাজৰ কোনো সম্পৰ্ক নাই যেনেই লাগে। এই সম্পৰ্ক প্ৰত্যক্ষ নহয় পৰোক্ষহে। এনে ধৰণৰ অন্ধবিশ্বাসে মানুহক যুক্তিবাদী হ'বলৈ নিদিয়ে, দুৰ্বল কৰি তোলে, ফলত মানুহে অদৃষ্টৰ ওচৰত নিজকে সপি দিয়ে আৰু এই অদৃষ্টৰ সুবিধা যি সকলে লয়, তাৰ প্ৰতিবাদ কৰিব নোৱাৰা হৈ পৰে। প্ৰকৃততে কুসংস্কাৰ অন্ধবিশ্বাসৰ মাজত মানুহক এনে ধৰণে বুৰাই ৰখা হয়, সৰুৰে পৰা এনে ধৰণৰ ভূত ভগৱানৰ শিক্ষা দিয়া হয় যে তাৰ পৰা এনে সহজে মুক্ত হোৱা টান। সন্তানহীন - হ'লেও মানুহে ভগৱানক দোষ দিয়ে, পূৰ্ব্বজন্মৰ পাপৰ ফল বুলি ভাৱে, আকৌ বেছি সতি-সন্ততি হ'লেও ভগবানৰে দান বুলি ভাৱে। সন্তানহীনতাৰ বাবে সাধাৰণতেই আমাৰ সমাজত তিৰোতা বোৰকেই দায়ী কৰা হয়। কিন্তু শতকৰা পঁচিশ ভাগ ক্ষেত্ৰতেই তিৰোতা গৰাকী অকলে দায়ী নহয় আৰু শতকৰা পঁশিছ ভাগত একেবাৰেই দায়ী নহয়। পূৰ্বজন্মৰ কৰ্মফল বুলি ভবা (বংশত অভিশাপ লাগিছে বুলিও ভবা হয়) বহুত বেমাৰ (যেনেঃ- একন্দ্ৰ প্লাধিয়া, ফেবিয় স্কেপুল হিউমৰেল মাছকুলাৰ দিছট্ৰফি, হিমফিলিয়া, এলেনকেফালি, হাইড্ৰকেফালি ক্লাবফুট, ডাউন চিনড্ৰম আদি জন্মসূত্ৰে অথবা ক্ৰ'ম'জমৰ গোলমালৰ বাবে বাৰাংবাৰ হোৱা বেমাৰ) ৰ বাবে ভগবানৰ ওচৰ চপাতকৈ এনে ক্ষেত্ৰত চিকিৎসকৰ ওচৰ চপাহে বেছি দৰকাৰী।

প্ৰশ্ন উঠিব পাৰে কোনো বিশ্বাসেই আমাৰ কোনো ধৰণৰ উপকাৰ সাধন কৰা নাইনে? কিছু কিছু বিশ্বাসৰ আঁৰত বিজ্ঞানৰ সত্য লুকাই থাকিব পাৰে। ১৭৭৫ চনত উইলিয়াম উইথেংৰি এ সাধাৰণ মানুহে ব্যৱহাৰ কৰা বনপাতৰ পৰাই digitalis নামৰ ঔষধ আৱিস্কাৰ কৰে। সাপে কামুৰিলে হাত বা ভৰিত বান্ধ দিয়া আৰু সেইটুকুৰা দকৈ কাটি কিছু তেজ উলিয়াই দিয়া হয়। কিন্তু সেইবুলি আই ওলালে সবাহ পতাৰ কোনো অৰ্থ নাই। মন্ত্ৰ পঢ়িলে মানসিকভাৱে শক্তি বাঢ়ে, ভগৱানৰ নাম ললে ভূত পলাই যায়, সাহস বাঢ়ে এইবোৰকে উপকাৰ বুলি গণ্য কৰিব নোৱাৰি।

এনে ধৰণৰ বস্তুবিলাকৰ ওপৰত বৈজ্ঞানিক গৱেষণা হোৱা উচিত যাতে উপযুক্ত খিনি ৰাখি বাকীখিনি আঁতৰাই পেলাব পাৰি। দেখাত যদিও ই অতি সহজ সাধ্য যেন লাগে আচলতে অন্ধবিশ্বাস আঁতৰ কৰাটো সিমানেই টান কাম। চিকিৎসা বিজ্ঞানৰ অন্ধবিশ্বাস সমাজৰ অন্যান্য বিষয়বোৰৰ পৰা বেলেগে বিবেচনা কৰিব নোৱাৰি। তাৰোপৰি চিকিৎসা বিজ্ঞানৰ গৱেষণা মানুহৰ ওপৰত কৰিবলগীয়া হেতুকে স্বাভাৱিকতে ইয়াৰ সীমাবদ্ধতাও বেছি। অন্ধবিশ্বাসবোৰ সমাজৰ মাজতে উৎপত্তি হয়। সেয়েহে মানুহ বৈজ্ঞানিক ভাৱে শিক্ষিত হ'লে, যুক্তিবাদী হ'লে প্ৰকৃতাৰ্থত শ্ৰেণী বিভক্ত সমাজৰ বান্ধ চিঙি প্ৰকৃতিক নিজৰ নিজৰ নিয়ন্ত্ৰণাধীন কৰিব পাৰিলেহে অন্ধবিশ্বাস বোৰ লাহে লাহে নোহোৱা হৈ যাব। আমি ঠিক তেনেকুৱা ধৰণে আশাবাদী।

❑❑❑

# আমাৰ ভাববৃত্তি

লক্ষ্মী লহকৰ
মুৰব্বী অধ্যাপিকা, শিক্ষা বিভাগ

মাতৃৰ প্ৰতি সন্তানৰ আবেগিক আকৰ্ষণ, শিক্ষকৰ প্ৰতি ছাত্ৰৰ শ্ৰদ্ধা-ভক্তি, ধৰ্মগুৰুৰ প্ৰতি শিষ্যৰ আনুগত্যৰ ভাব আদিক ভাববৃত্তিৰ পৰিণতি বুলি কোৱা হয়। এগৰাকী যুৱতীৰ প্ৰেমত পৰা এজন লোকে প্ৰেমিকাৰ উপস্থিতিত উৎসাহ আনন্দ অনুভৱ কৰে আৰু আন লোকৰ সান্নিধ্যত প্ৰেমিকা থাকিলে মনত ঈৰ্ষা ভাব জাগি উঠে, প্ৰেমিকাৰ প্ৰতি ভিন ভিন পৰিস্থিতিত অনুভৱ কৰা এনেবোৰ অভিজ্ঞতাৰ সুসংগঠিত আৰু স্থায়ী অৱস্থাটোৰেই হৈছে 'ভালপোৱা' যি এক ভাববৃত্তি মাথোন।

অনুভূতি (Feelings) এজন লোকৰ নিজ মনৰ সুখ দুখৰ অভিজ্ঞতা, যি আন এজন লোকতকৈ পৃথক। একেটা বিষয় বা পৰিস্থিতিয়ে দুজন লোকৰ মনত পৃথক পৃথক অনুভূতি প্ৰদান কৰিব পাৰে। এজন লোকে পোৱা মনৰ সুখ-দুখৰ অনুভূতি তেওঁ ব্যক্ত নকৰাকৈ তাক স্পষ্টভাবে জানিব পৰা নাযায়। অনুভূতি হৈছে আপেক্ষিকভাবে নিষ্ক্ৰিয়, ব্যক্তিনিষ্ঠ আৰু অস্পষ্ট মানসিক সচেতনতা, যি সুখদায়ক অথবা দুখদায়ক স্বৰূপে অথবা এক অস্পষ্ট মানসিক উত্তেজনা স্বৰূপে অভিজ্ঞতালব্ধ হৈ উঠে। অনুভূতি তীব্ৰতৰ হ'লে ই সক্ৰিয় আৰু গতিশীল অৱস্থা প্ৰাপ্ত হয় আৰু ইয়াক আবেগ বোলে। যেনে - ভয়, ক্ৰোধ, ভালপোৱা আদি।

মনোবিদ উইলহেলম্ য়ুণ্ডৰ মতে অনুভূতিক তিনিটা বহল পৰিধিত বিভক্ত কৰিব পাৰি। সি হৈছে সুখদায়ক বা দুখদায়ক, উত্তেজনামূলক বা উত্তেজনাহীনতা আৰু মানসিক চাপ বা শিথিলতা।

কোনো নতুন পৰিস্থিতিত প্ৰথমবাৰৰ বাবে আমি সুখ-দুখৰ অনুভূতি আৰু আবেগহে তৎকালীনভাৱে অনুভৱ কৰো। তাৰ পৰৱৰ্ত্তী কালত কৰা পুনৰাবৃত্তিৰ ফলত আবেগৰ এক স্থায়ীভাব সংশ্লিষ্ট ব্যক্তি, বিষয়, পৰিস্থিতিৰ প্ৰতি ব্যক্তিৰ মনত গঢ় লৈ উঠে। আবেগ অনুভূতিৰ এই স্থায়ী অৱস্থাই সেই সেই ব্যক্তি বা বিষয়ৰ প্ৰতি পৰৱৰ্ত্তীকালত আচৰণৰ অভিজ্ঞতা স্থায়ীভাবে গঢ় লৈ উঠে। সেইবাবে মাতৃৰ প্ৰতি কোনোৱে বিৰূপ মন্তব্য কৰিলে, বিদেশত থাকোতে নিজৰ দেশৰ প্ৰতি কোনোবাই বিদ্ৰূপৰ ভাব দেখুৱালে চেণ্টিমেণ্টেল হোৱা যায়। মনৰ আবেগ- অনুভূতিৰ সু-সংগঠিত ৰূপত গঢ় উঠা এক স্থায়ী অৱস্থাই হৈছে ভাববৃত্তি। ভাববৃত্তি ব্যক্তিৰ সুস্থ আৰু স্বাভাবিক মনৰ পৰিচায়ক, ই সুখদায়ক আবেগিক অভিজ্ঞতাৰ পৰা গঢ়ি উঠে। ই হৈছে ব্যক্তিৰ সুস্থ মনৰ মুক্ত স্বাভাবিক প্ৰকাশ।

শিক্ষাৰ উদ্দেশ্য হৈছে ব্যক্তিৰ আনুভূতিক জীৱন সুস্থ-সুন্দৰ, গঠনাত্মক আৰু সুৰুচিপূৰ্ণ কৰি তোলা। এনে অৱস্থাইহে ব্যক্তিৰ জীৱনত শিক্ষাৰ সাৰ্থকতা প্ৰতিপন্ন কৰি তুলিব পাৰে। এই দিশত ভাববৃত্তিৰ সামগ্ৰিক প্ৰভাৱ আছে। ভাববৃত্তিয়ে ছাত্ৰৰ শিক্ষা আহৰণৰ দিশত প্ৰনোদন বা অভিৰোচনৰ ভূমিকা গ্ৰহণ কৰে। শিক্ষকৰ প্ৰতি শ্ৰদ্ধা ভক্তি আৰু সন্মানৰ ভাববৃত্তিয়ে তেওঁৰ প্ৰতি নম্ৰতা, ভদ্ৰতা, বাধ্যতা, আনুগত্য আৰু অনুশাসনৰ মানসিক প্ৰস্তুতি প্ৰদান কৰে। সাৰ্থক শিক্ষা গ্ৰহণৰ বাবে ইয়াক প্ৰয়োজনীয় চৰ্তবিশেষ বুলিব পাৰি। ছাত্ৰৰ মনত গঢ়ি উঠা ভাববৃত্তিয়ে ছাত্ৰ শিক্ষকৰ সম্বন্ধ উন্নত আৰু শক্তিশালী কৰি তুলিব পাৰে। শিক্ষকৰ শিক্ষাদান আৰু ছাত্ৰৰ শিক্ষাগ্ৰহণ কৰা কাৰ্য্য হৈছে এক সুস্থ আবেগিক আদান-প্ৰদান কাৰ্য্য মাথোন। এনে আদান-প্ৰদানৰ বাবে ছাত্ৰৰ মনত শিক্ষকৰ প্ৰতি শ্ৰদ্ধা, ভক্তি, বিস্ময়, সন্মান আদি



ভাববৃত্তিৰ প্ৰয়োজন। এনে এটা অৱস্থাইহে ছাত্ৰ-শিক্ষক বা গুৰু শিষ্যৰ সম্বন্ধক আন আন মানৱীয় সম্বন্ধতকৈ এক উন্নত অৱস্থালৈ তুলি ধৰিব পাৰে। শিক্ষকৰ প্ৰতি ছাত্ৰৰ মনত গঢ়ি উঠা ভাববৃত্তিয়ে তেওঁলোকৰ পৰৱৰ্ত্তী কালৰ বাবে প্ৰয়োজন হোৱা জীৱনৰ আদৰ্শ আৰু মূল্যবোধৰ ভাব গঢ় দি তুলিব পাৰে।

উল্লেখযোগ্য যে বৰ্ত্তমান সামাজিক পৰিস্থিতিত ছাত্ৰ সকলে শিক্ষকৰ প্ৰতি প্ৰয়োজনীয় ভাববৃত্তি গঢ়ি তুলিব নোৱাৰা বাবে সঠিক মূল্যবোধ ভাব গঠনত বিভ্ৰান্তিৰ সৃষ্টি হয়। ই সামাজিক জীৱনটো বিশৃংখলতাৰ সৃষ্টি কৰি তোলে। সেয়েহে কব পাৰি যে ছাত্ৰ সকলৰ মনত গঢ়ি তোলা সুস্থ ভাববৃত্তিয়েহে তেওঁলোকৰ মনত শুদ্ধ আৰু যথাৰ্থ মূল্যবোধৰ ভাব গঢ়ি তুলিব পাৰে।

ভাববৃত্তিয়ে মানুহৰ মনত বিভিন্ন ব্যক্তি, বিষয়, পৰিস্থিতিৰ প্ৰতি সুস্থ, ইতিবাচক মনোভাব গঠন কৰি তুলিব পাৰে। এই মনোভাবে ব্যক্তিৰ নিজ নিজ পৰিৱেশ আৰু পৰিস্থিতিৰ সুস্থ সমাযোজনা আৰু ব্যক্তিগত সমস্যা সমাধানৰ বাবেও অনুকূল পৰিবেশ গঠিত একক দলস্বৰূপে গণ্য কৰা হয়। তেওঁলোকৰ মনৰ ভাববৃত্তিয়ে শিক্ষাৰ বিভিন্ন পৰিস্থিতিত লাভ কৰা অনুভূতি, চিন্তা আৰু ক্ৰিয়াৰ ঐক্যভাব গঢ়ি তোলে। ইয়াৰ ফলত তেওঁলোকৰ মনত দলীয় মন সৃষ্টি হৈ সুসংগঠিত আৰু গঠনাত্মক ৰূপ ধাৰণ কৰি উঠিব পাৰে। এই দলীয় মনে ছাত্ৰ সকলৰ ক্ৰিয়া আচৰণ এক বিশেষ ৰূপত পৰিচালিত কৰিব পাৰে। ইয়াৰ প্ৰতি শিক্ষকসকলে বিশেষ দৃষ্টি ৰখা প্ৰয়োজন।

মানুহৰ মনৰ আশ্চৰ্য, ভয়, বিনম্ৰতা, আত্মসমৰ্পন আদি অনুভূতি সুসংগঠিত ৰূপত গঢ়ি উঠি সন্মানৰ (Sentiment of Respect) ভাববৃত্তিৰ সৃষ্টি হয়। শিক্ষকৰ প্ৰতি ছাত্ৰৰ মনত গঢ়ি উঠা সন্মানৰ ভাববৃত্তিৰ ফলত ছাত্ৰ সকলে শিক্ষকৰ অনুভৱ, চিন্তা আৰু ক্ৰিয়াক বিনা দ্বিধাৰে নিজৰ বুলি গ্ৰহণ কৰে। মানুহৰ মনৰ চিন্তা, ক্ৰিয়া আৰু আচৰণৰ ভাববৃত্তিয়ে পেলোৱা প্ৰভাৱৰ প্ৰতি লক্ষ্য ৰাখি আত্মসন্মানক অধিক শক্তিশালী আৰু প্ৰভূত্বশীল ভাববৃত্তি (Master Sentiment) স্বৰূপে গণ্য কৰা হয়। মানুহৰ নিজ ব্যক্তিসত্তা বা ব্যক্তিগত ক্ষমতা যোগ্যতা আদিৰ প্ৰতি থকা আত্মবিশ্বাসক কেন্দ্ৰ কৰি সুসংগঠিত ৰূপত এই আত্মসন্মানৰ ভাব গঢ়ি উঠে। এনে এক শক্তিশালী আনুভূতিক জীৱনৰ অৱস্থাই ব্যক্তিৰ নিজ ক্ৰিয়া আচৰণত সাহস, মনোবল, দৃঢ় সংকল্প গ্ৰহণ, আত্মপ্ৰাপ্তি, আত্মসন্তুষ্টি আদিয়ে উন্নতি আৰু প্ৰগতি নিশ্চিত কৰি তোলে। এনে লোকে আত্মবিশ্বাসৰ বলত জীৱনৰ সকলো বাধা নিষেধ আৰু সমস্যাক সহজে অতিক্ৰম কৰিব পাৰে।

বৌদ্ধিক ভাববৃত্তি জ্ঞান-পিপাসু বুদ্ধিজীৱি লোকসকলৰ মনত গঢ়ি উঠে। তেনেদৰে সুন্দৰৰ অনুভৱ, ভাবনা আৰু চিন্তা-চৰ্চাই মনত স্থায়ীৰূপ লাভ কৰি সৌন্দৰ্য্যবোধক ভাববৃত্তি গঢ়ি উঠে। সকলোবোৰ কলাত্মক সৃষ্টিৰ আনন্দৰ যোগেদি এই ভাববৃত্তি প্ৰকাশ হৈ আহে। কলা শিল্পী, সাহিত্যিক, নাট্যকাৰ, সংগীতজ্ঞ সকলৰ অনুভূতি, চিন্তা আৰু ক্ৰিয়া সৌন্দৰ্য্যবোধক ভাববৃত্তিৰ যোগেদি আত্ম প্ৰকাশ কৰে। ন্যায়, অন্যায়, উচিত অনুচিত অনুভূতিবোৰ সুসংগঠিত হৈ চৰিত্ৰ (Character) আৰু ব্যক্তিত্ব (Personality) গঠনৰ যোগে নৈতিক ভাববৃত্তি হিচাপে আত্ম প্ৰকাশ কৰে। নৈতিক ভাববৃত্তিয়ে মানুহৰ আচৰণ
নীতিনিষ্ঠ আৰু সমাজৰ গ্ৰহণযোগ্য কৰি তোলে। সুস্থ ভাববৃত্তিয়ে এজন লোকৰ জীৱন পূৰ্ণতা প্ৰাপ্তিৰে উপভোগ্য কৰি তোলে। ইয়াৰ অভাৱত জীৱন বিশৃংখল, অসংলগ্ন, সামঞ্জস্যহীন আৰু অস্থিৰতাত পৰিণত হৈ এক দুৰ্বহ বোজাস্বৰূপ হৈ উঠিব পাৰে।

ভাববৃত্তিৰ বিপৰীত মানসিক অৱস্থাক মনোগ্ৰন্থি (Complex) বোলে। ই ব্যক্তিৰ দুখদায়ক আবেগিক অভিজ্ঞতাৰ পৰা গঢ়ি উঠে। মনোগ্ৰন্থি ব্যক্তিৰ অসুস্থ আৰু ৰোগগ্ৰস্ত মনৰ পৰিচায়ক। ই ব্যক্তিয়ে ক'ব নোৱাৰাকৈয়ে অচেতন মনত সৃষ্টি হয়। মনোগ্ৰন্থিয়ে মানুহৰ মনত নেতিবাচক প্ৰভাৱ পেলায় আৰু ইয়াৰ পৰিণতি ধ্বংসাত্মক বিধৰ হয়। উদাহৰণ স্বৰূপে উচ্চাত্মিকা মনোগ্ৰন্থি (Superiority Complex) পিতৃকাম মনোগ্ৰন্থি (Electra Complex) মাতৃকাম (Oedipus Complex), পৰপীড়ন (Sadism), আত্মপীড়ন (Masochism) ইত্যাদি। উচ্চাত্মিকা মনোগ্ৰন্থিৰ লোকে নিজৰ দেহ মানসিক যোগ্যতা, প্ৰশাসনীয় ক্ষমতা, জ্ঞান অভিজ্ঞতাৰ শ্ৰেষ্ঠতা, ৰূপ-যৌৱন, সা-সম্পত্তি, জাত- কুল অথবা আন যিকোনো কথাত নিজৰ শ্ৰেষ্ঠত্ব এক অসুস্থ আৰু অশালীন ৰূপত প্ৰকাশ আৰু প্ৰতিপন্ন কৰিবলৈ বিচাৰে। পিতৃ আৰু কন্যাৰ মাজত গঢ়ি উঠা আবেগিক আকৰ্ষণৰ বাবে মাতৃ আৰু কন্যাৰ মাজত ঘৃণাৰ ভাব পৰিলক্ষিত হোৱা আবেগিক জটিলতাক পিতৃ কাম বা ইলেট্ৰা মনোগ্ৰন্থি বুলি জনা যায়। ইয়াৰ বিপৰীতে মাতৃৰ প্ৰতি পুত্ৰ সন্তানৰ অসুস্থ আকৰ্ষণ আৰু পিতৃৰ প্ৰতি অনুৰূপ বিকৰ্ষণ মনোগ্ৰন্থিক মাতৃকাম বা ইডিপাচ মনোগ্ৰন্থি বুলি কোৱা হয়। এই মনোগ্ৰন্থিবোৰে ব্যক্তিমনৰ ভাব-অনুভূতি আৰু ক্ৰিয়া আচৰণক অসুস্থ বিকৃত, অবদমিত আৰু ৰোগগ্ৰস্ত কৰি তোলে, যাৰ ফলত মানসিক চিকিৎসাৰ প্ৰয়োজন হৈ পৰে।

এজন শিক্ষিত আৰু সংস্কৃতিবান লোকৰ আবেগ অনুভূতিবোৰ সুস্থ, সংযত, পৰিমাৰ্জিত আৰু সুৰুচিপূৰ্ণ হৈ উঠাটো আশা কৰা হয়। শিক্ষাদান আৰু গ্ৰহণ কাৰ্যত শিক্ষকে ছাত্ৰৰ ওপৰত আৰু ছাত্ৰই শিক্ষকৰ ওপৰত আবেগিক ভাবে ক্ৰিয়া প্ৰতিক্ৰিয়া কৰে। আবেগৰ এই আদান প্ৰদানেহে শিক্ষা কাৰ্যক সজীৱ, প্ৰাণস্পৰ্শী আৰু ফলপ্ৰসু বিধৰ কৰি তুলিব পাৰে। ইয়াৰ অভাৱ হ'লে শিক্ষা প্ৰাণহীন, যন্ত্ৰচালিত আৰু গতানুগতিক ক্ৰিয়াত পৰিণত হয়। ইয়াৰ উপৰি তেওঁলোকৰ মাজত পৰিস্থিতি সাপেক্ষে জটিলতা আৰু মনোগ্ৰন্থিৰ সৃষ্টি হৈ পৰস্পৰৰ প্ৰতি ভয়, ক্ৰোধ, বিৰক্তি, ঘৃণা, হিংসা আদিয়ে শিক্ষা পৰিৱেশ জটিল কৰি তুলিব পাৰে।

আবেগৰ শিক্ষা ঘাইকৈ নিৰ্ভৰ কৰে শিক্ষকৰ নিজ আবেগিক সুস্থতা আৰু সুন্দৰ ব্যক্তিত্বৰ ওপৰত। শিক্ষকৰ আকৰ্ষনীয় আৰু সুৰুচিপূৰ্ণ ব্যক্তিত্বত আবেগৰ পৈণতা আৰু স্বতঃস্ফুৰ্ত্ততা থাকিব লাগে। ছাত্ৰৰ প্ৰতি তেওঁৰ নেতিবাচক মনোভাব, কটু সমালোচনা আৰু সহানুভূতিহীন নিৰ্দয় আচৰণ অত্যন্ত ক্ষতিকাৰক। ছাত্ৰই শিক্ষকৰ সুস্থ-অসুস্থ ভাব অনুভূতি, আবেগিক প্ৰতিক্ৰিয়া আৰু আচৰণ আদি সততে অনুকৰণ কৰে। সেই কাৰণতে শিক্ষকৰ আচৰণ আদৰ্শনীয় হোৱাটো বাঞ্চনীয়। তেওঁৰ সৰলতা, সাধুতা, আন্তৰিকতা, অমায়িকতা, নিৰপেক্ষতা আদি বিশিষ্ট গুণসমূহ আবেগৰ শিক্ষাৰ বাবে মূলধনস্বৰূপ। এনেবোৰ গুণে তেওঁৰ উপস্থিতি ছাত্ৰসকলৰ বাবে উৎসাহ-আনন্দ, ভক্তি আৰু প্ৰেৰণাদায়ক হৈ উঠে। ❑❑❑

লিখা-পঢ়া শিকি কেৱল নিজে শিক্ষিত হ'লে নহ'ব। নিজে পোৱা শিক্ষাৰ আদৰ্শ আনকো বিলাই দিব লাগিব।
- ছমাৰ ছেট মম



❑ ৰঙিয়া মহাবিদ্যালয় আলোচনী ❑

# ছাত্ৰ জীৱনত সাহিত্য চৰ্চা

শান্তনু কুমাৰ ডেকা
স্নাতক ৩ য় বৰ্ষ

"সাহিত্য হ'ল কোনো বস্তুবাদী ব্যক্তিৰ হৃদয়ৰে বৈ অহা পৃথিৱীখনৰ বিভিন্ন ভৌতিক বস্তু আদিৰ অব্যক্ত সৌন্দৰ্য্যৰ কাব্যিক হৃদয়ত হোৱা প্ৰতিফলনৰ এক অন্তৰাত্মা বিৰচিত বৰ্ণনাত্মক, ভাৱাত্মক, স্বাধীন আৰু হয়তো হাতৰ আঙুলিৰ চেপাত বাধ্য কলমটিৰ চিত্ৰগ্ৰাহীৰে দিয়া লিখিত ৰূপ। যি বতাহ হৈ অথবা উশাহ হৈ হৃদয়ত নোসোমায়। ড° মহেশ্বৰ নেওগে কোৱাৰ নিচিনা "সাহিত্য উদ্ভাৱনৰ ক্ষেত্ৰত একান্ত সাধনা আৰু চৰ্চাৰ আৱশ্যক।""

"ছাত্ৰ জীৱনত সাহিত্য চৰ্চা" এই কথাষাৰিৰ যদি গভীৰতা আৰু গধুৰতা আমি বিশ্লেষণ কৰিবলৈ যাও তেন্তে আমি জানিম যে ছাত্ৰ জীৱনৰ এই মহৎ চৰ্চাই এজন ছাত্ৰৰ জীৱন আৰু ব্যক্তিত্ব গঠনত এক গুৰুত্বপুৰ্ণ ভূমিকা লয়।

আচলতে সাহিত্য বুলিলেনো কি ? সাহিত্য হ'ল কোনো বস্তুবাদী ব্যক্তিৰ হৃদয়েৰে বৈ অহা পৃথিৱীখনৰ বিভিন্ন ভৌতিক বস্তু আদিৰ অব্যক্ত সৌন্দৰ্য্যৰ কাব্যিক হৃদয়ত হোৱা প্ৰতিফলনৰ এক অন্তৰাত্মা বিৰচিত বৰ্ণনাত্মক, ভাৱাত্মক, স্বাধীন আৰু হয়তো হাতৰ আঙুলিৰ চেপাত বাধ্য কলমটিৰ চিত্ৰগ্ৰাহীৰে দিয়া লিখিত ৰূপ। যি বতাহ হৈ অথবা উশাহ হৈ হৃদয়ত নোসোমায়। ড° মহেশ্বৰ নেওগে কোৱাৰ নিচিনা "সাহিত্য উদ্ভাৱনৰ ক্ষেত্ৰত একান্ত সাধনা আৰু চৰ্চাৰ আৱশ্যক।"

সাহিত্যই বহিঃজগতৰ সৌন্দৰ্য্যৰ পিনে বাট দেখুৱায় আৰু সেই পৰ্য্যায়তেই সাহিত্যৰ শক্তিৰ পৰিচয় আমি পাওঁ। আনহাতে সাধনা আৰু চৰ্চা বুলিবলৈ হ'লে সাহিত্য সৃষ্টিৰ বাবে প্ৰয়োজনীয় অবিৰত প্ৰচেষ্টা আৰু মনোভাৱৰ দ্বাৰা বিষয়বস্তুৰ প্ৰাপ্তি একে হব লাগিব। অৱশ্যে মানসিক অৱসাদ আৰু আৰ্থিক স্বচ্চলতাও ইয়াৰ দুটা গুৰুত্বপূৰ্ণ দিশ বুলি ড° নেওগে কয়। এই দুটা দিশ অবিহনে সাহিত্যচৰ্চা সম্ভৱ কঠিন।

যদি ছাত্ৰাৱস্থাৰ পৰাই আমি এই চৰ্চা আৰম্ভ কৰো তেন্তে আমি লাভ কৰিব পাৰো এক অপূৰ্ব অনুভৱ, আত্মশান্তি অথবা অন্য কিবা অপ্ৰকাশিত শিহৰণ আৰু সৃষ্টিমুলক জ্ঞান।

কোনো এবিধ অদ্ভুত শক্তিৰ (প্ৰকাশ শক্তি) বশবৰ্ত্তী এই সাহিত্যসমূহ বহিঃজগতৰ মায়াবোৰৰ আলম লৈ সৃষ্ট এটা স্বাধীন বিচাৰ বুদ্ধিৰ দ্বাৰা জাগ্ৰত চেতনাৰ অৱদান যাক ভাল লগা বা বেয়া লগাৰ ভিতৰতহে মূল্যায়ন কৰিব পাৰি। এনে হেন স্বাধীন সৃষ্টি মাত্ৰ চৰ্চাৰ দ্বাৰাহে সম্ভৱ হয় যাৰ পৰা আমি সাহিত্য সম্বন্ধীয় জৰুৰী জ্ঞানসমূহ লাভ কৰিবলৈ সক্ষম হওঁ।

ছাত্ৰৰ জীৱন আৰু এই জীৱনত সাহিত্য চৰ্চাৰ বিষয়ে ক'বলৈ গ'লে প্ৰথমতে ছাত্ৰ জীৱনৰ মূল্যায়ন অতি জৰুৰী। এজন ছাত্ৰৰ ছাত্ৰ হিচাপে কৰণীয় কৰ্তব্যৰ প্ৰতি নিষ্ঠতা, দায়িত্বৰ প্ৰতি জ্ঞান আদি থকাটো অত্যন্ত জৰুৰী। ছাত্ৰ জীৱনৰ কম-বেছি পৰিমাণে সকলো স্তৰতে বিভিন্ন ভাষাৰ সাহিত্য চৰ্চা প্ৰয়োজনীয় আৰু ইয়ে অবিৰত হৈ চলি যায় আমোদজনক, জ্ঞান প্ৰসাৰী, তত্বগধুৰ চৰ্চা স্বৰূপে যাৰ পৰাই আৰম্ভ হয় হয়তো সেই ছাত্ৰজনৰ ভবিষ্যৎ সাহিত্য জীৱনৰ উত্তৰণ। ইয়াৰ উপৰিও কোনো এজন সাহিত্যিকে লাভ কৰা তেওঁৰ জ্ঞানো হয়তো নিশ্চিতভাৱে লাভ কৰে ছাত্ৰ জীৱনত আখৰা কৰা সাহিত্য সাধনা সাহিত্য চৰ্চাৰ পৰা।

সাহিত্যৰ প্ৰতি সাহিত্যিকসকলৰ যি মন্তব্য তাৰ ওপৰত যদি আমি আমাৰ দৃষ্টিভংগী দৰ্শাও তেন্তে আমি জানিম যে সাহিত্যৰ পথাৰখন অতি উৰ্বৰা আৰু প্ৰসাৰ বহুল। আমি যদি অসমৰ জাতীয় সাহিত্যৰ বৰ্ত্তমানলৈকে হৈ অহা বিকাশৰ ওপৰতো দৃষ্টিপাত কৰো তেন্তে বৰ্ত্তমান সময়ত সৃষ্ট সাহিত্যৰ বিকাশ যুৱ প্ৰজন্মৰ পৰাই প্ৰৱলভাবে হোৱা যেন পৰিলক্ষিত হয়। সাহিত্য জগতৰ পাতনি অৰ্থাৎ খ্ৰীষ্টিয় পঞ্চদশ শতিকাৰ সময়ৰ পৰা মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ লেখনি তথা সাহিত্য সমূহে সাহিত্য যুগৰ সূচনা কৰে। তাৰ পিছত উনবিংশ শতিকাৰ আগভাগৰ পৰা সেই পুৰণি সাহিত্যৰ কিছু আধুনিকৰণ কৰে মধ্যযুগৰ সাহিত্যিক সকলে। আনহাতে সেই সময়ৰ পৰা বৰ্ত্তমানলৈকে সাহিত্যৰ যিখিনি বিকাশ আৰু উন্নতি ঘটিছে তাৰ যদি সত্য নিস্কাষণ কৰা হয়, তেন্তে আমি জানিবলৈ পাম যে ছাত্ৰ জীৱনতেই চৰ্চিত সাহিত্যৰ বাবে ইমান খিনি সম্ভৱ হৈছে।

ইফালে অসমীয়াৰ এই সাহিত্যৰ সৃষ্টিত ব্যৱহৃত ভাষাৰ ভিন্নতা অনুসৰি সাহিত্য সমূহক প্ৰাচীন, আধুনিক আদি ভাগত বিভক্ত কৰি সেইবোৰত সন্নিবিষ্ট বেদ উপনিষদৰ পৰা আৰম্ভ কৰি গীত, ভাট, পয়াৰৰ পৰা গৈ চুটিগল্প, ফকৰা, লিমাৰিক আদিত লগ-লাগি এডাল দীঘল প্ৰসাৰী সূতাই সাহিত্য বিভাগতো এক লগ কৰি ৰাখিছে আৰু স্ৰজকহীন সাহিত্য কিছুমানো আমাৰ সাহিত্যৰ পথাৰ খনত লোক সাহিত্য নাম লৈ যোগ হৈ আছে যি বিলাকৰ জ্ঞান আমি ছাত্ৰ অৱস্থাৰ সাহিত্য চৰ্চাৰ পৰাই লাভ কৰিব পাৰো। এজন ছাত্ৰই ল'ৱলগীয়া নৈতিক, শৈক্ষিক আৰু আন বহুতো জ্ঞানৰ অধিকাংশই যিহেতু সাহিত্যৰ মাজেৰে আৰম্ভ হয়, সেয়েহে প্ৰতিগৰাকী ছাত্ৰই সাহিত্য বিভাগৰ মাজেদি যদি জীৱনৰ যদি পাতনি মেলি তেওঁৰ জৰুৰী চৰ্চাসমূহ সুচাৰুৰূপে পালন কৰে তেন্তে সাহিত্যৰ যি কোনো দিশতেই তেওঁ ভালদৰে নিজকে খাপ খুৱাই লব পাৰিব। সাহিত্যৰ লগত সংগতি থকা আন এটি বিভাগ হ'ল সংস্কৃতি। সাহিত্য অধ্যয়ন আৰু চৰ্চাই ছাত্ৰ জীৱনক সংস্কৃতিৰ জ্ঞান দিয়াৰ লগতে মনৰ বৌদ্ধিক বিকাশ ঘটাই নিজকে সাহিত্যিকসুলভ মনোভাৱৰ সংস্কাৰৰ প্ৰতিফলন কৰাৰ আত্মোনুভৱ জন্মায়।

বৰ্ত্তমান সময়ত বিভিন্ন লিখনিৰ মাধ্যমেৰে বহুতো ছাত্ৰ ছাত্ৰীয়ে নিজকে প্ৰতিপন্ন কৰিব খোজাৰ হাবিয়াসে ছাত্ৰ জীৱনত সাহিত্য চৰ্চাৰ মহৎ অনুভৱৰ পিনে দৃষ্টিপাত কৰায়। বিভিন্ন শৈক্ষিক প্ৰতিষ্ঠানত প্ৰকাশিত পত্ৰিকা অথবা জনহিতাৰ্থে প্ৰকাশিত বিভিন্ন কিতাপ-পত্ৰৰ মাজেদি বিভিন্ন ছাত্ৰৰ মাজত লুকাই থকা প্ৰতিভা প্ৰকাশ পায়, যাৰ পৰা আমি ছাত্ৰ জীৱনত সাহিত্য চৰ্চাৰ প্ৰভাৱ জানিবলৈ পাওঁ।

এজন ছাত্ৰ ভৱিষ্যৎ জীৱনত এজন সুপ্ৰতিস্থিত সাহিত্যিক হোৱা নোহোৱাৰ বিষয়টোৱে মুখ্য বিষয় নহয়, কিন্তু তেওঁ সাহিত্য চৰ্চাৰ দ্বাৰা সাহিত্য সংস্কৃতিৰ বিষয়ে যি জ্ঞান লাভ কৰিব তাৰ সম পৰিপুৰক হয়তো একো নহ'ব। আনহাতে আজিকালি বিজ্ঞানৰ যুগত বিভিন্ন জন ছাত্ৰই বিভিন্ন মাধ্যমেৰে সাহিত্য চৰ্চা কৰা পৰিলক্ষিত হয়, যিটো আমাৰ ভবিষ্যতৰ বাবে পাথেয় স্বৰূপ। তাৰ লগতে প্ৰত্যেকজন সাহিত্য চৰ্চাকাৰী ছাত্ৰই আমাৰ সাহিত্যৰ ভেটি আৰু সুদৃঢ় কৰাত যি ভূমিকা লয় তাৰ পৰাও আমাৰ আদৰ্শ সমূহত প্ৰত্যক্ষ প্ৰভাৱ পৰে। বৰ্ত্তমান যুগৰ কেইজনমান যুৱ সাহিত্যিকে তেওঁলোকৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হৈছে যাৰ অন্তৰালত হয়তো সাহিত্যিক গৰাকীৰ ছাত্ৰ জীৱনতেই কৰি অহা সাহিত্য চৰ্চাই ভুমিকা লৈছে। অৱশ্যে প্ৰাচীন সাহিত্য সমূহ মূলতঃ প্ৰদৰ্শনমূলক, জ্ঞানবৰ্ধক আছিল আৰু বৰ্তমান সাহিত্য সমূহ প্ৰধানতঃ বৃত্তিমূলক হৈ গৈ আছে। য'ত দুটা লাভ হৈছে, প্ৰথমতে হ'ল এজন সাহিত্যিকৰ আৰ্থিকভাৱে স্বচ্ছল হোৱাৰ উপায় আৰু দ্বিতীয়তে প্ৰতিযোগিতা মূলক সময়ত নিজৰ লেখনিৰ অলংকৰণ কৰা ৰসৰ সোৱাদত ক্ৰেতাৰ লগতে সাহিত্য চৰ্চাকাৰীৰ সংখ্যা বৃদ্ধি। আনফালে বৃত্তিমূলক প্ৰচেষ্টাৰ বাবে হওঁক বা অন্য কাৰণতেই হওক ইয়াৰ ফলত বৃদ্ধি হৈছে ছাত্ৰ জীৱনত সাহিত্য চৰ্চা।

সাহিত্যত সন্নিবিষ্ট ব্যাকৰণ হ'ল এটা ভাষা বিশেষৰ ওপৰত জ্ঞান আৰু তথ্য লাভৰ অন্যতম দিশ। কিন্তু এই জ্ঞান লাভৰ গুৰুত্বপুৰ্ণ প্ৰয়োজনটো হ'ল চৰ্চা। কোনো এটা ভাষা শুদ্ধকৈ কব, লিখিব জানিব লাগিলে সেই ভাষাৰ ব্যাকৰণৰ জ্ঞান থকাটো অতি জৰুৰী। সেয়েহে ছাত্ৰ জীৱনত সাহিত্য চৰ্চাৰ জৰিয়তে এই জ্ঞান লাভ কৰাটো অত্যন্ত প্ৰয়োজনীয়। ব্যাকৰণ চৰ্চাই আমাক যি ভাষাৰ জ্ঞান দিয়ে সেই জ্ঞানে আমাক ভাষাটিৰ সাহিত্যৰ দিশতো আগবঢ়াই নিয়ে। অকৃত্ৰিম সাহিত্য সাধনাই এজন ছাত্ৰৰ ভবিষ্যৎ গঢ়াৰ মুখ্য মানদণ্ড হৈ পৰে। আজিও আমাৰ সাহিত্য জগতত ধ্ৰুৱতৰা হৈ জিলিকি থকা সাহিত্যিকসকলে প্ৰত্যেকেই সাহিত্য চৰ্চাৰ দ্বাৰা নিজকে প্ৰতিপন্ন আৰু প্ৰতিষ্ঠা কৰিব পাৰিছে। মাত্ৰ সাহিত্যিক হোৱাৰ লক্ষ্য ৰাখি নহয়, সাহিত্যৰ জ্ঞান লাভৰ লক্ষ্য আগত ৰাখি যদি এজন ছাত্ৰই ছাত্ৰ জীৱনৰ পৰাই সাহিত্য চৰ্চা আৰম্ভ কৰে তেন্তে তেওঁৰ সাহিত্যৰ জীৱন আৰু সমাজলৈ নিজেই নিজেই পথ সুগম হৈ পৰিব। মুঠতে ছাত্ৰ জীৱনত প্ৰত্যেকজন ছাত্ৰই অতি জৰুৰীভাৱে সাহিত্য সাধনা অথবা চৰ্চা কৰিব লাগে। "সাহিত্য চৰ্চাৰ গভীৰতা, সাহিত্য কি, সাহিত্যৰ দিশসমূহ, ইয়াৰ পৰিসৰ, সৃজক, বিভিন্ন মাধ্যম আৰু ইয়াৰ উপকাৰিতা আদিৰ বিষয়ে যথা সম্ভৱ বাখ্যাৰ জৰিয়তে প্ৰতিপন্ন কৰিব বিচৰা হৈছে যে ছাত্ৰ জীৱনত সাহিত্য চৰ্চাই আমাক কিমান জ্ঞানপ্ৰসু গভীৰ আৰু অতুলনীয় ফল লাভ কৰিবলৈ সক্ষম কৰায়। সেয়েহে সকলোকে আহ্বান জনাইছো, ছাত্ৰ জীৱনৰ পৰাই এই মহৎ কাৰ্য্যৰ দ্বাৰা নিজকে অনাগত ভৱিষ্যৎ লৈ জ্ঞানৰ উৎস হিচাপে প্ৰস্তুত কৰাৰ বাবে চৰ্চাবোৰ যত দূৰ সম্ভৱ কৰাটো উচিত।

❑❑❑

মানুহক অধ্যয়ন কৰিব জানিলেই প্ৰকৃত জ্ঞান লাভ হয় আৰু সেই উপলব্ধিয়েই প্ৰকৃত সাহিত্য সৃষ্টিৰ উপাদান।

– মেক্সিম গৰ্কী

# ইণ্টাৰনেট

## বিশ্ব তথ্য প্ৰযুক্তি বিদ্যাৰ আন এক বিপ্লৱ

অংকিতা পাঠক
স্নাতক তৃতীয় বৰ্ষ

ইণ্টাৰনেট হ'ল পৃথিৱীৰ বিভিন্ন ঠাইত থকা কম্পিউটাৰৰ এটা নেটৱৰ্ক ব্যৱস্থা। এই ব্যৱস্থাৰ জৰিয়তে এটা কম্পিউটাৰৰ পৰা আন এটা কম্পিউটাৰলৈ শ্ৰব্য-দৃশ্য আদি বিভিন্ন মাধ্যমেৰে তথ্যৰ আদান-প্ৰদান কৰিব পাৰি। আলিবাট বা ৰেলপথৰ নেটৱৰ্ক বা টেলিভিচন নেটৱৰ্ক বা পোষ্টেল নেটৱৰ্ক আদিৰ সতে আমি অতি পৰিচিত। এনে নেটৱৰ্কে কিছুমান সেৱা আৰু স্থানক সংযোগ কৰি একোটা সাধাৰণ প্ৰয়োজন পূৰণ কৰে। এই ক্ষেত্ৰত আমাক BSNL, SATYAM, DISHNET আদি সংস্থাবোৰে সহায় কৰে।



আমেৰিকা যুক্তৰাষ্ট্ৰৰ প্ৰতিৰক্ষা বিভাগৰ অন্তৰ্গত 'ডিফেন্স এডভান্সড্ ৰিচাৰ্চ প্ৰজেকট্ এজেন্সি'(Defence Advance Research Project Agency) ৰ পৃষ্ঠপোষকতাত ১৯৬৯ চনত নেটৱৰ্কৰ প্ৰথম সূচনা হয়। আৰপানেট নামেৰে পৰিচিত এই নেটৱৰ্কৰ অধীনত ষ্টেনফোৰ্ড ৰিচাৰ্চ ইনষ্টিটিউট, উঠা বিশ্ববিদ্যালয় আৰু কেলিফৰ্ণিয়া বিশ্ববিদ্যালয়, লচ এঞ্জেলচ্ আৰু ছাণ্টা বাৰবাৰাত থকা কেম্পাছ দুটাত কম্পিউটাৰসমূহ সংযোগ কৰা হৈছিল। অৱশ্যে ইয়াৰ তিনি বছৰৰ পাছত ১৯৭২ চনত হে এই নেটৱৰ্কৰ কথা ৰাজহুৱা ভাৱে জনোৱা হৈছিল।

১৯৮২ চনত নেটৱৰ্কৰ জৰিয়তে সকলো ধৰণৰ কম্পিউটাৰ একে প্ৰণালীৰে কাৰ্যক্ষম কৰি তোলাৰ ব্যৱস্থা কৰা হয়। টি.চি.পি.আই.পি নামেৰে পৰিচিত এই ব্যৱস্থাই বিভিন্ন দেশৰ কোম্পানীয়ে নিৰ্মাণ কৰা কম্পিউটাৰবোৰে যাতে একোটা সাধাৰণ প্ৰট'কল ব্যৱহাৰ কৰি নেটৱৰ্কত কাৰ্যক্ষম হ'ব পাৰে তাৰ ব্যৱস্থা কৰিলে। ১৯৯৩ চনতহে আৰপানেটক ৰাজহুৱা নেটৱৰ্কলৈ ৰূপান্তৰিত কৰা হয় আৰু সাধাৰণ নাগৰিকক সুবিধা প্ৰদান কৰা হয়। আনুষ্ঠানিকভাৱে ইণ্টাৰনেটৰ জন্ম হয় ১৯৯২ চনতহে, কিয়নো সেই চনতহে ইণ্টাৰনেট ছ'ছাইটি পঞ্জীয়ন কৰা হয়।

সম্প্ৰতি পৃথিৱীৰ সকলো প্ৰান্ততে ইণ্টাৰনেট অতি জনপ্ৰিয় হৈ উঠিছে। ইয়াৰ মূল কাৰণ হ'ল ইয়াৰ বহুমুখী ব্যৱহাৰ। ইণ্টাৰনেটে আগবঢ়োৱা সা-সুবিধাবোৰৰ তালিকা অতি দীঘল -

**ই-মেইল (E-mail)** :- ই এবিধ ইলেক্ট্ৰনিক ডাক সেৱা। ই-মেইল হৈছে তাৎক্ষণিক ব্যৱস্থা অৰ্থাৎ ই-মেইলৰ জৰিয়তে কৰা খবৰ বা তথ্য নিৰ্দিষ্ট ব্যক্তিজনৰ ইলেক্ট্ৰনিক মেইল বস্কলৈ মুহূৰ্তত স্থানান্তৰিত হয়। ইয়াৰ উপৰিও বাৰ্তাটো ইলেকট্ৰনিক হোৱাৰ বাবে প্ৰিণ্টিং ফেক্সপেপাৰ বা চিয়াহীৰ খৰচ ৰাহি হয়।

**ৱেব ব্ৰাউচিং (Web browsing)** :- শিক্ষানুষ্ঠান, চিকিৎসালয়, চৰকাৰী, বিভাগ, ব্যক্তিগত প্ৰতিষ্ঠানকে আদি কৰি বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানে তেওঁলোকৰ বিষয়ে নানান তথ্য ইণ্টাৰনেটত সংৰক্ষণ কৰি ৰাখে। এইবোৰক 'ৱেব ছাইট' বুলি কোৱা হয়। এজন ইণ্টাৰনেট ব্যৱহাৰকাৰীয়ে এই ৱেব ছাইট সমূহ চাই নানান কথা শিকিব পাৰে আৰু নিজৰ প্ৰয়োজনীয় তথ্যসমূহ আহৰণ কৰিব পাৰে।

**ই-কমাৰ্চ (E-Commerce)** :- ইণ্টাৰনেটৰ জৰিয়তে কৰা ব্যৱসায়িক আদান-প্ৰদানক 'ই-কমাৰ্চ' বুলি কোৱা হয়। ই-শ্বপিং হৈছে অন-লাইনেৰে সামগ্ৰী কিনা-বেচা কৰা এক প্ৰক্ৰিয়া। বৰ্তমান ভাৰতৰ মহানগৰ কেইখনত কম্পিউটাৰৰ যোগেৰে ঘৰত থাকিয়েই যিকোনো সামগ্ৰীৰ কিনা-বেচা কৰিব পাৰি। বৰ্তমান বেংক আৰু বিত্তীয় অন্যান্য প্ৰতিষ্ঠানবোৰতো 'ই-কমাৰ্চে' এক বিশেষ ভূমিকা পালন কৰিছে।

**ই-এডুকেশ্বন (E-Education)** :- ৱেব ব্ৰাউচিঙক এক প্ৰকাৰৰ শিক্ষামূলক ভ্ৰমণ বুলিয়েই ক'ব পৰা যায়। কিয়নো ইয়াৰ জৰিয়তে বহু কথা শিকিব পৰা যায়। তদুপৰি বৰ্তমান ইণ্টাৰনেটে দূৰ শিক্ষাৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিছে। শ্ৰেণীকোঠাত উপস্থিত নথকাকৈও ইণ্টাৰনেটৰ জৰিয়তে তাৰ সমপৰ্য্যায়ৰ শিক্ষা লাভ কৰিব পাৰি। ই নিঃসন্দেহে ডাকত অহা কিতাপ পঢ়ি লোৱা শিক্ষাতকৈ অধিক ফলপ্ৰসু। উচ্চ শিক্ষাৰ বিশেষকৈ গৱেষণা আদিৰ ক্ষেত্ৰত ইণ্টাৰনেটৰ সা-সুবিধা অধিক ফলদায়ক ৰূপত ব্যৱহৃত হৈছে।

**ই-মেডিচিন (E-Medicine)** :- ইণ্টাৰনেটৰ জৰিয়তে বৰ্তমান চিকিৎসা সেৱা তথা ঔষধো পাব পৰাৰ ব্যৱস্থা হৈছে। নিজৰ ঠাইত নোপোৱা ঔষধ আন ঠাইৰ ফাৰ্মাচীৰ পৰা (সি লাগে দেশ-বিদেশ য'ৰে নহওক কিয়) ইণ্টাৰনেটৰ জৰিয়তে ক্ৰয় কৰিব পাৰি। ইণ্টাৰনেটৰ সহায়েৰে সুদূৰ কোনো ঠাইৰ চিকিৎসকৰ পৰা ৰোগীয়ে পৰামৰ্শ ল'ব পাৰে। সুদূৰৰ কোনো চিকিৎসকৰ পৰামৰ্শ লৈ অস্ত্ৰোপচাৰো সম্পন্ন কৰিব পৰা গৈছে। এইদৰে ৰোগীয়ে অতি কম খৰচতে আৰু কম সময়তে উপযুক্ত চিকিৎসা সেৱা লাভ কৰিব পৰাটো সম্ভৱ হৈছে।

**ই-এণ্টাৰটেইন্‌মেণ্ট্ (E-Entertainment)** :- ইণ্টাৰনেটৰ জৰিয়তে বিনোদন ধৰ্মী অনুষ্ঠান আদিও উপভোগ কৰিব পাৰি। ইয়াকে 'ই-এণ্টাৰটেইন্‌মেণ্ট্' বুলি কোৱা হয়। ইণ্টাৰনেটত সংৰক্ষিত কথাছবি, সংগীত আদি কম্পিউটাৰৰ সহায়েৰে ঘৰতে বহি উপভোগ কৰিব পাৰি।

**ই-গেমছ (E-Games)** :- ইণ্টাৰনেটৰ জৰিয়তে বিভিন্ন ঠাইত অনুষ্ঠিত খেল-ধেমালি পোনপটীয়াকৈ উপভোগ কৰিব পাৰি। তদুপৰি ইণ্টাৰনেটতো কিছুমান খেল-ধেমালি আছে, যিবোৰত নিজে অংশ গ্ৰহণ কৰিব পাৰি। এনে কিছুমান খেল নিজৰ কম্পিউটাৰলৈ ডাউনলোড্ কৰিব পাৰি অথবা একেবাৰে পোনে পোনে খেল-ধেমালিতো অংশ গ্ৰহণ কৰিব পাৰি।

**ই-নিউজ (E-News)** :- ইণ্টাৰনেট বৰ্তমান বিশ্বৰ বিভিন্ন প্ৰান্তৰ বা-বাতৰিৰ এক অতি নিৰ্ভৰযোগ্য উৎস। বিশ্বৰ বিভিন্ন ঠাইৰ যিকোনো খবৰ ইণ্টাৰনেটৰ জৰিয়তে মুহূৰ্তৰ ভিতৰতে পাব পাৰি। তদুপৰি বিশ্বৰ বিখ্যাত বাতৰি প্ৰতিষ্ঠানৰ অথবা বিখ্যাত বাতৰি কাকতৰ বা-বাতৰিও পোনপটীয়াকৈ ঘৰতে বহি পাব পাৰি।

ইণ্টাৰনেটৰ কিছুমান সা-সুবিধা থকাৰ উপৰিও ইয়াৰ অসুবিধা সমূহ হ'ল - কম্পিউটাৰ আৰু ইণ্টাৰনেটৰ লগত জড়িত অপৰাধক 'চাইবাৰ ক্ৰাইম' (Cyber Crime) বুলি কোৱা হয়। চাইবাৰ ক্ৰাইম মূলতঃ দুই ধৰণৰ (ক) অগতানুগতিক অপৰাধ আৰু (খ) কম্পিউটাৰ বিশেষজ্ঞৰ দ্বাৰা সংঘটিত হেকিং (Hacking), ভাইৰাছ (Virus) আদি।

কোনো কম্পিউটাৰত অনুজ্ঞাহীন ব্যক্তিয়ে বিভিন্ন পদ্ধতিৰে যোগাযোগ কৰি কম্পিউটাৰৰ ভিতৰত থকা ডাটা (Data) সংগ্ৰহ কৰা বা নষ্ট কৰাকে হেকিং আৰু ব্যক্তিজনক হেকাৰ (Haker) বোলা হয়। হেকাৰবোৰ অতি তীব্ৰ বুদ্ধিসম্পন্ন কম্পিউটাৰ বিশেষজ্ঞ। হেকাৰবোৰক বাধা দিয়াটো অতি কঠিন কাম।

চাইবাৰ ক্ৰাইমৰ (Cyber Crime) আন এবিধ চমকপ্ৰদ সংযোজন হৈছে কম্পিউটাৰ ভাইৰাছ। কম্পিউটাৰ ভাইৰাছ হৈছে কিছুমান বিশেষভাৱে ডিজাইন কৰা কম্পিউটাৰ প্ৰগ্ৰেম। ই কম্পিউটাৰৰ ছফটৱেৰ চিষ্টেম ফাইলবোৰক নষ্ট কৰি দিয়ে। ফ্লপি, ছফটৱেৰ, চি. ডি. আদিৰে এই ভাইৰাছবোৰ সংক্ৰমিত হয়।

ভাৰত চৰকাৰে চাইবাৰ ক্ৰাইমৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে নতুনকৈ The Information Technology Act. 2000 আইন প্ৰণয়ন কৰিছে। মুখ্য অনুসন্ধান সংস্থা চি.বি.আইয়ে Cyber Crime Investigation cell গঠন কৰিছে।

কম্পিউটাৰ ভালে ৰাখিবলৈ সংস্থাটোৱে কিছুমান পৰামৰ্শ আগবঢ়াইছে -

১। নতুন ভাৰ্চন (Version) ৰ অপাৰেটিং চিষ্টেম, ৱেব ব্ৰাউচাৰ আৰু ই-মেইল প্ৰগ্ৰেম (Operting system, Web browser and E-mail Programe) ব্যৱহাৰ কৰিব লাগে।

২। বিশ্বাসযোগ্য web site তহে ক্ৰেডিট কাৰ্ড (Credit card) ব্যৱহাৰ কৰিব লাগে।

৩। ফ্লপি, চি, ডি (.Floppy, C.D) আদি এণ্টি ভাইৰাছ ছফটৱেৰেৰে পৰীক্ষা কৰিহে ব্যৱহাৰ কৰিব লাগে।

৪। ই-মেইলত অহা link বোৰৰ পৰা website খুলিব নালাগে।

**Internet Domains**

Com - Cmmercial. Edu - Educational
Gov - Government. INT - International.
MIL - Military NET - Network.
ORG - Non-Profit organisation.

**Internet Language**

BTW - By The Way. BBN - Bye Bye Now.
IMO - In My Opinion. WB - Welcome Back.
LTNC - Long Time No See.
CYA - See You Again. ❑❑❑

(বিঃ দ্ৰঃ - লেখাটো প্ৰস্তুত কৰোতে 'দৈনিক অগ্ৰদূত'ৰ দেওবৰীয়া শিতান ২০১০ মাৰ্চ, এপ্ৰিল, দৈনিক বাতৰিৰ 'সম্ভাৰ' আৰু ৱেব ছাইটৰ সহায় লোৱা হৈছে)

# मंगल ग्रहनि सोमोन्दै मिथिनो हांखुर जानानै बिगियानगिरिफोरनि नाजानाय आरो गियान

❑ बिग्रायारि बर'
आरिमु, थामथि बोसोर

मंगल ग्रहवाव जीब थानो हाथाव थाव नंगौ - नङाखौ लानानै गुबुन गुबुन हादोरनि (गुबुन बिगियानगिरिफोरनि) गुबुन गुबुन बिगियानगिरिफोरनि गुबुन गुबुन समाव मत होबोनायखौ जों खोनाबोगासिनो दङ रादाब बिलाइफोराव मोनबोगासिनो दङ। बिनि अनगायैबो जों थाखोनि बिजाबफोरावबो सानखरांनि गुबुन गुबुन ग्रह ग्रहसानि सोमोन्दै मोनबोदों आरो बिगियानगिरिफोरनि मिथिनो, दिहुननो हांखुर जानाय खोथाफोरखौ जों मोनबोगासिनो। Technology आ जौगा थायाखो मोनहैनाय समनिफ्रायनो दिनैसिम बिगियानगिरिफोरा गुबुन गुबुन ग्रह-ग्रहसानि सोमोन्दै मिथिनो थाखाय गोबां हाबाफारिफोर आखायाव लाबोदों। बेबायदिनो गोबां बानायनाय ग्रहसाफोर अख्राङाव दैथायहरनाय, गबेषणा खालामनाय आरो गियानबो आरजिबाय। बेबायदि गबेषणा खालामनायनि गेजेराव मंगल ग्रहखौ आलादायै गोसो होनानै गबेषणा खालामनाया मोनसे गोसो होथाव आयदा। बिगियानगिरिफोरनि बेबायदि मिथिनो लुबैनानै बानायनाय ग्रहसा दैथाय हरनाय, आनजाद खालामनाय आरो गबेषणा एबा Research खालामनायफोरा जारिमिन बिलायाव रोखा रोखा लिरजाबोगासिनो दङ।



जोंनि सानखरांआव मंगल ग्रहआ साननिथिंजायनिफ्राय ब्रैथि ग्रह। रमानफोरनि गोदोनि सल'बादि ''मंगला'' दावहानि मोदायमोन। बे ग्रहआ थानाय आइरन अक्साइडनि 'गोजा ग्रह' होननाबो मिथियो। मंगल ग्रहनि रिसखावा बुहुमनि खावसे। बिनि रोजागासैया बुहुमनि रोजागासैनिखुरै खम। मंगल ग्रहनि लिरथाया बुहुमनि लिरथायनि 11 जौखोन्दो आरो आयतना बुहुमनि 15 जौखोन्दो। मंगल ग्रहनि दाउगिदिंनाय समजोंफ्राय एखे। बिहा मोननै ग्रहसा दङ - 'डेइमस' आरो 'फोबस'। मंगल ग्रहवाव गेसें बारमण्डल दङ आरो बुहुमनि बादिनो अरगों हाजो, जौयेन आरो बालाहामा बायदिसिना दङ। बिनि बिदुंङा बुहुमनि रुजुनायाव खमब्लाबो गोजां बोथोरनि एन्टारटिकाजों रुजुजाथाव। गोदोनिफ्रायनो बे ग्रहखौ लानानै "The war of two world" बायदि सानबोलावरी सल'बो रनसायनाय जादों।

मंगल ग्रहनि खाथिजों बारलांनाय गिबि बानायनाय ग्रहसाया जाबाय नासानि "मेरिनार - 4"। 1965 माइथायनि 14-15 जुलायाव बियो मंगल ग्रहनि खाथिजों बारलांदोंमोन। 1971 माइथायनि 14 नबेम्बराव गुबुन मोनसे बानायनाय ग्रहसा मेरिनार -9 आ मंगल ग्रहनि कक्षलामायाव सहैनाय गिबि अखामा जाहाज होननानै मिथिजायो। बेयो मंगल ग्रहखौ नायगिदिंदोंमोन आरो गबेषणाबो खालामदोंमोन। 1971 माइथायनिनो 27 नबेम्बराव आरो 2 डिसेम्बराव मोनसे सभियेट अखांमा जाहाजनिफ्राय मार्स - 2 आरो मार्स - 3 मुंनि गंनै प्रब (फिसा नायबिजिरग्रा दाजेम) मंगल ग्रहनि बिखुङाव दैथाइहरनाय जायो। नाथाय बिसोर सफैफिननायनि उनाव खामानि मावा जायो। उनाव 1975 माइथायाव नासाया भाइकिं हाबाफारि जागायजेनो। 1976 माइथायाव गंनै भाइकिं लेण्डारा मंगल ग्रहआव सहैनायसै। भाइकिं- 1 आ 6 बोसोरसिम आरो भाइकिं - 2 आ 3 बोसोरसिम खामानि मावबाय दङमोन। भाइकिं अरबिटार आरो भाइकिं लेण्डारनि तथ्य आरो साउगारिफोरा एरैबायदि गेबें आरो मोजांमोन बिफोर दासिमबो बाहायजागासिनो। 1988 माइथायाव गंनै सभियेट प्रब फोबस - 1 आरो फोबस - 2 खौ मंगल ग्रहसिम दैथाय हरनाय जायो। फोबस - 1आ मंगल ग्रहसिम थांनाय लामायावनो Control Room जों सोमोन्दो गैलायि जायो। फोबस - 2 आ मंगल ग्रह आरो बेनि ग्रहसाफोरनि साउगारि लानो लानायसै, उनाव फोबसआव गंनै लेण्डार बाहोनो थांनायाव बियो फैमाल जायो। 1992 माइथायनि मार्स दानाव "अबसारभार अरबिटार"आ फेलें जानायनि उनाव 1997 माइथायाव नासाया "मार्स ग्लबेल सारभेयर"हाबाफारी आखायाव लायो। गुबै operation जाफुंसार जानायनि उनावबो बियो खामानि होबाय थानायखाय खायसे गुबुन खामानिफोरखौबो मावनाय जायो। 2006 माइथायाव बेबायदि थामथि operation सालाइनायाव बियो Control Room जों सोमोन्दो गैलायि जायो। 1997 माइथायनि "मार्स पाथ फाइनण्डार" दिखांना लांनाय बानायनाय ग्रहसा "सजरनारा" मंगल ग्रहनि "आरेस भेलिस"आव बाहैयो आरो गोबां साउगारि दैथाय हरो। 2004 माइथायनि जानुवारीयाव गंनै रोभार डान एबा बानायनाय ग्रहसा "स्पिरिट" आरो "अपरसुनिटि"या मंगल ग्रहनि बिखुङाव बाहैयो। बिसोर गावसोरनि थि खामानिखौ मावनायनि अनगायैबो खायसे गुबुन खामानिबो मावो। मंगल ग्रहआव मोनसे समाव दैलाव महराव दै थानाय तथ्यआ बै operation आवनो दिहुनजादोंमोन। 2008 माइथायनि 25 मेआव "फनिक्स लेण्डारा" मंगल ग्रहआव बाहैदोंमोन। बिनि रबट आखाया मंगल ग्रहनि हा जाउनानै लाबोयो आरो बै हाखौ आनजाद नायनायाव बै ग्रहआव दै थानाया फोरमान जायो। Control Roomजों सोमोन्दो गैलायि जालांनायनि थाखाय 2008 माइथायनि 10 नबेम्बराव बै operation आ थादहैयो।

**मंगल ग्रहआव दै -**

मंगल ग्रहखौ खालि मेगन एबा टेलिक्सपजों नायनानै मानसिया गिबियावनो सानना लाखादोंमोनदि मंगल ग्रहआव दैलाव महराव थानाय दै दं। बिनि गुबै जाहोना जाबाय मंगल ग्रहनि मिरु ओनसोलाव नुनो मोननाय खायसे गेसें आरो गोथौ दागोफोरनि सोलाय-सोल जानाय खायसे फारागथि। 1965 माइथायाव "मेरिनार- 4" बानायनाय ग्रहसाया मंगल ग्रहनि मिरु ओनसोलाव नुनो मोननाय खायसे गेसें आरो गोथौ दागोफोरनि सोलाय-सोल' जानाय खायसे फारागथि। 1965 माइथायाव "मेरिनार- 4" ग्रहसाया मंगल ग्रहनि खाथिजों बारलांनानै खायसे साउगारि लानायसै। बै साउगारिनिफ्राय मिथिनो मोनबायदि मंगल ग्रहआव सरासनस्रायै दैलाव अबस्थायाव दै गैया। बिनि 40 बोसोर उनाव 2005 माइथायाव रादारनि हेफाजाबजों गोदान तथ्यनिफ्राय सानना लानो हाबायदि मंगल ग्रहनि मोननै मिरु ओनसोलाव बरफ जाना थानाय दै दं। 2007 माइथायनि मार्सआव रोभार जान एबा बानायनाय ग्रहसा "स्पिरिट"आ मंगल ग्रहनि रासायनारि फिनजाथाय खायसेयाव दै थानाय तथ्य होयो। 2008 माइथायनि 31 जुलायाव "लेण्डार फनिक्सा" मंगल ग्रहआव दै थानाय नमुना दिन्थियो। मंगल ग्रहआव दैलाव महराव दै थायैनि जाहोना जाबाय बिनि खम बिदुं एबा मंगल ग्रहआ गुसु, थेवब्लाबो मंगल ग्रहनि मोननैबो मिरुआव गोबां दै दं। बिनि खोला मिरुवाव जेसेबां बरफ दं बै गासै बरफा गलिनानै दै जायोब्ला बे गासै ग्रहखौ 11 मिटार गोजौ दैजों लोमस्राउगोन। "फनिक्स"नि तथ्यनिफ्राय मिथिनो मोनबावोदि मंगल ग्रहआव सडियाम, मेगनेसियाम, पटासियाम आरो क्लरिन दं। बिफोर गासिबो बांनाय आरो जौगानायनि थाखाय जोबोत गोनांथि।

बिगियानगिरिफोरा बेबायदिनो गोबां नाजाबोदों। मंगल ग्रहनि खोथा मिथिनो आरो गोबां हाबाफारिफोरबो आखायाव लाबोदों मिथिनो हांखुर जानायनि थाखायनो। बिसोरनि नाजानाया माखासे जाफुंसार जादों आरो माखासे फेलेंबो जादों। थेवब्लाबो बिसोर मिथिनो नाजानाय, आनजाद खालामना नायनो, नायबिजिरनो आरो सं दिहुन्नो एबा discover खालामनो नागाराखौ। बिसोर आगोलनिफ्रायनो नाजाबोगासिनो, दिनैबो नाजागासिनो आरो इयुनावबो नाजाबाय थागोन। बिसोरनि नाजानायनि, दिहुनायनि जोबथा गैया।

(गुबुन Science नि हेफाजाबजों) ❑❑❑

# बर' लाइमोन समाजनि मोननैसो गिनांगौ बिथिं आरो हारिनि बागै साननो गोनां

❑ अनसुमा रामसियारि
आरिमु, नैथि बोसोर

बर' बिमुंखौ सावरायनाय सिगां लाइमोन बे सोदोबनि सायाव इसे नोजोर बोनो लानाय जाबाय। लाइमोन होनना बुङोब्ला सासे खुदिया जौमोन अबस्था मोननाय समनिफ्राय 18-20 बोसोर सम खिनिखौ हमना लानो हायो। देहायारि बिथिंनिफ्राय लानानै मेलेमारि बिथिंसिम। बे समाव बिसोरो बुहुमखौ गोदान नोजोरजों नायनो सोलोङो।

लाइमोन सोदोबखौ लाना गोबां सुबङ गोबां बिबुंथि होदों बेनि मोनसेया जाहैबाय- "लाइमोन समा बारहुंखानि सम"। थारैनो लाइमोन समा बायदिसिना बारहुंखाजों साग्लोबजानाय। बे बारहुंखानि गेजेराव थाना लाइमोनफोरा गोलैहां गुबुहां जाबाय थानांगौ जायो। सोरबा बेनिफ्राय उदांयै खर' दैखांना गावनि देरहानायखौ फोसावनो हागौ आरो खायसेआ बेसेबा गोथौ बेहेर बारियाव गाब्रना जिउ लामानिफ्राय आन्दायनाङो। बे बाथ्रा खोन्दोखौनो गुबुन खनानिफ्राय बिजिरना नायब्ला लाइमोन समा बारहुंखा बायदि गोहोगोनां होनना बुंनो हागौ। बे समाव लाइमोना मावनो हायि जेबो खामानि थाया। बिसोर माब्लाबा बारहुंखानि गोहोजों फोजोबस्रांलु जानो हागौ आरो माब्लाबा सिमा गैयि सोरजिलु गोहोनि बिगोमाबो जानो हागौ।

सुबुंआ समाजारि जिब हिसाबै लाइमोन हानजायाबो समाजनिनो मोनसे थाफादेर। समाजारि थासारिनिफ्रायनो लाइमोनफोरा गोबां सोलोंना फैखायो। गोजामा थाङो गोदाना फैयो। मिथिंगानि बे खान्थि बायदिनो साफ्रोम लाइमोनानो इयुन समाजनि दैदेनगिरि मासिखौ मोनहैयो। बे बिथिंखौ जों नोजोर होना बुंनो हायो- समाज मोनसेनि इयुना सोनारो मोनसे समाजनि लाइमोन हानजानि साननाय हनाय, मावनाय-दांनाय, गियान गेवसारथि, बिजिरलु, आखु बायदिनि सायाव। बेफोर बिथिंआव लाइमोन हानजाया जोबोर उन गोग्लैसोनायब्ला समाजनि इयुनाबो खोमसि होनना जों बुंनो हायो। बेनि थाखाय समाजनि गागि सोद्रोमाफोरा लाइमोन हानजाखौ थि लामाजों दैदेननायाव जोबोर सांग्रां जानाया मोजां। मानोना लाइमोन समानो गुबै बिथाखौ नायगिरनायनि सम। मोजां गाज्रिखौ बोजबना लानायनि सम। बे समनि नोरोमनि आखुआ लाइमोनखौ जेंरैथिंबो बोख्लें होजायो। गोबां गाज्रि बिथिंफोराबो लामा आन्दायहोनो बे समावनो लामा नायफैबाय थानायखौ जों गोबाङै नुनो मोनो।

"फरायनानै मा जानो ?" बे गिज्रा सानस्रिया गोदानै लाइमोनफोरनि खर'आव रोदा सुब्रेनो लादों। फरायनो गारनाया मोनसे दोरों महरै सोलिनायखौ जों बावैसो समनिफ्राय बर'फोरनि गेजेराव बारा जानायखौ नुनो मोनदों। समाजनि सानैसो हांखो सिनाय हानाय (literate), सार्टिफिकेटनि थाखायल' दिग्रि लानाय गियान लाथिख' सुबुङा बे बिथिंङाव जोबोरैनो बिहोमा होदों। गोबांगामि ओनसोलाव जौखोन्दो लाइमोनफोरनि 80% बाहागोआ लेखा फरायनो गारनानै उरां-फारां थालाबायनाय नुनो मोनसै। बायदि नेहाद असिला लाना फरायनायखौ ज्राब गारना बिसोरो खर'नि बजाखौ रेजें खालामनो नागिरो। बेनिफ्राय बिसोरो बांसिनै खोमसि इयुनखौसो बोजबनांगौ जाहैयो। "फरायनानै मा जानो ?" बे सानस्रिया लाइमोनखौ ओंरैबादि नाख्रेबोदि- बे बुहुमा फरायनानै गियान आबुं जानाय सुबुंफोरजोंसो सालाय जानाय बे बाथ्राखौ बावगोमा लाङो। जोंनि लाइमोनफोरनि बे थासारिनि समाव बावैसो सिगां 'आमार' अखम रादाब बिलाइनि हाप्थायारि लाइसि 'पुर्बासल' आव होनाय मोनसे रादाबा गोसोआव साननायनि जोबोर खराग होफैदों। सिननि होन्नाय हादाबसानि थागिबि 19 बोसोरारि सेंग्रा यान मिंकियाना सानफ्रोमबो 70-72 रां बासायनो थाखाय फरायसालिसिम 30 कि:मि: खारनानै थांलाय फैलाय खालामो। बिमा बिफानि रांखान्थियारि लोरबां हालोदनि थाखायनो याननि बे हालोदा सोमजिदों। नाथाय गियान आरजिनायनि लुबैनायखौ दबथायनो हायैनि थाखायनो बे बायदि सोमोनांथाव खस्थखौ सहायनानैब्लाबो गावनि थांखिखौ होसोबायदों। जोंनि लाइमोनफोरा 'यान' बायदि सेंग्रानिफ्राय गोबां सोलोंनांगौ, साननांगौ बिथिंफोर दङ।

दानि बुहुम नाङारि (Globalisation) मुगायाव जाबायदि बादायनायनि दोहौ फैदों बे बादायलायनायाव मुखुब खायसे नंखाय बादायलायनायाव बेसेन गोनां समखौ आद्रि खालामदों। गांनैसो सार्टिफिकेट, साख्रि, रांखावरि, धोन-दौलट, गारि-मथर बायदि बायहाजार सिमांआव गफबना गियाननि बिदै संनांगौ गुबै समखौ आसि बिमा दिन्थिना बायदिसिना गोरलै राहाजों धोन-दौलत, गारि-मथर बायदि बायहाजार सिमांआव गफबना गियाननि बिदै राहाजों धोन आरजिनायनि लामा उन संनायखौसो माखासे लाइमोनफोरनि गेजेराव नुनो मोनदों। बेनि गाहोमा समाजाव गाज्रियै गोग्लैगासिनो दं बेखौ बयबो मोनथिखागौ।

बिगियाननि बिहोमाजों दसेनि थाखाय रंजानाय बाजानायनि बिजोंखौ इसे रां गारनानैनो आखाय फोलावबानो मोननो हानायनि जाहोनाव इसे अनजिमाखौ गारनानै गोबां अनजिमानि लाइमोनानो बेफोराव गफबनानै गावनि बेसेनगोनां समखौ आद्रि खालामनो हमदों। इन्टारनेट बायदि फोनांजाब बिजोंनि जोहै बुहुमखौ उन्दै मोनसे नखरसिम सोलाय होनो हादोंब्लाबो बे गोजौ थाखोनि फोनांजाब बिजोंखौ जाखांफुनाय लाइमोनफोरा बायदिसिना नंखाय खामानियाव बाहायनायखौसो बांसिन नुबोगासिनो दं। गुवार ओंथियाव बेफोरखौ बाहायनो रोङैनि जाहोनाव लाइमोनफोरनि गोसोआव सानस्रिखौ जोबोर गुसेब जाबोनायखौसो नुनो मोनदों। माखासे रांखान्थियारि बिथिंआव गोख्रों, सानगोथे बिमा बिफाया गावनि गथ गथायनि थाखाय बेफोर बायदिसिना खामानिनि बिथिंआव थुलुंगा जानायखौबो जों नुबोगासिनो। नांगौ होनब्लानो साना हवा जेखौनो बियो बेखौनो होनानै खुदियानि उन्दै गोसोआव बेबादि बुहुतखौ सोना होयो। जायनि थाखाय बे खुदियाफोरा साननो हमो गावसोरनि थाखाय बे बुहुमनि गासैबो खुसियानो मोननो गोनां मोनथाय। बे बायदि खुदियाफोरनि गेजेराव गाव गोसोआरि (selfishness) सानस्रिया जायगा मोनो। बे बायदि खुदियाफोरा जाखांफुनाय लाइमोन सम मोननाय उनाव, बुहुमखौ गुवारै नुनायनि उनाव बिसोरनि नांगौ सानस्रिया ओंरैबादि बांलांनो हमो जायनि जाउनाव बे लाइमोना नखरनि अनगायै समाजनि खर' सानायनि जाहोन जानानै फैयो। मानोना बे बायदि लाइमोननि थाखाय जिउआव गावनि गोजोननि अनगायै गुबुन गासैबो मुवायानो गेजेनजोब।

गोजौनि खोथाजों सोमोन्दो गोनां मोनसे मोगथां जाथायखौ बेवहाय दैखोना होनाय जाबाय-

बिमा बिफानि सासेल' फिसाज्ला। उन्दैनिफ्रायनो मोस्रोम अरसै हाद्रि नांसै खांबोदों। बि गोजोननाय गासैबो सुबिदाखोनो खालामना होदों। उन्दै खुदियाया देरदोखोन देरबोना हाइस्कुलाव फरायनो लाबाय। साइकेलनि गोनांथि जानायाव बिनो गंसे जेन्स साइकेल होबाय। नाथाय बिजों बियो गोजोनासै। गथ'नि लुबैनाय बायदिनो जाथों सानना लेटेस मडेलनि रेन्जार साइकेल बायना होबाय। साननैसो उनाव मबाइल बिनायलाय होआब्ला गोसोआव

दुखु मोनगोन होनना बायना होबाय। मेट्रिकखौ जेनथेन बारगनाय उनाव बिनो कम्पिउटार नांगौ होननायलाय बेखौबो बायना होबाय। दाना मालाय लोगोफोरखौ नुना कलेजाव थांनो बाइकनि गोनांथि जादों होननायाव एल.पि. स्कुलआव फोरोंगिरि साख्रि मावनाय बिफाया खाफाल हमनांबाय। बायदिसिना बुजायनो नाजाबाय नाथाय हायासै। गथआ गावनि कम्पिउटार साइकेलखौबो देखेबनो लाबाय। लन लाना न' लुफुबाय थानाय बिफाया न' लुनायखौ ज्राब गारनानै गंसे Pulsure-180 बायना होनायावसो फिसाज्लाया गोजोनबाय। नाथाय बयनिखुइ दुखुआ अब्लासो नेना दंमोन जेब्ला फिसाज्लाया मोनसे बाइक जाब्रबथायजों बे संसारखौ नागारलाङो।

बेनि दायनिगिरिया गुबैयै सोर जाखो? फरायगिरिफोरा इसे सानब्लानो हमदां हागोन। समाजाव बे बायदि जाथायफोरा गोबां जाफ्लेबाय थानो हमदोंसै।

सुबुं सम्पदखौ खहा खालामग्रा मोनसे गिथावना मुवाया जाबाय फेनाय मुवा। फेनाय मुवा बाहायनायाबो लाइमोन समाजखौ गुनजेर अरनाय बायदि अरख्रेबगासिनो। गोबां नाजासेयावबो समाजनिफ्राय बे गाज्रि सुथुरखौ एरख'नो हायासै। जौ, सेंरेब, साधा, सिगारेट, गुटखा बायदिनि अनगायैबो डेनड्राइट, ड्राग्स, हेराइन, केकइन बायदि गिख्रंथाव फेग्रा मुवायाबो आनदोयैब्लाबो समाजाव गुवारै सोलिबोगासिनो दं। सानैसो सुबुंथि (Humanity) गैयै सुबुङा गावनि उदैखौल नायनानै मा बायदि गिख्रंथाव गोसोम जेखौ लाइमोनफोरनि सायाव सारसिननो खाबु नायगासिनो। जाय लाइमोना बेफोर बायदि गोरोन्थि लामाजों आगान सुरफ्लांदों बिसोरखौ फिन गुबै लामा लाहो फिननायाव जोबोर गोब्राब जानानै फैयो।

राजखान्थियारि बेले-बेजे थासारियाबो लाइमोन समाजनि सायाव गाज्रि रोखोमै गोहोम खोलैगासिनो दं। बेयो बेखौ दुसिनाय, बेयो बेखौ रायनाय, राजखान्थिनि हाद्रि सारलायनाय खेलाखौ नुना बे बिथिंफारसे गोबां लाइमोन बिखुं होनायखौ नुनो मोनदों। खायसेया राजखान्थिखौ सोलोयै, बोलोयै रां खामायनायनि, मालायखौ सोबखनायनि मोनसे बिजों होननासो साननो लादों। बेनि गुबै जाहोना राजखान्थि हानजानि दैदेनगिरिफोरनि गोरोन्थिनि थाखाय, गुवारै गोथौवै बिजिरना नायैनि थाखायनो जानो मोनदों। ति.भि. रादाब बिलाइआव बायदि गाज्रि आदबजों रां खामायनानै पुलिसजों हमजानायनि सावगारि। बायदि बिफानाव जानाय रांखान्थियारि बेले-बेजेनि सानफ्रोमबोनि रादाबानो दानि लाइमोनफोरनि सानस्रियाव बेफोरखौ जायगा मोनहोदों।

बे बायदि थासारिखौ नायना इयुन हानजायाबो गोगो, गोथौरै राजखान्थि गेलेना समाजनि मोजांनि खामानि मावगोन बेनि मा मिजिं लानो हानो? गेजेर गेजेर जों रादाब बिलायाव नुनो मोनो- कलेज इलेकसन बायदियावनो मासिखौ लाना गोबां हांगामा जानाय, नारा-नाथार जानायनि रादाबखौ। बेफोर समाजनि मोनफा गोजों ओंथि जानो हायोदा? राजखान्थि बिथिङाव जोबोर खम सांग्रां बावैसो सिगां राजखान्थि गोहो मोननाय बरफोरनि गेजेराव थासारिया गाज्रिसिन जानो हमदों आरो बे थासारिया थोंजोंयै लाइमोनफोरनि सायाव गोहोम खोलैदों होनना जों बुंनो हायो।

दिनैनि लाइमोना गोबोननि साफा साफा होदोरारि बे बाथ्राखौ बयबो गोरों गोराया मोनथिसेयावबो गोबांआनो लाइमोन हानजाखौ गेबें लामाजों दैदेनलांनांगौ होननानैबो साना। बे खाबुखौ लाना माखासे खाबु फलान समाज बेरेखा हानजाया लाइमोनफोरनि सायाव बायदि बिथिंनिफ्राय बारसिननो खाबु नायगिरो एबा लाइमोनफोराबो समनि रिमोनदला लामायाव गादलुनना आनदायनो नायगिरो,अब्लाबो गोरों हानजाया हांमा गैला बे इयुन जोलैया दैयावसो थांबाय, जाला बिसोरजों जाथारनाय नंला होननै दुखुबोल खालामना गावसोरखौ गोजोन होयो।

बे बाथ्रानि मोननैसो रोखा बिदिन्थिखौ इसे नोजोर होब्लानो समाजाव मोननो थाङो। फरायसालिफोरनि फरायसालि हाथ्याया दानिया जों गोबां फरायसाफोरखौ बायदिसिना बादायनायनिफ्राय जानगारना थानाय नुनो मोनो नाथाय बिसोरखौ थुलुंगा होना बेफोराव बाहागो लानांगौ बुंग्रा रावबो ओंखारबोआ। गामिफोराव गोबां लाइमोना बोरायफोरबायदि उदांयै जौ लोंथिंबायो नाथाय बेफोरखौ हेंथा होनो रावबो गैया। गामियाव गोबां गोरों गोरा सुबुंफोर थायो नाथाय लाइमोनफोरखौ खौसे खालामना लाइब्रेरि फसंना एबा बायदिसिना फसंथान दाना लाइमोन हानजाखौ लामा दिन्थिनांगौनि गोनांथि साना। सोरबाफोर ओंखार बोयोब्लाबो बिथांमोना रावनिबो हेफाजाब मोनैनि जाहोनाव स्रियै जिरायफिननांगौ जायो।

लाइमोन गोहोनि आद्रियै खहा जानाया मोनफ्रोमबो हारियावनो गोबां इसेयैब्लाबो दं। नाथाय बर' हारिनि बेलायाव जों बेखौ बांसिननायसो नुनो मोनदों। गावखौ जौगाबाय होनना लेबेल मारिनायाव गावनि थांखिखौ सुफुंनायावल' मुखुब थानाय खायसे दैदेनगिरिया लाइमोन गोहोखौ गाज्रि फारसे लांनायावसो मुखुब। गावनि मासिखौ हमथाबना लाखिनो थाखाय खायसे दैदेनगिरिया लाइमोन समाजनि हानजासेखौ हाथियार महरै बाहायदोंसै। उदां रांखान्थिनि (मुक्त अर्थनिति) गोहोमाव गोलैना माव हारिमुखौ (work culture) नागारना गोरलैयै मोननाय रां (easy earning money) नागिरनायाव दानिया गोबां लाइमोनानो मुखुब।





बिसोरनि थांखिया दा थिखा, तेन्दार, दालां, लामा, खाना, पार्टि, जौ, जुवायावनो सिमा बेंथेनाय।

बर' बायदि रोदोम हांनाय हारिनि थाखाय बे बेसेबा गिख्रंथाव सावगारि। बेनि सायाव हारिखौ फोथांना लाखिनायनि गोजौआव दैखांनायनि नारा नाथार दावहा। जाय हारिहा दावहानि अनजिमायानो गैया। गावनि सुथुरजों दावहा, मोनथायखौमोननो दावहा थामोनथाखौ लाना दावहा। बयनिखुइबो गिख्रंथावसिन दावहाया जाहैबाय गावबा गावनि गेजेराव जानाय दावहा। बे दावहाया हारिखौ सानसे फोजोबस्रांनाय नङा, बेनि जेबो थि गैया।

हानजासे सुबुङा हारि जौगानायनि, राव, थुलाइ जौगानायनि दहल फेंफा दामनानै गावखौ बावगोमानो नाजानाय समावनो बाबैसो बोसोर सिगां Minority Rights Group (M.R.G.) मुंनि बृटिश गौथुमा Global Ranking of People under Treat मुंनि रिपर्टनि गेजेरजों - असमीया, नागा, बर', क'क बर'क बायदि रावफोरा समनि बोहैथिजों बुहुम बिखानिफ्राय गोमालांगोन होननाय रादाबा समाज सांग्रां, हारि सांग्रां गोबां सुबुंखौनो बागदाव खांहोदों। थारैनो बे रिपर्टा मोगथाङाव गुरस्लायमारोब्ला बे जोंनि थाखाय बेसेबांबा दुखुनांथाव।

बेफोर गासैबो बिथिंखौ नोजोर होनानै जोंनि हारिनि लाइमोन हानजाया सांग्रां जानो सम सथारबाय। गासैबो बिथिंनिफ्राय मन'ग्लाबबोनो नायगिरनाय गोसोम सायाखौ उखांनानै बिखा फोरदानना ओंखारबोनो सम जाबाय। गावनि हारोंथिखौ गेवसार होनानै हारिनि जाथाखौ गोजौआव बिरखोहोनो साफ्रोम लाइमोनखौ बर' बिमाया हांख्रायबाय। बेयो थि जे जोंनि हारिखौ फोथांना लाखिनो हागोन हारिनि सुबुंफोरानो आरो फोथैनोबो हागोन जोंनि हारिनि सुबुंफोरानो।

हारि सिबिनायनि गुसेब सानस्रि थुनलाइ आफाद, फरायसा आफाद, गुबुन गुबुन राजखान्थि हानजा, हाथियार हमग्रा हानजाजों लोब्बा लायोब्लाल' हारि सिबिनाय जायो बे सानस्रिखौ ज्राब गारनानै गाव रोंगौथि बाइदि- दामनाय देनाय, मोसानाय-मुसुरनाय, फाव-खालामनाय, गेलेनाय, रोजाबनाय, फरायनाय, लिरनाय गासैबो बिथिंआव ओंखारबोनो समा खावलायबाय। बड'फाया बुंदों- "माष्टार रेस" दानायनि खोथा। "माष्टार रेस"आ फैनाय नङा थिखानि पारसेन्टजों, हाथियारनि बेरेलजों, हाद्रि सारनाय राजखान्थिजों, गोसोम रांजों। फैगोन अब्लासो जेब्ला बयबो गोमालांनो हमनाय फरायनाय हारिमु, माव हारिमुखौ (Reading culture, work culture) बोजबना लागोन। गाव हारिनि सानस्रिया, गावखौ बर' होनना फारफ्रोम बिथिंआव सिनायथि होनायनि गोहोआ जेब्ला बयनावबो थागोन। 'Read and Revolution' बे सानथौखौ बोजबना खामानि मावनो आवगायबोगोन।

मोनसे बिथिंनिफ्राय बिजिरना नायोब्ला जों नुयो बर'नि गुबै सुथुरा जों बर'आनो। बै बर'फोरा जाय गावसोरखौ बर' होननो लाजियो, गाव हारिनि राव, हारिमुखौ नेवसियो नाथाय सानगोथे बर' हारिया फोथैना लायो बर'नि थाखाय थैसोमनाय मावथिफोरखौ। हाय! बेसे दुखुनांथाव।

बेफोर गासैबो बिथिंखौ उदांयै नायबिजिरनो हानाय गोहोआ दानि गोदान लाइमोनफोरनाव थानांगोन। लाइमोनफोरा लोहाबनांगोन फरायथैनायाव, सानस्रिनि आवथायखौ फुवारनो नाजानायाव। लाइमोनफोरनि सानस्रिया जानांगोन बिजिरसुला, गुवार गोसोनि आरो बिसोरनाव थानांगोन इयुनखौ सानहरनो हानाय गोहो हारिनिफारसे थानांगोन जोबनो गैयै मोजांमोननाय अब्लासो बर'आ बर' हारि महरै थांना थागोन।

❑❑❑

Education is the ability to listen almost anything without losing your temper or your self-confidence.

- Robert Frost 1874-1963 in Reader's Digest April, 1960

খ্ৰীষ্টীয় চৰ্তুদশ শতিকাত কমতাপুৰৰ এইসকল ৰজাই প্ৰাক্ শংকৰী যুগৰ সাহিত্য সৃষ্টিত এনেভাৱে অৰিহণা যোগাইছিল যে আত্মবিকশিত অসমীয়া সাহিত্যৰ এই যুগটোতে উদ্ভৱ হোৱা অপ্ৰমাদী কবি সাহিত্যিক সকলে অসমীয়া সাহিত্যৰ বৰপেৰাটোত উত্তৰ পুৰুষৰ বাবে আমৰণ অভগণ অক্ষয় সাহিত্য ৰত্ন স্থাপন কৰে। ত্ৰয়োদশ শতিকাৰ মাজভাগত আত্মপ্ৰকাশ কৰা এসময়ৰ কামৰূপ ৰাজ্যৰ গোৱালপাৰা আৰু উত্তৰ বংগৰ কিছু অঞ্চল সামৰি কমতা ৰাজ্য হিচাপে ১৪৯৩ খৃষ্টাব্দলৈকে অসমীয়া সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ থাকে।

# পুৰণি অসমীয়া সাহিত্যত ৰাজ-পৃষ্ঠপোষকতা

বিজুলী চক্ৰৱৰ্তী
সহকাৰী অধ্যাপিকা
অসমীয়া বিভাগ

বিশ্বসাহিত্য তথা ভাৰতীয় বিভিন্ন প্ৰান্তীয় সাহিত্যৰ দৰে পুৰণি অসমীয়া সাহিত্য সমূহৰ বিকাশতো ৰজাঘৰীয়া পৃষ্ঠপোষকতাই বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। এলিজাবেথীয়া যুগত ইংৰাজী সাহিত্যই, পেৰিক্লিছৰ যুগত গ্ৰীছ সাহিত্যই চতুৰ্দশ লুইৰ যুগত ফৰাচী সাহিত্যই, দ্বিতীয় চন্দ্ৰগুপ্তৰ সময়ত ভাৰতীয় সাহিত্যই ফলে-ফুলে জাতিষ্কাৰ হৈ উঠাৰ দৰে অসমীয়া সাহিত্যত বৰাহী ৰজা মহামাণিক্যৰ দিনৰে পৰা ৰজাঘৰীয়া পৃষ্ঠপোষকতা লাভ কৰি অসমীয়া সাহিত্যৰ স্বৰ্ণসৌধ ৰচনা কৰিছে। এক অনুকুল পৃষ্ঠপোষকতা অবিহনে পুৰণি অসমীয়া সাহিত্য ইমান প্ৰভাৱশালী হৈ নুঠিলেহেতেন।

মহামাণিক্য, দুৰ্লভ নাৰায়ণ, ইন্দ্ৰনাৰায়ণৰ পুৰ্ণ্যোদ্যোগ আৰু কথাৰসাস্বাদৰ অনুৰাগেই শংকৰপূৰ্ব অসমীয়া সাহিত্যত তাৰ সত্বা দান কৰিছে। (নেওগ, অসমীয়া সাহিত্যৰ ৰূপৰেখা, পৃ. ৪৭) খ্ৰীষ্টীয় চৰ্তুদশ শতিকাত কমতাপুৰৰ এইসকল ৰজাই প্ৰাক্ শংকৰী যুগৰ সাহিত্য সৃষ্টিত এনেভাৱে অৰিহণা যোগাইছিল যে আত্মবিকশিত অসমীয়া সাহিত্যৰ এই যুগটোতে উদ্ভৱ হোৱা অপ্ৰমাদী কবি সাহিত্যিক সকলে অসমীয়া সাহিত্যৰ বৰপেৰাটোত উত্তৰ পুৰুষৰ বাবে আমৰণ অভগণ অক্ষয় সাহিত্য ৰত্ন স্থাপন কৰে। ত্ৰয়োদশ শতিকাৰ মাজভাগত আত্মপ্ৰকাশ কৰা এসময়ৰ কামৰূপ ৰাজ্যৰ গোৱালপাৰা আৰু উত্তৰ বংগৰ কিছু অঞ্চল সামৰি কমতা ৰাজ্য হিচাপে ১৪৯৩ খৃষ্টাব্দলৈকে অসমীয়া সাহিত্য চৰ্চাৰ কেন্দ্ৰস্থল হৈ থাকে।

It was in Tezpur that Bhupen Hazarika, then 10 years of age, was discovered by Jyotiprosad Agarwala and Bishnu Prasad Rabha where he sung a Borgeet taught by his mother at a public function. In 1936, Bhupen Hazarika accompanied them to Kolkata where he recorded his first song

at the Aurora studio for the selona company. His association with the icons of Assamese cutture at Tezpur was the begining of his artistic growth and credentials.

**Bhupen Hazarika's education :**

He studied at Sonaram High school at Guwahati, Dhubri Government High School and matriculated from Tezpur High school in 1940. He completed his Intermediate Arts from Cotton College in 1942 and went on to Banaras Hindu University to complete his BA (1944) and MA (1946) in Political Science. He received a scholarship from Columbia University and set sail for New York in 1949, where he was conferred a Ph.D. Degre (1952) on "Proposals for preparing India's Basic Education to use Audio-Visual Techniques in Adult Education." He also befriended the legendary Paul Robson, whose lessons on humanity and Universalism were to last Bhupen Hazarika's entire life.

**Bhupen Hazarika's Personal life :**

At Columbia University he met Priyamvada Patel, whom he married in 1950. Tez Hazarika, their only child, was born in 1952.

**Bhupen Hazarika's Professional life :**

After completing his MA he briefly worked at the All India Radio Station at Guwahati before embarking for his doctoral studies at Columbia University. Soon after completing his education, he became a teacher at the Gauhati University. He was elected the president of the Assam sahitya sabha in 1993.

**Bhupen Hazarika's Later life :-**

He met Kalpana Lajmi in the 1980s and they made the film "Ek Pal" in 1986. Since then Lajmi began managing him professionally and personally till the end of his life. Bhupen Hazarika was pursuaded by the Bharatiya Janata Party to enter the electoral fray as its candidate in the 2004 Lok Sabha election from the Guwahati Constituency, which he lost.

**Bhupen Hazarika's death :**

He was hospitalized in the Kokilaben Dhirubhai Ambani Hospital and Medical Research Institute in Munbai in 2011. He was admitted tothe intensive care unit on 30 June 2011. He died of multi-organ failure on 5 November 2011, His body lay in state at the Judges Fields in Guwahati and cremated on November 9, 2011 near the Brahmaputra river in a plot of land donated by Gauhati University. His funeral was attended by an estimated half a million.

**Bhupen Hazarika's IPTA years :**

Hazarika began close assocation with the leftist Indian people's Theatre Association soon after returning from the USA in 1953. and became the secretary of the Reception Committee of the third All Assam Conference of IPTA held in Guwahati in 1955.

**Bhupen Hazarika's Later years :**

In the period after the release of "Ek Pal" in 1986, till the end of his life Bhupen Hazarika mainly concentrated on Hindi films, most of which were directed by Kalpana Lajmi. "Ek Pal" (1986), Rudaali (1993) and Daman (2001) are major films of this period. Many of his earlier songs were re-written in Hindi used as played-back songs in these films. These songs tried to cater to the Hindi film milieu and their lyrics with social message were browbeaten into the lowest common denominator.

**Bhupen Hazarika's legacy and influences :**

As a singer, Hazarika was known for his baritone voice and dictions as a lyricist he was known for poetic compositions and parables which touched on themes ranging from romance to social and political commentary and as a composer for his use of folk music. Some of his most famous compositions were adaptations of American black spirituals that he had learned from Paul Robeson, whom he had befriended during his years in New York City in the early 1950s.





**Awards and honors :**

(a) Award for the Best Regional Film in the 23rd National Film Awards in 1975. (b) Padma shri-the fourth highest civilian award in the Republic of India in 1977. (c) Gold medal from the state Government of Arunachal Pradesh for "outstanding contribution towards tribal welfare and uplift of tribal cutture through cinema and music" in 1979. (d) All India Critic Association Award for best performing folk artist in 1979. (e) In 1979 and 1980 he won the Ritwik Ghatak Award as best music director for two theatre plays, Mohua Sundari, and Nagini Kahini. (f) Bengal Journalist's Association Indira Gandhi smriti puraskar in 1987. (g) Sangeet Natak Akademi Award in 1987. (h) Dadasaheb Phalke Award in 1992. (i) First Indian to win Best music for the film Rudaali at the Asia Pacific International film Festival in Japan in 1993. (j) Padma Bhusan-the third highest civilian award in the Republic of India in 2001. (k) Honorary Degree from Tezpur University in 2001. (i) 10th Kalakar Award for life time Achievement in the year 2002, Kolkata. (m) Sangeet Natak Akademi Fellowship in 2008. (n) asom Ratna the highest civilian award in the state of Assam, India in 2009. (o) In February, 2009, the All Assam student Union erected a life size statue of Hazarika on the banks of Digholi Pukhuri in Guwahati. (p) The Government of Bangladesh has honoured him with "The Muktijodha Award" posthumously.

**Bhupen Hazarika's Filmography :**

Bhupen Hazarika was the playback singer in the following film - Indramalati (1936), Siraj (1948), Pioli Phukan (1955), Era Bator sur (1956), Shakuntala Sur (1961), Titash Ekti Nadir Naam (1973), Chameli Memsaab (1975), Mera Dharam Meri Maa (1976), Debdas (1979), Ek Pal (1986), Rudaali (1993), Darmiyan : In Between (1997), Gaja Gamini (2000), Daman : A victum of Marital violence (2001),Chingaari (2006), Gandhi to Hitler (2011). Bhupen Hazarika also composed the following films : Aarop (1973), Chameli Memsaab (1975), Shimana Perye (1977), Aparoopa (1982), Ek Pal (1986), Rudaali (1993), Pratimurti (1993), Do Rahain (1997), Darmiyaan : In Between (1997), Saaz (1998), Gaja Gamini (2000), Daman : A victim of Marital Violence (2001), Kyon (2003). Bhupen Hazarika also the director of the following films : Era Bator Sur (1956), Mahut Bandu Re (1958), Shakuntala sur (1961), Pratidhwani (1964), Kaswariti (1964), Lati-Ghati (1966), Chik-Mik Bijuli (1969), For whom the sun shines (1974), Roop Konwar Joyti Parsad Aru Joymoti (1976), Mera Dharam Meri Maa (1976), Through Melody and Rhythm (1977), Mon Prajapati (1979), Swikarokti (1986), Siraj (1988). Bhupen Hazarika also produced the film "Ek pal" in 1986. Bhupen Hazarika wrote the film "Chingaari" in 2006. He also acted in the film "Ek Pal" in 1986.

❑❑❑

বেলি মাৰ যায়, কিন্তু গ্ৰহ-উপগ্ৰহে তাৰ প্ৰতিবিম্বৰেই বাটকুৰাক বাট দেখুৱায়। কোনো ব্যক্তি পৃথিৱীত নাইকিয়া হয়, কিন্তু তেওঁৰ মানসিক বিকাশৰ জেউতি বা প্ৰতিবিম্বই পুৰুষানুক্ৰমে মানৱ জাতিক পোহৰ দি থাকে।

- ড° বাণীকান্ত কাকতি



## প্ৰাচ্যতত্ত্ববিদ অধ্যাপক

# ড° মুকুন্দ মাধৱ শৰ্মা

চন্দন কুমাৰ শৰ্মা
স্নাতক৩য় বৰ্ষ, সংস্কৃত বিভাগ

এটি কবিতা কবিতা যেন লগা নাম। মৌ-বৰষা মুখৰ মাত। আৰ্ন্তজাতিক খ্যাতিসম্পন্ন সংস্কৃত পণ্ডিত, প্ৰজ্ঞাৱাৰিধি অধ্যাপক বিদ্বৎ সমাজৰ ভোটাতৰাস্বৰূপ ড° মুকুন্দ মাধৱ শৰ্মা দেৱৰ কথাই ইয়াত ক'বলৈ বিচৰা হৈছে। অধ্যাপক শৰ্মাদেৱ একেধাৰে আছিল এজন কৃতি শিক্ষক, শিক্ষা প্ৰশাসক, প্ৰাচ্যতত্ত্ববিদ, গৱেষক, বিশিষ্ট সাহিত্য সমালোচক।

সংস্কৃত পণ্ডিত ড° মুকুন্দ মাধৱ শৰ্মাদেৱৰ জন্ম হয় ডিব্ৰুগড় চহৰত ১৯৩৪ চনৰ ১ মাৰ্চত। অধ্যাপক শৰ্মাদেৱে যোৰহাট চৰকাৰী বালক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ যোৰহাটৰ জে.বি কলেজত নামভৰ্ত্তি কৰে আৰু তাৰ পৰা আই.এ (I.A) আৰু সংস্কৃত বিষয়ত অনাৰ্চ সহ বি.এ (BA) পৰীক্ষাত উত্তীৰ্ণ হয়। বি.এ (BA) পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত অধ্যাপক শৰ্মাদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰা সুখ্যাতিৰে সংস্কৃত বিষয়ত এম.এ (MA) পাছ কৰে। ইয়াৰ পাছত শৰ্মাদেৱে কলিকতা বিশ্ববিদ্যালয়ৰ পৰাই গৱেষণা কৰি পি.এইচ.ডি (Ph.D) আৰু ডি.লিট(D.Litt) ডিগ্ৰী লাভ কৰে। ইয়াৰ মাজতে অধ্যাপক শৰ্মাদেৱে কলিকতাৰ বংগীয় সংস্কৃত বোৰ্ডৰ পৰা পৰীক্ষা দি 'কাব্যতীৰ্থ' উপাধি লাভ কৰে।

ছাত্ৰ জীৱন সাং কৰি শৰ্মাদেৱে নলবাৰী মহাবিদ্যালয়ত সংস্কৃত বিভাগৰ প্ৰবক্তা ৰূপে কৰ্মজীৱনৰ আৰম্ভনি কৰিছিল। ইয়াৰ পাছত অধ্যাপক শৰ্মাদেৱে যোৰহাটৰ জগন্নাথ বৰুৱা মহাবিদ্যালয়তো কিছুদিন অধ্যাপনা কৰে। ইয়াৰ পাছত শৰ্মাদেৱে গুৱাহাটী বিশ্ববিদ্যালয়ত প্ৰতিস্থাপক অধ্যাপক হিচাপে যোগদান কৰে। তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ত ১৯৬৪ চনত প্ৰাধ্যাপক হিচাপে পদোন্নতি লাভ কৰে আৰু ১৯৭২ চনত শৰ্মাদেৱে অধ্যাপক হিচাপে পদোন্নতি লাভ কৰি কিছু বছৰ পাছত সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক হিচাবে নিযুক্ত হয়।

অধ্যাপক শৰ্মাদেৱে ১৯৮৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ কলাগুৰুৰূপে নিৰ্বাচিত হয়। বিশ্ববিদ্যালয় অনুদান আয়োগৰ জাতীয় প্ৰবক্তা ৰূপে সন্মান লাভ কৰা অধ্যাপক শৰ্মাদেৱে ভাৰত চৰকাৰৰ পৰা নিযুক্তি লাভ কৰি ইন্দোনেছিয়াৰ বালিত থকা উদয়ন বিশ্ববিদ্যালয়ত দুবছৰ কাল অতিথি অধ্যাপক ৰূপেও আছিল। গুৱাহাটী বিশ্ববিদ্যালয়ত কিছুদিন অস্থায়ী উপাচাৰ্য্যৰূপে দায়িত্ব গ্ৰহণ কৰা ড° শৰ্মাদেৱে বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্যৰ পদ অলংকৃত কৰি ১৯৯২ চনৰ জুলাই মাহত অৱসৰ গ্ৰহণ কৰে। অৱসৰৰ পাছত শৰ্মাদেৱে তেজপুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ আমন্ত্ৰণ ক্ৰমে অতিথি অধ্যাপক হিচাপে যোগদান কৰে। ইয়াৰ পাচত তেখেতে কিছুদিন কেনিয়াৰ নাইৰোবি বিশ্ববিদ্যালয়ৰ ধৰ্মীয় অধ্যয়ন বিভাগত বিবেকানন্দ আসনৰ অধ্যাপক হিচাপে কাৰ্য্যনিৰ্বাহ কৰে।

সাৰস্বত সাধক অধ্যাপক শৰ্মাদেৱে সংস্কৃত, অসমীয়া, হিন্দী, ইংৰাজী, বাংলা, আৰু ইন্দোনেছিয়া ভাষাত ৪৫ খন গ্ৰন্থ প্ৰণয়ন কৰিছে। ড° শৰ্মাদেৱ এজন সংস্কৃত শ্লোকৰ ৰচক, গ্ৰন্থৰ অনুবাদক আৰু প্ৰবন্ধ লেখক ৰূপেও পৰিচিত। তেখেতৰ দ্বাৰা ৰচিত গ্ৰন্থৰাজিৰ কেইখনমান চমু পৰিচয় তলত দাঙি ধৰা হ'ল।

ব্যঞ্জনা প্ৰপঞ্চ সমীক্ষা-- সাহিত্য, সুকুমাৰ কলা, ধৰ্ম আদিৰ আলোচনাৰ সমাহাৰ ঘটিছে এই গ্ৰন্থখনত। প্ৰাচ্য পাশ্চাত্য সাহিত্যৰ তুলনামূলক অধ্যয়ণ এই গ্ৰন্থখনত সন্নিবিষ্ট।

ধ্বনি আৰু ৰসতত্ত্ব-- ভাৰতীয় অলংকাৰ শাস্ত্ৰৰ আধাৰত অধ্যাপক শৰ্মাদেৱে ধ্বনি আৰু ৰসৰ দৰে কঠিন বিষয় দুটাৰ সৰল ব্যাখ্যা দাঙি ধৰিছে এই গ্ৰন্থখনৰ মাধ্যমেৰে।

Dhani Theory in Sanskrit poetics- সংস্কৃত কাব্যত ধ্বনি তত্ত্ব সম্বন্ধে এই গ্ৰন্থখনত আলোচনা কৰা হৈছে। ভাৰতীয়





নন্দনতত্ত্বৰ আধাৰত এই গ্ৰন্থখনত লেখকে ৰস ব্যঞ্জনাক সাহিত্যিক দাৰ্শনিক দৃষ্টিভংগীৰে পৰীক্ষা কৰিছে।

সাহিত্য তত্ত্ব আৰু সমালোচনা - এই গ্ৰন্থখন অসমীয়া আৰু সমস্কৃত সাহিত্যৰ বিভিন্ন দিশ সম্বন্ধে আলোচনা কৰা এখন প্ৰবন্ধ সংকলন।

উপমা কালিদাসস্য-এই গ্ৰন্থখনত ১০ টা মৌলিক চিন্তাসমৃদ্ধ প্ৰবন্ধ আছে। একান্তই পাণ্ডিত্যপূৰ্ণ প্ৰবন্ধ সংকলন হ'লেও প্ৰবন্ধ কেইটাৰ ভাষা সকলোৱে বুজিব পৰাকৈ নিতান্তই সহজ সৰল।

১৯৮৮ চনত অধ্যাপক শৰ্মাই ভাৰত চৰকাৰৰ তৰফৰ পৰা ৰাষ্ট্ৰপতিৰ সন্মান পত্ৰ লাভ কৰে। আকৌ ১৯৯৩ চনত অসমৰ ৰাজ্যপালৰ 'সোণৰ পদক' লাভ কৰা অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন (১৯৯৭ চনৰ পৰা) প্ৰাপ্ত অধ্যাপক শৰ্মাদেৱলৈ সংস্কৃত সঞ্জীৱনী সভাই ১৯৯৩ চনত 'বিদ্যাৱাচস্পতি উপাধি', ২০০০ চনত আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থাই আনন্দৰাম বৰুৱা বঁটা আৰু সেই একে বছৰতে অসম সাহিত্য সভাই 'কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা' আগবঢ়ায়। অসম সংস্কৃত মহাসভাই 'মহামহোপধ্যায়' উপাধিৰে সন্মানিত কৰা পণ্ডিতজনক ২০০৮ ইং চনত অসম সাহিত্য সভাই সদস্য মহীয়ান উপাধিৰে বিভূষিত কৰে।

সাৰস্বত সমীক্ষণ সমুচয়-- বিষয়বস্তুৰ গভীৰ বিশ্লেষণ আৰু ভাষাৰ মাধুৰ্যৰে ৰচনা কৰা সংস্কৃত সাহিত্যৰ বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰি লিখা সংস্কৃত ৰচনাৰ সংকলন।

Inscription of Ancient Assam- অধ্যাপক শৰ্মাদেৱৰ ইতিহাস আৰু প্ৰত্নতত্ত্ব অধ্যয়ণৰ দাপোন হৈছে তেখেতে লিখা উক্ত গ্ৰন্থখন।

The Comprehensive History of Assam-- ইতিহাসবিদ পণ্ডিত ড° হেৰম্বকান্ত বৰপূজাৰীৰ দ্বাৰা সংকলিত আৰু সম্পাদিত ৫ টা খণ্ডৰ উক্ত গ্ৰন্থখনত অধ্যাপক ড° মুকুন্দ মাধৱ শৰ্মাদেৱে দুটা খণ্ড লিখিছে।

Anandaram Barooah-- সংস্কৃত পণ্ডিত আনন্দৰাম বৰুৱাদেৱৰ জীৱনী গ্ৰন্থ। লেখকৰ অনুসন্ধানমূলক গৱেষণা গ্ৰন্থখনত বিদ্যমান।

Dr. Maheswar Neog: A Profile and Bibliography- এইখন জীৱনী গ্ৰন্থখন অধ্যাপক ড° শৰ্মাদেৱে যৌথভাৱে প্ৰণয়ন কৰিছে।

ভৱভূতি আৰু সংস্কৃত সাহিত্যত তেওঁৰ ঠাই-- এইখন গ্ৰন্থ হৈছে অনুবাদ গ্ৰন্থ। এইখন অনুবাদ গ্ৰন্থৰ মূল হৈছে আনন্দৰাম বৰুৱাৰ Bhababhuti and his place in Sanskrit Literature।

পণ্ডিত প্ৰৱৰ অধ্যাপক শৰ্মাদেৱে ৰাজশেখৰৰ প্ৰাকৃত ভাষাত ৰচনা কৰা কৰ্পূৰ মঞ্জৰীৰ অসমীয়ালৈ অনুবাদ কৰিছে। ভক্তিবেদান্ত প্ৰভুবাদৰ ভাস্যসম্বলিত "শ্ৰীমদ্ভগবদ্ গীতা যথাযথ" গ্ৰন্থখন শৰ্মাদেৱে অসমীয়ালৈ অনুদিত কৰে। অসমীয়া ভাষা ন-শিকাৰুৰ বাবে অধ্যাপক শৰ্মাদেৱে প্ৰণয়ণ কৰা দুখন জনপ্ৰিয় গ্ৰন্থ হৈছে- Assamese For All আৰু Assamese Lessons। ধ্ৰুপদী ছন্দত ৰচিত অধ্যাপক শৰ্মাদেৱৰ স্তুতি-প্ৰশস্তি-মঞ্জুৰী নামৰ পদ্য সংকলনটি বিশেষভাৱে উল্লেখযোগ্য। ইন্দোনেছিয়া ভাষাত ৰচনা কৰা ড° শৰ্মাদেৱৰ একমাত্ৰ গ্ৰন্থখন হৈছে-- উনছুৰ উনছুৰ বাহাস্বা ইণ্ডোনেছিয়া। অধ্যাপক শৰ্মাদেৱৰ দ্বাৰা প্ৰণীত দুখন সাধুকথাৰ পুথি হৈছে 'ৰাজতৰংগিনীৰ গল্প' আৰু 'মইনাৰ সাধুকথা'। শৰ্মাদেৱে বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয়তাৰ কথা চিন্তা কৰি পাঠ্যপুথি লিখাৰ কামতো হাত দিছিল।

প্ৰাচ্যতত্ত্ববিদ আন্তঃৰাষ্ট্ৰীয় খ্যাতি আৰু গৌৰৱৰ অধিকাৰী অধ্যাপক ড° শৰ্মাদেৱক তেখেতৰ সাৰস্বত সাধনাৰ স্বীকৃতিৰূপে চৰকাৰে যথাযোগ্য সন্মানেৰে সন্মানিত কৰিছে। ১৯৮৮ চনত অধ্যাপক শৰ্মাই ভাৰত চৰকাৰৰ তৰফৰ পৰা ৰাষ্ট্ৰপতিৰ সন্মান পত্ৰ লাভ কৰে। আকৌ ১৯৯৩ চনত অসমৰ ৰাজ্যপালৰ 'সোণৰ পদক' লাভ কৰা অসম চৰকাৰৰ সাহিত্যিক পেঞ্চন (১৯৯৭ চনৰ পৰা) প্ৰাপ্ত অধ্যাপক শৰ্মাদেৱলৈ সংস্কৃত সঞ্জীৱনী সভাই ১৯৯৩ চনত 'বিদ্যাৱাচস্পতি উপাধি', ২০০০ চনত আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থাই আনন্দৰাম বৰুৱা বঁটা আৰু সেই একে বছৰতে অসম সাহিত্য সভাই 'কৃষ্ণকান্ত সন্দিকৈ সাহিত্য বঁটা' আগবঢ়ায়। অসম সংস্কৃত মহাসভাই 'মহামহোপধ্যায়' উপাধিৰে সন্মানিত কৰা পণ্ডিতজনক ২০০৮ ইং চনত অসম সাহিত্য সভাই সদস্য মহীয়ান উপাধিৰে বিভূষিত কৰে।

অধ্যাপক ড° শৰ্মা সাহিত্য একাডেমী, অসম সাহিত্য সভা, অসম সংস্কৃত বোৰ্ড, আকাশবাণী গুৱাহাটী কেন্দ্ৰ, আনন্দৰাম বৰুৱা ভাষা কলা সংস্কৃতি সংস্থা আদিৰ লগত ওতঃপ্ৰোত ভাৱে জড়িত হৈ আছিল।

এই মহান পণ্ডিতজনে ২০০৯ চনৰ ২০ নৱেম্বৰ তাৰিখে গুৱাহাটীত ইহলীলা সম্বৰণ কৰি ঈশগতি লাভ কৰে।

❑❑❑



# কুৰি শতিকাৰ বিস্ময় প্ৰতিভা ৰামানুজন

শ্ৰী গোবিন্দ নন্দী
স্নাতক তৃতীয় বৰ্ষ

বাৰ শতিকাৰ তেজস্বী গণিতজ্ঞ ভাস্কৰাৰ্যৰ পিছত ভাৰতীয় গণিতে পশ্চাদগামী গতিহে কৰে আৰু ই প্ৰায় ঊনৈশ শতিকাৰ শেষলৈকে নিঃশ্ব অৱস্থাত ভোগে। প্ৰকৃততে এই কেইবাদশক জুৰি ইয়াত অতুল্য প্ৰতিষ্ঠাৰ কোনো দুৰ্লংঘ্য গণিতজ্ঞৰ এক দীৰ্ঘকালীন শূন্যতাই ভাৰতীয় গণিতৰ অস্তিত্বক ম্লান কৰি ৰাখিছিল। তাৰ পিচতেই ভাৰতীয় গণিত আকাশত কুৰি শতিকাৰ বিস্ময়কৰ প্ৰতিভাধৰ ৰামানুজনৰ আৱিৰ্ভাৱ হৈছিল (১৮৮৭-১৯২০)। সংখ্যাৰ আৰ্হি আৰু ফলনীয় সা-সম্পৰ্কৰ ওপৰত ৰামানুজনৰ অস্বাভাৱিক চাতুৰ্য্যৰ সামৰ্থ্য আছিল। তেওঁৰ গাণিতিক কৰ্মবোৰ অসীম শ্ৰেণী, সংখ্যা তত্ত্ব বিশেষকৈ সংখ্যা বিভাজন, অবিৰত ভগ্নাংশ, অনুকল, উপবৃত্তীয় মাপাংক আৰু ম'ক-থিতা ফলন ইত্যাদিৰ ওপৰত আৰোপিত হৈছিল। কেম্ব্ৰিজত থকা কালত হাৰ্ডি, লিট লউডৰ সান্নিধ্যত আৰু তাৰ পিছলৈকে ৰামানুজনে প্ৰায় কুৰিখন মহৎ গভীৰ মাপ-কাঠিৰ গৱেষণা পত্ৰ বিভিন্ন ইউৰোপীয় পত্ৰিকাত প্ৰকাশ কৰে। ৰামানুজনে ভাৰতীয় পত্ৰিকা "Journal of Indian Mathematics Society"ত বাৰখন পত্ৰ প্ৰকাশ কৰাৰ উপৰিও কেবাশ কৌতুহলী সমস্যা, অনুমেয় প্ৰতিজ্ঞা আৰু সূত্ৰ সমাধান কৰা আৰু নকৰাকৈ এৰি থৈ যায়।

বিংশ শতিকাৰ ৰামানুজনৰ পৰৱৰ্তী যুগত ভাৰতৰ ভিতৰ বা বাহিৰত বহুতো ভাৰতীয় দীৰ্ঘপদী অন্বেষীয়ে গণিতৰ গৱেষণাত নামি পৰে। তেওঁলোকৰ বেছিভাগেই ৰামানুজনৰ পৰম্পৰাৰে আগবাঢ়িছিল আৰু শেহতীয়া আৰ্হি প্ৰযুক্তিৰ অৱতাৰণা অন্ততঃ চতুৰ্থ দশকলৈ দোদুল্যমান হৈ থকাৰ মাজতে পশ্চিমীয়া গাণিতিক ঢৌৰ খুন্দাই উত্থান-পতনৰ জোৱাৰভাটা সৃষ্টি কৰিছিল। ভাৰতীয় গৱেষকসকল কেন্দ্ৰীভূত হৈ আছিল। ভাৰতৰ বাহিৰৰ পথ প্ৰদৰ্শক গাণিতিক স্কুলবোৰৰ প্ৰভাৱ আৰু সমগোষ্ঠীৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ বিকাশৰ ক্ষেত্ৰত অৰিহণাৰ প্ৰয়োজনীয়তাক উলাই কৰিব নোৱাৰা স্বত্বেও বিশ্ব গণিতৰ বৈচিত্ৰ্যপূৰ্ণ জগতলৈ ভাৰতীয় গণিতৰ দুৱাৰখন লাহে লাহে মেল খাবলৈ ধৰিলে। কুৰি শতিকাৰ দ্বিতীয়াৰ্ধৰ পৰা ভাৰতীয় গণিতত পৰম্পৰাগত বিমূৰ্তিতা আৰু যৌক্তিক অৱতাৰণাৰ ব্যৱহাৰৰ মাত্ৰা প্ৰতিটো শাখালৈ দ্ৰুতগতিৰে অন্তৰ্ভুক্ত হ'বলৈ ধৰে। বিশেষ শাখাবোৰৰ ভিতৰত বীজগণিত, এনালাইছিছ, জ্যামিতি আৰু ট'পোলোজী উল্লেখযোগ্য। এনে শাখাবোৰত বিশ্ব গণিতত আধুনিকতাৰ বীজ সিঁচা অগ্ৰদূত সকলৰ ভিতৰত ফেলিক্স ক্লেহন, কাল স্কুৱাৰ্জ চাইড, হিলবাৰ্ট, ৰিচাৰ্ড কোৰেণ্ট, ডি এইচ্ হাৰ্ডি, লিটলউড আব্ৰাহাম বেচিকোভিৎছ, জি, ডি বিৰকফ আৰু এল মুৰ, ঝোৰ্ণ আদি উল্লেখযোগ্য। তেওঁলোকৰ বেছিভাগেই অ'ত ত'ত গণিতৰ গজালি বিচাৰি ঘূৰি ফুৰা পৰিভ্ৰমী বিহংগ যেন।

ৰামানুজনৰ নিচেই পৰৱৰ্তী কালত কিছুমান ভাৰতীয় মননশীল গণিতজ্ঞই অতি গুৰুত্বপূৰ্ণ আৰু স্থায়ী অৱদান এনেদৰে আগবঢ়ালে যে তেওঁলোকৰ গভীৰ উৎসৰ্গা আৰু কঠিন পৰিশ্ৰমৰ ফলত ভাৰতীয় গণিতৰ নিশকতীয়া অৱস্থাক বহু পৰিমাণে সজাগ কৰি তুলিব পাৰিলে।

ভাৰতীয় গণিতৰ বিকাশ আৰু সফলতাৰ পদ্ধতিযুক্ত বিশ্লেষণ আৰু নিবেদন, বিশেষকৈ ৰামানুজনৰ পৰৱৰ্তী বিংশ শতাব্দী সকলৰ বিষয়ে বিতং বিৱৰণৰ বহুতো লিপি পত্ৰিকা আজি কালি সহজতে পোৱা যায়। ৰামানুজনৰ গণিত প্ৰতিষ্ঠান মাদ্ৰাজ বিশ্ববিদ্যালয়ে ইতিমধ্যে ইয়াৰ উপৰিও বিভিন্ন গণিতজ্ঞৰ সফল কৰ্মকীৰ্তি বৰ্ণাই উলিওৱা "সংগৃহীত কাম"ৰ পুস্তিকা প্ৰকাশ কৰি উলিয়াইছে। ❑❑❑

(সহায় লৈ)





# ANNA HAZARE

## THE VOICE AGAINST CORRUPTION

***Neep Saikia***
H.S. 1st year (Arts)



"Anna Hazare : The 74 years growing spirit in India" appeared as a small article in the famous newspaper of U.S.A, The New york times in 23 august, 2011. "A man has come to wake the sleeping nation" was twitted by Chetan Bhagat, a famous writer of India, in a social networking site Twitter. Anna Hazare is perhaps the most media focused person during these last two-three months. Anna Hazare is a social activist, RTI activist, member of Anti-corruption bill or Jana Lokpal Bill and a renowned Gandhian. Anna Hazare was born on 15 June, 1937 at Bhingar Village of Ahmad nagar district of Maharastra. His father's name is Baburao Hazare and mother's name is Laxmi Bai, He is the eldest of all his foue brothers and two sisters. As, he was the eldest of all his brothers and sisters, so he was called "Anna" which in Marathi means "The eldest". Anna's family was financially very weak. So, they moved to their ancestral village Ralegan siddhi, where they owned a small piece of agricultural land. Anna's maternal uncle took the burden of providing Anna with education and took him to Mumbai, Because the village had no primary cducation. The relative became financially weak and Anna had to stop his education. Thus Anna's school education ended in 7th standard. After this Anna started selling flowers at the Bandra Railway station in Mumbai.

The Indo-china war of 1962 caused the Indian Army to commence emergency recruitment measures. Anna Hazare was recruited in April, 1963. As Anna was not physically fit for this service; so, he was appointed as truck driver in Army service. There is an incident which changed the track of Anna's life. In 1976, when Anna was doing his service he was transfered to Punjab. Anna had to go by train. So, he bought 2 books at the Dadar railway station in Mumbai to read during his long journey. One book was the autobiography of Swami Vivekananda and another was "My experiment with truth"

written by M.K. Gangdhi. After reading these two books Anna's life changed completly. Anna found the real meaning of life. He understood that life means service to society. So, Anna decided to render social service throughout his life. Anna, then took volunteery retirement from his service in November, 1976 and returned to his village Ralegan siddhi to start his welfare service.

**ACTIVIST**

**RIGHT TO INFORMATION MOVEMENT**

In early 2000, Anna Hazare led a movement in Maharastra state which forced the state goverment to enact a revised Right To Information Act (RTI). This act was considered as the base document for the Right to Information act, 2005 enacted by the union government on July 20, 2006. The union government amended the RTI act 2005 to exclude the file noting by government officials from its purview. Hazare began his fast unto death on 9th August, 2006 at MMRDA ground in Mumbai against the proposed amendment. He ended his fast on 19th August, 2006 after the government had agreed to change its earlier decision.

**LOKPALL BILL MOVEMENT**

In 2011, Anna Hazare started a satyagraha movement for passing the Jana lokpall bill or Anti-corruption bill in the parliament and against the Goverment proposed Lokpall bill to tackle the growing corruption in India. It conceived the inclusion of Prime Minister and Judiciary within Jana lokpall Bill.

**HUNGER STRIKE IN DELHI : The first step to enact the Jana Lokpall Bill**

To enact the Jana lokpall bill in the parliament, Anna Hazare started his fast on 5th April, 2011 at Jantar Mantar in Delhi. Almost 250 people joined in this fast on the morning of 9th April, 2011. Anna Hazare ended his fast which lasted 99 hours after the government accepted all demands. Anna set a dead line of 15th August, 2011 to pass the Jana lokpall bill in the parliament. But from 30th May, 2011, there grew differences between the Civil Society (Team Anna) and the union government, as union government opposed the inclusion of Prime Minister in the Lokpal. Anna Hazare was arrested on 16th, August in Delhi. Hazare was sent to Tihar Jail. Eventually, after being kept in Judicial detention for just 4 hours, Anna was released unconditionally without any bail bond by court on a request by Delhi police. But Anna refused to come out of jail as he was not given permission to continue fast. And he started his fast from Tihar jail on 16th August. Anna was released on 20th August and from there he went to Ramlila Maidan to observe his fast. Hazare promised that he would fight to his last breathe until the government pass the Jana lokpall bill in the session of parliament which ends on 8th september. There rose great movement in the country which is better known as "August Revolution" and spread throughout the country. Hazare ended his heroic fast after 288 hours at 10:30 morning on 28th August after the union government has passed the resolution of the Lokpal Bill in the parliament.

**Awards to Anna Hazare**

1986 - Indira Priyadarshini Vrikshamitra Award.
1989 - Krishi Bhushan Award.
1990 - Padma shree.
1992 - Padma Bhusan.
1996 - Shiromini Award.
1997 - Mahaveer Award.
1998 - Care Internation Award by U.N.O.
2003 - Integrity Award by UNESCO.

❑❑❑

The empires of the future are the empirs of the mind.

*Winston Churchill 1874-1965, Speech at Harvard, 6 Spet., 1943*





# THE INVENTION OF MOBILE PHONE AND ITS FEASIBILITY

***Dr. Madan Chandra Boro***
Asstt. Professor
Deptt. of Political Science



Martin Cooper

*Introduction:* Dr Martin Cooper, a former general manager for the systems division at Motorola, is considered the inventor of the *first portable handset* and the first person to make a call on a portable cell phone in April 1973. The development of devices which connect wirelessly to the public switched. Early devices were bulky and consumed high power and the network supported only a few simultaneous conversations. Modern cellular net works and microprocessor control systems allow automatic and pervasive use of mobile phones for voice and data communications. By 1930, telephone customers in the United States could place a call to a passenger on a liner in the Atlantic Ocean. In 1930 the air time charges were quite high, at $7 per

minute and about $92.50 per minute in 2011. In the year 1990s the 'second generation' or 2G mobile phone systems emerged, primarily using the GSM standard. These differed from the previous generation by using digital instead of analog transmission, and also fast-out of band phone-to-network signaling. The rise in mobile phone usage as a result of 2G was explosive and this era also advent of prepaid and post paid mobile phones services. The first pre-commercial trial network with 3G was launched by NTT DoCoMo in Japan in the Tokyo region in May 2001. The high connection speeds of 3G technology enabled a transformation in the industry for the first time, media streaming of radio and even television content to 3G handsets became possible.

*Origin and use:* Motorola in conjunction with the Bell System operated the first commercial mobile telephone service (MTS) in the US in 1946, as a service of the wire line telephone company. The first generation of cellular telephones system was sometimes retroactively referred to as *pre cellular* or sometimes *zero generation*. The A-Netz launched 1952 in West Germany as the country's first public commercial mobile phone network. In 1959 a private telephone company located in Brewster, Kansas, USA, the S&T Telephone Company, (still in business today) with the use of Motorola Radio Telephone equipment and a private tower facility, offered to the public mobile telephone services in that local area of NW Kansas. The first fully automated mobile phone system for vehicles was launched in Sweden in 1960. First automatic system was the Bell System's IMTS which became available in 1962, offering automatic dialing to and from the mobile. The Televerket opened its first manual mobile telephone system in Norway in the year 1966. Finland first used the Autoradiopuhelin (ARP) in 1971 for the first public commercial mobile phone network. The A-Netz launched 1972 in west Germany as the country's second public commercial mobile phone network as the first one that did not require human operators to connect calls. Note that first successful public commercial mobile phone networks was the ARP network launched in Finland in 1971.

About two thirds of these were on the WCDMA (standard and one third on the EV-DO standard. The 3G telecoms services generated over 120 Billion dollars of revenues during 2007 and at many markets the majority of new phones activated were 3G phones. In Japan and South Korea the market no longer supplies phones of the second generation. By the end of 2007 there were 295 million subscribers on 3G networks worldwide, which reflected 9% of the total worldwide subscriber base.

World has 135 million 3G customers in 10 February, 2011. China holds the world's largest mobile market – had 38.64 million 3G users by the end of October 2010, a threefold increase year-on-year, according to figures from the country's Ministry of Industry and Information Technology (MIIT) cited in a *Xinhua* report. Approximately 25.38 million users were new subscribers in the past year. The number of 3G users of each of China's top three operators - China Mobile, China Unicom and China Telecom - exceeded 10 million by the end of October, 2011 while India expected 275 million 3G customers by end of 2013.

*Arrival of the culture of mobile phone use in India:* We have a number of mobile phone service operators like Aircel with its head quarter at Delhi, Airtel with its head quarter at Mumbai, BSNL with its head quarter at Delhi, MTNL with its headquartered in Mumbai, Idea Cellular with its headquartered in Mumbai, Tata Indicom with its head offices in Navi Mumbai, Tata DoCoMo (a joint venture of Tata Teleservices and NTT DoCoMo), Reliance Communications, with its head offices in Navi Mumbai and Loop Mobile India (Mumbai).

There are about ninety-five (95) Mobile Hand set making companies in India. These are X Electron, CAPLIGHT, Airnet, Ajanta mobile, Ancom mobile, Airphone, AROMA Mobiles, Blackberry, BLEU, Beetel, BPL group, Byond Tech, celkon, Dava, Digibee mobiles, eTouch, Fujezone, Fly, fortune, GEEPEE Mobiles, gfone, G-Five, Haier, Hansum mobiles, Hawkman Mobile, Hi-Tech, HTC, I-Tel, ICube, Intex, Ion, iNQ, Karbon Mobiles, Lava mobiles, Lemon, Lexus, LG, Logitec, Magicon, Maxwood Mobiles, Maxx, Melbon, Micromax Mobile, Motorola, Movil, Munoth Mobiles, Nokia, Nelson, Olive, Onida, Orion Mobiles, Opart, Pagaria, Phillips, Pride Mobiles, Philiray, Kuantum, Quba Mobile, Rage, Ray, Swissvoice India, SAGEM, Samsung, San mobile, Sansui, Siemens, Simoco, Soney Eriction, Spice Telecom, Technotouch, T-series, Ultra mobile, UNITEL, INIX Mobiles, Usha-Lexus, Vodafone Essar, Videocon, VOX, Winncom, Xcite, Zen Mobiles, Rk Mobiles, ViP Mobiles, Alcatel, Spice, MVL, Nova Mobiles, Mobell, Akai mobiles and AZ Link Anycool mobile.

*Some advantages in the use of cell phone*: In the twenty first century, people cannot ignore the technological inventions of science like mobile and informative technologies (ICT) which got shelter in the every section of the society like traders, administrators, decision makers, rich or poor, educated or illiterate of civil society. The developed or developing countries are also so long been promoting about the potential importance of the use of low cost mobile devices especially cell phones in the nook and corner of the world benefiting variety of objectives. The good practice of the mobile phone use for the purpose of education is useful for '*academic conversations*' with teacher for short time, keeping relations with parents or other persons in the time of need or emergency, collecting swift information from distant places, learning on the spot on the related matters through e-service etc. User of mobile phone puts their remarks relating the advantages of cell phone use such as to take all important calls, seek direction when lost in unknown places, call ambulance while emergency, call police while rioting, snapping the incidents for evidence, listen music or play games while feel bored, use as calculator, keep in touch with family and friends, chat and video conference, use as time piece, use if pocket internet, and so on.

*Major harms in the use of cell phone*: The major harmful effect of mobile phone is radiation like electromagnetic radiation, microwave, and communication network on human health is the serious concern of the present day civil society the result of the enormous increase in cell phone users throughout the world. Report shows that there were more than *4.3 billion* users worldwide in *June, 2009*. The radio waves emitted by a mobile telephone handset are absorbed by human head. The WHO has classified mobile phone radiation on the IARC scale into group 2B which "could be some risk" of carcinogenicity of man. The microwave radiation also affects the living tissue. The blood circulation of the brain is also become capable of disposing of excess heat by increasing local blood flow. The German biophysicist *Roland Glaser* proves about the "*non-thermal effects*" could be reinterpreted as a normal cellular response to an increase in temperature. He argues that there are several thermo receptor molecules in cells, and that they activate a cascade of *second* and *third* messenger systems, gene expression mechanisms and production of heat shock proteins in order to defend the cell against metabolic cell stress caused by heat. But the use of cell phones inside or outside of classrooms or in the public or private places in developing countries has grown like fashion, craze, style or ornament.

Swedish researchers of *Lund University* namely *Salford, Brun, Persson, Eberhardt*, and *Malmgren* were proved the affects Cell phone in the blood-brain barriers. They proved the leakage of albumin into the brain via permeated blood-brain barrier. In 2006, Danish study reveals the possibility of cancer in 20 years for using cell phones for 420,000 Danish citizens. The Cancer Council Australia reveals that the normal use of the mobile does not cause cancer in 12 years and also said no such perfect research data has been developed.

Mobile phone has also major effects on academic environment and it should never be used for education for moral and technical problems. The mobile phone users may become opportunity for examination malpractices, the thirst of education cannot serve the millions through mobile, it carries with cost and gives a message of misuse of money, distracts students from learning and also creates a lot of violence for misuse for SMS and MMS . It is suggestible for the students that during the lecture cell phones should be switched off. Besides its side effects mobile phone has its own some disadvantages like expensiveness, damage of ear, poor network, chances of accident while driving, not feasible at school or office or work places, hard for older people etc.

*Safe handle of mobile handsets*: A Safe handling and keeping of mobile phones is the only way of avoiding our risks; but to avoid the radiation from cell phones we may habituate with the followings:

a. Strict screening of the calls at the office or workplace;
b. using voice mail, speaking the least;
c. person who keeps in busy with attending a lot of teleconferences should habituate with using a wireless headphone cum mike;
d. strict concern over the keeping of cell phones far from heart, brain, ear or if possible habituate in keeping in pouch;
e. preferably at home, users should turn on the switch of loudspeaker to give relief the ears and brain and
f. Travelers should be habituate with earphones.

*Concluding view:* Discussion reveals that mobile has some kind of radiations which is sure to harm the human health gradually. The precaution with minimization of use is the only remedy of it. It is not possible to limit the users of mobile phone in the present day civil society as the users are inextricably adopted with the *mobile-culture* and state also state also does not restrict adults for use of it. Individuals are to be concern about the frequency of use of cell phones and locations they keep it. It can be suggested here that the potential health effects may be limited by limiting the exposure by reducing call time, by making calls where reception is good, by using hands-free devices or speaker options, or by texting. Parents should not encourage the children for the use of cell phones if practicable or the ask them to call for short by using hands-free devices or speaker options, or by texting. Expectable that awareness and lesions of mobile radiation's health hazard can confine the limits of use and misuse of it.

*Internet references:*


- *Amos Edward Joel (Bell Labs): Cellular Mobile Communication System. filed December 21, 1970, issued May 16, 1972*
- *Martin Cooper et al. (Motorola): Radio Telephone System (Dyna-Tac). filed October 17, 1973, issued September 16, 1975*
- *Richard H. Frenkiel (Bell Labs): Cellular Radiotelephone System for Different Cell Sizes. filed September 22, 1976, issued March 13, 1979*
- *Cellular Mobile Radiotelephone System — Verne MacDonald, Philip Porter, Rae Young, (Bell Labs) filed April 28, 1980, issued August 16, 1983*
- *Andrew McGirr, Barry Cassidy (Novatel): Radio telephone using received signal strength in controlling transmission power. filed September 24, 1990, issued July 7, 1992*
- *Jouko Tattari (Nokia): Construction of a standalone portable telephone unit. filed May 11, 1992, issued November 23, 1993*
- *Douglas Fougnies et al. (Freedom Wireless): Security cellular telecommunications system. filed December 1994, issued February 24, 1998*


❑❑❑

*The aim of education is the knowledge not of facts but of values.*
*William Ralph Inge 1960-1964, 'The Training of Reason' in A.C. Bension (ed) Cambridge Essayes on Education (1917).*





# কণমানি মাইনা

অনিতা হালৈ
উঃ মাঃ প্ৰথম বৰ্ষ

কণমানি মাইনা ককা-আইতাকৰ ঘৰ সোমোৱাৰ লগে লগে উথপ-থপ লাগিল। তাই অহাৰ উমান পাই আইতাকহঁতৰ ভিতৰত বান্ধি থোৱা বন্তি আৰু পখিলা নামৰ কুকুৰ দুজনীয়েওঁ তাইক আদৰণি জনাই ভুকিবলৈ ধৰে। আইনু নামৰ মেকুৰীজনীয়েও চিঞঁৰিলে- মিউ মিউ। ভিতৰত শাক বাছি থকাৰ পৰা ঢপলিয়াই আহিল আইতাক। কণমানিয়ে গেটৰ পৰাই 'আইতা আইতা' বুলি চিঞঁৰি আহিল। তাইৰ হাতত দুযোৰ কাপোৰ ভৰাই অনা বেগটো। গুলপীয়া এটা কাপোৰৰ বেগ। এয়া এবছৰে চলি অহা ৰুটিন। তাইৰ লগতে ককা-আইতাও ৰুটিনত অভ্যস্ত হৈ পৰিছে। পুৱা ন বজাৰ লগে লগে সাজু হয়।



খন্তেক পিছতে কণমানিৰ বাপেকৰ গাড়ীৰ হৰ্ণ বাজিব। মাক বাপেক গাড়ীত বহি থাকিব। কণমানিয়ে হাতত বেগটো লৈ 'আইতা আইতা' বুলি চিঞৰি থাকিব। কণমানিয়ে ঢপলিয়াই গেট খুলিবলৈ অহা দেখিলেই মাক বাপেকে গাড়ীৰ ভিতৰৰ পৰা চিঞঁৰে -'কণমানি, আইতাক আমনি নকৰিবা। গধূলি তোমাক লৈ যামহি।'

তাই হাত জোকাৰি 'বাই-বাই' দিয়ে। আইতাকৰ ভোৰ ভোৰণি কণমানিৰ কাণত পৰে। চাকৰি কৰাৰ নামত এই দুয়োটাই কণমানিৰ অৱস্থা নোহোৱা কৰি পেলালে। ফুলপাহ যেন ছোৱালীজনীৰ অৱস্থা নাইকিয়া কৰি তুলিছে। আই ঐ দেহি! কণমানিৰ বয়স আঢ়ৈ বছৰ। আইতাকৰ মুখলৈ চাই হাঁহি মাৰি আইতাকৰ কোঁচত উঠি সোধে - "আইতা ,মা তোমাৰ জীয়েক হয়নে ?" ওঁ হয়। 'মই মাৰ জীয়েক হয়নে ?' ওঁ হয়। 'কিন্তু মই তোমাক যিমান ভাল পাওঁ মায়ে তোমাক সিমান ভাল নাপায়।' 'কিয় ক'লা ?' 'ঘৰত মায়ে তোমাক যে কিমান গালি দিয়ে। সেইবোৰ মইহে শুনি থাকোঁ। মোৰ যে ইমান বেয়া লাগে! আইতাকৰ মুখ ক'লা পৰি আহে। কি কৈছে নাতি ছোৱালীটিয়ে ? এয়া তেওঁ এনে কি দোষ কৰিলে! একমাত্ৰ কন্যা তাই। ইমান আলফুলে ডাঙৰ কৰিলে। কলেজৰ প্ৰফেচাৰনী হ'ল বুলিয়েই এইকণ ছোৱালীৰ আগত তেওঁৰ বদনাম গাব লাগেনে ? দুয়ো চকু ভৰি আহে আইতাকৰ। নাতি ছোৱালীটিক একাষে টানি আনি সোধে, "কি বুলি গালি পাৰে অ' মাৰে মোক ?" কথাখিনি সোধোতে দুটোপাল চকুলো বাগৰি আহে আইতাকৰ। 'ক'ম ৰ'বা পাছত। তুমি 'টেনচন' নল'বা, বুলি কণমানি দৌৰি গ'ল আইনুৰ ওচৰলৈ। আইনুক গৱা মাৰি ধৰি বুকুত সোমাই লয়। নেজডাল হাতেৰে লিৰিকি-বিদাৰি থাকে। আইনুৱেও তাইৰ গালে মুখে চেলেকি মিউ-মিউ বুলি মাতে। 'শুন আইনু, তই বন্তি আৰু পখিলাৰ ওচৰলৈ নাযাবি দেই। সিহঁতে তোক কামুৰিব নহ'লে। বন্তি আৰু পখিলা হ'ল কুকুৰ আৰু তই হলি মেকুৰী। মই তোকহে ভাল পাওঁ। সিহঁত বোলে বাঘৰ মাহীয়েক। আইতাই মোক সাধুটো কৈছে নহয়। মই তোক মনে মনে মাছ আনি দিম। তই এইখিনিতে থাক হাঁ।" কণমানিয়ে আইতাকৰ পাকঘৰত সোমাই চৰুৰ ঢাকোন দাঙি এটুকুৰা ভজা মাছ উলিয়াই লয়। আইতাকে চিঞৰি উঠে, 'ছিঃ ছিঃ! 'কণমানি তুমি এইমাত্ৰ মেকুৰী চুই থকা নাছিলানে ?' সেইখন হাতেৰেই চৰুৰ পৰা মাছ উলিয়াই নিলা।

ছিঃ! ছিঃ! 'তাতে কি হ'ল ? নাপায় নহয়। সেইবোৰ কাম কৰিব নাপায় নহয়। 'মায়ে ঠিক কয় তোমাৰ কথা। একদম ঠিক কয়।' কি কয় ? কি কয় তোমাৰ মায়েৰাই ? পাছত কম দিয়া- এইবুলি কণমানি আইনুৰ সৈতে ব্যস্ত হয়, কাঁইট বাছি বাছি মাছ খুৱাই আইনুক। তায়ো টপাটপ গিলে। আইতাকৰ কামত মন নবহে। শাক দুমুঠি বাছিবলৈ উলিয়াই লৈছিল। তাকে শেষ কৰিব পৰা নাই। ইমান পঢ়া শুনা কৰা মানুহ হৈ সিহঁতে এইকণ ছোৱালীৰ আগত নিজৰ মাকজনীৰ বদনাম গাই থাকে। তাইৰ কণমানি মনটোত আইতাকৰ প্ৰতি বিৰূপ ভাৱ সুমুৱাই দিছে সিহঁতে আইতাকৰ জানিবলৈ মন যায় কথাবোৰ। কণমানিক ফুচুলাবলৈ বুলি ককাকে আগদিনা আনি থোৱা চক্লেটটো হাতত দিয়ে। 'না, মই চক্লেট নাখাওঁ। মায়ে মানা কৰিছে। 'কি খাবা ?' 'খেলিম মই, তুমি ঘোঁৰা হ'ৱা ? মই তোমাৰ ওপৰত উঠিম। আজি আইতাক ঘোঁৰা হ'বলৈ সাজু। আনদিনা হোৱা হ'লে ক'লেহেতেন, 'আজি মোৰ গাটো ভাল লগা নাই অ' কণমানি। মই নেখেলোঁ দেই। তুমি টি. ভিকে চোৱা। আজি তেওঁ সেইবুলি নক'লে। কণমানিয়ে বিচৰাৰ দৰে আঠু কাঢ়ি হাতখনেৰে মাটিত ভৰ দি ঘোঁৰা হ'ল। সেই ঘোঁৰাত কণমানি উঠিল। হেঁপাহ পলুৱাই উঠিল। ইটো কোঠাৰ পৰা সিটো কোঠালৈ। 'চল মেৰে ঘোঁৰে ঠিক্ ঠিক্' বুলি গাই গ'ল।

আইতাকে ফোঁপাইছে। ভাগৰিছে......। বৈ দিছে। দেখি

কণমানিৰ বেয়া লাগিল। তাই কৈছে, "হ'ব আজি আৰু ঘোঁৰা হ'ব নালাগে, লুডু খেলিবা ? লুডু ....।" এইবাৰ আইতাকে লুডু উলিয়াই লয়। লুডুৰ গুটি সজাই সজাই কণমানিয়ে কৈ যায়, তোমাক মই ইমান ভাল পাওঁ আইতা। চবতকৈ বেছি। মায়ে তোমাক কিয় যে তেনেকৈ কয়! 'কি কয় কোৱাচোন।'

"এহ, পাছত কম দিয়া। নহয়..... নহয়......" এতিয়াই কোৱা। প্লিজ...প্লিজ। আইতাকে এইবাৰ কণমানিক কাকুতি কৰে। তেওঁ জানিব খোজে জীয়েকে কি কয় তেওঁৰ কথা। 'কি কয় জানা'? এইতো বোলে গৰাঁল। কুকুৰ মেকুৰী সুমুৱাই থৈ দিয়া। মোৰ বেয়া লাগে জানা আইতা। মায়ে সদায় সোধে আইতাই তোমাক বাহিৰলৈ নিয়ে নে ভিতৰতে ৰাখে? "মই কওঁ ভিতৰতে। মায়ে মোক গালি পাৰি কয় -'তুমি বোলে মোক কুকুৰ কেইটাৰ লগত ৰাখি থোৱা। বাহিৰলৈ ফুৰাব নিনিয়া।' 'হেৰি হৰি এইবুলি কয়?' 'আৰু কয় মোক ৰাখি তুমি বোলে বেয়া পোৱা। উপায় নাই কাৰণেহে ৰাখি আছোঁ। মায়ে কাম কৰা ছোৱালী এজনী পালে মোক আৰু ইয়ালৈ নপঠিয়ায়। ঘৰতে ৰাখি থ'ব। এনেয়েও মই স্কুললৈ যামেই এইবাৰ। তুমি আইনু, বন্তি, পখিলাৰ লগতে থাকিবা আৰু।' 'ইস ৰাম! এইবোৰ কথাওঁ কয়নে ? মোৰ সোণজনীক লগত ৰাখিবলৈ বেয়া পামনে! "সিহতে এইবোৰ কথা কিয় কয় বাৰু ?" "পাপাই নকয়। মায়েহে কয়। ব'লা আইতা অকণ মান বাহিৰলৈ ওলাই যাওঁ। ভিতৰতে সোমাই আছো বুলি জানিলে মায়ে তোমাক আকৌ গালি পাৰিব।" "ক'লৈ যাবানো কণমানি ?"

'ব'লা! নৈৰ পাৰে পাৰে খোজ কাঢ়িম। নাওঁবোৰ চাম। পাহাৰত উঠিম। ইমান যে ভাল লাগিব' ।'নদী তুমি ভাল পোৱা কণমানি? ওঁ! ইমান ভাল লাগে নৈ। সেই নৈৰ নাওবোৰ। গছ ভাল লাগে। চৰাই ভাল পাওঁ। পাহাৰক ভাল পাওঁ। আৰু? আৰু তোমাক ভাল পাওঁ। ব.....হু......ত ভালপাওঁ তোমাক।

কণমানিৰ কথাই আইতাকৰ বুকু শাঁত পেলায়। হওঁক তেওঁ। ছোৱালীজনীয়ে তেওঁক বেয়া পোৱা নাই। এইকণ ছোৱালীৰ গাত গোসাঁই আছে। তাই সকলো বুজি পায়। জানে .... । কেতিয়াবা ইমান ডাঙৰ কথা কৈ দিয়ে কিছুমান আইতাকে যেন আচৰিত হৈ যায়। বহু সময় নৈপৰীয়া বতাহ গাত লৈ সিহঁতে খোজ কাঢ়ে। কণমানিৰ সৰু সৰু আঙুলিৰে আইতাকৰ হাত এখনত খামুচি থাকে। 'আৰু কি কয় মাৰাই? মোক চাগে খুব বেয়া পায় ন? বেয়া নাপায় কিন্তু গালি দিয়ে তোমাক। 'একো নহয় দিয়া তাইক মই বৰ ভাল পাওঁ। আৰু মোক? তোমাক আটাইতকৈ ভাল পাওঁ। 'আইতা , আজি মোৰ খুব ভাল লাগিছে জানা। এই যে তুমি মোক ফুৰাবলৈ আনিছা, মোৰ সৈতে কথা পাতিছা, মোৰ খুব ভাল লাগিছে।

তেন্তে আজি মাৰাক ক'বাগৈনে? 'কি'?

এই যে তোমাৰ সৈতে মই খেলিছোঁ, ফুৰিছো, তোমাক বাহিৰলৈ উলিয়াই আনিছোঁ, এই কথা ক'বানে মা হঁতক?

'নিশ্চয় কম' তুমি যে ইমান ভাল আইতা, সেই কথাও কম।

ছাঁ-পোহৰৰ মাজে মাজে ঘূৰি আহে কণমানি আৰু আইতাক। আহিয়েই আইতাক ব্যস্ত হয় পাকঘৰত। মাগুৰ মাছ জীয়াই থোৱা আছে। তাৰে জোল অকণ ৰান্ধি ছোৱালীজনীক খুৱাই পঠিয়াব লাগিব। ভাগৰে-জুগৰে মাক-বাপেক অফিচৰ পৰা আহি ছোৱালীক যতন লৈ যে নুখুৱায় সেই কথা তেওঁ জানে। কণমানিয়ে ভাত খাই শেষ হোৱালৈ বাহিৰত গাড়ীৰ মাত শুনা গ'ল। আইতাকৰ কাণ থিয় হ'ল। ভাত কেইটা শেষ কৰি হাত খন ধুই কণমানিয়ে তাইৰ কাপোৰৰ টোপোলাটো হাতত ল'লে।

'আইতা, মাঁহত আহিলে। মই যাওঁ হা।

কণমানিয়ে কথাষাৰ কোৱা মানে জীয়েক-জোৱায়েক ভিতৰ পালেহি।

'মা একাপ ৰঙা চাহ দিয়া না।'

জীয়েকে গাটো চোফাখানতে এৰি দিলে। ভাগৰি আহিছে তাই। কণমানিয়ে দেউতাকৰ লগত ভিতৰত কথা পাতিছে। তাইক আজি আইতাকে নৈৰ পাৰলৈ ফুৰাবলৈ নিয়াৰ কথা কৈছে। ঘোঁৰা হোৱাৰ কথা বৰ্ণাইছে। পাকঘৰত বিমৰ্ষ আইতা। চাহকাপ জীয়েকলৈ আগবঢ়াই দি থোকা-থুকি মাতেৰে ক'লে "সেই কণমানি ছোৱালীৰ আগত ইমান গালি দিব লাগেনে তই মোক! তাই চব কৈছে নহয় .... যিমানখিনি পাৰোঁ কৰিছো আৰু দেহাই নাটানিলে কি কৰিম ক ?"।

জীয়েক আচৰিত হয়। মাকৰ কথা শুনি সুধি পেলায়- 'মই সঁচাকৈ বুজি পোৱা নাই মা। তুমি আচলতে কি কৈছা?"

মাকে জীয়েকক দিনৰ কথাখিনি কয়। কণমানিয়ে কোৱা কথাবোৰ কৈ যায়। শুনি মূৰে কপালে হাত দিয়ে জীয়েকে। হৰি! হৰি! এনেকুৱা খংটো তেওঁহে কালি ৰাতিৰ পৰা কঢ়িয়াই ফুৰিছিল। কালি কণমানয়ে ঘৰত আইতাকৰ কথা কৈছিল। ক'তো নুফুৰায়, কুকুৰ মেকুৰীৰ দৰে আইতাকে ভাবে।

সেয়ে তাইৰ খং উঠে আইতাকৰ ওপৰত। কণমানিৰ কথা শুনি মাকে তাইক বুজাইছিল, 'নাপায় কণমানি, আইতাৰ কথা তেনেকৈ ক'ব নাপায় নহয়। 'তুমি আইতাক মোতকৈও ভাল পোৱা'? কণমানিয়ে শুধিছিল।

'ও পাঁও। কাৰণ তেওঁ মোৰ মা। মোক জন্ম দিছে'। কথা সিমানেই। বাকী খিনি কণমানিৰ নিজা সৃষ্টি।

আইতাকে মূৰে কপালে হাত দিলে। এইকণ ছোৱালীৰ এইবোৰ লীলা। এই আঢ়ৈ বছৰীয়া ছোৱালীটিৰ।

'কণমানি! কণমানি! আইতাকে চিঞৰিলে।

কণমানি নাই। নীৰবতা। আকৌ চিঞৰে তেওঁ 'কণমানি, মোৰ সোণজনী ক'ত আছা তুমি'?

❑❑❑





গীতা দেৱী তাইৰ শিক্ষাগুৰু। গতিকে শিক্ষাগুৰুক যে শ্ৰদ্ধা ভক্তি কৰিব লাগে, তাই ভালদৰে জানে। গুৰু নিন্দা মহাপাপ। আচলতে বাইদেৱে ভালদৰে জানে মমতাই নকল কৰা নাই। কোনো দুষ্ট প্ৰকৃতিৰ ছোৱালীহে নকল কৰিছে। বাইদেৱে নিজক বচাবলৈ এক্সটাৰনেলৰ লগত তৰ্ক নকৰিলে। এটি ভুল সিদ্ধান্তৰ বলি হ'ল মমতা। অংকিতাই চটফটাবলৈ ধৰিলে। তাইৰ চিঞঁৰি চিঞঁৰি ক'বৰ মন গ'ল।

# সেন্দূৰীয়া যাত্ৰাপথত কালধুমুহা

হেমন্ত কুমাৰ ৰাভা
স্নাতক দ্বিতীয় বৰ্ষ



ৰাতিপুৱাৰ লগে লগে অংকিতা বিছনাৰ পৰা উঠিল। আউলী-বাউলী হৈ থকা চুলিখিনি মেৰ মাৰি বান্ধি ল'লে। পৰ্দাখন মেলি বাহিৰলৈ চাই পঠিওৱাৰ লগে লগে এছাটি ঠাণ্ডা বতাহে তাইৰ গাটো কঁপাই তুলিলে। দুৱাৰখন খুলি তাই বাহিৰলৈ ওলাই আহিল। বাহী চোতালখন ইমূৰৰ পৰা সিমূৰলৈ সাৰি তাই ফুলনিখনত বাহীপানী খিনি ছটিয়াই দিলে। সৰুৰে পৰাই তাই ফুলক বৰ মৰম কৰে।

ৰাতিপুৱা গা-পা ধুই ভগৱানক ভক্তি ভাৱে সেৱা জনাইহে তাই নিজৰ পাঠ পঢ়ে। এই অভ্যাস তাই মাকৰ পৰাই শিকিছে। মাকে কৈছে - চাফ চিকুণতাই ঈশ্বৰ পৰায়ণতা বুজায়। তাই অসমীয়া সাহিত্যৰ কিতাপখন লৈ 'ঘুনুচা' গল্পটো পঢ়িবলৈ ধৰিলে। সঁচাকৈ 'ঘুনুচা' গল্পটোত থকা কথাবোৰ একেবাৰে সঁচা। গল্পটোত আছে ৰথৰ চকৰিৰ নিচিনা মানুহৰ জীৱন। ৰথৰ চকা এবাৰ তললৈ, এবাৰ ওপৰলৈ যোৱাৰ দৰে সংসাৰত ধনীয়ো কেতিয়াবা দুখীয়া আৰু দুখীয়া মানুহো কেতিয়াবা ধনী হয়। কথাবোৰ ভাবি ভাবি তাই পঢ়াত অন্যমনস্ক হৈ পৰে। হঠাৎ তাইৰ বান্ধৱী মমতাৰ মাতত তাই থত্‌মত্ খাই উঠিল। তাই অংকিতাক খুব মৰম কৰে। অংকিতায়ো মমতাক খুব ভাল পায়। মমতা দুখীয়া ঘৰৰ ছোৱালী। মমতাৰ দেউতাক দিন মজুৰি কৰা লোক। সেয়ে দেউতাকে মমতাক পাঠ্যপুথি কিনি দিব নোৱাৰে। গতিকে মমতাই অংকিতাৰ পৰা কিতাপ নিবলৈ মাজে সময়ে সিহঁতৰ ঘৰলৈ আহে। আজিও মমতাই সেই উদ্দেশ্যেৰে অংকিতাৰ ঘৰলৈ ৰাতিপুৱাই আহিছে। অংকিতাই ভিতৰৰ টেবুলৰ পৰা মমতাৰ মাত শুনি উধাতু খাই দৌৰি অহাদি আহিল। 'আহ মমতা' ভিতৰলৈ আহ। একে উশাহে অংকিতাই ক'লে। কিন্তু

মমতাই অংকিতাহঁতৰ ভিতৰলৈ সোমাবলৈ সংকোচ কৰি ক'লে - 'হ'ব অংকিতা, মই বাহিৰতে বহিম। মমতাৰ কথাত অংকিতা হতভম্ব হ'ল। কাৰণ মমতাই আগতে পোনছাটেই অংকিতাৰ পঢ়া টেবুললৈ গৈছিল, কিন্তু আজি অনুৰোধ কৰা স্বত্বেও তাই ভিতৰলৈ নোযোৱাৰ কাৰণ তাই বিচাৰি নাপালে। মমতাই অসমীয়া কিতাপখন নিবলৈ আহিছিল। সেয়ে অংকিতাক তাই কিতাপখন নিব অহাৰ কথা জনোৱাত তাই কিতাপখন আনি দিয়াত মমতাই অংকিতাৰ পৰা বিদায় ল'লে। অংকিতাই মমতা যোৱাৰ ফালে একেথৰে চাই ৰ'ল। তাই ভাৱত তন্ময় হ'ল। কিহৰ কাৰণেনো মমতাই আজি বেয়া পালে, সেই ভাৱত তাই অস্থিৰ হ'ল।

অংকিতাই পুনৰ পঢ়া টেবুললৈ গৈ 'ঘুনুচা' গল্পটোৰ বাকী অংশ পঢ়ি তলমূৰ কৰি ভাবি আছিল। মাকে ৰাতিপুৱাৰ চাহ - পানী লৈ অংকিতাৰ ওচৰ পালে। ৰুটি- তৰকাৰী, কল , কেক, মাখনেৰে আবৃত পাউৰুটি আৰু এগিলাছ গাখীৰ অংকিতাৰ পঢ়া টেবুলৰ ওপৰত থলে। অংকিতাক আনদিনাৰ দৰে নেদেখি অন্য মনস্ক হৈ থকা দেখি মাক বিস্মিত হ'ল। 'অংকিতা বুলি মাত দিয়াৰ লগে লগে তাই থত্‌মত্ খালে। 'কি হ'ল অংকিতা ? কিয় মন মাৰি আছ? কোননো এই ৰাতিপুৱাই তোৰ ওচৰলৈ আহিছিল ?' তাইৰ মাকে অনা খাদ্যবোৰ দেখি মমতালৈ মনত পৰিল। মনতে গুণ-গুণাই কৈ উঠিল- মমতাৰ লগত ৰাতিপুৱাৰ চাহ পানী খিনি খাব পৰা হ'লে তাই বৰ সুখী হ'লহেঁতেন। কিন্তু মাকেতো মমতা অহাৰ কথা শুনি অন্যমনস্কহে হ'ল। তাই বুজি পালে যে মাকে মমতা তাইৰ ওচৰলৈ অহাটো ভাল নাপায়। কাৰণ মমতা দুখীয়া ঘৰৰ ছোৱালী। অংকিতাৰ মনটো মাকৰ প্ৰতি বিদ্ৰোহী হৈ উঠিল। কিন্তু হাজাৰ হ'লেও তাইৰ নিজৰ জন্মদাত্ৰী মাক। তাই একো ক'ব নোৱাৰে। মাকে অংকিতাক একো কথা নকৈ পোনছাটেই ৰান্ধনি ঘৰলৈ যোৱাত তাইৰ মনটো কেনেবা লাগিল। চাহ খাবলৈ তাইৰ ইচ্ছা নোহোৱা হ'ল। তাই ৰাতিপুৱাই মমতাক লক্ষ্য কৰিছিল। তাইৰ মুখখন শুকাই- ক্ষীণাই আহিছে। বোধহয়, তাই ৰাতি ভাত খোৱা নাই। ভাত খোৱামানে হয়তো দেউতাকে দিন হাজিৰা কৰি মজুৰি নাপালে। ৰুটি, মাখন, কিনিবলৈ জানো মমতাৰ দেউতাকৰ টকা আছে? তাইৰ কোমলমতীয়া মনে এইবোৰ ভাৱে, কিন্তু তাৰ একো উৱাদিহ নাপায়। কেৱল ভাৱে - মমতা যদি সিহঁতৰ ঘৰত জন্ম পালেহেঁতেন; তাইৰ কিমান যে ভাল লাগিলহেঁতেন !

দিন বাগৰি মেট্ৰিক পৰীক্ষা পালেহি। অংকিতাই পৰীক্ষাৰ দিনা ৰাতিপুৱাই উঠি গা-ধুই সৰস্বতী দেৱীৰ চৰণত সেৱা এটি জনাই পৰীক্ষা দিবলৈ গ'ল। তাইৰ মনত হাজাৰ প্ৰশ্ন ? চাৰিওফালৰ পৰা অহা হাজাৰ হাজাৰ পৰীক্ষাৰ্থীৰে পৰীক্ষা কেন্দ্ৰ উদুলি-মুদুলি হৈ পৰিছে। যেন এখন মেলাহে। অংকিতাৰ মনটো এক অজান ভাৱত দুৰু- দুৰুকৈ কঁপিছিল।

মমতা আৰু অংকিতাৰ এটা ৰুমতে চিট প্লেনৰ নম্বৰ মৰাত এখন বেঞ্চৰ ব্যৱধান এৰি দুয়োজনী বহিল। মমতাক পৰীক্ষা হলত পাই তাইৰ মনটো বৰ ভাল লাগিল। নিৰ্দিষ্ট সময়ত পৰীক্ষা আৰম্ভ হ'ল। স্কুলৰ গীতা দেৱী বাইদেৱে ইনভিজিলেটৰ হিচাপে ডিউতি দিয়াত সিহঁতৰ বৰ আনন্দ লাগিল। মনৰ ভয় কিছু আঁতৰিল। প্ৰশ্ন কাকত দি গ'ল। নীৰৱে মমতা আৰু অংকিতাই নিজৰ উত্তৰ কৰি গ'ল। কিন্তু কি আচৰিত ! প্ৰায় ভাগ ছাত্ৰীয়ে নকল কৰি থকা স্বত্বেও বাইদেৱে বাধা নিদিলে। হঠাৎ এক্সটাৰনেলে ৰুমত প্ৰৱেশ কৰিলে। বাইদেৱে ইংগিতেৰে সকলোকে সাৱধান কৰি দিয়াত সকলো সচেতন হ'ল। এজনী দুষ্ট প্ৰকৃতিৰ ছোৱালীয়ে নকল এখন মমতাৰ কাষত থৈ, অন্যমনস্ক হৈ তাই উত্তৰ লিখি আছিল। অন্যমনস্ক মানে তাই জানি শুনি নকল এখন ততাতৈয়াকৈ তাত থৈ নম্ৰ ভাৱে লিখিবলৈ ধৰিলে। বেচেৰী মমতাই এইবোৰ একো আও - ভাও নাজানিলে। এক্সটাৰনেলে সকলোবোৰকে নিৰীক্ষণ কৰি গৈ মমতাৰ ওচৰত নকলখন দেখি তাইক উগ্ৰস্বৰেৰে প্ৰশ্ন কৰিলে।

ঃ দিয়া, নকলখন দিয়া।

মমতা চক খাই উঠিল। সঁচাকৈয়ে নকলৰ টুকুৰা এটা দেখি তায়ো থতমত খালে। ভয়ে ভয়ে তাই কৈ উঠিল -

ঃ মই নকল কৰা নাই ছাৰ। তাই কান্দিবলৈ ধৰিলে।

ঃ তেনেহ'লে কোনে কৰিছে ?

ঃ নাজানো ছাৰ। তাই ভয়ে ভয়ে উত্তৰ দিলে।

ঃ নাজানা, এতিয়া নজনা হৈছা। এক্সটাৰনেলে গৰজি উঠিল।

এক্সটাৰনেলে গীতা দেৱীক মাতি ছোৱালীজনীক এক্সপেল কৰিবলৈ পৰামৰ্শ দিলে। সঁচাকৈয়ে মমতাক নকল কৰা অপৰাধত পৰীক্ষা হলৰ পৰা উলিয়াই দিলে। মমতাক অফিচ ৰুমলৈ নিয়া হ'ল। তাৰ পিছত স্কুলৰ পৰা গাড়ী এখনেৰে তাইক ঘৰত থৈ আহিল।

চকুৰ পচাৰতে এনে নিৰ্মম ঘটনা দেখি অংকিতা আচৰিত হ'ল। তাই প্ৰতিবাদ কৰিবলৈ ওলাইছিল। কিন্তু ৰুমটোৰ দায়িত্বত আছে গীতা দেৱী। গীতা দেৱী তাইৰ শিক্ষাগুৰু। গতিকে শিক্ষাগুৰুক যে শ্ৰদ্ধা ভক্তি কৰিব লাগে, তাই ভালদৰে জানে। গুৰু নিন্দা মহাপাপ। আচলতে বাইদেৱে ভালদৰে জানে মমতাই নকল কৰা নাই। কোনো দুষ্ট প্ৰকৃতিৰ ছোৱালীহে নকল কৰিছে। বাইদেৱে নিজক বচাবলৈ এক্সটাৰনেলৰ লগত তৰ্ক নকৰিলে। এটি ভুল সিদ্ধান্তৰ বলি হ'ল মমতা। অংকিতাই চটফটাবলৈ ধৰিলে। তাইৰ চিঞঁৰি চিঞঁৰি ক'বৰ মন গ'ল। গীতা দেৱীৰ ভুল সিদ্ধান্তৰ বলি হ'ল মমতা। এনে ধৰণৰ অনভিজ্ঞ নিৰীক্ষকক যাতে মেট্ৰিকৰ দৰে পৰীক্ষাত দায়িত্ব নিদিয়ে তাক ক'বৰ মন গ'ল তাইৰ। কিন্তু কোন সতেনো তাই এনে কথা কয় ! পৰীক্ষা শেষ হ'ল। কথাটো চৌদিশে বিয়পি গ'ল মমতা এক্সপেলড্। নানান





কথা বাটে-ঘাটে মানুহে মমতাক লৈ ক'বলৈ ধৰিলে। "ছোৱালীজনীৰ ইমান সাহস! বৰ দুষ্ট ছোৱালী। ভালে হৈছে এক্সপেল কৰাই।" কোনোবাই আকৌ কৈ উঠিল - মমতা নকল কৰা ছোৱালী নহয়। আমি বিশ্বাসেই নকৰো, তাইযে নকল কৰিব। আমি জনাত কোনোবাই নকল কৰি তাইৰ ওচৰত থোৱাতহে তাইৰ এনে দশা।

অংকিতাই মনত তীব্ৰ আঘাত পালে। শিক্ষয়িত্ৰী গৰাকীৰ কথাকে ভাবি ভাবি তাই ঘৰ পালে। মাকক কথাটো তাই বিৱৰি ক'লে। মাকে কিন্তু একো গুৰুত্ব নিদিলে। অংকিতাই ভালদৰে জানে যে মাকে দুখীয়া মানুহক সিমান গুৰুত্ব নিদিয়ে। কাৰণ মাক ধনী মানুহৰ জীয়াৰী। গতিকে দুখীয়াৰ দুখ বুজা তাই কাহানিও দেখা নাই। মাকৰ পৰা তাই জীৱনত এটা কথাই শিকিছে যে নিজৰ ভালটোহে সদায় চাব লাগে। কিন্তু কিতাপত তাইতো তেনে আদৰ্শ পোৱা নাই। তাই সাহিত্যত পাইছে -

পৰৰ অভাৱ      পৰৰ দুখত<br>
হিয়া যদি পমি যায়,<br>
পৰক আপোন      কৰিব পাৰিলে<br>
সংসাৰ সুখৰ ঠাই।

গতিকে বেচেৰী মমতাৰ বা কি অৱস্থা হৈছে? তাই হয়তো হিয়া ঢাকুৰি ঢাকুৰি কান্দিছে। তাই মনতে ভাবিলে যে, পৰহি যিহেতু দেওবাৰ তাই মমতাৰ খবৰ ল'বলৈ যাব। মাক দেউতাকক ভালদৰে বুজাই ক'ব - আচলতে মমতা ভাল ছোৱালী। খুউব ভাল। তাই নকল কৰা নাই। মিছাকৈ তাই নকলৰ বলি হ'ল। তাইৰ মনত পৰিল 'ঘুনুচা' গল্পটিলৈ। ক্লাছ টেনৰ অসমীয়াৰ এই গল্পটোৰ কথাবোৰ ঠিকেই, দুখীয়াৰ দুখ কোনো দিনেই নুগুচে। ভগবানে দুখীয়া মানুহক দুখৰ উপৰি দুখ দিয়ে। যাৰ থাকিবলৈ ঘৰ নাই, শুবলৈ এখন বিছনা নাই, এসাজ খাই এসাজ চিন্তা, পিন্ধিবলৈ ব্লাউজৰ অভাৱ, মূৰত তেল ঘহিবলৈ এটি তেলৰ বটল যোগাৰ কৰিব নোৱাৰে, তেনে এখন ঘৰৰ ছোৱালী 'মমতা'। এই মমতাৰ খবৰ ল'বই বা কোনে ? চকুৰে তাইৰ দুধাৰি লোতক বৈ আহিল।

পৰীক্ষাত নকল কৰা বাবে মমতাক দেউতাকে উপৰ্যুপৰি গালি পাৰিবলৈ ধৰিলে - 'তই আমাৰ বংশৰ কলংক। তই আমাৰ নাম ডুবালি। তোক সৰুতে মাৰি পেলোৱা হ'লে, আজি মই এনে আশান্তি পাব নালাগিলহেঁতেন। তই ঘৰলৈ যে আহিছ, মৰিবলৈ ঠাই বিচাৰি নাপালি ?'

মমতাই চকুৰে ধোঁৱা - কোৱা দেখিলে। পৰীক্ষা হলৰ পৰা অন্যায়ভাৱে তাই বহিস্কাৰ হ'ল। অথচ মৰমৰ দেউতাকে তাইক যে এনে নিৰ্মমভাৱে গালি পাৰিব তাই সপোনতো ভবা নাছিল। গতিকে তাই জীয়াই থাকি লাভ কি ? তাতকৈ মৃত্যুয়ে শ্ৰেয়। তাই এজনী বেয়া ছোৱালী ! সকলোৰে মনত বেয়া, তাই সকলোৰে ঘৃণাৰ পাত্ৰ। সঁচাকৈয়ে তাই বংশৰ কলংক। এই কলংকিতা মমতাৰ এদিন বিয়া ...... ! হয়তো সিদিনাও মানুহে তাইক ঘিনাব। বিয়া কৰাবলৈ হয়তো কোনো আগবাঢ়ি নাহিব। গতিকে তাই জীয়াই থাকি কি লাভ ? দেউতাকে মনত তেতিয়া যথেষ্ট শোক পাব। সেয়ে তাই নিশা টোপনিৰ পৰা উঠি ইফালে - সিফালে ঘড়ীটোলৈ চালে। নিশা বাৰ বাজি গৈছে। তাই দৰ্জাখন খুলি দেউতাকে গান্ধীপোক মাৰিবলৈ অনা ৰগৰৰ বটলতো লৈ আহিল। চলচলীয়া চকু যুৰিৰে মাক-দেউতাকলৈ শেষ বাৰৰ বাবে চাই তাই দৰৱৰ বটলটোৰ পৰা ঔষধ খালে। লগে লগে তাই নিঠৰ হৈ পৰিল। কিছুসময় চট্‌ফটাই তাই মৃত্যুক সাৱটি ল'লে। পৃথিৱীৰ কোনেও নাজানিলে, নেদেখিলে তাইৰ মৃত্যুৰ সেই কৰুণ দৃশ্য।

ৰাতিপুৱা মাকে মমতাক অচেতন হৈ পৰি থকা দেখি আৰ্তনাদ কৰি উঠিল। মাকৰ তীব্ৰ চিৎকাৰত দেউতাকে উধাতু খাই লৰি আহি দেখে 'মমতা' আৰু এই জগতত নাই। মাকে কান্দি কান্দি বলিয়াৰ দৰে হ'ল। গাঁৱৰ মানুহখিনিয়ে ৰাতিপুৱাই, এই নিৰ্মম ঘটনাটো শুনি চকুলো টুকিলে। অংকিতাই কথাটো শুনাৰ লগে লগে উধাতু খাই দৌৰ দিলে। ইতিমধ্যে মমতাৰ মৃতদেহ ৰাইজে চিতাত তুলিছিল। অংকিতাই মালা এধাৰি চটিয়াই দি হিয়া ঢাকুৰি ঢাকুৰি কান্দিবলৈ ধৰিলে। অংকিতাৰ কান্দোনে ঠাই টুকুৰাত শোকৰ পৰিৱেশ দুগুণে বঢ়াই তুলিলে। বান্ধৱীৰ প্ৰতি থকা মৰমৰ এই হৃদয় বিদাৰক দৃশ্যই সকলোৰে চকু চলচলীয়া কৰিলে। অংকিতাই উচুপি উচুপি কান্দি উঠিল। সঁচাকৈয়ে 'মমতা' খুব ভাল ছোৱালী। গীতা দেৱীৰ অন্যায়ৰ বলি হৈ, নিষ্ঠুৰ শিক্ষিত সমাজৰ পৰা তাই আঁতৰি গ'ল। অংকিতাৰ এনে শিক্ষিত সমাজৰ প্ৰতি ঘৃণাহে উপজিল। তাই ভাবিলে - এনে শিক্ষিত সমাজ নোহোৱাই ভাল, কিয়নো শিক্ষিত সমাজৰ এনে ব্যৱহাৰৰ বাবে মোৰ পৰা আতৰি গ'ল 'মমতা'। ইতিমধ্যে চিতাৰ জুইৰ লেলিহান শিখাই মমতাক আঁকোৱালি ল'লে।

'ইয়াৰ বাবে দায়ী কোন.... ?' অংকিতাই ভাৱে ।

❑❑❑

# गिबि आरो जोबथा प्रेजेन्ट

बिसोम्बी सर्गीयारी
बि.कम. नैथि बोसोर



आखार दाननि नैथि समबार। आङो जोंदावानि लांगोना मोखाङाव गसंना दंबाय थायोमोन अब्लाबो बिबुंसारा फैना आंखौ तामुलपुराव थांनो लोगो लाफैयो। आंबो लोगोनि लिंनायखौ नागारनो हायैनि सोंनायसै-

—"मानो" अब्लाना बिबुंसारा फोरमायनायसै-

"एस.एस.सि.नि आनजादनि थाखाय आरजलाइ खालामनायाव ट्राइबेलनि फोरमान बिलाइ नांगौनो बेखौनो लायनो थांनि।" जों सानैजों गंसेयै साइकेल लाना तामुलपुर होनना थांनायसै।

जोंनि गामि मोननै बारनाय उनाव पुथिमारि दैमाखौ मोनो आरो बेखौ बारना थांनानै तामुलपुर मोनो। जों जेब्ला पुथिमारि दैमाखौ मोनो अब्लाना दैसानि दालां गैयामोन। बेयाहाय गंसे दिङा सालायदोंमोन। बेजोंनो मानसिफ्रा बेजोंनिफ्राय हजों आरो हजोंनिफ्राय बेजों थांलाय-फैलाय खालामो। गुबुन फारसे अखा हाबाय थानायजों दैसानि दैया फारजों-फार जादों। जोंबो दिङायाव गाखोनानै दैमाखौ बारलांनायसै। जों जेब्ला फिन बेलारोम समाव दैमा सेराव मोनफैयो अब्ला आरोबाव दैमानि दैया बांनायजों लोगोसे दाहाराबो बांबावना दंमोन। जायखौ नुना जों सानैजों राइज्लायदोंमोन-

—"जोंलाय बारनो हागोन ना हाया?" जोंनि राइज्लायनायखौ दिङा जावारिया खोनादोंमोन जानांगौ। जायनि थाखाय बियो राव हरदोंमोन-

—"फंबायमोन दैमानि दैखौ नुनानै बारनो गिबाय नामालै?, गोख्रै फैद' बेलाया थांनोसै।" जोंबो जयै फिन हरनायसै-

—"गियाखैलै आदा; थांदो।"

बिदि होननानै दिङायाव जों गाखोनायसै। जोंनि सिगांनो साथाम सुबुं गाखोग्रोना दंमोन। दिङा जावारिया दिङाखौ लासै लासै जावनो लानायसै। दिङाया जेब्ला दैसानि गेजेर बारहां जायो अब्ला दिङाया दैनि गुथालाव नांना खायलें जायो जाउनाव दिङायाव गाखोनाय मानसिफ्राबो खायलें जानायथिं गंस्रि जोबो। बिदि गंस्रि नायावनो बिबुंसारनि सिफिनिफ्राय रेबगना दैमायाव गोग्लैहैयो। अब्लानो बिबुंसारा गाबखावनाय रावजों बुङो-

—"बिसम्बि....! बिसम्बि....! आंनि रेबगना गोग्लैबाय लै गोग्लैबाय। आदा....! आदा....!! दिङाखौ दसे लाखिनायसाय।" दिङा जावारिया गुरै रावै बुंदोंमोन-

—"बे दैयावलाय दिङाखौ माबादि लाखि नांगौब्रा फाग्लानो।"

"मा गोग्लैदों? रेबगन! जेबो जायादे बायब्लानो जाबायना।" आं बिबुंसारनिथिं नायना बुंदोंमोन।

—"रेबगनसो गोग्लैदों! नोंसोर मा मोनथिनो बे रेबगननि बेसेनखौ।" बिदि बुंनानै बिबुंसारा दिङानिफ्राय दैमायाव बाज्रुमनायसै।

बिनि बाज्रुमनायखौ नुना दिङायाव थानाय मानसिफ्रा गोबां हेथा होदोंमोन- आरो लिंहर फिनदोंमोन-





—"फै दिङायाव गाखो फैफिन रेबगनखौ बायफिनना लानो हागोन।" नाथाय बियो रेबगन बोहै लांनाय उन उन सानस्रि लांबाय थानायसै। रेबगना दैयाव थब्ल'लाय ओंखारलाय जानानै गोजाव लांबाय थादों। बिबो उन उन सानस्रि लांबाय थादोंसो थादों। दसे सानस्रिना उनाव बियो मेंनायजों दै मोनलोंनो हमनायसै। होम्लाबो रेबगखौ हमनो थाखाय सानस्रिनायखौ नागाराखै। उनावहाय रेबगना दैजों बुखारजाना बारांगा हाग्रायाव नांथाबना थाहैनायसै। बिबुंसाराबो बेनि उन उन थांना बारांगा हाग्रायाव रेबगनखौ मोननो हानायसै। रेबगनखौ मोननानै बियो लासै लासै मेंनायजों निगै-जिगै रुगुङाव सिखार हैनायसै आरो रेबगनखौ खुदुमनानै बुंनो लानायसै-

—"नों आंखौ गारनानै मानो खारनो नागिरदों मानो? बिबो आंखौ नागारनानै थांबाय आरो नोंबो आंखौ नागारना...! नोंनो मोनसेल' सिनायथि जाना दं जायनि थाखाय आं थांना दं आरो नों।" उनाव बियो रुगुङाव उन्दुना थायो। जों दिङानिफ्राय ओंखारना बिनि साखाथियाव खारलाङो। बिबुंसारा हां गोलाव लाना रुगुङाव उन्दुना दंमोन मेगन मिसिबना। आं दुखुनि गारां बोना बुंदोंमोन-

—"बिबुंसार नों बे रेबगन गंसेनि थाखायनो बिदि खालाम नांगौना? नोंनो बिदि रेबगन बेसेबां नांगौ बुंलै दानो लाबोना होफैगोन?" बिबुंसारा मिगै-जिगै गारांजों फिनो-

—"नोंसोर मा मोनथिनो बे रेबगननि बेसेनखौ। गोबां रेबगन दं बेबादि बायना मोनगोन होमब्लाबो बे आंनि रेबगननि बेसेनजों रुजु जाया।"

बिबुंसार आरो आं सानैजों दैमानि रुगुङाव जनानै थानायसै आरो गुबुनफोरा गावबा-गावनि लामाजों जानगार लांनायसै। खुगायाव ओंखार लांबाय राव-

—"मा फाग्लालै बिदि दैयावलाय? ना बिराफोरासो साबबाय बायदों खोमा?" आं लासैनो बिबुंसारखौ सोङो-

—"जाथाया मा?

नाथाय बियो जेबो फिननाय होआखैमोन उनाव सोंबाव नायाव लासैयै फोरमायनो लानायसै-

—"खोनासंनो होमब्लालाय! खोनासं बुंनि....।"

मेट्रिक आनजादनि रिजाल्टनि ओंखारनाय उनाव फरायसालिमायाव गिबि सान। बै सानाव हारसिंयै फरायसालिमानि बारान्दायाव गसंना दंबाय थायोमोन। अब्लानो उनथिंजाय आंनि फाग्लियाव सोरबा बुज्राब फैनायबादि मोन्दोंमोन। आं उनफिनना नायोब्ला नुयो सासे जारौ-रौ लाइमोन सिख्ला नायनो समायना खावलायाव थै जागा-जागा जालायनाय आखायाव बारसे गोजा गलाब बिबार लाना लाजि गुसुयै आंनिथिं नायबाय थादों। आं सिख्लाखौ सिनायनो हायैनि सानबोलावरियाव गोजाव लांदोंमोन। बिदियावनो सिख्लाया गोजा गलाब बिबारखौ आंनो जासिनानै गेस्रेम रावजों बुङो-

—"आइ लाभ इउ!, आं नोंखौ मोजां मोनो।"

रावखौ खोनानानै आंनि गोसोआ बाग्दाव खांदोंमोन। बाग्दावा बालानो थागोनबो माबादि सिख्लाफोर जोंनो राइज्लायथारा आरो सिख्ला लोगोबो गैया। बिदियाव सानफेरै जाथाय जाफ्लां बायब्लालाय। जायनि थाखाय आं राव गैयै बबा बादि सिख्लानि मोखाङाव गल' नायबाय थाफ्लांदोंमोन। बिदियावनो आरो सिख्लाया आरोबाव गलाब बिबारखौ आंनिथिं जासि हरबावदोंमोन लाजि गुसुयै। खावलाय फारनैया आरोबाव गोजा जाहाब बावदोंमोन। आंनि गोसोआबो हमस्लाब हायालासै आंनि आखायाबो गलाब बिबारनिथिं थांदोंमोन। अब्लानो हानजासे सुबुंनि आखाय खबनायनि सोदोब खोनादोंमोन। आं आखाय खबनायनि सोदोब खोनानाय फारसे नायदोंमोन। नंगौ सानैसो फरायसाफोरा आखाइ खबना मिनिग्लाबबाय दंमोन आरो सिख्लासायाबो गाबहां मोखां आंनि साखाथिनिफ्राय आनज्राय लांदोंमोन। बिदि नुथायखौ नुनानै आं मिथिनो आद्रा थायाखैमोन। जानांगौ बै फरायसाफोरनि रेगिं खालामनायनि जाथाय। जायनि थाखाय आं फरायसालिमा निफ्राय न'वाव फैब्लाबो बै जाथाया आंनि साननायनिफ्राय आनज्राय लाङाखैमोन। जायनि थाखाय आंखौ थारला हरसे उन्दुलांनो होआखैमोन। गोसोआव जाखां फैबायल' थादोंमोन सोंलुनि उनाव सोंलु- बै सिख्लाखौ बिदि रेगिं खालामनो मोनोना, बेबो आंजों! ना गोदान फरायसाखौ बरायनायनि थाखाय गोदान आदब दिहुन्दों! बिदिब्लाथ' आंखौ आइ लाभ इउ! होननाय नङामोन! दा बियोबा मा सानखो! सानबोलावरिजोंनो सोरां लायो। साननैसो उनाव मिथिनो मोनबायदि बिबो आंजों समान एडछ. एस. सेथि बोसोरनि गोदानै मुं लाफैदों। फरायसालिमानि साखाथिनि गामियाव लजिं लाना थाफैदों। मुङा रसनि बसुमतारी। जेरै सिनाय लायबाय आरो लोगो मोनज्लायनायनि सिमा गैला। गिबि गिबियाव लाजिनाय बादि गंस्रिना थायोमोन। जानांगौ नुज्लायब्लानो बै गिबि साननि

जाथाया गोसोआव फैयो। नङाब्लालाय मानोथो गंस्रिनो। आंहाबो बिखौ नुयोब्लानो मेगन सिगाङाव बै जाथायनि थै जागा-जागा जारौजारौ जानाय खावलाय फारनैया जाखांफैयो।

समा थांबाय थादों, साननिफ्राय हर, हरनिफ्राय सान जादों बोथोराबो हालो -दैलो बाबेन लांदों। जों सानैनि लोगोआबो गोरानिफ्राय गोरासो जानो लादों। सानैजों जयै क्लास खालामनाय बेरायनाय, फुजा थियेटार सिनेमा नायनाय बिदिनो सेथि बोसोरनि आनजादाबो जानानै थाङो। मांखोथामसोनि उनाव आनजादनि फिथायाबो ओंखारदों आरो सानैनिबो आनजादनि फिथायाबो मोजां जादों। फिन सानैजों लोगो मोनज्लाय फिन्दों। थाखोआव जयै क्लास खालामफिन्दों, बेरायदों, फुजा,थियेटार सिनेमा नायदों। बिदिनो सानसे सानैजों क्लास गैयै समाव दंफांनि साइख्लुमाव जिरायदोंमोन। आं रसनिखौ जंखायनाय रावजों बुंदोंमोन–

–"रसनि नोंहा गोसोआव दंना बै गिबि गिबियाव जानाय जाथायखौ।"

– "मा जाथाय?" रसनिया जेबो गोसोआव गैयैबादि जाना थानानै बुङो।

– "नोंङो बावमारबाय रसनि? आंहा दाबो बेखौ मोजाङै गोसोआव लाखिदों।"

– "औ... बेफोर बाथ्राखौनो गोसोआव लायो। आं बे गलाब बिबारखौ मोननायब्ला सावनासो गारगौमोन। दा बादियाव जानांगौमोन बै सेंग्राफोरखौ गोथां-गोथां अरना जागौमोन।" रसनिया जनायनिफ्राय गुबनथिंजाय मोखां जानानै बुंदोंमोन-

– "नों बै सेंग्राफोरखौसो रागा जादों।जानांगौ बिसोर नङाब्ला जों लोगोआनो जानाय नङामोन। रसनि थारै आं नोंखौ मोजां मोनबाय जानांगौ। जायनि थाखाय आंनि गोसोआ नोंखौ नुवाब्ला एसेबो थानो सुखुवा । जाउनाव नोंखौ नायनो थाखायनो फरायसालिमायाव फैया सानब्लाबो फैनो गोनां जायो। नोंनि महरखौ इसेब्लाबो नुगोन सानना, राव खोनागोन सानना। जानांगौ बेनो थार मोजां मोननाय।

– "मानसिनि गोसोआव मोजां मोननाय थाखा नांगौ। बे मोजां मोननाया मा मानसि, जिब-जुनाद दावमा-दावसा एमफौ-एनला गासैनियावबो थायो।

– "बिदि नङा रसनि। आं बे मोजां मोननायखौ बुङाखै। आं बुंनो सान्दों बै मोजांमोननायखौ जाय मोजां मोननाया सानै सुबुंखौ थैस'-थांस'नि थाखाय मोनसे साया-साइख्लुमाव लाखियो।

– "आं बेनि सोमोन्दै जेबो मोनथिया।"

– "नों मा सानो? ना फोरमायनो गोसो गैया?"

– "आं मोनथिया।

– "होमब्ला नों मा मोनथियो?"

– "आं मोनथिया दायो....! आं जादों दासान्दि एडस.एस जोबथा बोसोरनि फरायसा। आं जोंहानि नखरनि देरसिन। आंहा सानै बिनानाव आरो सासे फंबाय दं आरो आइ-आफा। नोंसोरना जादों नोंनो नखरनि उन्दैथार। आंनियाव दं दायो बिबान, लामा दिन्थिनायनि आरो नोंनिया जादों.... आं मोनथिला।"

आंनि गोसोजों जों सानैनि लोगोखौ गलाब बिबारनि गाबजों रुजुयोब्ला जागोन जारांगाब, मला गाब, गोमो गाब, गुफुर गाब आरो..... मोनथिसला आं।

– "नों मा बुंनो नागिरदों?"

– "नों जा खोनाबोबाय थादों आरो मा बुंबाव नांगौ दंबावो!"

आं बिनि फिननायाव जेबो बुंनो हायाबादि जानानै थादोंमोन। उनाव मोनथिनानै मोनबायदि रसनियाबो थारैआंखौ मोजां मोनो। नाथाय नखरनि खर' गिदिर जानायनि बिबानखौ मावनांगौ जादों। फारसे आंखौ सानहरो, आं जादों नखरनि उन्दैथार। बेबादियाव गोरोबनाया बबाव फैगोन। बिदिनो एडस.एस जोबथा बोसोरनि आनजादाबो जोबनानै थाङो। आनजाद जोबनायनि साननैसो उनाव रसनिया आंनो जानबुङाव फोरमाय हरो–

– "बिबुंसार, आंखौ फौजि मावनाय सासे सेंग्राया नायनो फैदों। आं दानो जुलि जाया होनब्लाबो आइ-आफामोना नागाराखै फौजि मावनाय सेंग्रा होननानै। आं गाबै गाबै आइनो फोरमायदों, आरोबाव फरायबावनो लुबैबावदों होननानै। होमब्ला आइआ आंखौ दानो जुदि जाया अब्लालाय माब्लाथो जानो आरो उन्दै सानैयालाय होननानै बुङो।"

जानांगौ जों बादि हिनजावनि फिसाखौ नखरनिफ्राय बिलायना हरब्लानो गोजोननाय मोनोखोमा नखरा। जों बादिया गाव गोसो बादि थांखि लानो हानाय गोहोआनो गैयाखोमा! बिदि बुंना रसनिया गाबनायजों हांमा सुरस्राना सिरि थायो।

– "दा नों मा खालामनो सान्दों रसनि? जुलि जानोसै नामा? ना आंनियाव खारसन फैनो?

– "आं जेबो मोनथिया। नों नाथाय, रेबगन दैनायखौ दानागार। आंनि जिवा दा...! दिनैबा मा! गाबोनबा मा...!!!

बिदि बुंनानै रसनिया जानबुङाव राइज्लायनायखौ दोनथ'यो।

आं राइज्लाय खांनानै एम सायाव गोलांना बिनि सोमोन्दै सानबाय थादोंमोन। बिदिनो समा मा समाव थांखो हमनोनो हास्लाबाखिसै आरो आंबो गोदो गोदो उन्दुलांनो हमदोंमोन। अब्लानो रसनिया गुफुर दखना-थावसि गानना आखाइ फोलावना आंखौ बुंदोंमोन-- बिबुंसार थांनाय सिगां सिगां आं नोंजों खेबसे गोबाज्लायनो लुबैदोंमोन। नोंनि फंसेराव खोनासंनो लुबैदोंमोन। नोंलाय माथो दायो गोदो गोदो उन्दु लांबायसो। दे बिदिब्ला थादो नों बिबुंसार,बे बुहुमाव सुखु गोजोनै। आं थांनोसै गुबुन राइजोआव। आंखौ निमाहा होदो बिबुंसार, निमाहा होदो। बिदि बुंनानै रसनिया अखां साजों बिरलांनो हमदों। आं दुफुं सिखारना रसनिखौ राव हरदों–

–"दा थां नों आंखौ नागारनानै दा थां।"

आं बाज्ल' हरदों हमथानो हागोन सानना रसनिखौ। नाथाय बियो अखां सायाव लासै गोमा लांबाय। आं गोबारै गाबख्रावदों–

–"रसनि"...!

आंनि मेगना गावनो गेवलांदों आरो एम सायाव आंगो-सांगो जखांदों। मा सिमां जाखो बेलाय हमनो हायै! सिमांनि बाथ्राखौ साननानै फिन आरो उन्दु लांनो हाफिनाखिसै। फुङाव सानै-सानैनो लामायाव थांबाय थादोंमोन। अब्लानो रसनिनि सासे लोगोआ फैनानै राव होफैयो–

– "बिबुंसार! बिबुंसार!! रसनिया आरो गैलिया।"

– "मा रसनिया गैलिया! मैया माथो आंजों जानबुङाव राइज्लायदोंमोन !"

– "नङा! बियो थांनाय हराव सोरगो राइजोआव थांबाय। नों थांनाय सिगां नैबे लाइजामखौ नोंनो होनो थोनलांदों। नों लादो।"

गाबरु मोखां आरो थेरनाय गारांजों बुंना लाइजामखौ आंनो होनानै बियो साइखेल दाब्राय लांफिननायसै। आं बबा बादि जानानै लाइजामखौ आजावना लादोंमोन। लाइजामजों लोगोसे गेंसे रेबगनबो हरफादों। आं लाइजामखौ बेखेवना नायो-सिम,

आंनि आंगो बिबुंसार,

बिबुंसार नों आंनाव गोबां बाथ्रा सोंदोंमोन। आंबो गोबां बाथ्रा फोरमायनो गोनां दंमोन नोंनो, नाथाय मिथिया होननायनि अनगा जेबो बुंनो हायाखैमोन। नंगौ आं नखरनि देरसिन फिसा हिनजाव जानानै नखरनि बाथ्रा साननायाव गोसोनि बाथ्रा नोंनो फोरमायनो सानब्लाबो हायाखैमोन। दाहाय थांनायनि सिगां सिगां नोंनो बे जिख्लाबसे लाइजामनि जोहै फोरमायनो सान्दों।

आंबो थारैनो नोंखौ मोजां मोननो नाजादोंमोन। नोजोंनो थैस'-थांस'नि थाखाय जुलि जानो सान्दोंमोन। गुबुन फारसे लुबैदोंमोन आरोबाव फरायबावनो, लुबै बावदोंमोन बिखा फोरदानना फोरमायनो हानाय बादि बुहुमाव आंबो बर'नि फिसा होनना। नाथाय नाथाय थुगिबाय...। बेफोर साननायखौ गोसोआव लाना आं थांनो सानबाय गासैनिफ्राय गोजानाव। नाथाय नों आंनि बे साननायखौ जाफुं होनांगोन। आं नोंजों थानों मोनाब्लाबो आं नोंनो गंसे रेबगन होलांदों आरो बे रेबगनखौनो आंखौ होननानै सानना ला। बे रेबगनजों लिरनाय गासै रावा नों आरो आंनि गोरबोनि राव सानजागोन।

एसेनोसै

नोंखौ हास्थायग्रा

"रसनि"

लाइजामखौ फरायखांना आं गोसोखौ हमनो हायैनि साइकेल दाब्रायना रसनि मोननि न' होननानै रावना जायो। जेब्ला बिसोरनि गामि मोनहां जायो अब्लाना गामिनि गोथै सालियाव रोगो-रोगो अर जोबाय थादोंमोन। आंनि मेगनाव मोदैनि अनगा जेबो गैयामोन। आंबो सान्दोंमोन रसनिजों थांफानो अब्लानो रेबगना आंनि गोसोखौ हमथादोंमोन। रसनिनि साननायखौ आबुं खालामनांगोन।

बिदि बुंनानै बिबुंसारा सिरि थायो।खावलायाव मेगन मोदैया सिग्लाब जोबबायमोन। रेबगनखौ नायनानै सब खुदुमो आरो सिफियाव सोना लायो। अब्ला खोमसिया आइ बैसोमुथिखौ साग्लोबना लाबायमोन।

❑❑❑

# थाखोमानाय खोमसिनिफ्राय सोरांनि लामाजों

❑ कुनजु रानि बर'
आरिमु जालिया थामथि बोसोर

दैथुना कलेजनिफ्राय फैनानै मानोबा सिरि सिरि उन्दुनानै थाफैदों। गामाखालिनि बायदि नआव फैग्रोमोना बिमाखौ राव होनानै ओंखाम खुरनो होनानै जाफैयाखै। बिमा बरनालिया दैथुनखौ नुदोंब्लाबो जेबो होनाखैमोन मानोना दिनै बिसोरनि कलेजाव बर' फरायसाफोरा गोदान फरायसाफोरखौ बरायनाय थामहिनबा सिनायथि लानाय मिथिं खुंदोंमोन। बेयाव दैथुना मोसागोन होननानै बिमाया सप्तासे आगोलावनो मिथि खादोंमोन। बेनिनो मेंना फैदों जानांगौ होननानै बरनालिया जेबो होनाखैमोन एसे जिरायथों साननानै। ओजोंहाय दैथुना एमाव उन्दुनानै बायदिसिना खोथा साननो हमदोंमोन- दिनैनि बायदि बियो रावजोंबो बर' राव रायज्लायनो रोडैनि जेबो बुंजा फेराखैमोन। बर' राव रायनो रोंनांगौ होननानै माब्लाबाबो रावजोंबो अजद दैखांजाफेराखैमोन। दिनै सिनियर फरायसाफोरजों सिनायथि लानाय समाव बर' राव बुंनो रोडैनि दैथुना गोबां लाजिफोनां जादों आरो बुंजाबावदोंमोन बर' राव सोलोंनो गोसो गैयाब्ला एबा रायज्लायनो गोसो गैयाब्ला बर' टाइटेलखौबो दाननानै गुबुन हारिनि खोलामना लादो। दैथुना बेफोर बायदि बुंजानानै गंग्लायना थानायनि अनगायै जेबो बुंनो साहस मोनाखैमोन। सिबाय बिखौ हन्थासे गोरबोनि दुंब्रुद मोदैया मेगनखौ सिग्लाबहोदोंमोन। दैथुना गाव बर' रोडैनि दायखौ बिफाखौनो होदोंमोन मानोना बिफायासो बर' बिमायाथ' असमियाखा बिमानि जेबो दाय गैया। थानाय नङामोन। जानो हागौ दैथुना दिनैनि बायदि लाजिफोनां जानायबो नङामोन।

मोनानि स्नि बाजिलायलांबाय सिखारदो बाबा। बिमानि बुंफैनायाव दैथुना बाग्दावखांदोंमोन। सानै सानैनो गाव बहा दं थद मोनलाय लाङाखैमोन बियो। हाखु-दाखु सिखारनायसै दैथुना। बरनालिया दैथुननि मेगननि मोदैखौ नुनानै सोंदोंमोन- मा जादों बाबा लोमजादों नामा? मानो गाबबाय थाखोमादों नोंलाय? दैथुना बिमानि सोंनायाव लोमजायाखैथ' होननानै सिरि थादोंमोन। नाथाय बिमानि ब्रा ब्रा सोंबाय थानायाव दैथुना दिनै कलेजाव सिनियर फरायसाफोरजों बर' राव रायज्लायनो रोडैनि लाजिफोनां जानायखौ खोनथाना लायो आरो बेफोरनि दाया आफायानो होननानै बुंदोंमोन। उननि बे फंसे खोथाखौ बिफा जनिला खोना फैदोंमोन। बरनालिया दाउ बिमाबादि जाखांदोंमोन आरो बुंदोंमोन- जात गैयै बर'फोर जेरावबो बाहायजायै रावखौ लानानैनो इसेबां दुगा सालाफोरा। जनिला जेबो बुङा लासिनो बायजो फारसे सिरियै ओंखारबोफिनदोंमोन।

बरनालिया बर' हौवाजों हाबा जादोंब्लाबो बर'नि हारिमुखौ बोजबना लायाखै। बर'नि मोनसेबो नेम-खान्थि मानिबोआखै। फिसायनि बर' मिडियामनि मास्टारनि बेथनजों टाउनाव थानानै रुजु-रुमु रायजो जादों। फिसाज्ला दैथुनखौ असमीया मिडियामनि प्राइभेत स्कुलाव फराय होदों। फारसेथिं जनिला बरनालिनि हायना सारफावनायाव जानांदों बोरमा। बर' बिमानि गोरबोआव जोनोम जानानै आहारनि बेसेनखौ बावगार लांदों जनिला असमीया सिख्ला हाबा खालामनानै।

जनिला फिसाज्लानि खोथाखौ खोनानानै जोबोर दुखु मोनदोंमोन। थारैनो बिसोरखौ बर' फोरोडैया गावनिनो गोरोन्थि होननानै सिमान जादों। उन्दुस्रिनानै थानाय खर'नि मेलेमा जानो हागौ जनिलखौ दिनैसो फिसाज्लानि बे फंसे रावा सान्नो थुलुंगा होदों। गोदोनि खोथाफोरा जानिलनि गोसोआव फारि फारियै जाखांफैदों-

जनिला एम.इ. स्कुलाव फरायनाय समनिफ्रायनो बर'नि बायदिसिना मेल मिथिंआव थांनायमोन। हाइस्कुल, कलेज बायदिसिना फरायफुनाय समनिफ्रायनो बियो बायदिसिना बिथिंनि मेम्बार, नेहाथारि, आफादगिरि बायदि बिबानाव थानानै बर' हारिनि थाखै खामानि मावदोंमोन। बड'फा उपेन्द्र नाथ ब्रह्मनि बर' हारिखौ मास्टार रेस दानायनि सिमांखौ जनिलाबो नुदोंमोन। बरफोरा खौसे जानांगौ, बयबो हारिनि खामानि मावनो ओंखारनांगौ आरो बर' बिमा बिफाफोरा गावसोरनि गथफोरखौ बर' मिडियामाव फरायनांगौ बायदि बायदि होननानै होख्राव बोदोंमोन। बेबादि होख्रावग्रायानो दिनै सोरबा बिगोमानि फिदिंजाग्रा थावख्रि जानांबाय। जेब्ला जनिला B.A. खौ पास खोलामनानै गोजौ फरायसालिनि फोरोंगिरि जायो अब्लाबो बियो गावनि फरायसालि खाथिनि सासे असमीया सिख्लाखौ मोजां मोननानै बिमा बिफानि बादा होसेआवाबो जुलि खोलामनाय उननिफ्रायनो जनिला मेल मिथिंआव थांनायखौ नागारदों। लोगोफोरा लेंनो फैयोब्ला बरनालिया लोगोफोरखौ रायनानै हरोमोन। जनिला लुवारनि खुगायाव संख्रि होयोब्ला जाबादि थनथ्रयो बेबादि थनथ्रना थानांगौ जायोमोन। बिसिनि थाखैनो मेल मिथिंआव थांनायखौ नागारदों। बिसिनि खेस खेस बुंबाय थानायाव फिसाज्ला दैथुना जोनोम जानायनि थाम बोसोर उनावनो गावनि बिमा बिफा, बिनानाव फंबायमोनखौ नागारना टाउनाव थाफैदों। बै फैनाय समनिफ्रायनो गामि होननानै रावना होआखै जनिला बिमा-बिफानि न'आव। बरनालिनि बादिब्ला दानि गोदान मुगाजों बियो दावगालांनो हानाय नङा गामियाव थायोब्ला जाम्बा जागोन होननानै बरनालिया साननायमोन। बेनिखायनो बियो सानफ्रोमबो बुडै बुडै टाउनाव लाना थांमारनायसै। बिमा बिफानि मेगनाव हाद्रि बाला सारनानै जनिला बिसिखौ लानानै टाउनाव थाफैदों। गोदोनि बैफोर खोथाया जनिलनि गोसोआव दिनैसो दोहो दोहो खामग्लिहोदों। जनिला गावखौनो दायनिगिरि बायदि साननानै लादों दिनैसो। गावनि आखलखौ साननानै गावनो लाजिखांदों गावखौ मानसि नङै बायदि मोन्दों। बिसिनि खोथा मथै सोलिजोबनाया गावखौनो फाप मावहोदों, जनिला दासो हमदांहादों।

बिसिनि फारसे रागा जोंखांदों जनिला नाथाय उनाव गावनो गाव सानखांफिनदों- बिसिनि गासैबो खोथाखौ मानिया लासिनो बिसिखौ बुजायना गावनि खर'नि मेलेमजोंबो खामानि मावनायमोनब्ला गाव उनदाहायाव गोग्लैनो गोनां जानाय नङामोन। जनिला सानदों गाबोन थांनानै बिमा-बिफानाव निमाहा बिहैनो बिसि आरो फिसाज्लाखौ लोगोआव लानानै। बिसि आरो फिसाज्ला दैथुनखौ बर' रायज्लायनो सोलोंहोसिगोन होननानै हारसिंनो समाय लायो बेसमावनो दैथुना फैनानै बुंफैयो- आं गोबोननिफ्राय बर' सोलोंसिगोन पापा। आयखौबो बर' दखना गाननो आरो बर' राव रायज्लायनो सोलों होदों। जनिला फिसाज्लाखौ बिखायाव बोजबना लानानै खेबसे सब खुदुमनानै बुंदोंमोन जागोन। आं थाखोमानाय खोमसिनिफ्राय सोरांनि लामाजों दावगा लांसिगोन।

बे समावनो बरनालिया ओंखाम जानो लेंहरो। बिफा-फिसाज्ला सानैबो लेंहरनाय लेखा इसिं फारसे आगान सुरलाङो।

❑❑❑



# মহাবিদ্যালয়ৰ গৌৰৱ

# নিজৰা আহমেদাৰ সৈতে এখন্তেক

(২০১১ চনৰ স্নাতক মহলাৰ বিজ্ঞান শাখাৰ চূড়ান্ত পৰীক্ষাত উদ্ভিদ বিজ্ঞান বিষয়ত (মেজৰ) গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত সৰ্বোচ্চ স্থান লাভ কৰে ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী নিজৰা আহমেদাই। আলোচনী সম্পাদকৰ সৈতে হোৱা তেওঁৰ এক সাক্ষাৎকাৰ)

*বাইদেউ, পোনপ্ৰথমে আপোনাক অভিনন্দন জনালোঁ।*
ধন্যবাদ।

*গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰতে উদ্ভিদ বিজ্ঞান বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান লাভ কৰি আপুনি ৰঙিয়া মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনিলে। আপোনাৰ অনুভৱ?*
খুউব ভাল লাগিছে।

*আপুনি এনেকুৱা এটা ভাল ফল আশা কৰিছিল নে?*
প্ৰথম স্থান পাম বুলি ভৱা নাছিলো কিন্তু মই লাভ কৰা ৭১ শতাংশ নম্বৰ সেইটো আৰু অধিক হ'ব বুলি ভাবিছিলো।

*আপোনাৰ লক্ষ্য?*
মই এজন Naturalist হ'ব বিচাৰো।

*এচাম অভিভাৱকে ছোৱালীবোৰক পঢ়াত সিমান গুৰুত্ব নিদিয়ে? আপোনাৰ ক্ষেত্ৰত?*
মোৰ মা- দেউতাই পঢ়া-শুনাত অগ্ৰাধিকাৰ দিয়া বাবে ভাল ফল পাইছো।

*আপোনাৰ মেজৰ বিষয়ত বিভাগীয় ছাৰ বাইদেউৰ পৰা কেনে ধৰণৰ সহায় সহযোগিতা পাইছে?*
যেনে ধৰণেৰে সহায় বিচাৰিছিলো, তেনে ধৰণে পাইছো।

*আপোনাৰ সফলতাৰ মুখ্য ভূমিকাত কোন?*
মুখ্য বুলি কোনো নাই। মোৰ মা-দেউতা, ছাৰ-বাইদেউ, বন্ধু-বান্ধৱী সকলোৰে সহযোগিতা আৰু ব্যক্তিগত উদ্যম সফলতাৰ কাৰণ।

*ভৱিষ্যত পৰিকল্পনা?*
উদ্ভিদ বিজ্ঞান বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ মহলাত অধ্যয়ন কৰিম।
*আপোনালৈ আন্তৰিক শুভেচ্ছা থাকিল। আশা কৰো আপোনাৰ আশা পূৰণ হ'ব।*
ধন্যবাদ।





# One Hope ........ Still to Live ..........

Raja Das
T.D.C 1st Sem.

I was born bliss,
on the lap of HELL !
Like no man,
On the boat to sail ........
Cry, the sound,
I cried that time
It was full of PAIN
But in vain ............
Day by day,
I grew and grew
Like the frost
get rush to dew
It was ME !
In place of tree
Cut down, and
get me used in FREE......
Such is the LIFE
from head to feet
I live...., you live......
And ask the REASON to give
Why to accept
Such a pity gift
Coz, I have my HOPE
The reason to LIVE.....

❑❑❑



# Way Towards You

Ezazur Rahman
B. com 2nd year



"Let me fly in the skies of care,
Let me swim in the ocean of love all"
"Let me hear the sound of joining hearts,
Let me speak with the melodious words."
"Let me breath with the smell of goodness,
Let me drink with the mouth of peacefulness."
"Let me walk with the feet of success,
Let me have the hands of hsppiness."
"Let me rest with painless mind,
Let me sleep with the dreams which shine."
"Let me die in the spirits of true,
Let me join the fearless crue."
"If this are the ways towards you,
Then please 'Let me' strength to go through."

❑❑❑

# ৰক্ত ৰঞ্জিত ধৰা

চন্দনা কোঁৱৰ
স্নাতক ২য় বৰ্ষ (কলা)

ভাগৰুৱা শব্দ আজি,
শান্তি প্ৰগতিৰ শাৰদী জোন
সুবাসিত শেৱালীৰ অম্লান হাঁহি
আজি নাই,
সেউজীয়া পথাৰৰ সৰগীয়া আশিস
প্ৰেমধৰাৰ এছাটি প্ৰেমভৰা মলয়া
তাকো পোৱা টান,
ক'ত শতিকাজোৰা হাঁহিৰ কল্লোল
সিও আজি লুপ্ত হ'ল,
শীতল ধৰাৰ সোণোৱালী সুৰুয
ডুবু ডুবু কৰি ৰ'ল,
ৰাতিৰ সেউজীয়া সপোনবোৰ
জ্বলি জ্বলি ছাই হৈ গ'ল,
ৰ'ল মাথো..
অসহনীয় দগ্ধতা,
ধৰণী কঁপাই তোলা
হৃদয়ৰ তাপিত জোৱাৰ,
তাৰেই ৰাগী লাগি মুক্ত পৰনত
দিশভ্ৰষ্ট হ'ল তাৰ গতি,
দশোদিশ উত্তাল কৰি
সোণাৰুৰ শিৰ ছিঙি
লগালে তেজৰ দাগ
অসমী আইৰ নিৰ্মল সাজত।
কিমান ঢাকিব
মনুষ্যত্বহীন মনুষ্যৰ নগ্নতা ?
আহ্ কি নৃশংসতা!
আকাশ ছানি ধৰা জুইৰ মাজত
সোণাৰু ফুলৰ আৰ্তনাদ,
হিয়া বিদাৰি যোৱা কান্দোনৰ ৰোল।
নালাগে সেইবোৰ।
কিন্তু ...........
কোনে উৰুৱাব শান্তিৰ পাৰ,
নতুবা শান্তিময় এখনি শুভ্ৰ পতাকা ?
❑❑❑



# শব্দৰ উৎস

আতোৱাৰ ৰহমান
স্নাতক প্ৰথম বৰ্ষ
(পদাৰ্থ বিজ্ঞান)



শব্দৰ বৰষুণত
সেউজীয়া ভিৰ কৰে
শস্যৰ পথাৰত।

শব্দৰ বানে
সেউজীয়া পথাৰত
খেতিয়কক উচ্ছন্ন কৰে।

শব্দৰ উৎসৱত
মেখেলা উজোৱা পথত
ভিক্ষাৰীয়ে হাত পাতে।

শব্দৰ ৰ'দত
কলেজীয়া গাভৰুৱে
মোবাইলত মেছেজ পঠিয়ায়।

শব্দৰ বতাহত
নগৰীয়া সভ্যতাই
জাৰৰৰ দমত খাদ্য বিছাৰে।

শব্দৰ ধুমুহাত
নগৰীয়া গধূলিয়ে
দেহা বেছি জীৱিকা মোকোলায়।

শব্দৰ দুৰ্যোগত
উৰা বাতৰিয়ে
নিৰীহক গৃহহাৰা কৰে।

বিঃ দ্ৰঃ
কামাখ্যাদেৱীৰ মন্দিৰলৈ
উঠা খটখটিটোৰ নাম
'মেখেলা উজোৱা পথ'।
❑❑❑





# হেৰুৱা জোনাকৰ সন্ধানত



শ্ৰীপ্ৰীতিৰেখা নাথ
স্নাতক ৩য় বৰ্ষ (কলা)

এমুঠি অন্ধ ছায়াত
বুৰ যোৱা
নতুন সূৰুজৰ কাচিয়ালি ৰ'দত
ডেউকা ভগা পখী হৈ ৰয়
সেউজী সপোনৰ উত্তাল তৰংগ।
ক্ৰমে মৃতপ্ৰায় হৈ অহা
নীল আকাশৰ বুকুৰ ফাগুনৰ বা।
এক অশান্ত ধুমুহাৰ ছাকনৈয়াত আৱদ্ধ
নতুন পৃথিৱীৰ স্পন্দিত শব্দ।
হেজাৰ হেজাৰ মানুহৰ আশাৰ দিগ্বলয়ত
আশিস হৈ ৰয়
দেওলগা আজিৰ নতুন সময়
দুপৰৰ ৰহস্যময় ৰ'দৰ কটকতাত
উমি উমি জ্বলে পূৰ্ণিমাৰ জোন।
লাহে লাহে চৌদিশৰ পৰা আগুৰি অহা
আউসীৰ কজলাৰ মাজে মাজে
সিচৰিত হৈ পৰা জোনাকৰ সন্ধানত
আমাৰ নিসাৰ্থক য'ত ক্লান্ত দিন।
তথাপিও কৰিছো আৱতি
হেৰুৱা জোনাকৰ সন্ধানত
জীৱনৰ ভগা বীন বায়।
❑❑❑

# दावगा लां

मिस हाइना बसुमतारी
आरिमु, सेथि बोसोर

दावगा लां बर लाइमोनफोर
नोंसोर दावगा लां
जानजि खाफ्रा,
आथिङा सिगांथिं आगान हरदो
नोंसोरनो लाखिनांगोन बर' हारिनि मुं

आखायाव बिजाब खोलोम लानानै
गोसोआव गसाइनि मुं लाना
नोंसोरनि देरहासार मुंजोंनो
लाबोनांगोन बर' हारिनि उदांश्री।

नागार जौ-सेरैब, गावजों-गाव एना-एनि
नागार मेंनाय, बानाय, अलसियाखौ
मावनांगोन नोंसोर हानायसिम
बर' हारिखौ फोजौनो।

आखायाव हाथियार लायालासिनो
बुलाय सौज्लाय खालामालासिनो
अहिंसायै गावनि रोंगौथिजों
नोंसोरनो लाबोनांगोन बर' बिमानि गोजोननाय।

दावगा लां बर' लाइमोनफोर
नोंसोर दावगा लां .........।
❑❑❑



# लिमारिक



मिथिसार बसुमतारी
एइस.एस. नैथि बोसोर (बिगियान)



(1)
आंखौ गोसोथोयो सिरांनि हार्सा सिखोला मिरा
थांगाफ्रोमबो आंनो जाहोयो लारु दैय सिरा।
आयजो आफादा लाहोआनो गुबुन हारि
हाबा लामारोब्ला हासिगोननो बिनि सारि
सयथि! आंखो मोनब्ला जागोननो।

(2)
खायफा बुङो कक्राझारा लायनो बर'नि उथुमाय
नुवा बेवहाय बर'फोरखौ लांगा गाननाय।
सिख्ला नुनायमानि गाननायजोब मालाय हारिनि
सानैसोआल'सो गानसै बर' हारिनि।
सयथि! बर'नि उथुमायावनो सिख्लाफ्रा उथुमाय
नुनाय गाननायजोब।

(3)
गोसो थोलायनाय सेंग्रा सिखोलानियाव
थायो गोसो गोरबोआव रंजानाय गोदै गोथाव
गोसो खाङो जानाय लोंनाय
रावबो गैयैआव मोदोम बुङ्रावलायनाय
नाथाय, मोनलायाबासो जायो गिथाव-बाथाव।

(4)
जोंहा आदानो हिनजाव नायदों बरमायाव
फिसाजो जखायसे गोनां धोनि नखराव
बिबोनां जागोनफ्रा लाजिनायबो गैथारा
फरायनायावबो बिसोरो मुंखौनो लिरनो रोंथारा
फैब्ला लिंखोमा थारो आदाखौ सिनेमा नायनो
दिनथिसालिमायाव

(5)
बै लामा गोलाव गामिनि आगै मिनि
गलाप बिबार बादि जारौ रौ महर नोंनि।
नुगौबा सानना थांलाबायो आं नोंसानि लांगोनाजों
लोगो मोनगौबा साननानैखाबु लाबायो रायदावनो गुरै रावजों
जानाय लोंनाय मानि सानथाबग्रा जाबाय महर नोंनि।
❑❑❑





# मानो ? आंनि मोजां मोननाया थरथिंसे बिस, नोंनि थाखाय

तपन ब्रह्म
आरिमु नैथि बोसोर



हे! गसाय,
मा फाबनि साजा बे ?
मा, एसेबां गेदेर फाब मावा थांनाय जोनोमाव ?
आय! साजानि निमाहा गैया,
मा, गोरोन्थि बे ?
जाय! गोरोन्थिनि निमाहा गैया।
जाय साजाया आंनि, गोर्बोखौ हाथ'फ्ला बानायो।
गोरोन्थि गैयाब्ला ? थारखौ मा बायदि मोन्दांथिनो।
दुखु गैयाब्ला ? सुखुनि सायख्लुम नागिरनो, सोर ?
बालमिकिआबोथ' सुजुदों गोथार 'रामायन',
'महात्मा' गान्धियाबोथ', दिनै हारिनि बिफा,
फेलेंनि खाम्फानि सायावनो गसंना थायो जाफुंसारनाय।
अब्ला आंनि बेलायाव बिदि मानो ?
बियाखै नोंनि मोदोमनि थरथिंसे थै
आथं' बिआखै नोंनि समफ्ल,
लुबैआखै मोजां मोननायनि रां-बान्था।
आंनि बोदोर गोसोआ हास्थायदों, नोंनि गोर्बोनि
थार मोजांमोननाय।
हास्थायदों अराय सम नोंखौ सिबिनो।
आंथ'! होआखै आंनि मोजां मोननायाव बिष लागायना,
आंनि मोजां मोननायावथ',
गैया फाव फान्दायनाय।
दङब्ला आंनि मोजां मोननायाव,
बेयो आंनि गोसो-गोर्बोनि थार मोजां मोननाय आरो अननाय।
अब्ला मानो ?
आंनि मोजां मोननाया थरथिंसे बिष नोंनि थाखाय।
❑❑❑

# दुखु

रुमि बसुमतारी
आरिमु सेथि बोसोर

फैयो नों माब्ला
लाबोयो जिउआव दाहा,
हाया नोंखौ होखारनो थाब
लेथा नांनाय बादि होखारनो गोब्राब।
मोनथिया रावबो जोबहैगोन
बबेयाव।
मोदै हुगारो जों
नोंनि गोसोखौ सिफायनो
हाया नाथाय नोंखौ फोजोबनो।
उलथायै लाफिननाङो
गावसो दुखुनि दाहा।
नुस'मोनै नोंनि बे जिउ
बबेनिफ्राय फैयो आरो
मानो फैयो ?
नामा नों सुबुंखौ मुगैयो ?
नायो आं जेरावबो
नुयो माथो नोंखौसो,
मा नोंलाय हगारा जायगा
एंगारा नामा रावखौबो थाल्ला।
❑❑❑



## সাহিত্য একাডেমী বঁটা বিজয়ী বিশিষ্ট সাহিত্যিক

# ড° ৰীতা চৌধুৰীৰ সৈতে এক সাক্ষাৎকাৰ



*বাইদেউ, পোনপ্ৰথমে আপোনাক ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ পৰা নমস্কাৰ জনালো।*

ঃ- নমস্কাৰ।

*বাইদেউ আপুনি লিখাৰ প্ৰেৰণা ক'ৰ পৰা পাইছিল?*

ঃ- নিজৰ পৰাই।

*আপোনাৰ শিক্ষাজীৱনৰ বিষয়ে অলপ ক'ব নেকি?*

ঃ- অৰুণাচলৰ লোহিত জিলাৰ চৌখামত মই প্ৰাথমিক শিক্ষাৰ আৰম্ভণি কৰিছিলো। কটন মহাবিদ্যালয়ৰ পৰা অসমীয়া বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লাভ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ৰাজনীতি বিজ্ঞানত স্নাতকোত্তৰ, এল.এল. বি আৰু পি.এইচ্ ডি. ডিগ্ৰী লাভ।

*এজন সফল সাহিত্যিক হ'বলৈ হ'লে কি গুণৰ প্ৰয়োজন বুলি আপুনি ভাবে?*

ঃ- সৃষ্টিশীলতা গুণৰ অধিকাৰী হ'ব লাগিব।





*আপুনি মূলতঃ এগৰাকী শিক্ষয়িত্ৰী। শিক্ষয়িত্ৰীৰ দৰে দায়িত্বপূৰ্ণ সেৱাত থাকি আপোনাৰ সাহিত্য সাধনাত কেনেকুৱা সুবিধা- অসুবিধা হৈছে?*

ঃ- শিক্ষয়িত্ৰী হিচাবে কিছুমান সুবিধা হৈছে। যিহেতু সদায় নতুন নতুন বিষয়ত অধ্যয়ন কৰিবলৈ সুবিধা পাইছো। অসুবিধা বুলি ক'বলৈ গ'লে যিহেতু মই এজন চৰকাৰী কৰ্মচাৰী সেয়ে কেতিয়াবা সৃষ্টিশীল মনটো সক্ৰিয় হৈ থকা সময়তো চৰকাৰী বাধ্যবাধকতাৰ বাবে লিখিব ইচ্ছা কৰিলেও সময় দিব পৰা নাযায়।

*জাতি-বৰ্ণ-ধৰ্ম অথবা বয়সভেদে সাহিত্যক্ষেত্ৰখনক বিভাজিত কৰাৰ কিবা যুক্তি আছে বুলি আপুনি ভাবেনে?*

ঃ- মই বিশ্বাস নকৰোঁ। অৱশ্যে পুৰণি প্ৰজন্মৰ সাহিত্য আৰু নতুন প্ৰজন্মৰ সাহিত্য হিচাবে বিভাজন কৰিব পাৰি।

*'মাকাম'ৰ সমাদৰ আৰু জনপ্ৰিয়তাই আপোনাক এগৰাকী সাহিত্যানুৰাগী হিচাবে কিমানখিনি সন্তুষ্টি দিব পাৰিছে?*

ঃ- মাকাম'ৰ জৰিয়তে অসমীয়া চীনাসকলৰ বিষয়টো পাঠকৰ হৃদয়ৰ কাষলৈ কঢ়িয়াই নিব পৰাৰ বাবে মই সুখী।

*মাননীয় শিক্ষামন্ত্ৰীয়ে মহাবিদ্যালয় আলোচনী প্ৰকাশৰ বাবে নগদ একলাখ টকাকৈ অনুদান আগবঢ়োৱাৰ কথা ঘোষণা কৰিছে। আপুনি ভাবেনে এনে চৰকাৰী সাহায্যই মহাবিদ্যালয়ত সাহিত্য চৰ্চাৰ মান উন্নত কৰিব?*

ঃ- সাহিত্য চৰ্চাৰ মান উন্নত নকৰিলেও আলোচনী এখনে সাহিত্য সৃষ্টিৰ পৰিবেশ সৃষ্টিত নিশ্চয় অৰিহণা যোগাব।

*কোৱা হয় "Politics is the last resort of scoundrel" – ৰাজনীতি আপোনাৰ কিমান ওচৰত?*

ঃ- মই ৰাজনীতিৰ লগত জড়িত নহয়।

*নতুন লেখক-লেখিকাসকলৰ বাবে এগৰাকী লেখিকা হিচাবে আপুনি কিবা ব্যৱস্থা হাতত লৈছে নেকি?*

ঃ- 'আধাৰশিলা' নামৰ এখন মঞ্চ গঠন কৰিছো। নৱপ্ৰজন্মক সকলো দিশৰ পৰা এই মঞ্চৰ দ্বাৰা সমৰ্থন জনোৱাৰ বাবে।

*অসমীয়া সাহিত্যক লৈ নৱপ্ৰজন্মৰ ওপৰত আপোনাৰ বিশ্বাস কিমান?*

ঃ- মই ভাবো নৱপ্ৰজন্মই পৰৱৰ্ত্তী সময়ত আৰু অধিক আগুৱাই লৈ যাব।

*এতিয়া বিশ্বত প্ৰত্যেক দিনে একো একোটা ভাষা ধ্বংসৰ মুখলৈ আগবাঢ়িছে? আমাৰ অসমীয়া ভাষাটোও নোহোৱা হৈ যাব নেকি?*

ঃ- মোৰ দৃঢ় বিশ্বাস অসমীয়া ভাষাতো সদায় চলি থাকিব।

*বৰ্তমান চাৰিওদিশে প্ৰতিযোগিতাৰ যুগ চলিছে। তেনেস্থলত ইংৰাজী ভাষাতো ব্যৱহাৰ নকৰিলে শূন্য। এইক্ষেত্ৰত আপুনি কি কয়, ভাষাৰ কিবা চহকী দুখীয়া আছে নেকি?*

ঃ-ভাষাক মই শ্ৰেণী বিভাজন কৰাটো নিবিচাৰো। আজিৰ দিনত ইংৰাজী ভাষাটোৰ প্ৰয়োজনীয়তা আছে বিশেষকৈ আমাৰ দেশত অস্বীকাৰ কৰিব নোৱাৰি। ই এটা কঠিন বাস্তৱ।

*এইবছৰৰ পৰা মহাবিদ্যালয়বোৰত ষান্মাষিক (Semester)) পদ্ধতি আৰম্ভ হৈছে। ইয়াৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলৰ লাভ বা লোকচান হ'ব বুলি আপুনি ভাবেনে?*

ঃ- লাভ বা লোকচানৰ কথা ক'ব নোৱাৰি। কম পৰিসৰত ইয়াৰ উত্তৰ দিয়াটো কঠিন। এইটো এটা অতি বহল বিষয়।

*কটন মহাবিদ্যালয় এখন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়। এইখন মহাবিদ্যালয় এতিয়া বিশ্ববিদ্যালয় হ'ব বুলি ইতিমধ্যে চৰকাৰে ঘোষণা কৰিছে। এইখন মহাবিদ্যালয়ৰে অধ্যাপিকা হিচাবে কটন মহাবিদ্যালয়খন আপুনি বিশ্ববিদ্যালয় হোৱাটো বিচাৰেনে? কটনৰ ঐতিহ্য হেৰাই যাব নেকি?*

ঃ- যিটো বাস্তৱ সেইটোৱে মই স্বীকাৰ কৰি ল'ম। ঐতিহ্য হেৰাই যাব-নাযাব এই বিষয়ে মই চিন্তা চৰ্চা কৰা নাই।

*ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা যুৱ-প্ৰজন্মলৈ আপোনাৰ মতামত....*

ঃ- মই এইটোৱে ক'ব খোজো যে, প্ৰথমে আমি সকলোৱে নিজক শ্ৰদ্ধা কৰিবলৈ শিকিব লাগে। আমি সকলোৱে এখন বৃহত্তৰ সমাজৰ অংশীদাৰ। অৰ্থাৎ এটা মানৱীয় জীৱন নিজৰ বাবে আহৰণ কৰাৰ লগতে নিজৰ সমাজখনৰ কাৰণেও সাধ্যানুসাৰে কাম কৰাৰ ইচ্ছা গঢ়ি তোলাটো প্ৰত্যেক যুৱচামৰে দায়িত্ব।

*অসমীয়া ৰাইজলৈ আপোনাৰ ক'বলগীয়া।*

ঃ- অসমীয়া ৰাইজে অসমীয়া জাতিৰ অতি প্ৰত্যাহবান সমূহ মুখামুখি হ'বলৈ আজি ঐক্যবদ্ধ হোৱা উচিত।

অতি ব্যস্ততাৰ মাজতো আমাক অলপ সময় দিয়াৰ বাবে আপোনাক অশেষ ধন্যবাদ।

❑❑❑

# মৰমৰ ছাত্ৰ সকললৈ

(এই প্ৰৱন্ধটি ৰঙিয়া মহাবিদ্যালয়ৰ আলোচনী পঞ্চম সংখ্যক (১৯৭৩-৭৪)ৰ পৰা পুনৰ প্ৰকাশিত)

শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ, প্ৰাক্তন অধ্যক্ষ

ছাত্ৰ সকল এই দেশৰ ভৱিষ্যৎ অভিভাৱক। তেওঁলোকৰ সঙ্গ আনন্দদায়ক। কিয়নো তেওঁলোক বাগিচাত ফুলিব ধৰা কিছুমান ফুলৰ কলি; তেওঁলোক কোমল বয়সীয়া বীৰ, যিসকলে জাতীয় আৰু আন্তৰ্জাতীয় নৱনিৰ্মাণৰ টান কাম নিজ হাতত ল'ব লাগিব।

বিশ্বৰ বৰ্তমান পৰিস্থিতি প্ৰৱল শক্তিশালী ধুমুহা সদৃশ কেউফালে ভয়-ভীতি আৰু উদ্বেগ। এফালে যিদৰে মহাকাশ বিজয় আৰু ন-ন উপগ্ৰহৰ সৃষ্টিক স্বাগত কৰা হৈছে। আনফালে সেইদৰে ভয়-সংশয়ে সমগ্ৰ মানৱ জাতিকেই পীড়িত কৰিছে। আমাৰ দেশতো ই এক সংকটময় সময় আৰু সেইকাৰণে বৰ্তমান পৰিস্থিতিৰ উপশম ঘটাবলৈ অকণো সময় অপচয় কৰা উচিত নহয়, যাতে সৰ্বোতোপৰি মানুহে শন্তি লাভ কৰিব পাৰে। শান্তি অবিহনে জীৱন মাথো এক প্ৰহেলিকাময় কুস্বপ্ন।

> পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ ওপৰত অযথা অত্যধিক মূল্য আৰোপ নকৰিবা। যদি কৰা তেনেহ'লে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰিলে ভয়ানক হতাশ হ'বা। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছত কোনো কোনোৱে আত্মহত্যা কৰাৰ কথা আমি শুনিবলৈ পাওঁ। এনে মূৰ্খামী কাম তোমালোকে নকৰিবা। বিফলতা আহিলে ই তোমালোকৰ যত্নৰ পৰিমাণ বঢ়াবৰ বাবে উদগণি বুলি গ্ৰহণ কৰিবা। কিয় সফল হ'ব নোৱাৰিলা তাৰ কাৰণ বিশ্লেষণ কৰা আৰু এই অভিজ্ঞতাৰ পৰা লাভৱান হোৱাহঁক। তোমালোকে যদি এনেধৰণে বিচাৰ-বুদ্ধিহীন হৈ নিজৰ জীৱন ধ্বংস কৰা তেনেহ'লে শিক্ষকসকল বৰ দুখ পায় আৰু ভগৱানেও দুখ পায়- মনত ৰাখিবা।

অন্যান্য বিষয় অধ্যয়ন কৰাৰ লগে লগে তোমালোকে শান্তিৰ গূঢ়তত্ব জানিবলৈ শিকা উচিত। সুযোগ হেৰুৱা অনুচিৎ। কিয়নো এই শিক্ষাই হৈছে জ্ঞান যিয়ে তোমালোকক ৰক্ষা কৰিব। বৰ্তমান শিক্ষা ব্যৱস্থাৰ উদ্দেশ্য হৈছে তোমালোকক নিজৰ পেট প্ৰৱৰ্ত্তাৱ পৰাকৈ নাগৰিক কৰি তোলা, কিন্তু ই সুখী জীৱন লাভ কৰাৰ উপায় বা ৰহস্য জনাৰ সুবিধা নিদিয়ে। উদাহৰণ স্বৰূপে বাস্তৱ বা নিত্য আৰু অবাস্তৱ বা অনিত্যৰ মাজৰ পাৰ্থক্য জনাৰ যি প্ৰকৃত প্ৰশিক্ষণ তোমালোকৰ বাবে আৱশ্যক বৰ্তমান শিক্ষা ব্যৱস্থাই তাক নিদিয়ে। বিবেকৰ অনুশীলনীয়েই শিক্ষাৰ ঘাই লক্ষ্য; সদগুণৰ বৃদ্ধি, ধৰ্মক বলীষ্ঠ কৰা এইবোৰৰ প্ৰতিহে আগ্ৰহান্বিত হ'ব লাগে। বাহ্যিক শিষ্ঠাচাৰিত আহৰণ কৰা নাইবা সচৰাচৰ বা-বাতৰি সংগ্ৰহ কৰা নাইবা সাধাৰণ কৌশল প্ৰয়োগ কৰা এইবোৰৰ প্ৰতি নহয়।

প্ৰথমতঃ তোমালোকৰ সত্বাযে অমৰণ আত্মা- যি অবিনাশী নিৰ্মল, পৱিত্ৰ আৰু দিব্য চেতনাত স্থিৰ হোৱা। এই চেতনাই তোমালোকক অটল সাহস আৰু শক্তি দিব। তাৰ পিছত তোমালোকৰ মাজত পৰস্পৰে পৰস্পৰৰ প্ৰতি প্ৰেম আৰু শ্ৰদ্ধাৰ ভাৱ জগাই তোলা! সকলো শ্ৰেণীৰ লোকক সকলো ধৰণৰ মতকে, সকলো ধৰণৰ আচৰণকে সহ্য কৰিবা। শিক্ষানুষ্ঠান, ঘৰ, সমাজ এই আটাইবোৰেই সহনশীলতাৰ বাবে প্ৰশিক্ষণ কেন্দ্ৰ। শিক্ষানুষ্ঠানত শিক্ষক আৰু ছাত্ৰ উভয়ে নিজ নিজ কৰ্ত্তব্য আৰু অধিকাৰৰ প্ৰতি সচেষ্ট থাকিব লাগিব। উভয়ৰ মাজৰ সম্পৰ্ক ভয় আৰু সংশয়ৰ পৰিবৰ্তে প্ৰেমৰ ওপৰত আধাৰিত হ'ব লাগিব। কেৱল মাত্ৰ প্ৰেমৰ বাতাবৰণেহে সুস্থ সহযোগিতা আৰু সমন্বয় আনিব পাৰে। আটাইতকৈ আগেয়ে ভাল হোৱা, সাধু হোৱা, সদাচাৰী হোৱা। ইহে বিশ্ববিদ্যালয়ৰ ডিগ্ৰীক অধিক আকাঙ্খিত আৰু মূল্যৱান কৰিব পাৰিব।

পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ ওপৰত অযথা অত্যধিক মূল্য আৰোপ নকৰিবা। যদি কৰা তেনেহ'লে পৰীক্ষাত কৃতকাৰ্য্য হ'ব নোৱাৰিলে ভয়ানক হতাশ হ'বা। পৰীক্ষাৰ ফলাফল ঘোষণা কৰাৰ পাছত কোনো কোনোৱে আত্মহত্যা কৰাৰ কথা আমি শুনিবলৈ পাওঁ। এনে মূৰ্খামী কাম তোমালোকে নকৰিবা। বিফলতা আহিলে ই তোমালোকৰ যত্নৰ পৰিমাণ বঢ়াবৰ বাবে উদগণি বুলি গ্ৰহণ কৰিবা। কিয় সফল হ'ব নোৱাৰিলা তাৰ কাৰণ বিশ্লেষণ কৰা আৰু এই অভিজ্ঞতাৰ পৰা লাভৱান হোৱাহঁক। তোমালোকে যদি এনেধৰণে বিচাৰ-বুদ্ধিহীন হৈ নিজৰ জীৱন ধ্বংস কৰা তেনেহ'লে শিক্ষকসকল বৰ দুখ পায় আৰু ভগৱানেও দুখ পায়— মনত ৰাখিবা।





জীৱনৰ উখল-মাখল লগোৱা হাঁহাকাৰৰ সন্মুখীন কেনেদৰে হ'ব পাৰি কেনেকৈ আনক কষ্ট নিদিয়াকৈ নিজে কষ্ট স্বীকাৰ কৰি জীৱন যাপন কৰিব পাৰি, এই শিক্ষা ছাত্ৰ হৈ থাকোতেই লাভ কৰাহ'ক। নিৰ্বাচন অভিযানত আৰু বয়োবৃদ্ধ সকলৰ গাই-গুটীয়া দলাদলি নাইবা সমষ্টিগত নাইবা সাম্প্ৰদায়িক দলাদলি আদিত আত্মনিয়োগ কৰি সময় অপব্যয় নকৰিবা। বৰ্তমান তেওঁলোকে বৰ বেয়া উদাহৰণ দাঙি ধৰিব লাগিছে। তোমালোকে তেওঁলোকৰ নীতি-আচৰণ অনুকৰণ নকৰাকৈ চলিব লাগিব। বৰ্তমান ৰাজনীতিও এক বিবিধ ব্যাধিৰ সমষ্টি। ই কোনো ব্যক্তিক এনেদৰে আক্ৰমণ কৰে যে অকালতে ব্যধিগ্ৰস্ত হৈ তেওঁলোকৰ জীৱন বিনাশ হয়। এই জাতীয় লোকৰ পৰা এনে মহামাৰী নিজৰ গাত চপাই নল'বা। নিৰ্মল আৰু সন্তোষিত হৈ থাকিবা। তোমালোকৰ নিজ প্ৰতিভা আৰু অভিজ্ঞতাই যিমান দূৰলৈ নিয়ে ঠিক সিমান দূৰলৈহে যাবা। প্ৰত্যেক কথাকে পৰীক্ষা-নিৰীক্ষা কৰি চাবা, যিখিনি সত্য বুলি হৃদয়ত স্থিৰ ধাৰণা হয় কেৱল সেইখিনিহে বিশ্বাস কৰিবা। এইটো নহয় যে অমুক ডাঙৰ মানুহে কোৱা বাবেহে কোনো এটা কথা গ্ৰহণযোগ্য।

মানুহে দুখ-কষ্ট ভোগ কৰাৰ এটা ঘাই কাৰণ হৈছে তেওঁলোকৰ সকলোধৰণৰ অযুক্তিকৰ আকাঙ্খা চৰিতাৰ্থ কৰিবলৈ আশা কৰা আৰু তাৰ ফলস্বৰূপে বিফল মনোৰথ হোৱা। তেওঁলোকে বৈষয়িক জগতৰ প্ৰতি মাত্ৰাধিক গুৰুত্ব আৰোপ কৰে। কেৱল মাত্ৰ যেতিয়া মোহ বৃদ্ধি হয় তেতিয়াহে মানুহে সন্তাপ পায়। অন্তদৰ্শনৰ পৰা উদিত হোৱা অন্তৰ্দৃষ্টিৰে প্ৰকৃত তথা সকলো সৃষ্ট পদাৰ্থলৈ লক্ষ্য কৰিলে এই মোহ আতৰি যায়, কিন্তু প্ৰয়াস থাকি যায়। তেতিয়া প্ৰত্যেক বস্তুও অধিক স্বচ্ছ আৰু দিব্য-জ্যোতিৰে পৰিপূৰ্ণ ৰূপত দেখা যাব। বৰ্হিচক্ষু বন্ধ কৰি অৰ্ন্তচক্ষু মেলি এনে এক ঐশ্বৰ্য্যসম্পন্ন দৃশ্য দেখিবলৈ পাম যি দৃশ্যই আমাক ক'ব যে আমি অনন্তৰেই একো-একোটা অপৰিহাৰ্য একক। জাগতিক অনুৰাগৰ সীমা আছে, কিন্তু অৰ্ন্তচক্ষু মুকলি হোৱাৰ পিছত ভগৱানৰ প্ৰতি যি অনুৰাগ জন্মে তাৰ সীমা নাই। সেই সত্যোপলব্ধিহে প্ৰকৃততে উপভোগ্য, মিথ্যা বহিৰ্জগতখন নহয়। প্ৰত্যেক বস্তুৰেই ভগৱানেই অন্তৰ্নিহিত শক্তি। যি সকলে দাপোনত দেখা নিজ প্ৰতিবিম্ব তেওঁলোকৰে ই প্ৰতিকৃতি বুলি বিশ্বাস কৰিবলৈ অস্বীকাৰ কৰে, তেওঁলোকে আকৌ তেওঁলোকৰ কেউদিশে প্ৰত্যেক পদাৰ্থতে প্ৰতিবিম্বিত হৈ থকা ভগৱানক কেনেকৈ বিশ্বাস কৰিব পাৰিব? পানী থাকিলে সৰু পাত্ৰ এটাতো চন্দ্ৰ প্ৰতিবিম্বিত হয়, সেইদৰে অন্তৰত প্ৰেমৰ জাল থাকিলে তাত ভগৱানকো স্পষ্ট ৰূপত দেখিবলৈ পোৱা যায়। আমাৰ অন্তৰত ভগৱান প্ৰতিবিম্বিত নোহোৱা কাৰণেই আমি ক'ব নোৱাৰো যে তাত ভগৱান নাই। ইয়াৰ একমাত্ৰ কাৰণ হৈছে তাত প্ৰেম নাই।

কেৱল অধ্যয়নেই যথেষ্ঠ নহয়; তোমালোকে ডাঙৰ গ্ৰন্থৰ সকলোবোৰ টিকা-টিপ্পনীয়েই আয়ত্ব কৰিব পাৰা আৰু এই গ্ৰন্থবোৰৰ বিষয়ে ডাঙৰ বিদ্বান লোকৰ সৈতে আলোচনা, তৰ্ক কৰিবলৈ সক্ষমো হ'ব পাৰা। কিন্তু এই গ্ৰন্থবোৰে যি শিক্ষা দিয়ে তাক আচৰণ কৰাৰ চেষ্টা নকৰিলে ই মাথোঁ অবাৰত সময় কটোৱা কথা। গ্ৰন্থ শিক্ষা (book learning) তকৈ আচৰণহে বেছি আৱশ্যকীয়। তোমালোকে পৰীক্ষা গৃহৰ পৰা ওলাই অহাৰ পিছত তোমালোকে কৃতকাৰ্য হ'ব পাৰিবানে নোৱাৰা নিজেই জানা— নহয় জানো? কিয়নো প্ৰশ্নোত্তৰ ভালদৰে দিব পাৰিছানে নাই তোমালোকে নিজেই বিচাৰ কৰি চাব পাৰা। সেইদৰে সাধনা বা আচৰণৰ ক্ষেত্ৰতো তোমালোকৰ সন্মুখত কৃতকাৰ্য্যতা আছে তাক তোমালোকে প্ৰত্যেকেই বিচাৰ কৰি সঠিক হ'ব পাৰা। তোমালোকৰ বাবেও সাধনা মূলাধাৰ; কিয়নো ইয়াৰ বাবে কোনো বয়সেই কুমলীয়া নহয়। তোমালোকে দৈহিক শৰীৰ পালনৰ বাবে যেনেদৰে নিয়মীয়া সময়ৰ ব্যৱধানত আহাৰ পানী গ্ৰহণ কৰা সেইদৰে আত্মিক শৰীৰ পালনাৰ্থে তোমালোকে নিয়মিতভাৱে জপ, ধ্যান আৰু সদগুণ অৰ্জনৰ বাবে সচেষ্ট হ'ব লাগিব। হৃদয়স্থ ব্যক্তিত্বৰ বিকাশৰ বাবে সৎ-সঙ্গ, সৎ-প্ৰৱৰ্তন আৰু সৎ-চিন্তাৰ প্ৰয়োজন। কিয়নো আমাৰ শৰীৰ ভূৱনেশ্বৰৰ ভৱন।

পৰিস্থিতিৰ সন্মুখীন হ'ব পৰাকৈ ছাত্ৰসকলৰ মানসিক দৃঢ়তা থকা উচিত। তেওঁলোকে দৈহিক শ্ৰমক সন্মান কৰিবলৈ শিকা উচিত। অক্ষমতাৰ বাবে যি সকলৰ সেৱাৰ প্ৰয়োজন আৰু তেওঁলোকৰ প্ৰতি সেৱা আগবঢ়াবলৈ তেওঁলোক আগ্ৰহশীল হ'ব লাগিব। তোমালোকতকৈ বয়োবৃদ্ধসকলকো সন্মান কৰিবা, তেওঁলোকক সেৱা কৰা, শ্ৰদ্ধা জনোৱা বা আনন্দ দিয়াৰ সুযোগ নেহেৰুৱাবা। যিয়ে তোমালোকক সুস্বাস্থ্যকৰ আনন্দ দিয়ে তাক আহ্বান কৰা, কিন্তু নিম্ন স্তৰৰ ৰুচিবোধৰ খেল-ধেমালিত গা-মন ঢালি দি নিজকে নীচ নকৰিবা। উদ্দেশ্যবিহীনভাৱে য'তে-ত'তে ঘূৰি নুফুৰিবা নাইবা ঘনাই চিনেমা গৃহত প্ৰৱেশ নকৰিবা, অগ্ৰহণীয় লোকৰ সৈতে মিলা-মিছা নকৰিবা। ধেমালিৰ চলেৰে হ'লেও বদ গুণৰ অভ্যাস নকৰিবা। এটা কথা মনত ৰাখিবা— এই দেশখন তোমালোকৰ যোগেদিহে উচ্চস্তৰলৈ যাব। বৰ্তমান নেতৃবৃন্দৰ যোগেদি নহয়। আৰু এটা কথা লক্ষ্য কৰিবা- যেনে স্থলত অন্যান্য দেশত এগৰাকী সাহসী, বুদ্ধিমান আৰু সাধুলোকৰ সৈতে মানুহে আনন্দমনে সহযোগ কৰে তেনেস্থলত আমাৰ ইয়াত জাতীয় চৰিত্ৰৰ এক বৈশিষ্ট্য হৈ পৰিছে পৰস্পৰে পৰস্পৰৰ প্ৰতি ঈৰ্ষান্বিত হোৱা, যিসকলে উন্নতি কৰিছে তেওঁলোকক তললৈ নমাই অনা, সহায়-সহযোগিতা আগবঢ়াবলৈ অস্বীকাৰ কৰা। তোমালোক ছাত্ৰসকলে তোমালোক নিজকেই উদ্দেশ্যকৰি নিশ্চয় এনেদৰে ক'ব লাগিব, "এই বয়সীয়াল লোকসকলে এনে ধৰণৰ কাম কৰে— যদিও তেওঁলোকে ভালদৰে জানে ই ভুল হৈছে। ই কেনে এক পুতৌজনক কথা। কিন্তু আমি নিশ্চয় এওঁলোকতকৈ পৃথকভাৱে ডাঙৰ হ'ম। আমাৰ কামত আমাৰ কথাৰ লৰচৰ নকৰো। আমি একেলগে একেসঙ্গে সমন্বয়, সমভাৱ আৰু প্ৰেমৰ মাজেদি কাম কৰি যাম।" এই ভাৱত সংকল্পবদ্ধ হৈ যদি এনেবোৰ গুণৰ বিকাশ সাধন কৰা তেতিয়া হ'লে আমাৰ দেশ প্ৰগতিশীল হ'ব আৰু যদি নকৰা তেন্তে ই ধ্বংশ হ'ব। তোমালোকৰ কাণত সদ-সৰ্বদা এই সাৱধানবাণী ধ্বনিত হৈ থকা বুলি অনুভৱ কৰিবা।

ভগৱানে তোমালোক আটাইকে মঙ্গল কৰক— এয়ে আমাৰ প্ৰাৰ্থনা। ❑❑

# মোৰ তেজত বন্ধুত্বৰ সুবাস

মৃণাল শালৈ
স্নাতক দ্বিতীয় বৰ্ষ

চকুৰ দূৰত্বই আনিব নোৱাৰে মনৰ দূৰত্ব, যদিহে থাকে তাত সঁচা মৰম আৰু নিভাঁজ ভালপোৱা।

'বন্ধুত্ব' আঃ কিমান অনুপম এই শব্দটি! জীৱন ৰামধেনুৰ সাতোটা ৰঙৰ সোৱাদ লুকাই আছে এই শব্দটিৰ মাজত, লুকাই আছে ছয়োটা ঋতুৰ সুবাস। নিসংগতাৰ বেদনা কাঢ়ি নি এই বন্ধুত্বই মানৱ জীৱনক কৰি তুলিব পাৰে বসন্তৰ এখিলা কুঁহিপাতৰ দৰে সেউজীয়া। বন্ধুত্বই পাহৰাই দিয়ে হৃদয়ৰ সমস্ত বিষাদ-যন্ত্ৰনা। মোৰ তেজতো আজি বন্ধুত্বৰেই সুবাস যাৰ বাবে মই আজি অতি আনন্দেৰে ক'ব পাৰো - কবি নিৰ্মলপ্ৰভা বৰদলৈৰ ভাষাৰে 'জীৱন জীৱন বৰ অনুপম.... ।'

বন্ধুত্বই নামানে তেজৰ সম্পৰ্কৰ কথা, নুবুজে জাতি, ধৰ্ম, বৰ্ণ, ভাষা। মোৰ জন্মস্থান গুৱাবাৰীৰ স্কুলীয়া জীৱনৰ পৰা ৰঙিয়া মহাবিদ্যালয়ত পঢ়া আজিৰ তাৰিখলৈ অনেক বন্ধুৰেই সমাহাৰ। এই সময়ছোৱাত বিবিধ ভাষা, সম্প্ৰদায় আৰু ধৰ্মীয় লোকৰ সৈতে মোৰ বন্ধুত্ব গঢ়ি উঠিছে। মোৰ মনত কোনো ভেদ-ভাৱ নাই। বিশেষকৈ ৰঙিয়া মহাবিদ্যালয়ত তফি, নুৰ, মোজাক্কিৰ, আকিদা, য়াচমিন, চেমিমহঁতক লগ পোৱাৰ পৰা মোৰ মনৰ সংকীৰ্ণতা ভাৱ একেবাৰে নাইকিয়া হৈ গৈছে। অতি কম দিনৰ ভিতৰতে আমাৰ মাজত গঢ়ি উঠিছে এক নামবিহীন আত্মীয়তা। আজি আমাৰ ইজনে সিজনক এটা মুহূৰ্ত নেদেখিলেও এবছৰ যেন লগা হৈছে। আমাৰ মাজতো যে কিবা বৈষম্য থাকিব পাৰে এতিয়া সেই কথা মই কল্পনা কৰিব নোৱাৰোঁ।

চকুৰ দূৰত্বই আনিব নোৱাৰে মনৰ দূৰত্ব, যদিহে থাকে তাত সঁচা মৰম আৰু নিভাঁজ ভালপোৱা। বৰ্তমান শ্বিলঙত কাম কৰি থকা মোৰ শৈশৱৰ বন্ধু মুকুলৰ সৈতে নিৰৱচ্ছিন্নভাৱে গঢ় লৈ থকা বন্ধুত্বৰ পৰা এই কথা মই অনুমান কৰিব পাৰো আৰ্থিক দূৰাৱস্থাৰ বাবে শিক্ষা আধৰুৱা কৰি সি শ্বিলঙলৈ যোৱা আজি প্ৰায় আঠবছৰ হ'ল। অথচ আমাৰ মাজৰ মৰম-ভালপোৱা তিলমাত্ৰাও কমি যোৱা নাই। বৰং সেই মৰম-ভালপোৱাবোৰ বাঢ়ি আহিছে কোমল মাটিত গজা সিক্ত শ্যামল ঘাঁহৰ দৰে।

বয়সে বন্ধুত্ব নগঢ়ে, গঢ়ে বিশ্বাস আৰু আন্তৰিকতাই। শৈশৱৰে পৰা মই সেইসকল বন্ধুৰ সৈতে বন্ধুত্ব গঢ়িবলৈ আগ্ৰহী যাৰ আগত ক'ব পাৰো হৃদয়ৰ সমস্ত কথা নিঃসংকোচে আৰু নিঃসন্দেহে। বয়সৰ ভিত্তিত মই বন্ধুত্ব নগঢ়ো। জ্যেষ্ঠ, কনিষ্ঠ সকলোৱে মোৰ বন্ধু। সম্বন্ধত দাদা হ'লেও হেমেনদাৰ সৈতে মোৰ বন্ধুত্বৰ সম্পৰ্ক। বয়সত সি মোতকৈ ডাঙৰ হ'লেও আমি পৰস্পৰে পৰস্পৰক বুজোঁ। আমি আমাৰ মনৰ সকলো সুখ-দুখৰ কথা ইজনে সিজনৰ আগত নিঃসংকোচে প্ৰকাশ কৰোঁ। সেইদৰে ৰঙিয়া মহাবিদ্যালয়ত লগ পোৱা মৃদুলদা, বিনোদ দা, দিগন্ত দা, কমল দা, চানি দা, দ্বীপদৰ্শন দা, বিকাশ দা আদি বহুতো জ্যেষ্ঠৰ সৈতে মোৰ সম্পৰ্ক হেমেনদাৰ দৰেই। এইসকল দাদাৰ সৈতে গঢ়ি উঠা বন্ধুত্বই মোক জীয়াই থাকিবলৈ যথেষ্ট প্ৰেৰণা দিছে। তেওঁলোকৰ মৰম স্নেহত মই সঁচাকৈয়ে অতি মুগ্ধ। আনহাতে কনিষ্ঠ হ'লেও জয়ন্ত, ধ্ৰুৱ, কমল, প্ৰণৱ, ভাস্কৰ, ৰবিউলহঁতৰ সৈতে মই বন্ধুত্বৰ এনাজৰীত বান্ধ খাইছো। সঁচাকৈয়ে নিভাঁজ তেওঁলোকৰ ভালপোৱা। তেওঁলোকক পাই মই বৰ সুখী।

কলেজীয়া জীৱনৰ যৱনিকা পৰিবলৈ সন্মুখত আছে মাথো কেইটামান দিন। ৰঙিয়া মহাবিদ্যালয়ত কটোৱা পাঁচটা বছৰ মোৰ জীৱনৰ পঞ্চ অমৃতস্বৰূপ। নদীৰ সোঁতেৰে বাগৰিছে সময়বোৰ। কলেজীয়া জীৱনৰ শেষ মুহূৰ্তত কেনেকৈ উপনীত হ'লো গমেই নাপালো। কিন্তু এইখন মহাবিদ্যালয়ত কটোৱা প্ৰতিটো সোণালী মুহূৰ্তই মোৰ স্মৃতিপটত সজীৱ হৈ আছে আৰু থাকিব। চন্দন, ৰূপম, সৌৰভ, তফি, যুৱৰাজ, বিশ্ব, ভাৰ্গৱ, নুৰ, শিখা, পাপৰি, কৰবী, ভনিতা, যৱনিকা, মাইনাও, অঙ্কিতা, ৰজিতা, মিতালীহঁতৰ লগত পাৰ কৰা মধুৰতম সময়খিনিৰ কথা মই কেতিয়াওঁ পাহৰিব নোৱাৰোঁ। আনহাতে যিখন মহাবিদ্যালয়ত পঢ়িবলৈ পোৱাটো মোৰ বাবে ভাগ্যৰ কথা আছিল সেইখন মহাবিদ্যালয়ত মই মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত জয়ী হৈছো। এই বিজয়ৰ আঁৰতো লুকাই আছে এইসকল বন্ধু-বান্ধৱীৰ অকৃত্ৰিম মৰম আৰু শুভেচ্ছা। মহাবিদ্যালয়খনত লগ পোৱা প্ৰতিজন বন্ধু-বান্ধৱীৰ ওচৰতে মই চিৰকৃতজ্ঞ। আমাৰ এই বন্ধুত্ব চিৰযুগমীয়া হওঁক, সময়ৰ প্ৰবাল সোঁতেও যাতে চিগিব নোৱাৰে প্ৰেম, ভালপোৱা আৰু বিশ্বাসেৰে গঢ় লৈ উঠা এই বন্ধুত্বৰ এনাজৰীডাল। তাৰেই কামনাৰে..... । ❑❑❑





# জীৱনত অৰ্থৰ প্ৰয়োজন আছেনে ?

মাৰকান্দা দাস
স্নাতক দ্বিতীয় বৰ্ষ



বৰ্তমান যুগত অৰ্থহীন জীৱন পংগুৰ নিচিনা। কাৰণ দৈনন্দিন জীৱনত আমি যিবোৰ সমস্যাৰ মুখামুখি হৈছো ,এইবোৰৰ প্ৰায় ভাগ সমস্যাই আৰ্থিক সমস্যা। আজিৰ যুগ অত্যাধুনিক। এই যুগত প্ৰতিজন মানুহৰেই প্ৰয়োজন হৈছে অৰ্থৰ। তেওঁলোকে চিনি পায় মাথোন অৰ্থ, সম্পদ আৰু ঐশ্বৰ্য্য। এই অৰ্থৰ ভোগ-লালসাই মানুহক কৰি তুলিছে মতলীয়া। দিন-ৰাতি এক কৰি হলেওঁ মানুহক লাগে মাথো সম্পদ। কাৰণ তেওঁলোক আজি বাধ্য।

ভাৰতৰ ৰাষ্ট্ৰপতি, মহামহিম ড° এ. পি, জে. আব্দুল কালাম আছিল একেবাৰে অতি দুখীয়া পৰিয়ালৰ ল'ৰা। তেখেতৰ দেউতাক আছিল এজন সাধাৰণ কাম কৰা মানুহ। আব্দুল সেই সময়ত পঢ়া শুনাত ভাল আছিল যদিওঁ আৰ্থিক সমস্যাই তেওঁৰ পঢ়াত বাধাৰ সৃষ্টি কৰিছিল। কিন্তু এই সকলো সমস্যা নেওঁচি তেওঁ তেওঁৰ সহানুভূতি, শ্ৰম আৰু কৰ্মৰ দ্বাৰা জীৱনত কৃতকাৰ্যতা লাভ কৰিছে। কঠোৰ শ্ৰমৰ দ্বাৰা মানুহে নিজৰ ভাগ্য সলনি কৰিব পাৰে। কিন্তু এইবোৰ সমস্যাৰ পৰা বিৰত থাকিবলৈ হ'লে মানুহ এজনৰ থাকিব লাগিব আত্ম সংযম, ন্যায় পৰায়নতা আৰু কঠোৰ শ্ৰম কৰাৰ ক্ষমতা।

মই আগতেই কোৱাৰ দৰে আজিৰ যুগ অত্যাধুনিক যুগ। এই অত্যাধুনিক যুগত মানুহ এজনে খোজ কাঢ়িলেওঁ অৰ্থ বা টকা-পইচাৰ প্ৰয়োজন হয়। মানুহে এই টকা পইচাৰ কাৰণে নিজৰ অমূল্য জীৱনটোওঁ বিপদৰ দিশত পৰিচালনা কৰিবলৈ লয়। আজিৰ এই মানৱ সমাজত যিজন মানুহৰ অৰ্থ, সম্পদ, টকা-পইচা, বিলাসৰ সামগ্ৰী আদি আছে তেওঁৱে হৈছে গুণী-জ্ঞানী আৰু সন্মানীয় ব্যক্তি। আনহাতে যিজন মানুহে ঘূৰি ফুৰিছে জ্ঞানৰ পিছে পিছে, ধনৰ পিছে পিছে নহয়, ভোগবাদী সমাজৰ দৃষ্টিত তেওঁৱে হৈছে অকামিলা, বাটৰুৱা, আন কথাত পাগল। এই সমাজত অৰ্থহীন মানুহৰ স্থান নাই। আছে মাথোঁ সিহঁতৰ নতুনক পুৰণি কৰা আৰু পুৰণিক নতুন কৰাৰ ক্ষমতা। সেই কাৰণে অমূল্য বৰাদেৱে তেখেতৰ কবিতাত কৈছে যে তেওঁলোকে খাইছে মাথো জীয়াই থাকিবৰ বাবে, খাৱৰ বাবে নহয়।

এই পৃথিৱীৰ বহুতো মানুহে এই দৰিদ্ৰতাৰ যাতনাত ভাগৰি পৰা মানুহবোৰৰ বিষয়ে বহুত কথা কয় কিন্তু দুখ ভৰা, বেদনাৰে পূৰ্ণ এই মানুহবোৰক সহায় কৰিবলৈ কোনেও আগুৱাই নাহে। তাৰ কাৰণ প্ৰতিজন মানুহেই ব্যস্ত নিজৰ নিজৰ কেৰিয়াৰ, নিজৰ নিজৰ কৰ্মক লৈ।

বিখ্যাত গ্ৰীক দাৰ্শনিক চক্ৰেটিছৰ জীৱন কাহিনীৰ বিষয়ে পৃথিৱীৰ প্ৰায়ভাগ শিক্ষিত মানুহেই শুনিছে। চক্ৰেটিছ এজন এনে মানুহ আছিল যিজন মানুহে টকা-পইচা, ধন-সম্পদ আদিৰ পিছে পিছে ঘূৰি ভালপোৱা নাছিল। আচলতে তেওঁৰ ধন বা সম্পদৰ প্ৰতি স্পৃহা নাছিল আৰু যিজন মানুহে এই ধন সম্পদৰ পিছে পিছে দিন-ৰাতি এক কৰি ঘূৰি আছিল, চক্ৰেটিছে সেই মানুহজনক ভাল পোৱা নাছিল। তেওঁ ভাল পাইছিল কেৱল সেইবোৰ মানুহক যিবোৰ মানুহ ঘূৰি ফুৰিছিল জ্ঞানৰ পিছে পিছে। সেই কাৰণে তেওঁ গ্ৰীচৰ সেই সময়ত ডেকা বুঢ়া সকলোকে উদ্দেশ্য কৰি কৈছিল, "বন্ধু সকল, তোমালোকে ধন-সোণ গোটাবলৈ যিমান সময় খৰচ কৰা, তাৰ এশ ভাগৰ এভাগ সময়ো খৰচ নকৰা নিজৰ সন্তানক সুশিক্ষা দিবৰ কাৰণে। অথচ তোমালোকৰ ধন-সম্পত্তিবোৰতো সিহঁতলৈকে এৰি থৈ যাব লাগিব। সু-শিক্ষা নোপোৱা তোমালোকৰ সন্তানসকলে তাৰ সৎ ব্যৱহাৰ কৰিব কেনেকৈ?"

সেই একেটা কথাকে আন এটা প্ৰসংগত তেওঁ অলপ বেলেগ ধৰণে কৈছিল "ধন ঘটাটো যিমান প্ৰয়োজন তাতকৈ বেছি প্ৰয়োজনীয় হ'ল ধনৰ সৎ ব্যৱহাৰ কৰিবলৈ শিকাটো। সেই কাৰণে এজন মানুহ ধনী হ'লেই তেওঁৰ প্ৰশংসা নকৰিবা। তেওঁ ধনবোৰ কেনেকৈ কি কামত খৰচ কৰে, সেইটো চাবলৈ অপেক্ষা কৰিবা। দাৰ্শনিক চক্ৰেটিছেও সমৰ্থন কৰিছিল যে পৃথিৱীত জীয়াই থাকিবলৈ অৰ্থৰ প্ৰয়োজন আছে। কিন্তু অকল ধন হ'লেই মানুহ এজন সুখী হ'ব নোৱাৰে, তাৰ লগত জানিব লাগিব ধনৰ সৎব্যৱহাৰ অৰ্থাৎ প্ৰকৃত শিক্ষা বা জ্ঞান। এই গোটেই খিনি কথা আলোচনা কৰি মই এইটো ক'ব খোজো যে মানুহৰ জীৱনত অৰ্থৰ প্ৰয়োজন আছে যদিও মানুহৰ প্ৰকৃত লক্ষ্য অৰ্থ নহয়। আচলতে অৰ্থ হ'ল মানুহৰ প্ৰকৃত লক্ষ্যত উপনীত হোৱাৰ এটা মাধ্যম আৰু এই লক্ষ্যত উপনীত হবলৈ মানুহৰ জীৱনত অৰ্থৰ প্ৰয়োজন আছে। ❑❑



# মোৰ স্বপ্ন

দিপাংকৰ ডেকা
স্নাতক দ্বিতীয় বৰ্ষ (কলা শাখা)



ব্ৰেটলীৰ ছৰ্টলেংথ বল। হুক নে পুল কৰিব নিমিষতে সিদ্ধান্ত কৰিব লাগিব। ছুপাৰছ'নিক বিমানৰ গতিৰে বলটো উঠি আহিছে। বাহুৰ সমানলৈ উঠিছে বলটো। দিপাংকৰে বেট ঘূৰাই হুক কৰি দিলে। থাৰ্ডমেন পজিছনলৈ বলটো উঠি গ'ল। দিপাংকৰে বলটো নহয়, থাৰ্ডমেনত কোনো ফিল্ডাৰ আছে নেকি চালে। নাই! বলটোৰ ওপৰত দৃষ্টি ৰাখি তীব্ৰগতিৰে দৌৰি আহিছে মাইক হাছী। বল তেতিয়াও শূন্যত। দিপাংকৰ নিশ্চিত হ'ল - বল সীমাৰেখাৰ ভিতৰত বা বাহিৰত পৰাৰ মুহূৰ্তলৈকে হাছী সেই ঠাইত উপস্থিত হ'ব নোৱাৰে। দিপাংকৰৰ উৎকণ্ঠা বলটোৱে কি উপহাৰ দিব। ফ'ৰ (4) নে ছিক্স (6) ? দৰ্শকৰ উল্লাসিত চিঞঁৰ তাৰ কাণত পৰিছে। 'ছিক্সাৰ' ছিক্সাৰ' বুলিয়েই সকলোৱেই চিঞৰিছে। কেইটামান শ্বাসৰুদ্ধ মুহূৰ্ত। বলটো সীমাৰেখাৰ বাহিৰত নে ভিতৰত পৰিল, দিপাংকৰে দেখা নাপালে। বেটিং ক্ৰীজৰ পৰা বাউণ্ডেৰী বহু দূৰ। আম্পায়াৰ হাৰপাৰেও কোনো নিৰ্ণয় ল'ব পৰা নাই। ৰাকী টকীটোৱে থাৰ্ড আম্পায়াৰৰ সহায় বিচাৰিছে। দিপাংকৰৰ এইবাৰৰ চকু গ'ল ষ্টেডিয়ামৰ গেলেৰীৰ ওপৰত থকা বৃহৎ টিভি স্ক্ৰীণখনলৈ। তাত ৰিপ্লে চাব। শ্ল'মোছনত ব্ৰেটলীৰ ছৰ্ট পিটচ্ বলটো হুক কৰিছে দৰ্শনীয় ভাৱে। বলটো উঠি গৈছে আকাশ চুবলৈ। শ্ল'মোছনত দৌৰিছে হাছী। এক নিৰ্দিষ্ট দূৰলৈ গৈ বলটো নামি আহিছে তললৈ। দেখা গ'ল বাউণ্ডেৰী ৰেখা। বলটো ৰেখাডাল চুই পাৰ হৈ গ'ল। দিপাংকৰ আশ্বস্ত হ'ল। তাৰ ৰাণ সংখ্যাত যোগ হ'ল-এটা ছিক্স। দৰ্শকৰ পুনৰ কিৰিলি। আম্পায়াৰ হাৰপাৰেও হাত দুখন ওপৰলৈ তুলি ছিক্সাৰৰ সংকেত দিলে।

ঃ ৱেলডান দিপাংকৰ! সুন্দৰ শ্বট খেলিছা তুমি।

অভিনন্দন সূচক কথাষাৰ কাণত পৰাত দিপাংকৰে উইকেটৰ সিটো মূৰলৈ চালে। মহেন্দ্ৰ সিং ধোনী আগুৱাই আহিছে দিপাংকৰৰ ফালে। দিপাংকৰো আগুৱাই গ'ল। ধোনীয়ে সোঁহাতৰ গ্ল'ভছ দিপাংকৰৰ সোঁহাতৰ গ্ল'ভছত মৃদুভাৱে স্পৰ্শ কৰি ক'লে- 'তোমাৰ এই শ্বটটোত আছে প্ৰচণ্ড বিশ্বাস। পাঁচ বছৰ আগতে এনে শ্বট ময়ো বহুত খেলিছিলো। তোমাৰ এই শ্বটটোৰ মাজত আজি মই নিজকে দেখিবলৈ পাইছো। খেলি যোৱা। সন্মুখত বলাৰ কোন চিন্তা নকৰিবা।"

কথাষাৰ কৈ ধোনীয়ে নিজৰ ঠাইলৈ গ'ল। দিপাংকৰ আনন্দত আত্মহাৰা হ'ল। সি কোনো উত্তৰ নিদিলে যদিও মনতে ভাবিলে- আপোনাৰ এই কথাষাৰ মোৰ বাবে প্ৰবল উৎসাহৰ। আপুনি নাজানে, মোৰ হৃদয়ত আপোনাকেই স্থাপন কৰি মই খেলি আছো। আপুনিয়ে মোৰ স্বপ্নৰ মানুহজন। যাৰ সৈতে মোৰ সেই স্বপ্ন বাস্তৱত ৰূপায়িত হৈছে। মোৰ স্বপ্নৰ ক্ৰিকেটাৰজনৰ লগত একেলগে খেলিছো। আপোনাৰ পৰা উৎপন্ন হোৱা অপৰিসীম উৎসাহ, প্ৰেৰণা আৰু মনোবলত মই আজি অপ্ৰতিৰোধ্য। হয়তো কৰ্ণ আৰু অৰ্জুনতকৈও ডাঙৰ যোদ্ধা! সন্মুখত মিচেল জনছন, ব্ৰেটলী যিমানেই ভয়াবহ বলাৰ নাথাকক কিয়, মোক কোনেও বশ কৰিব নোৱাৰে। মই দিপাংকৰ আজি অদমনীয়...!

ব্ৰেটলীয়ে অভাৰটোৰ তৃতীয় বলটো দিবলৈ সাজু হ'ল। নিজকে সংযত কৰি দিপাংকৰো সাজু হ'ল। অফ ষ্টাম্পৰ সামান্য বাহিৰত বল। নিখুট টাইমিং দিপাংকৰৰ। এটা স্কোৱাৰ ড্ৰাইভ। মাইকেল ক্লাৰ্কে কোনো সুযোগেই নাপালে। ক্লাৰ্কে সোঁফালে মৰা ড্ৰাইভক উপলুঙা কৰি পলকতে বাউণ্ডেৰী লাইনত পৰিলগৈ। পুনৰ ধোনী আগুৱাই আহি তাৰ গ্ল'ভছত মৃদুভাৱে খুন্দা মাৰিলে। সেই খুণ্ডাত হাজাৰ হাজাৰ শক্তি উৎপন্ন হ'ল দিপাংকৰৰ বাহুত। সঁচাই ধোনীৰ সংগই বেলেগ। ধোনীয়ে ক'লে "আজিৰ দিনটো তোমাৰ। সেইবাবে মই কেৱল তোমাৰ! তোমাক সহায় কৰাৰ চেষ্টা চলাই যাম।"

ঃ হ'ব ধোনীভাই। আপুনি মোৰ লগত থাকিলেই হ'ল। আপোনাৰ পৰা আয়ত্ব কৰা বেটিঙৰ শিল্পকলা আজি মই আপোনাকেই দেখুৱাম, ভুলবোৰ আপুনি আঙুলিয়াই দিব।

ঃ "দিপাংকৰ! তুমি মোতকৈও ভাল বেটিং কৰিছা।" ধোনীৰ চমু উত্তৰ।

ঃ ধোনী ভাই, ইউ আৰ গ্ৰেট! মইও আজি ধন্য। প্লিজ ধোনীভাই আপুনি নট আউট হৈ থাকিব। ধোনীভাই...।

ঃ বাবা ঐ বাবা, ঐ ধোনী তোৰ ওচৰত নাই।

হঠাৎ কাৰোবাৰ মাতত উচপ খাই উঠিল দিপাংকৰ। জাগ হৈ ৰ'ল। ❑❑❑ মাৰি উঠি চকু মেলি দেখে বিচনাৰ কাষত মাক। দিপাংকৰৰ স্বপ্ন আধৰুৱা





# প্ৰেম - কিছু অনুভৱ

ইফতিকাৰ চৌধুৰী
স্নাতক দ্বিতীয় বৰ্ষ



অপ্ৰকাশ্য আনন্দ আৰু তাত কিছু মিঠা বেদনা, অতিমাত্ৰ চতুৰালি আৰু অকণমান মূৰ্খামি, কিছু আবেগ, কিছু অনুভূতি, কিছু অপেক্ষা, অলপ পাগলামি আৰু কিছু বুজাব নোৱাৰা হেঁপাহ.... এইবোৰৰ সংমিশ্ৰণেই হেনো প্ৰেম।

প্ৰেম-এক মায়াসনা উমাল অনুভূতি। প্ৰেমৰ স্নিগ্ধতা আৰু কোমলতাই জীৱনত এবাৰলৈ হ'লেও সকলোকে শিকাই যায় জীৱনৰ গায়ত্ৰী মন্ত্ৰ। প্ৰেম আহে অজানিতে; মৃদু মলয়াৰ লয়লাস ভংগীৰে। নীৰৱ ক্ষণবোৰক ই কৰি তোলে সৰৱ। এক অনামী অনুভৱৰ বোল সানি ই হৃদয়ক সুখৰ ঠিকনাৰ সন্ধান দিয়ে। কম বেছি পৰিমাণে প্ৰেমত সকলোৱে পৰে, কিন্তু প্ৰেম সকলোৱে নকৰে। হয়তো গোপনে প্ৰেমিক বা প্ৰেমিকাক পূজা কৰে। বিভিন্ন সময়ত বিভিন্নজনক ভাল লাগে- এয়াইতো প্ৰেম! কিন্তু কেতিয়াবা এনেও হয় কাৰোবাক ইমান ভাল লগা হৈ পৰে যে তেওঁৰ অবিহনে আনৰ কথা ভাবিবই নোৱাৰি। ভবাটোও যেন অপৰাধ! তেওঁৰ প্ৰতি এনে ভাবো হৈ যায় যে তেওঁক নাপালেও যেন নোপোৱাৰ বেদনাখিনিকে লৈ জীয়াই থাকিবলৈ প্ৰস্তুত। অতীতৰ প্ৰেমৰ কাহিনী অধ্যয়ন কৰিলে দেখা যায় যে সেই যুগৰ প্ৰেমিক প্ৰেমিকা আছিল অত্যন্ত আবেগিক। উদাহৰণ হিচাপে ক'ব পাৰি মমতাজৰ প্ৰতি থকা মোগল সম্ৰাট ছাহজাহানৰ প্ৰেম-যি অমৰ হৈ ৰ'ল। ৰোমিঅ'-জুলিয়েট, চিৰি-ফৰহাৎ, ইউছুফ-জুলেখা আৰু লাইলা-মজনুৰ প্ৰেমৰ বিষয়ে ইতিহাস সাক্ষী হৈ থাকিল। এই প্ৰেমিকাক লৈ কবিয়ে লিখে কবিতা, সৃষ্টি হয় অমৰ কাব্যৰ। ডাণ্টেৰ 'ডিভাইন কমেডী' ইয়াৰ উপযুক্ত সাক্ষী। হিন্দু সকলৰ বিখ্যাত গ্ৰন্থ 'ৰামায়ণ' জানো ইয়াৰ ভিতৰতেই নপৰে। এই প্ৰেমৰ বাবেই গদাপাণিক সুঁৱৰি তিলতিলকৈ জয়মতীয়ে এদিন জেৰেঙা পথাৰত মৃত্যুবৰণ কৰিছিল। কোনো নাৰীৰ এধানি মৰমৰ বাবে ব্যাকুল হোৱা বিখ্যাত চিত্ৰকৰ ভিনচেণ্ট্ ভেনগঘক কিশোৰী প্ৰেমিকা বনিতা ৰাছেলে ধেমালীকৈ কাণ এখন খোজাত তেওঁ জানো সঁচাকৈ কাণ কাটি উপহাৰ দি কোৱা নাছিল- "কৈছিলা নহয়, মোৰ এখন কাণ লাগে বুলি, লোৱা এয়া!" প্ৰেম হয়তো এনেকুৱাই। প্ৰিয়জনৰ কাৰণে নিজক ধ্বংস কৰি দিব পাৰে। এই প্ৰেমৰ বাবেই ধ্বংস হৈছিল বিখ্যাত ট্ৰয় নগৰ। 'প্ৰেম' দুটা বৰ্ণৰ এই শব্দটিয়ে যিদৰে ইয়াৰ অস্তিত্ব হেৰুৱাব ধৰিছে, সম্ভৱতঃ আগন্তুক দিনত নিভাঁজ পৱিত্ৰ প্ৰেম পৰ্বতত কাছকণী বিচৰাৰ দৰে হ'ব। মৰিছাছ দ্বীপৰ দ'দ চৰাইৰ দৰে ই বৰ্তমান লুপ্তপ্ৰায় অৱস্থাত ধাৱমান। যিয়েই নহওঁক প্ৰেম কেৱল দুটি বৰ্ণৰ এটি শব্দই নহয়, ইয়াৰ স'তে আছে হৃদয়ৰ বুজাবুজি, কিছুমান মাতাল প্ৰেমিক-প্ৰেমিকাৰ হাতত ইয়াৰ অস্তিত্ব সংকটাপন্ন হ'লেও প্ৰেম সকলোৰে উৰ্ধ্বত। প্ৰেম হৃদয়ৰ এক গোপন অনুভৱ। প্ৰেম হ'ল সুপ্ত হৃদয়ক জীপাল কৰি তোলা এক মিঠা অনুভূতি। প্ৰেম আৰু ভালপোৱা ভগৱানৰ উপহাৰ, ইয়েই জীৱনলৈ পূৰ্ণতা আনে। বিখ্যাত মনীষী ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাৰে- 'পৃথিৱীত ভয়ক যদি কোনোৱাই অতিক্ৰম কৰিব পাৰে, মৃত্যুক উপক্ষো কৰিব পাৰে, বিপদক তুচ্ছ কৰিব পাৰে, ক্ষমতাক অগ্ৰাহ্য কৰিব পাৰে তেন্তে সেয়াই প্ৰেম।' ❑❑❑

# অনুভৱৰ শীৰ্ষবিন্দুত তোমালোকৰ প্ৰতিচ্ছবি

বিদ্যুৎ বেজবৰুৱা
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

মৰমৰ '.....'

পত্ৰৰ আৰম্ভণিতে শাৰদীয় সম্ভাষণ জনাইছোঁ। গ্ৰহণ কৰিবা। আজি বহুদিনৰ মূৰত তোমালোকলৈ একলম লিখো বুলি ভাবিছো। আশা কৰোঁ ভগৱানৰ কৃপাত আটায়ে কুশলে আছা। আছোঁ, মইয়ো কুশলে আছোঁ। কিন্তু তোমালোকে ভবাৰ দৰে নহয়, অলপ বেলেগ ধৰণে আছোঁ। তোমলোকেতো জানাই- বৰ্তমান মই এটা পাঠকৰ ৰসহীন এলাগী কবিতা। সাম্প্ৰতিক সময়ত মোৰ স্থান যক্ষ মহানগৰীৰ কোনো এটা ডাষ্টবিনত।

.... সেই যে দেউতাই ধাননি ডৰা সিঁচিছিল , এতিয়া পকিছে। বৰ কষ্ট হৈছিল দেউতাৰ ....! নাই, দেউতাই ৰখিব সময় নাপায় নহয়; সেইবাবে ময়েই ৰখিব লগা হৈছে। এই যে বতা টোকোৰাবোৰ ....! সিহঁত বৰ দুষ্ট, জানানে ....!! কি কৰিবা ? উপায়তো নাই; সিহঁতেওতো জীয়াই থাকিব লাগিব। নে কি কোৱা.... ?

...... তোমালোকৰ হেনো পৰীক্ষা আহিল। প্ৰস্তুতি কেনেকুৱা ? ভালে আছাঁতো ? তোমালোকৰ স'তে মোৰ শুভকামনা সদায় থাকিব। তোমালোকেও চাগে' অধীৰ অতীব আগ্ৰহেৰে বাট চাই আছা সেই অক্লান্ত ক্ষণলৈ ! ক'লৈ যাবা ? ডিব্ৰুগড়ৰৰ নাহৰৰ ছাঁ নে গুৱাহাটীৰ কৃষ্ণচূড়াৰ সুবাস বুটলিবা ? মোৰ হ'লে ভাই নাহৰৰ ছাঁ লোৱাৰ বৰ হেঁপাহ আছিল ! ... আশাই যে মানুহক হতাশাত ভোগায়। সেইটো আজিকালি মই ভালকৈ বুজি পোৱা হ'লো, জানা !! সকলো বিচৰা ধৰণে পোৱা হ'লে মানুহক নোপোৱাৰ বেদনাই কেতিয়াও আমনি নকৰিলেহেঁতেন। ঠিক আছে। য'লৈ ভাল দেখা তালৈ যাবা, কিন্তু অতীতক পাহৰি নাযাবা.... ।

শ্ৰদ্ধাৰ ছাৰ-বাইদেউসকল কুশলে আছেনে ? তেখেতসকলে আমাৰ কাৰণে বৰ কষ্ট কৰিছিল। সেইবাবেইটো তোমালোকে পাৰ হৈ যোৱা সময়খিনিত ভাল ফল দেখুৱালা আৰু মই... ? তোমালোক যেন আজি গভীৰ সাগৰৰ মূল্যৱান মণি-মুকুতা আৰু মই ? মই যেন সাগৰৰ তীৰৰ এটি মূল্যহীন শামুকৰ খোলা !! সঁচাকৈয়ে চাৰ বাইদেউসকলে আমাক বৰ মৰম কৰিছিল, নহয়নে ? ... ।





..... শুনিছো তোমালোকে হেনো আজি কালি পুখুৰীৰ পাৰত নবহা হৈছাঁ। কিয় ? তাত বহিলে মানুহ বেয়া হয় নেকি ? মিছা কথা। নিজকে চম্ভালিব পৰাটোও আচল কথা। আমি সেইটোক লণ্ডনৰ 'টেমছ' নদীৰ লগত তুলনা কৰিছিলোঁ !! জীৱনত যে কেতিয়াবা 'টেমছ' নদীৰ পাৰত সূৰ্যাস্তৰ সুবাস লৈ মনতে গুণ গুণাম "...... বিদেশত আপোন মানুহ ..." সেইটোতো সন্দেহ আছে!!!

কেতিয়াবা কেতিয়াবা নিসংগ মুহূৰ্তত তোমালোকৰ কথাবোৰে মনটোক বৰকৈ আমনি কৰে অ'। এনে এটা সময়তে তোমালোকে মোৰ দুচকুত ধৰা দিছিলা আৰু তোমালোকেও আপোন হৃদয় দুৱাৰ খুলি মোক আঁকোৱালি লৈছিলা। তোমালোকৰ মাজৰে যদি কাৰোবাক অভিমান সামৰিব নোৱাৰি থাকি গ'লো; পাৰিলে ক্ষমা কৰিবা ! সেই যে মই দুষ্ট দুই এটা কবিতা লিখিছিলোঁ, সেইবোৰ এতিয়া নাই; পৰিস্থিতিয়ে হৃদয়খন বৰ কৰ্কশ কৰি পেলাইছে, জানানে.... ? এয়াই বাস্তৱ। আঃ কি নিষ্ঠুৰ ... !!!

কথা এটা কওঁ শুনা - মোৰ যে ম'বাইল ফোনটো- সি হেৰাল। সেইবাবেই তোমালোকক অতদিনে আজিৰ সভ্যতাৰ পৰিচয় হিচাপে ৰং-বিৰঙৰ এছ এম.এছ. দিব পৰা নাই ! আৰু বেলেগ এটা নলওঁ বুলি ভাবিছোঁ। যান্ত্ৰিকতাৰ মাজতনো আৰু কিমান সোমাই থাকিম ? ভাল নলগা হৈ পৰিছে অ'।

দেউতাৰ ধাননি ডৰাই ভৰ পক লোৱাৰ দৰে তোমালোকৰো এতিয়া পঢ়াৰ সময়। সেয়ে দীঘলীয়া চিঠি লিখি আমনি নিদিও। ইফালে চাকিগছিটো তেল নাই। দৰিদ্ৰতাৰ সংজ্ঞা তাহানি ইক'ন'মিক্সত যে পঢ়িছিলোঁ, সেয়া আজি মৰ্মে মৰ্মে মোৰ চৌপাশে প্ৰতিভাত হৈছে! মই যেন আজি এক কাঁচৰ দাপোণ!

... আজি চৰাইবোৰ আকৌ আহিব আমাৰ ধাননিডৰালৈ। আহিলে আহক, আজি আৰু মই সিহঁতক বাধা নিদিওঁ। নাইবা নাগাও কোনো কাৰ্বি গাভৰুৰ মায়া সনা গীত "হুৰ হুৰ বতাহ চৰাই, মোৰ ধান নাখাবি তই, তোক দিম গোটা কৰাই... ।"

পাহাৰৰ শিখৰত এতিয়া অসহায় গছবোৰে আঘোণ মাহৰ সেমেকা শীতত কঁপিছে। অৰণ্য নিজম। মাথো সাৰে আছো মই! আকাশ ক'লা ডাৱৰে চানি ধৰিছে। অথচ বৰষুণ নাই। উটুৱাই দিব পৰা নাই ফুটপাথৰ সমস্ত বিষাদতা !!! মৌনতাৰ কোলাহলত কেৱল বিষাদৰ ভাষা ! বিমূৰ্ত নিশাটিত কেতিয়াবা মোৰ দৰে তোমালেকেও ভাবানে জীৱনৰ কথা ??

সময় পালে লোহিতদাৰ কেণ্টিনলৈ এবাৰ মোকো মাতিবাচোন! মাঘৰ মেঘালী সন্ধিয়াৰ কিন -কিনিয়া বৰষুণ জাকৰ মাদকতা লৈ হীৰুদাৰ দুই-এটি কবিতা আবৃত্তিৰে অতীত ৰোমন্থন কৰি বুৰ যাম নষ্টালজিয়াৰ মাজত তোমালোকৰ স'তে !!!

আজিলৈ আৰু বিশেষ নিলিখি পুনৰ মৰমেৰে পত্ৰ সামৰিলোঁ।

প্ৰান্তত -

তোমালোকৰ বন্ধু
'জোন'
(অন্তৰংগ বন্ধু কবি ৰিংকু সমাদ্দাৰৰ হাতত)

❑❑❑



# জীৱনৰ কুৰুক্ষেত্ৰ

সত্যজিৎ বৈশ্য
উঃ মাঃ দ্বিতীয় বৰ্ষ

কুৰুক্ষেত্ৰলৈ আহিবি জ্যোতিকা.....
উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলৰ দিন... ২৩ মে', ২০১১....
আত্মীয়ৰ হিংসাত্মক চকুৰ কবলত পৰা এটা পৰিয়ালে আশাৰে বৈ আছিল.........
লগতে মইও বৈ আছিলো এটি গৌৰৱাত্মক উত্তম ফলাফলৰ বাবে। ঠিক তেতিয়াই এচাম
বন্ধুৰূপী শত্ৰুৰ হাতত বলি হয় জ্যোতিকা কুমাৰ। সেই খবৰ শুনি কিছু সময় থমকি ৰৈ
উচুপি উচুপি কান্দিছিলো, কোনেও নেদেখাকৈ অনুভৱ কৰিব নোৱাৰাকৈ।
সিহঁতৰ ফলাফল শুনি কাৰ ওচৰত কৰিছ অ' তই থেহ,
কোনে ভাঙিব তোৰ অভিমান, আনকি মইও...
আনকি মইও নোৱাৰো কবিতাৰে তোক নিচুকাব।
মই বুজো- অ' তোৰ যে দুখ আকাশ নেদেখাৰ, নেদেখিলেও বুজো একেলগে কিমান নামিব পাৰে বাৰিষা,
ধুমুহা তোৰ হৃদয়লৈ, এটা পৰিয়াললৈ, কাৰোবাৰ পাপে তোক চুব ধৰা সেই পাপী জনলৈ। মোৰে শপত তই নেকান্দিবি
'মুনু' নেকান্দিবি, দুখ নকৰিবি, কান্দোনৰ শব্দত কাৰ হয় লাভ ? মইতো নেজানো।
চকুৰ পানীৰে আকাশ ঢাকিলে, বিচনা তিতালে অন্ত হয় জানো দুখৰ ? নতুন দিনৰ কুৰুক্ষেত্ৰৰ বাবে নিজকে
সাজ 'মুনু' নিজকে সাজ, হাতত দা-খন লৈ এন্ধাৰতো অনুমান কৰিব শিক,
হিংস্ৰ চকু দুটাৰ কিমান তলত সিহঁতৰ ডিঙিবোৰ।।
পৰশ্ৰীকাতৰ মনবোৰৰ কিমান ওপৰত তোৰ চিন্তাবোৰ,
চালনা আৰু নপতাফুকনৰ ফলাফলৰ কিমান ওপৰত তোৰ ফলাফলৰ জ্ঞানবোৰ
২৫ জানুৱাৰী, ২০১০.,... তোৰ বাৰু মনত আছেনে ? জ্যোতি ? অ' তই দিয়া উপহাৰটো কি যে মজাৰ।।
এন্ধাৰক নেসাবটিবি তই, হৃদয় কৰি ৰাখ ফৰকাল।
উচ্চতৰ মাধ্যমিক চূড়ান্ত বৰ্ষৰ পৰা স্নাতকলৈ কঢ়িয়াই লৈ যাম আমি বিপ্লৱৰ ফলাফল।
মই জানো অ'-মই বুজো অ'-তোৰ বুকুত থকা একাঁজলি সপোনৰ কথা,
যদিও বুকুত খুন্দিয়াই ধুমুহাই, পাৰ ভাগে দুখৰ দিনৰ পাগলাদিয়াই; তথাপি চা মই কন্দা নাই, তইয়ো নেকান্দিবি জ্যোতি ....
তোৰ সমষ্ট দুখ, সমষ্ট শোক, সমষ্ট চকুপানী
অথলে নেযায়, যাবলৈ নিদিওঁ....
অ' মোৰ বুকুৰ এফাল জ্যোতিকা
তই আহিবি, তই আহিবি, তই আহিবি দেই ....
নতুন দিনৰ কুৰুক্ষেত্ৰলৈ
তাতেই আমি পান কৰিম...
চালকৰ চালনা, নপতাফুকনৰ ডাঙৰ ডাঙৰ কথা
আৰু পান কৰিম দূঃশাসনৰ ৰক্ত। ❑❑❑





# "Me" in Twilight years

***Bulbul Barman***
T.D.C 3rd year

This is the natural phenomenon that every living being should grow up, become young and then finally achieve their twilight years, Though we all accept that "Old is Gold", does any one like to become old ? Everyone seeks the advice of anexperienced man for anything, but does any one feel good to be experienced enough, to gain so many experiences of the world and to leave the world, the beauty magnificence and charm of the life ? Obviously not, no one likes to be old to go to the Autumn of life. Everyone wants to live in spring in their youth. We all love the taste of youth, the Golden season of life. Whether we like or dislike cruel hands of time take away youth and make us old.

As our life, we also come to Autumn season when we study in a institution. When we come to our college in the early first year, we are as new born childs as we continue, day by day we become younger we are introduced to our honourable teachers, respected elder brothers and sisters in the college. We within a short period, become a family. When we become young in our college life. We do so many joshela works, such as singing in the functions, playing and gossiping with friends. We read well with the help of our gurus. we enjoy our college life enormously.

When a boy or a girl comes to a college he can be compared to a candle. In the starting when we light a candle it gives us a delight light and we change the dark room to a bright one. But the very shoot of nature is that gradually the candle becomes old, it becomes shorter and the room becomes darker and darker. Finally the candle melts completly and the room become dark. Will I ................ also melt and make my room dark ? As after one candle we light another and forget the first. Will all.......... forget me ?

Now, I am in my Autumn season. As all of us is known well that we remember our past in our Autumn. When I came to college, my first college day. Choudhury sir, asked me a voice change - "I have a pen."

When I wonder my past, I get that I was loved by my friends. All my friends were lovely to me. One incident I would like to share with you that when I was a new comer, one of our friends thought me to be her senior, and asked me about room number, I told her the opposite direction, because I also didn't know the same. Again, I and two of my friends asked her name, hobbies etc. She sang a very nice song infront of us. After this when she was gone, We the three idiots laughed too much. There are so many memories of my college life , which disturbs me a lot, though some are too personal, some increases my heart beats. I have gained a lot in my memorable temple also lost my dear and near ones. At the end I must pray my honourable teachers and my dear friends please keep me in your heart, don't throw me out as a useless piece of candle.

❑❑❑

## বিশিষ্ট সাহিত্যিক
# ড° বসন্ত কুমাৰ ভট্টাচাৰ্য্যৰ
## সৈতে এটি আলাপ



*ছাৰ, প্ৰথমে আপোনাক ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ ফালৰ পৰা নমস্কাৰ জনালোঁ।*

ঃ ধন্যবাদ।

*ছাৰ, ক'ৰপৰা আৰু কেনেদৰে আপোনাৰ সাহিত্যক জীৱনৰ আৰম্ভ হৈছিল?*

ঃ- ছাত্ৰাৱস্থাৰে পৰা সাহিত্যিত মোৰ মন-প্ৰাণ নিবিষ্ট। গৰ্ডন হাইস্কুল (নলবাৰী) ৰ নৱম শ্ৰেণীৰ ছাত্ৰ হৈ থাকোতে (১৯৫৭), স্কুলৰ বাৰ্ষিক মুখপত্ৰ 'নৈবেদ্য'ত মোৰ কবিতা এটি প্ৰকাশ পাইছিল। কবিতাটোৰ শিৰোনাম 'অকলশৰীয়া'। এই কবিতাটোৱেই মোৰ প্ৰথম ছপা আখৰত প্ৰকাশিত কবিতা। ইয়াৰ পূৰ্বে মই নাটক আৰু গল্পও লিখিছিলোঁ যদিও সিবোৰে ছপা আখৰৰ মুখ দেখা নাছিল।

*সাহিত্য বুলি ক'লে প্ৰথমতে আপোনাৰ মনত কেনে ধৰণৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় ?*

ঃ- সৌন্দৰ্য্য বাসনা আৰু আনন্দাভিলাষ, মানুহৰ সহজাত প্ৰবৃত্তি আৰু এই দুই প্ৰবৃত্তিয়ে মানুহৰ মনক মুক প্ৰকাশ প্ৰাৰ্থনা জনাই থাকে। ফলস্বৰূপে সৃষ্টি হৈ আহিছে স্থাপত্য, ভাস্কৰ্য, সংগীত, চিত্ৰ, নৃত্য আৰু সাহিত্য - এই ছয় প্ৰকাৰ সুকুমাৰ কলা। সংস্কৃত আলংকাৰিক সকলে সাহিত্যৰ সূত্ৰ দিছে এইদৰে ঃ (১) সহিতস্য ভাব - 'সাহিত্য' আৰু (২) হিতেন সহ বৰ্ত্তমন ঃ তস্য ভাব - 'সাহিত্য'। সাহিত্যত মিলনৰ ভাব ব্যক্ত হয়; এই মিলন - শব্দাৰ্থৰ মিলন; অতীত, বৰ্ত্তমান আৰু ভবিষ্যতৰ মিলন আৰু মানুহৰ লগত মানুহৰ মিলন। আনহাতে, সাহিত্যৰ সম্বন্ধ হিত বা মংগল সাধন কৰা। গতিকে সাহিত্য বুলি ক'লে মানুহৰ মাজত পাৰস্পৰিক সংযোগ স্থাপনৰ যোগেদি মানুহক মংগলময় আৰু উন্নততৰ জীৱন-যাপনৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব পৰা এক বিশিষ্ট কলামাধ্যম বুলি মই বিশ্বাস কৰোঁ।

*আপোনাৰ মতে জাতীয় চেতনাৰ জাগৰণৰ ক্ষেত্ৰত ভাষা-সাহিত্যই কেনেধৰণৰ ভূমিকা গ্ৰহন কৰে ?*

ঃ- জাতীয় চেতনা জাগৰণৰ ক্ষেত্ৰত ভাষা-সাহিত্যৰ ভূমিকা অনতিক্ৰম্য, বিস্ময়কৰ। প্ৰাচ্য-পাশ্চাত্য উভয় দিশতেই বৰেণ্য সাহিত্যিক সকলৰ ৰচনাই জাতীয় চেতনাৰ জাগৰণ ঘটোৱাত কেনে বৈপ্লবিক ভূমিকা পালন কৰি আহিছিল, তাক বিশ্ব সাহিত্য অধ্যয়ন কৰিলেই অনুধাবন কৰিব পাৰি। পাশ্চাত্যৰ মেক্সিম গৰ্কী, ভল্টেয়াৰ, আমাৰ মহাপুৰুষ শংকৰদেৱ আদিৰ বৰঙণি এই প্ৰসংগত উল্লেখ কৰিব পাৰি।

*অসমীয়া সাহিত্যৰ ভবিষ্যৎ কিমানখিনি উজ্জ্বল বুলি আপুনি ভাবে? আপোনাৰ দৃষ্টিত অসমত এনে কোনো নতুন 'মেধাৱী' আছেনে, যাক লৈ আপুনি এশ শতাংশই আশাবাদী ?*

ঃ- অসমীয়া সাহিত্যৰ ভবিষ্যৎ অতি উজ্জ্বল। অসমত নতুন প্ৰজন্মৰ অসংখ্য মেধাৱী আছে। সেই সকলৰ নাম উল্লেখ নকৰিও মই ক'বলৈ দ্বিধাবোধ নকৰোঁ যে সেই সকলৰ সৃষ্টি-চৰ্চাৰ ওপৰত মই এশ শতাংশই বিশ্বাসী।

*'বোলছবি আৰু সাহিত্য অংগাংগীভাবে জড়িত'। এতিয়া প্ৰশ্ন হ'ল, বোলছবিৰ উন্নতিয়ে সাহিত্যৰো উন্নতি সাধিব বুলি আপুনি ভাবেনে?*

ঃ- নাভাবোঁ। বোলছবি আৰু সাহিত্যৰ মাজত যি সম্পৰ্ক তেনে সম্পৰ্কৰ ভিত্তিত বোলছবিৰ উন্নতি য়ে সাহিত্যৰ উন্নতি অথবা সাহিত্যৰ উন্নতিয়ে বোলছবিৰ উন্নতি সাধন কৰাৰ কোনো পথ নাই। বোলছবিৰ দিশত উন্নতি সাধন কৰা দেশ এখন সাহিত্যৰ দিশত অনুন্নত অথবা সাহিত্যৰ দিশত উন্নত দেশ এখন বোলছবিৰ দিশত অনুন্নত হৈ থাকিবও পাৰে।

*অসমীয়া ভাষা কোৱা লোকৰ সংখ্যা কমি অহালৈ চাই ইয়াৰ পথাৰখন কিমান দূৰ সুৰক্ষিত আৰু সুপ্ৰতিষ্ঠিত বুলি আপুনি ভাবে ?*

ঃ- অসমীয়া ভাষা আৰু সাহিত্য পুৰণা আৰু ঐতিহ্যপূৰ্ণ। এই ভাষা কোৱালোকৰ সংখ্যা হ্ৰাস পালেও ইয়াৰ ভবিষ্যৎ সুৰক্ষিত আৰু সুপ্ৰতিষ্ঠিত। প্ৰতিকূল পৰিস্থিতিতো অসমীয়া ভাষা-সাহিত্যই নিজৰ স্থিতি আৰু গতি নেহেৰুৱায়।

*এগৰাকী সচেতন অসমীয়া হিচাপে অসমীয়া ভাষা তথা জাতিটোক ধ্বংসৰ গৰাহৰ, খহনিয়াৰ পৰা ৰক্ষাৰ ক্ষেত্ৰত আপুনি কেনে ভূমিকা পালন কৰিছে, সেইকথা দ্বিতীয়বাৰলৈ আমাক ক'ব নালাগে। এতিয়া প্ৰশ্ন হ'ল - এই ক্ষেত্ৰত আপুনি ভৱিষ্যতলৈ কেনে ধৰণে সাজু ?*

ঃ- অসমীয়া ভাষা-সাহিত্য ৰক্ষাৰ স্বাৰ্থত ওৰেটি জীৱন যথাশক্তি নিজকে নিয়োজন কৰিম বুলি মই সংকল্পবদ্ধ। অৱশ্যে নিজৰ শক্তি আৰু দক্ষতা সম্পৰ্কে মই অতিকৈ সচেতন।

*সম্প্ৰতি আমি হেৰুৱাব লগীয়াত পৰিলোঁ-আমাৰ সাহিত্য জগতৰ উজ্জ্বল নক্ষত্ৰ স্বৰূপ জ্ঞানপীঠ বঁটা বিজয়িনী ড° মামণি ৰয়ছম গোস্বামী বাইদেউক। এতিয়া প্ৰশ্ন হ'ল - ড° গোস্বামী বাইদেউক আপুনি কেৱল এগৰাকী নাৰীবাদী লেখিকাই বুলি ভাবেনে সমাজ চেতনাৰ অন্য কিবা গুণো তেখেতৰ থকা বুলি ভাবে ?*

ঃ- মামণি বাইদেউক মই নাৰীবাদী লেখিকা বুলি নকওঁ। তেওঁ এগৰাকী মানৱতাবাদী লেখিকা। অন্যায় অবিচাৰ, কু-সংস্কাৰ, অন্ধবিশ্বাস আদিৰ বিৰুদ্ধে প্ৰতিবাদৰ ধ্বনি তুলি তেওঁ বিচ্ছুৰিত দীপ্তি, মানৱতাবাদী আদৰ্শেৰে মহীয়ান। মামণি বাইদেউৰ সমাজ-চেতনা অবিস্মৰণীয়।

*নহ'লেনো 'প্ৰতিবাদী কণ্ঠস্বৰূপ অধিকাৰিণী' হ'ব পাৰেনে? এগৰাকী সফল সাহিত্যিকৰ ক্ষেত্ৰত কোনটো দিশ আপুনি গুৰুত্বপূৰ্ণ বুলি ভাবে?*

ঃ- সকলো দিশেই গুৰুত্ব পূৰ্ণ। বিভাজন কৰি দেখুৱাব পৰা নাযায়।

*এই ছাৰ, আপোনাৰ 'স্বপ্ন-দুঃস্বপ্নৰ ভগ্নাংশ' এখন সুন্দৰ কিতাপ। এই কিতাপখনত আপুনি উল্লেখ কৰা ধৰণে, 'মিছেছ চক্ৰৱৰ্ত্তী'ৰ আধাৰত লিখিব বিচৰা 'আকাশ বিচৰা তুমি' কিতাপখন লিখা হ'লনে আৰু 'মই কেনে আছোঁ' গল্পটোত উল্লেখ কৰা 'মাধৱহঁত'ৰ ঘৰলৈ যোৱা হেঁপাহৰ অন্ত পৰিলনে?*

ঃ- প্ৰশ্নটোৱে মোক অভিভূত কৰিছে। পিছে দুখেৰে জনাওঁ যে মিছেছ চক্ৰৱৰ্ত্তীৰ আধাৰত লিখিব বিচৰা কিতাপখন লিখিবলৈ আজিও আৰম্ভ কৰিব পৰা নাই। সেইদৰে মাধৱহঁতৰ ঘৰলৈও যোৱাৰ হেঁপাহ পলুৱাব পৰা নাই। অৱশ্যে আশা এৰি পেলোৱা নাই।

*ছাৰ, আপোনাৰ শিক্ষক জীৱনৰ কিবা বিশেষত্ব আছে নেকি যাৰ বাবে আপুনি এবাৰ অৱসৰ লোৱাৰ পিছতো আন এটা শিক্ষানুষ্ঠানত সেৱা আগবঢ়াই আছে ?*

ঃ- শিক্ষকতা বৃত্তি মোৰ চেতনাৰ অংগ। শ্ৰেণীকক্ষত ছাত্ৰ-ছাত্ৰীক পাঠদান কৰি মই পৰম তৃপ্তি অনুভব কৰোঁ। সেয়েহে সুযোগ পোৱালৈকে আৰু শৰীৰে অনুমতি দিয়ালৈকে মই শিক্ষাদানতে নিজকে নিয়োজন কৰি ৰাখিম।

*ছাৰ, বহু সময়ত বহুতৰে মুখত শুনা যায়, 'আজিৰ যুৱ সমাজ উশৃংখল আৰু অশ্লীলবাদী'। এই ক্ষেত্ৰত আপোনাৰ মতামত কি?*

ঃ- কথাটো মই তেনেধৰণে নাভাবোঁ। উশৃংখল বুলি যুৱ সমাজখনক দোষাৰোপ কৰাৰ মানসিকতা মোৰ নাই। যুৱ সমাজৰ সৰহ সংখ্যকেই সমাজখনক ধ্বংসৰ গ্ৰাসৰ পৰা মুক্ত কৰিবলৈ, সমাজখনক আলোকময় কৰি তুলিবলৈ নিৰন্তৰ প্ৰয়াস কৰা নাই জানো ? ক'ৰবাত, কোনোবা এজন-দুজনে উশৃংখলতাৰ দৃষ্টান্ত দেখুৱাব পাৰে, সেই বুলি যুৱ সমাজখনকে সামগ্ৰিক ভাবে দোষাৰোপ কৰাটো উচিত বুলি মই নাভাবোঁ। অশ্লীলতা বা অশালীনতাৰ ক্ষেত্ৰতো সেই একেই কথা।

*অসমীয়া জাতিটো এখন ফুলাম গামোচাৰ নিচিনা। বিভিন্ন জাতি-জনজাতিৰ সংমিশ্ৰণত অসমীয়া জাতি গঢ়ি উঠিছে। কিন্তু দুৰ্ভাগ্যবশতঃ আজি কিছুবছৰৰ আগৰেপৰা মূল অসমীয়া জাতিটোৰ পৰা ফালৰি কাটি কোনো কোনো উপজাতি-জনজাতিয়ে সুকীয়া সুকীয়া জাতি গঠনৰ বাবে চেষ্টা চলাই থকা আমি দেখিছোঁ। আচলতে এতিয়া বৃহৎ অসমীয়া জাতি ক'ত? ৰাজনৈতিক কাৰণত বিভিন্ন জাতি-জনজাতিয়ে নিজৰ নিজৰ পৰিচয় সলনি কৰিবলৈ বাধ্য হৈছে নেকি?*

ঃ- অকল ৰাজনৈতিক কাৰণতে নহয়, সামাজিক সাংস্কৃতিক, ভৌগোলিক, অৰ্থনৈতিক, বাণিজ্যিক শৈক্ষিক আদি ভালেমান কাৰণত অসমীয়া জাতি সত্তা আজি চৰম বিপৰ্যয়ৰ সন্মুখীন হৈছে। বিচ্ছিন্নতাবাদী ধ্যান-ধাৰণা বৰ ভয়ংকৰ। ই মানুহৰ সম্প্ৰীতি বিনষ্ট কৰে।

*ছাৰ, বৰ্ত্তমান অসমৰ ঐতিহ্য 'কটন মহাবিদ্যালয়' এখন বিশ্ববিদ্যালয় হ'বলৈ গৈছে। ইয়াৰ দ্বাৰা অসমীয়া ছাত্ৰ-ছাত্ৰী সকলৰ কিমান খিনি লাভ বা লোকচান হ'ব পাৰে? আপোনাৰ মতামত?*

ঃ- মই, 'কটন মহাবিদ্যালয়', 'কটন মহাবিদ্যালয়' হৈ থকাটোৱেই মনে-প্ৰণে বাঞ্চা কৰোঁ। 'কটন বিশ্ববিদ্যালয়' হোৱাটো নিবিচাৰোঁ।

*ছাৰ, আপুনি ৰঙিয়া মহাবিদ্যালয়লৈ বহুবাৰ আহিছে। ইয়াৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলক আপুনি কিবা ক'ব নেকি, যিখিনি বহুবাৰ আহি কৈ যোৱাৰ পিছতো ৰৈ গ'ল ?*

ঃ- ৰঙিয়া মহাবিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰী সকলক মইনো কি ক'ম? মই বিশ্বাস কৰোঁ - 'শ্ৰমৰ বিকল্প নাই'। ৰঙিয়া মহাবিদ্যালয় পৰিয়ালেও নিশ্চয় এই কথা মনত ৰাখি আগুৱাই আছে আৰু আগুৱাই থাকিব 'চৰৈবেতি'-'চৰৈবেতি'।

*শেষত আপোনাৰ বহুমূলীয়া সময় নষ্ট কৰি আমাক অলপ সময় দিয়া বাবে ধন্যবাদ জনাইছোঁ আৰু আপোনাৰ সপোনবোৰ বাস্তৱত পৰিণত হ'ব বুলি আশা কৰিছোঁ।*

ঃ- ধন্যবাদ। ইংৰাজী নতুন বছৰৰ শুভেচ্ছা আগতীয়াকৈ জনাই থলোঁ।

❑❑❑



নেপালী সংস্কৃতিৰ অন্য এক বৈশিষ্ট্য হ'ল বিষ্ণু-লক্ষ্মী বিবাহ পদ্ধতি। নেপালী দৰা বিলাকে শহুৰৰ পৰা একো দাবী কৰিব নোৱাৰে। বামুণবোৰেও যজমানৰ পৰা একো দাবী কৰিব নোৱাৰে। যিপায় তাতেই সন্তুষ্ট হব লাগে। সনাতন হিন্দুধৰ্মী নেপালী তিৰোতা জনীয়ে তাইৰ জীৱন কালত নিজৰ স্বামীৰ বাহিৰে আন কোনো পুৰুষৰ ভৰিত মুৰ ৰাখি সেৱা নকৰে। বিবাহত দৰাই নিজ হাতে কইনাৰ কপালত সেন্দুৰ আৰু গলত পোতে (সেউজীয়া মণিৰ মালা) পিন্ধায়।

# অসমৰ নেপালী জাতি আৰু সংস্কৃতিৰ চমু পৰিচয়

মিলি ছেত্ৰী
তৃতীয় বাৰ্ষিক, কলা শাখা

অসম এখন বিশাল সাংস্কৃতিক বৈচিত্ৰ্যৰ ৰাজ্য। এই দিশত ইয়াক ভাৰতৰ সংক্ষিপ্ত ৰূপ বুলি ক'ব পাৰি। ইয়াৰ সোঁ মাজেৰে বৈ গৈছে বিশাল ব্ৰহ্মপুত্ৰ নৈ। দুয়ো ফালৰ পাহাৰ আৰু ভৈয়ামৰ পৰা বৈ অহা নানান নদী, জান জুৰিৰে ই পৰিপুষ্ট হোৱাৰ দৰেই নানা জাতি-উপজাতিৰ সংস্কৃতিৰে অসমৰ মূল সংস্কৃতি পৰিপূৰ্ণ। আচলতে অসমখন মানৱ জাতি প্ৰকৃতি আৰু সংস্কৃতিৰ মিলন ভূমি।

নেপালী লোকসকল অসমৰ জনগোষ্ঠীৰ অভিন্ন অংগ। কিন্তু অসমত কেতিয়াৰ পৰা নেপালী সকলে বসবাস কৰিবলৈ লৈছিল তাক সঠিক ভাৱে জনা নাযায়। তথাপিও বুৰঞ্জীৰ পাত লুটিয়ালে গম পোৱা যায় যে ৰজা গৌৰীকান্ত সিংহৰ দিনত হোৱা মোৱামৰীয়া বিদ্ৰোহ দমাবলৈ ৰজাৰ নিমন্ত্ৰণত কেপ্তেইন ৱেলসৰ নেতৃত্বত ১৭৯২ চনত গোৰ্খা সৈন্য অসমলৈ আহিছিল। সেইদৰে ১৮২৬ চনত মানক পৰাস্ত কৰিবলৈ ইংৰাজ সকলে গোৰ্খা সৈন্য লগত আনিছিল। তেতিয়াতে অসমত গোৰ্খাসকল থাকিবলৈ লয়। তাৰোপৰি ১৮১৫ চনত ইৰাক আৰু নেপালৰ মাজৰ "চুগৌলী" সন্ধিমতে নেপালৰ দুই তৃতীয়াংশ ঠাইবোৰ ভাৰতত অন্তৰ্ভুক্ত হয়। যেনে বৰ্তমানৰ চিমলা, কুমায়ুন, নৈনীতাল, মৌচুৰী, উত্তৰ বিহাৰ, দাৰ্জিলিঙৰ কিছু অংশ আৰু ইয়াৰ পৰা নেপালী সকল সিঁচৰিত হৈ পূৰ্বাঞ্চললৈ সোমাইছিল।

নেপালী সকলৰ বিভিন্ন জাতি-উপজাতি থাকিলেও অসমত বসবাস কৰা লোক ঘাইকৈ নিম্ন প্ৰকাৰৰ উপাধ্যায়, ছেত্ৰী, জৈটা, কুমাই সন্যাসী, যোগী, নেৱাৰ, বিশ্বকৰ্মা, দৰ্জিমাৰী, থাপা আদি আৰু জনজাতিৰ ভিতৰত ৰাই, লিম্বু, মগৰ, গুৰুং চেপা, লামা, তামাং ইত্যাদি। এইশব্দবোৰে নেপালী জাতিহে বুজায় কিন্তু আচল পৰিচয় পাবলৈ হ'লে "থৰ" বা অন্ত উপাধি জানিব লাগিব। যেনে - দাহাল, ৰেগ্মী, খড়কা, খৰেল, উপ্ৰেতী ইত্যাদি। এনে "থৰ" প্ৰায় দুহেজাৰতকৈ বেছি আছে।

নেপালী সকলে ৰং বিৰঙৰ পোছাক পৰিধান কৰি ভাল পায়।





পুৰুষৰ পোছাকৰ ভিতৰত ঘাইকৈ কামিজ (কুৰ্তা), চুৰুৱাল (পায়জামা), টুপী, অস্কোট, ফেটা (পাগুৰী) আদিয়ে প্ৰধান। মহিলা সকলৰ গুন্যু (শাৰী), চৌবন্দী-চোলো (ব্লাউজ), ফৰিয়া (শাৰীত লগোৱা এক বিশেষ বস্ত্ৰ), পচ্ছেউৰী (মূৰত লোৱা উড়নী কাপোৰ) আদি। গহনা সমূহ হল - বুলাকা (নাকত পিন্ধা), নৌ গেড়ী পুঁৱালো (ৰঙা মণিৰে গঠা মালা), পোতে (বিভিন্ন ৰঙৰ মণিৰে তৈয়াৰী মালা), ৰেজি (মুদ্ৰাৰে তৈয়াৰী এক বিশেষ গহনা), কাণত পৰিধান কৰা গহনা হল - গদাৱৰী, মুন্দ্ৰী, চিত্ৰী আদি, কলা (হাতত পিন্ধা) ইত্যাদি।

ধৰ্মৰ ফালেদি নেপালী সকল সনাতন হিন্দুধৰ্মী লোক। ঘৰে ঘৰে দুৰ্গাপূজা কৰা বাধ্যতামূলক। তীৰ্থ, ব্ৰত, পূজা পাৰ্বন, যজ্ঞ পুৰাণ আদিত এওঁলোকৰ অসীম বিশ্বাস। বলি- বিধান এওঁলোকে মানি চলে। আগতে এজন পুত্ৰই পিতৃ-মাতৃক তীৰ্থ ভ্ৰমণ কৰোৱা অপৰিহাৰ্য আছিল। মাক-দেউতাকৰ মৃত্যু হ'লে দাহনৰ সময়ত মূৰৰ এটা হাড় (অস্থি) উলিয়াই লৈ গংগা নদীত বিসৰ্জন দিয়া হয়। ওচৰা ওচৰি আহঁত আৰু বট গছ ৰুই ডাঙৰ হ'লে বিধি পূৰ্বক বিষ্ণু লক্ষ্মী হিচাপে সিহঁতৰ বিয়া পাতি দিয়াও নিয়ম আছে।

নেপালী জনজাতি সকলৰ নিজস্ব দেৱ-দেৱতাও আছে। তামাং, চেৰ্পা, লামা আদি বৌদ্ধধৰ্মী লোক। তাৰোপৰি কিছুমান আৰ্য্য (বৈদিক), প্ৰণামী (কৃষ্ণভক্ত) আদিও আছে। কোনো জাতিৰ প্ৰধান সাংস্কৃতিক উপাদান হ'ল উৎসৱ অনুষ্ঠানবোৰ। এই উৎসৱবোৰৰ যোগেদি জাতিটোৰ সাংস্কৃতিক জীৱন প্ৰতিফলন হয়। নেপালী সকলে বিভিন্ন উৎসৱ পৰ্ব পালন কৰা দেখা যায়। এইক্ষেত্ৰত তেওঁলোক অতি চহকী। নেপালী সকলে পালন কৰা মুখ্য জাতীয় পৰ্ব হ'ল- দচেঁ (দুৰ্গাপূজা), তিহাৰ (দেৱালী), তীজ, ৰাখী পূৰ্ণিমা, নাগ পঞ্চমী, মকৰ সংক্ৰান্তি (মাঘ বিহু) ৰাম নবমী, হোলী, বৈশাগ (বহাগ বিহু) আদি।

দচেঁ (দূৰ্গাপূজা) হ'ল নেপালী সকলৰ প্ৰমুখ পূজা। আহিনৰ শুক্ল পক্ষত ইয়াক পালন কৰা হয়। মহালয়াৰ পৰা বিজয়া দশমীলৈকে এই পৰ্ব। এই সময়ত দুৰ্গা সপ্তসতী পাঠ, ইষ্ট দেৱতা, কুল দেৱতাৰ পূজা কৰা হয়। বিজয়া দশমীলৈকে এই পৰ্ব। এই সময়ত দুৰ্গা সপ্তসতী পাঠ ইষ্ট দেৱতা, কুল দেৱতাৰ পূজা কৰা হয়। বিজয়া দশমীৰ দিনা নিজৰ ল'ৰা-ছোৱালী বাই-ভনী, ভাগিন-জোঁৱাই সকলোৰে কপালত আবিৰ আৰু দৈ গাখীৰ মিশ্ৰিত চাউলৰ ফোঁটা লগাই দিয়া হয় আৰু আৰোগ্য কামনা কৰি আৰ্শীবাদ কৰা হয়। পূৰ্ণিমালৈ এই পৰ্ব চলি থাকে।

ইয়াৰে প্ৰায় ১৩ দিন পিছৰ পৰা তিহাৰ বা দেৱালীৰ আৰম্ভ। কাৰ্ত্তিক কৃষ্ণ ত্ৰয়োদশীৰ দিনা কাউৰীৰ পূজা কৰা হয়। চতুদৰ্শীৰ দিনা কুকুৰৰ পূজা কৰি খাব দিয়া হয়। অমাৱস্যাৰ দিনা গাই পূজা দিনৰ ভাগত দুৱাৰ বোৰত মালা ওলোমাই গধূলি দীপান্বিতা কৰা হয়। ৰাতি লক্ষ্মীপূজা কৰা হয়। প্ৰতি পদত গোৱৰ্দ্ধন পূজা আৰু বলধ পূজা কৰি ভাতৃ দ্বিতীয়াৰ দিনা বাই ভনী সকলে ভাই-ককাইৰ কপালত ৰংচঙীয়া ফোঁট লগায় দিয়ে আৰু মালা উচৰ্গা দি ভাই ককাইৰ দীৰ্ঘায়ু কামনা কৰি উপহাৰ দিয়ে। অমাবস্যাৰ ৰাতি ছোৱালীবোৰে ঘৰে ঘৰে ভৈলী খেলে আৰু পিছদিনা লৰাবোৰে দেউচী খেলি ঘৰে ঘৰে আৰ্শীবাদ দি যায়।

প্ৰত্যেক জাতিৰে নিজা নিজা কিছুমান লোকনৃত্য থাকে। এই লোকনৃত্যবোৰৰ জৰিয়তে কলা-সংস্কৃতি বহুখিনি প্ৰকাশ পায়। প্ৰত্যেক জাতিৰে লোকনৃত্য থকাৰ দৰে নেপালী সকলৰো কিছুমান নিজা নৃত্য আছে। এইবোৰৰ ভিতৰত প্ৰধান হ'ল - সংগিনী (চাৰিজনী মহিলাই নাচে), বালুন (চাৰিজন পুৰুষে নাচে), দেউচী, ভৈলী (দেৱালীত নাচে), মাৰুণী নৃত্য, খুকুৰী নৃত্য, ডম্ফু নৃত্য, মাদল, নৃত্য, বিভিন্ন উৎসৱ-পাৰ্বন বোৰত এই নৃত্য বোৰ নচা হয়। নৃত্য বোৰৰ লগত জড়িত অভিন্ন অংগ হ'ল বাদ্য। প্ৰত্যেক নৃত্যতে বেলেগ বেলেগ ধৰণৰ বাদ্য ব্যৱহাৰ কৰা হয়। নেপালী লোকনৃত্যত ব্যৱহৃত নেপালী বাদ্যবোৰ হ'ল - চনৈ (পেপাৰ দৰে), দমাহাঁ (ডবাৰ দৰে), ট্যামকো (মুদ্ৰাকৃতিৰ ডবা) ঝ্যামটা (ভোৰতাল), নৰ্চিংহ (তামৰ দীঘল একা বেকা বহল মুখৰ বাদ্য), মাদল, মুৰলী (বাঁহী), বাচুৰী, ডম্ফু, ইত্যাদিয়ে প্ৰধান।

নেপালী সংস্কৃতিৰ অন্য এক বৈশিষ্ট্য হ'ল বিষ্ণু-লক্ষ্মী বিবাহ পদ্ধতি। নেপালী দৰা বিলাকে শহুৰৰ পৰা একো দাবী কৰিব নোৱাৰে। বামুণবোৰেও যজমানৰ পৰা একো দাবী কৰিব নোৱাৰে। যি পায় তাতেই সন্তুষ্ট হব লাগে। সনাতন হিন্দুধৰ্মী নেপালী তিৰোতা জনীয়ে তাইৰ জীৱন কালত নিজৰ স্বামীৰ বাহিৰে আন কোনো পুৰুষৰ ভৰিত মুৰ ৰাখি সেৱা নকৰে। বিবাহত দৰাই নিজ হাতে কইনাৰ কপালত সেন্দূৰ আৰু গলত পোতে (সেউজীয়া মণিৰ মালা) পিন্ধায়। ছেত্ৰী আৰু বামুণৰ ল'ৰাবোৰক বিয়াৰ আগতে লগুণ দান কৰা অপৰিহাৰ্য্য।

বৰ্তমান যুগ হ'ল জটিল সংঘৰ্ষৰ যুগ। যুগৰ লগত নিজক খাপ খুৱাই চলা সকলোৰে কৰ্তব্য। নেপালী সকলেও বৰ্তমানৰ যান্ত্ৰিক যুগৰ লগত নিজকে খাপ খুৱাই চলিবলৈ নিজৰ কলা-সংস্কৃতিত কিছু পৰিবৰ্তন আনিছে নেপালী সকল অতিকৈ সহজ-সৰল লোক। তেওঁলোকে যি অঞ্চলত বসবাস কৰে সেই অঞ্চলৰ পৰিবেশৰ লগত অতি সহজতে হাড়ে হিমজুৰে মিলি যায়। সেয়ে প্ৰাচীন কালৰে পৰা অসমৰ নেপালী সম্প্ৰদায়ৰ লগত ভ্ৰাতৃসুলভ প্ৰেম আৰু পাৰস্পৰিক সহযোগিতা কৰি আহিছে। ইয়াত বাস কৰা অন্য অন্য জাতি, জনজাতি আদিয়ে। সেয়ে ইয়াৰ সাংস্কৃতিক ক্ষেত্ৰত সম্প্ৰদায় শব্দৰ সুকীয়া অৰ্থ নাই। এই জটিল সময়ত, এডাল সাংস্কতিক এনাজৰীত আবেষ্টিত হৈ পাৰস্পৰিক ভ্ৰাতৃত্ববোধেৰে সকলো সম্প্ৰদায়ৰ লগত খোজত খোজ মিলাই নেপালী সকলে অসম তথা ভাৰতবৰ্ষৰ উন্নতিৰ হকে কাম কৰি আগুৱাই যাব বুলি কামনা কৰোঁ। ❑❑❑

(সহায় লৈ)

> বিয়াৰ চিঠিৰ ওপৰত "শ্ৰীশ্ৰী প্ৰজাপতয়ে নমঃ" বুলি লিখা আছিল আৰু এতিয়াও কোনো কোনোৱে লিখে। প্ৰজাপতি হ'ল সৃষ্টিকৰ্তা, বিশ্বকৰ্মা, বিধাতা আৰু ব্ৰহ্মা। এতিয়া বিয়াত চিঠি দি নিয়ন্ত্ৰণ কৰাটো অপৰিহাৰ্য্য। চিঠি দি নিমন্ত্ৰণ নকৰিলে বিয়ালৈয়ে নাহে। কিন্তু এটা সময়ত চিঠি দি নিমন্ত্ৰণ কৰাটো দোষৰ ভিতৰতে পৰিছিল।



# অসমীয়া সমাজত বিবাহ আৰু বিবাহত ব্যৱহৃত দাপোনীখন

মীতুমনি ডেকা
প্ৰাক্তন ছাত্ৰী (অসমীয়া বিভাগ)

বিবাহ বা বিৱাহ শব্দটো সংস্কৃত শব্দ। বিবাহৰ পৰাই বিয়া শব্দটো ওলাইছে। কেতিয়াবা তৎসম শব্দৰ দুটা স্বৰবৰ্ণৰ মাজত থকা ব্যঞ্জন বৰ্ণটো লুপ্ত হৈ অসমীয়াত তদ্ভৱ শব্দ সৃষ্টি হোৱা দেখা যায়। বিবাহ>বিয়াহ>বিয়া। সেইদৰে দধি>দৈ; মধু>মৌ; নদী>নৈ; বেদি>বেই। এই একে সূত্ৰমতে প্ৰকৃততো শব্দ সৃষ্টি হৈছিল। যেনে-সাধু > সাউ; নদী>নঈ। হেমচন্দ্ৰ বৰুৱাই, তেঁওৰ 'হেমকোষ'ত বিবাহ শব্দটোৰ বুৎপত্তি এনেদৰে দেখুৱাইছে-সংস্কৃত, বিৱাহ, বি-বিশ্লেষণ ৱহ্-গ্ৰহণ কৰা। ইয়াৰ অৰ্থ হৈছে-বিয়া, পৰিণয়, ভাৰ্য্যা স্বামীৰ সম্বন্ধ কৰা কাৰ্য্য।

পণ্ডিত প্ৰৱৰ আনন্দৰাম বৰুৱাই তেঁওৰ ইংলিছ সংস্কৃত ডিকচ্‌নাৰীত (English-Sanskrit Dictionary) ইংৰাজী মেৰেজ (Marriage) শব্দটোৰ সংস্কৃত প্ৰতিশব্দ পাচঁটা দিছে। সেইকেইটা হ'ল- (১) বিবাহ (২) উদ্বাহ (৩) পৰিণয় (৪) উপয় (বা)ম, (৫) পাণিগ্ৰহ, পাণি-গ্ৰহণম্। আকৌ সংসদ বাংলা অভিধানত বিবাহ শব্দটো চালে তাৰ অৰ্থ এনেদৰে পোৱা যায়- পৰিণয়, উদ্বাহ, পাণিগ্ৰহণ। ভাৰতীয় শাস্ত্ৰত হিন্দু বিবাহ আঠবিধ। সেইকেইটা হ'ল-(১) ব্ৰাহ্ম (২) আৰ্য্য (৩) প্ৰাজাপত্য (৪) দৈৱ (৫) আসুৰ (৬) গান্ধৰ্ব (৭) ৰাক্ষ স (৮) পৈশাচ। ইয়াৰে প্ৰাজাপত্য বিয়াৰ সংখ্যাই সৰহ দেখা যায়। সেয়ে আগতে বিয়াৰ চিঠিৰ ওপৰত "শ্ৰীশ্ৰী প্ৰজাপতয়ে নমঃ" বুলি লিখা আছিল আৰু এতিয়াও কোনো কোনোৱে লিখে। প্ৰজাপতি হ'ল সৃষ্টিকৰ্তা, বিশ্বকৰ্মা, বিধাতা আৰু ব্ৰহ্মা। এতিয়া বিয়াত চিঠি দি নিয়ন্ত্ৰণ কৰাটো অপৰিহাৰ্য্য। চিঠি দি নিমন্ত্ৰণ নকৰিলে বিয়ালৈয়ে নাহে। কিন্তু এটা সময়ত চিঠি দি নিমন্ত্ৰণ কৰাটো দোষৰ ভিতৰতে পৰিছিল। সেয়ে দূৰণিবটীয়া লোকলৈ চিঠি নিমন্ত্ৰণ কৰিব লগা হ'লে বিঃ দ্ৰঃ (বিশেষ দ্ৰষ্টব্য) দি "চিঠিৰে নিমন্ত্ৰণ কৰা বাবে ত্ৰুটী মাৰ্জনীয়" বুলি দিছিল।

প্ৰাজাপত্য অনুসৰি পতা বিয়াত অধিবাসৰ সময়ত নামনি অসমত পুৰোহিতে দৰা-কইনাৰ হাতত "ওঁ ৰোচিষ্ণুৱসি" বুলি মন্ত্ৰ এটা গাই দৰা-কইনাৰ হাতত দাপোনী এখন তুলি দিয়ে। তাৰ পিছত দৰা-কইনায়ো "ওঁ ৰোচিষ্ণুৱসি" বুলি কব লাগে। সংস্কৃত দৰ্পণ শব্দটোৱেই গ্ৰাম্যসমাজত দাপোনী শব্দলৈ ৰূপান্তৰ হৈছে। (দৰ্পণ+ দ্ধ' দৰ্পণী>দাপেনী)। আনন্দৰাম বৰুৱাই তেঁওৰ ইংলিছ সংস্কৃত ডিকচ্‌নাৰীত ইংৰাজী "মিৰৰ" (Mirror) শব্দটোৰ তিনিটা অৰ্থ দিছে (১) দৰ্পণ (২) আদৰ্শ (৩) মুকুৰ। সংসদ বাংলা অভিধান চালে দেখা যায় যে তাত আদৰ্শ, মুকুৰ এই শব্দ দুটাৰ অৰ্থ দৰ্পণ বা আইনা। আকৌ দৰ্পণ শব্দৰ অৰ্থ সেই অভিধানত এনেদৰে দিছে-'দেহৰ প্ৰতিবিম্ব চোৱাৰ বাবে ব্যৱহাৰ কৰা পালিচ কৰা ধাতুফলক বিশেষ।' আন অৰ্থ দিছে আইনা, আৰ্চি আৰু মুকুৰ। দৰ্পণ শব্দটোৰ মূল হ'ল দৃপ্ ধাতু। দৃপ্ ধাতুই হৰ্ষ বা আনন্দিত কৰা বুজায়। দৰা-কইনাৰ হাতত যেতিয়া অধিবাস কৰ্তাই দৰ্পণ তুলি দিছিল, তেতিয়া তেঁওলোকৰ মুখ সেই দাপোনীত প্ৰতিবিম্বিত হোৱাত আনন্দ লাভ কৰিছিল। নামনি অসমত যিখন দাপোনী ব্যৱহাৰ কৰা হয়, সেইখন তাম, সীহ, লোহ, ৰূপ, সোণ আদি অষ্ট ধাতুৰে নিৰ্মিত আৰু ই স্বচ্ছ। আনন্দৰাম বৰুৱাই দৰ্পণ শব্দৰ লগত তেঁওৰ অভিধানত "শকুন্তলা" নাটকৰ এই উদ্ধৃতি দিছে- "শুদ্ধেতু দৰ্পণ তলে"। দৰ্পণৰ পবিত্ৰতাৰ কথাহ ইয়াত কোৱা হৈছে। দৰ্পণখন ঘূৰণীয়া আৰু ই অতি স্বচ্ছ। দৰা-কইনাই এই দৰ্পণ হাতত লৈ আনন্দ লাভ কৰে।

মণিপুৰী জনজীৱনতো বিয়াত দৰা-কইনাই পুৰুষানুক্ৰমে লৈ অহা প্ৰাচীন দাপোনী বা "মেউছেল" এখন লয়। বিষ্ণুপ্ৰিয়া মণিপুৰী ভাষাত দাপোনীক "মেঙছেল" বোলে। এই দৰ্পণ লবা দাপোনীখন অতি মূল্যৱান বস্তু। যিকোনো মানুহৰ ঘৰত দাপোনী নাছিল। সাধাৰণতে নাপিত আৰু পুৰোহিতৰ ঘৰতহে দাপোনী আছিল। দৰা-কইনাক বিয়াত দাপোনী লাগিলে দাপোনীৰ গৰাকীৰ ঘৰত তামোল-পাণ আৰু পাঁচ সিকি(এটকা চাৰি অনা) দি দাপোনী নিমন্ত্ৰণ কৰিব লাগে। পাঁচসিকি পঞ্চৰত্নৰ প্ৰতীক। পঞ্চৰত্ন হ'ল-হীৰা, সোণ, ৰূপ, পোৱাল আৰু পদ্মৰাগ। দাপোনী ৰক্ষা বন্ধনৰো প্ৰতীক। বিয়া শেষ নোহোৱালৈকে দৰা-কইনাৰ হাতত দাপোনীখন বান্ধি ৰখা হয়। প্ৰয়োজন সাপেক্ষে সেই দাপোনী দৰা-কইনাই ব্যৱহাৰ কৰে। আজিকালি দাপোনী পোৱা দুৰ্লভ হৈছে কাৰণে দাপোনীৰ সলনি সৰু আইনা এখন অধিবাসৰ সময়ত পুৰোহিতে দৰা-কইনাক দিয়ে। ৰভা তলত বিয়া শেষ হৈ যোৱাৰ পাছত হোমৰ গুৰিৰ পৰা দৰা কইনা যেতিয়া কইনা দাতাৰ ঘৰ সোমায় তেতিয়াও দৰা কইনাৰ লগ্ন গাঁঠি থাকে। এদুণি চাউলৰ মাজত আঙুঠি সুমুৱাই থৈ দৰা-কইনাই আঙুঠি সাল-সলনি খেল খেলাৰ পাছত সাধাৰণতে লগ্ন গাঠি খুলি দিয়া হয়। লগ্ন গাঁঠি খুলি দিয়াৰ পিছত দাপোনীৰ প্ৰয়োজন নোহোৱা হয়। তাৰ পাছত তামোল পাণ আৰু মাননি দি যাৰপৰা দাপোনী অনা হৈছিল তেঁওলোকক স-সন্মানে দাপোনী ঘূৰাই দিয়া হয়।

মন কৰিবলগীয়া কথা এই যে গড়গাঁও নামটোৱে অকল "ধ্বনি কবি" বিনন্দ চন্দ্ৰ বৰুৱাকে আকৰ্ষণ কৰিব পৰা নাছিল, এই গড়গাঁৱে, উজনি-নামনি উভয়কে আকৰ্ষণ কৰিছিল। 'গড়গাঁও' নেদেখাকৈয়ে তেখেতে বিখ্যাত 'গড়গাঁও' কবিতা লিখিছিল। আচৰিতভাৱে নামনি অসমৰ বৰ আদৰা বৰপীৰাখনৰ গীতটো গড়গাঁও নামটো সোমাই পৰিছে। বৰ ডাঙৰ পীৰা আৰু সন্মানীয় পীৰা বুজাবলৈ বৰ আদৰা পীৰাখনক গড়গএগ্ৰা পীৰা বোলা হৈছে। বৰ আদৰা পীৰাখনৰ পবিত্ৰতালৈ চালে ইয়াৰ সৌন্দৰ্য্য বিয়া নামতো সোমাই আছে। নিকা বগা দীঘল জোলাৰ (ভকা কপাহৰ কোহাঁ) দৰে বৰপীৰাখন হ'ব লাগে বাবে পীৰাখনক ভকা কপাহৰ লগত তুলনা কৰা হয়। দৰাৰ মুখখন দৰ্পণৰ দৰে স্বচ্ছ হ'ব লাগে বাবে দৰাৰ মুখখন "দাপোনী মুৱা" বুলি বিয়া নামত গাইছিল। বিয়াৰ দিনাখন পুৰণি কালত ব্যৱহাৰ কৰা দাপোন এখন এতিয়াও দৰা-কইনাৰ হাতত ৰখা হয়। ই দাপোনী নামে জনাজাত। দাপোনী আৰু বৰপীৰাৰ কথা বিয়ানামত এনেদৰে আছে—

"ভকা কপাহৰে পীৰা
ভালকৈ বহিবা
দাপোনীমুৱা
শহুৰৰ গড়গএগ্ৰা পীৰা।"

❑❑❑

# হিন্দু সংস্কৃতি

নৱনীতা কৰ্মকাৰ
স্নাতক দ্বিতীয় বৰ্ষ
কলা শাখা

"এতদ্দেশ প্ৰসূতস্য শকাসাদ প্ৰজন্মনম্
স্বং স্বং চৰিত্ৰ শিক্ষেৰণ পৃথিব্যাং সৰ্বমানবাঃ"

উক্ত শ্লোকটোৰ অৰ্থ হ'ল- এই দেশত জন্ম লাভ কৰা অগ্ৰজ সকলৰ পৰা পৃথিৱীৰ সকলো মানুহে চৰিত্ৰৰ শিক্ষা লোৱা উচিত। ইয়াৰ পৰা ইয়াকে বুজিব পাৰি যে ভাৰতবৰ্ষ এখন পুৰণি ঐতিহ্যশালী দেশ। বিশ্বৰ আন আন দেশবোৰে যেতিয়া অজ্ঞান আন্ধাৰত বুৰ গৈ আছিল, তেতিয়া ভাৰতবৰ্ষই সেই দেশ সমূহক জ্ঞানৰ পোহৰেৰে আলোকিত কৰি তুলিছিল। সময়ৰ সোঁতত এই ঐতিহ্যশালী ভাৰতবৰ্ষৰ সভ্যতা সংস্কৃতিত আঁচোৰ পৰিল আৰু পাশ্চাত্য সংস্কৃতিয়ে ভাৰতবৰ্ষৰ সংস্কৃতিৰ ওপৰত প্ৰভুত্ব বিস্তাৰ কৰিবলৈ চেষ্টা চলালে। বৰ্তমান কিন্তু বিশ্বৰ বিজ্ঞলোকসকলে এইটো স্বীকাৰ কৰিছে যে যদি ভাৰতীয় শিক্ষা ব্যৱস্থাৰে বিশ্বক শিক্ষিত কৰা নহয়, তেন্তে গোটেই পৃথিৱীখন এদিন ধ্বংস হ'ব। এনেকুৱা এখন মহান দেশৰ সংস্কৃতি যাক আমি 'হিন্দু সংস্কৃতি'(Hindu-culture) বুলি কওঁ তাৰ ব্যাখ্যাই হ'ল আজিৰ এই প্ৰবন্ধৰ মূল বিষয় বস্তু। অন্য দেশৰ সংস্কৃতিতকৈ হিন্দু সংস্কৃতিৰ কিছু পাৰ্থক্য আছে। তলত ইয়াৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা হ'ল।

সংস্কৃতি শব্দটোৰ অৰ্থ হ'ল-ভাল কৃতি। সংস্কৃতি = সম + কৃতি। সম মানে ভাল, গতিকে ভাল গুণ সমূহেই হৈছে সংস্কৃতি। 'মই জীয়াই থাকিম আৰু আনকো জীয়াই থাকিবলৈ দিম'- এয়াই হৈছে সংস্কৃতিৰ মূল বিষয়বস্তু। "(*Live and let live that is culture*)" আমাৰ হিন্দু সংস্কৃতিৰ মূল বিষয়বস্তু হ'ল--

"সৰ্বে ভৱন্তু সুখিনঃ
সৰ্বে সন্তু নিৰাময়া
সৰ্বে ভদ্ৰাণি পশ্যন্তু
মা কশ্বিৎ দুখ ভাগ্‌ভৱেত্।"




উক্ত শ্লোকটোৰ অৰ্থ হ'ল- "সকলোৱে সুখী হোৱা, সকলোৱে সুস্থ আৰু সবল হোৱা, সকলোৱে মংগলময় দৃষ্টিৰে চোৱা, কেতিয়াওঁ যাতে দুখ নাহে।"

ভাৰতবৰ্ষৰ ইতিহাস হাজাৰ হাজাৰ পুৰণি। ভাৰতৰ সংস্কৃতি সনাতন সংস্কৃতি। সনাতন শব্দটোৰ অৰ্থ হ'ল নিত্য নতুন। কিন্তু অন্য দেশবোৰৰ ইতিহাস খুব বেছি দুশৰ পৰা তিনিশ (২০০-৩০০) বছৰ পুৰণি। তাৰ সংস্কৃতি সনাতন হ'ব নোৱাৰে।





হিন্দু সংস্কৃতিৰ বৈশিষ্ট্য -

**(ক) আধ্যাত্মিকতাঃ**- আধ্যাত্মিকতা হ'ল- হিন্দু সংস্কৃতিৰ এক প্ৰধান বৈশিষ্ট্য। আধ্যাত্মিকতাৰ যোগেদি আত্মাৰ উন্নতিৰ চেষ্টা কৰা হয়। ইয়াত জীৱিত কালত ভৌতিক সুখ, ভোগৰ ওপৰত আত্মিক অৰ্থাৎ আত্মাৰ সুখৰ বাবে প্ৰতিজন ভাৰতবাসীয়ে চেষ্টা কৰে। ভাৰতবৰ্ষৰ যিকোনো ঠাইতে আধ্যাত্মিকতাৰ এক মৃদুগোন্ধ আছে। স্বামী বিবেকানন্দই বহু বছৰ আমেৰিকাত থকাৰ পিছত জলপথেৰে যেতিয়া আহি ভাৰতৰ ভূমিত পদাৰ্পণ কৰিছিল, তেতিয়া তেওঁ এই ভূমিক শতবাৰ প্ৰণাম কৰিছিল আৰু এক দীৰ্ঘদিনীয়া শ্বাসৰুদ্ধ পৰিবেশৰ পৰা মুক্তি পাইছিল। অৰ্থাৎ ভাৰতৰ বাহিৰে অন্য পশ্চিমীয়া দেশ সমূহত আধ্যাত্মিকতাৰ তিলমানো গোন্ধ পোৱা নাযায়।

**(খ) মাতৃবৎ পৰদাৰেষঃ**- এইটো হৈছে হিন্দু সংস্কৃতিৰ এক উল্লেখযোগ্য বৈশিষ্ট্য। ইয়াৰ অৰ্থ হ'ল- জগতত যিমানবোৰ নাৰী আছে সেই সকলৰ প্ৰতি আমাৰ দৃষ্টি 'মা'ৰ নিচিনা হ'ব লাগে। জগতত 'মা' শব্দটোৱে হ'ল একমাত্ৰ শব্দ য'ত অকৃত্ৰিম মৰম, স্নেহ তথা শ্ৰদ্ধা ভক্তি জড়িত আছে। হিন্দু সংস্কৃতি মতে জগতত যিমান নাৰী আছে, কেৱল মাত্ৰ নিজৰ পত্নীৰ বাহিৰে সকলোৱে মাতৃতুল্য। কিন্তু পাশ্চাত্য সংস্কৃতিত এইটো ঠিক ওলোটা। তাত অন্য নাৰীক 'মা' হিচাপে গণ্য কৰা নহয়। তাত কেৱল নিজৰ মাকক 'মা' বুলি আৰু অন্য নাৰীক পত্নী হিচাপে গণ্য কৰা হয়। এই সংস্কৃতিটো প্ৰকৃততে অপসংস্কৃতি। আমাৰ দেশতো ই বিস্তাৰিত হোৱা বাবে আমি দেখিবলৈ পাইছো বহু মৰ্মস্পৰ্শী ঘটনা। ধৰ্ষিতা হৈছে শিশু তথা নাবালিকা, যৌন কামনাৰ বলি হৈছে অসহয়া গাভৰু। আনকি মাতৃত্বৰ বোজা বহন কৰিব লগা হৈছে ১১ বছৰীয়া শিশু কন্যায়ো। প্ৰকৃততে এইটো আমাৰ সংস্কৃতি নাছিল। এবাৰ স্বামী বিবেকানন্দই আমাৰ আমেৰিকাৰ এঘাৰ মানুহৰ তাত কিছু সময় জিৰণি ল'ব লগা হৈছিল। তেতিয়া তেখেতে সেই মানুহঘৰৰ এঘাৰ বছৰীয়া এজনী ছোৱালীক মাতি ক'লে- 'Mother ! Please give me a glass of water.' তেতিয়া সেই ছোৱালী জনীয়ে স্বামীজীক গালি পাৰিছিল আৰু খুব খং কৰিছিল, একমাত্ৰ 'mother' বুলি সম্বোধন কৰা বাবে। অৰ্থাৎ তাত 'মা' শব্দটোৰ গুঢ়াৰ্থ তেওঁলোকে বুজি নাপায়। ছোৱালীজনীয়ে খঙতে স্বামীজীক কৈছিল - 'How I can be a mother? Now I am only eleven year's old. It is impossible, it is quite impossible.' এয়াই হ'ল পাশ্চাত্য দৰ্শন। কিন্তু ভৱিষ্যতলৈ সেই এঘাৰ বছৰীয়া ছোৱালী জনীয়ে 'মা' শব্দটোৰ গুঢ়াৰ্থ বুজি পাই স্বামী বিবেকানন্দৰ শিষ্য হৈছিল। যাক আমি বৰ্তমান 'ভগিনী নিবেদিতা' নামেৰে সকলোৱে জানো।

**(গ) মাতৃদেৱো ভৱ, পিতৃদেৱো ভৱ, গুৰুদেৱ ভৱ তথা অতিথিদেৱ ভৱঃ**— হিন্দু সংস্কৃতিত মাতৃ, পিতৃ, গুৰু আৰু অতিথি, এই সকল ব্যক্তিক দেৱতাৰ নিচিনা গণ্য কৰা হয়। এই চাৰি প্ৰকাৰৰ ব্যক্তি পৰম পূজনীয়। নিজৰ যিকোনো স্বাৰ্থকে ত্যাগ কৰি এই দেৱতুল্য পুৰুষক সযতনে ৰখাৰ বিধান হিন্দু সংস্কৃতিত আছে। আমাৰ সংস্কৃতিত মাক-দেউতাকক মৰণ পৰ্য্যন্ত কোনো ধৰণৰ অসুবিধা নোপোৱাকৈ ৰখাৰ চেষ্টা কৰা হয়। কিন্তু পাশ্চাত্য সংস্কৃতিত এই বিধান নাই। তাত বুঢ়া মাক-দেউতাক সেৱা-শুশ্ৰূষা কৰাৰ বাবে পুত্ৰসৱৰ সময় নাই। সেই বাবে বুঢ়া হোৱাৰ লগে লগে তেওঁলোকক বৃদ্ধ আশ্ৰমত প্ৰৱেশ কৰাই দিয়ে আৰু নিজে মুক্তি লাভ কৰাৰ নিচিনাকৈ মুক্ত বিচৰণ কৰে। কিন্তু হিন্দু সংস্কৃতিৰ মতে এইটো নহয়। এই সংস্কৃতিমতে গুৰু আৰু অতিথি জনকো দেৱতাৰ শাৰীত ৰখা হয়। ইয়াৰ এটা বাস্তৱ কাহিনী উল্লেখ কৰিব বিচাৰিছো।

এজন আমেৰিকান লোকে ভাৰতৰ দিল্লীত থকা এজন বন্ধুৰ ঘৰলৈ ভ্ৰমণলৈ আহিল। তেওঁ অকল দিল্লীয়ে নহয় ভ্ৰমণ কালছোৱাত ভাৰতৰ বহু ভিতৰুৱা গাওঁ ভ্ৰমণৰ অন্তত আমেৰিকান বন্ধুজন যেতিয়া যাবলৈ ওলাল তেতিয়া ভাৰতীয়জনে প্ৰশ্ন কৰিলে, বন্ধু কেনে পালে আপোনাৰ ভ্ৰমণ? তেতিয়া তেওঁ উত্তৰ দিলে, "মই জীৱনত বহুতো দেশ ভ্ৰমণ কৰিছোঁ। কিন্তু ভাৰতৰ নিচিনা এনে দেশ, এনে মানুহ ক'তো লগ পোৱা নাই। ইয়াৰ গাঁৱলীয়া লোকৰ আৰ্থিক অৱস্থা সচাঁকৈ দুখলগা। মই যেতিয়া ভ্ৰমণ কালত গাঁৱৰ মানুহৰ ঘৰত গলো তেওঁলোকৰ বহিবলৈ চকী নাই, কাষৰ মানুহৰ পৰা চকী খুজি আনিছে, আলহীক শুশ্ৰূষা কৰিবলৈ অন্যৰ পৰা বস্তু ধাৰ কৰি আনিছে, তথাপি মোক ধুনীয়াকৈ শুশ্ৰূষা কৰিছে আৰু শেষত মোক শুশ্ৰূষাত ত্ৰুটি হোৱাৰ বাবে দোষ নধৰিবলৈ অনুৰোধ কৰিছে। আমাৰ দেশত এনে মানুহ নিশ্চিত ভাৱে নাই যিয়ে নিজে নাখাই ধাৰ কৰি আনি আনক খুৱায়। "ধন্য ভাৰতীয় মানুহ আৰু সংস্কৃতি।"

হিন্দু সংস্কৃতিৰ বৈশিষ্ট আৰু বহুতো আছে, যিবোৰত প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাৰ অনুপ্ৰেৰণা আছে। সেয়েহে ভাৰতবৰ্ষক স্ব-সংস্কৃতিৰে সমৃদ্ধিশালী কৰি বিশ্বৰ দেশসমূহৰ সন্মুখত ভাৰতবৰ্ষক থিয় কৰাবৰ বাবে আমি প্ৰতিজন নাগৰিকে চেষ্টা কৰিব লাগে।

❑❑❑



# পুৰণি অসমত নৰবলি প্ৰথাৰ প্ৰচলন



বন্দিতা দাস
স্নাতক তৃতীয় বৰ্ষ,
অসমীয়া বিভাগ

হিন্দু ধৰ্ম বিভিন্ন সংস্কৃতি তথা পন্থাৰ সমন্বয়ত সৃষ্টি হৈছে। শক্তি পূজাই হিন্দু ধৰ্মৰ অন্যতম বৈশিষ্ট্য। পুৰণি সময়ৰে পৰা জগতৰ পৰম ব্ৰহ্মাক মাতৃ ৰূপত উপাসনা কৰা হৈছিল। পোনপ্ৰথমে আদিম জনগোষ্ঠীৰ মাজতে মাতৃ পূজাৰ পৰম্পৰা গঢ়ি উঠিছিল। পৃথিৱীখনক তেওঁলোকে মাতৃ বা আই বুলি জ্ঞান কৰিছিল। সেই মহাশক্তি মাতৃৰ প্ৰতীক হিচাপে আদিম জনগোষ্ঠীবোৰে, বিশেষকৈ অষ্ট্ৰিক আৰু মংগোলীয়সকলে 'যোনি' উপাসনা কৰিছিল। পৃথিৱীৰ উৰ্বৰা শক্তি বৃদ্ধিৰ আকাংক্ষাও যোনি পূজাৰ সৈতে একাত্ম। মানুহৰ মনত এইগৰাকী মাতৃয়ে সময়ত ভিন ভিন ৰূপত স্থান গ্ৰহণ কৰিলে। এফালে তেওঁক উৰ্বৰতাদাত্ৰী আৰু আনফালে দুষ্টক সংহাৰ কৰা দেৱী বুলি পূজা কৰা হ'ল। দেৱীক সন্তুষ্ট কৰিবৰ বাবে আদিম জনগোষ্ঠীবোৰে তেওঁৰ নামত তপ্ত ৰুধিৰ নৈবেদ্য আগবঢ়াব ধৰিলে। এইদৰেই প্ৰাক-ঐতিহাসিক যুগৰ পৰা অনাৰ্যমূলীয় লোকসকলে মাতৃ পূজাৰ পৰম্পৰা অক্ষুন্ন ৰাখিছিল।

অসমৰ অনাৰ্যমূলীয় মংগোলীয় আৰু অষ্ট্ৰিকসকলে তেওঁলোকৰ উপাস্য দেৱীক সন্তুষ্ট কৰিবৰ বাবে নৰবলি প্ৰথাৰ প্ৰৱৰ্তন কৰিছিল। গৱেষক কনকলাল বৰুৱাই নৰবলি প্ৰথা হিন্দুৰ অনুকৰণতে গঢ়ি উঠিছিল বুলি মত প্ৰকাশ কৰিছিল।(..the kacharis, chutias and jipperas, of Bodo origin and the Jaintias of Austro-Asiatic origin, adopted the worship of these Gods and Goddesses, by resort to human sacrifices, in imitation of the Hindu in medieval times. It can not be asserted with truth that the various Bodo or Austric tribes practised human sacrifices in ancient or pre-historic times-K.L. Barua/ History & culture of Assam, Kamrup, Anusandhan Samity.)

কনকলাল বৰুৱাই তেওঁৰ মতৰ সমৰ্থনত উল্লেখ কৰিছে যে সপ্তম শতিকাতে ৰচিত হোৱা বাণৰ 'হৰ্ষ চৰিত'ত লিপিবদ্ধ হৈছে- বাণৰ সময়তকৈ প্ৰায় ১৩০০ বছৰ পূৰ্বে উত্তৰ ভাৰতত নৰবলি প্ৰথা প্ৰৱৰ্তিত হৈছিল। ড° ভাণ্ডাৰকাৰে ' Indian Culture (Vol-I) ত লিখিছে যে বুদ্ধৰ সমসাময়িক ৰজা প্ৰদ্যত্বৰ ৰাজত্বকালত উজ্জয়িনীৰ মহাকাল মন্দিৰত নৰবলি প্ৰথা চলিছিল। নৰবলি প্ৰথা পোন প্ৰথমে ভাৰতবৰ্ষত প্ৰচলিত নাছিল বৰং এই প্ৰথা এছিয়াৰ অন্য অঞ্চলৰ পৰাহে প্ৰবাহিতহৈছিল। নৃতত্ত্ববিদ গৱেষক এহ্ৰেন্‌ফেল্‌ছেও নৰবলি প্ৰথা দক্ষিণ পশ্চিম অঞ্চলৰ মাতৃতান্ত্ৰিক সমাজত প্ৰৱৰ্তন হোৱাৰ পিছত হিন্দুধৰ্মৰ ভিতৰুৱা হৈছিল বুলি কৈছে।

কামাখ্যাৰ দৰে শক্তিপীঠ সমূহতো প্ৰাচীন সময়ত নৰবলি প্ৰথা চলিছিল। গৱেষকসকলে এই নৰবলি প্ৰথাৰ প্ৰচলন অষ্ট্ৰিকমূলীয় খাছীয়াসকলৰ উদ্ভাৱণ বুলি কৈছে। কামাখ্যাৰ প্ৰথম পুৰোহিত গাৰোৱানসকলে মাতৃদেৱীক পূজা কৰাত বিশ্বাসী আছিল আৰু তেওঁলোকে মাতৃদেৱীৰ সন্তুষ্টিৰ বাবে যি প্ৰথাৰ প্ৰচলন তথা নীতি গ্ৰহণ কৰিছিল সেইবোৰ কল্পনা প্ৰসূত আছিল। ড° বাণীকান্ত কাকতিৰ মতে- মাতৃ পূজাৰ লগতে অসমৰ প্ৰাচীন জনজাতিবোৰৰ মাজত লিংগ ৰূপত শিৱও পূজিত হৈছিল। শিৱক আৰ্যসকলে গ্ৰহণ কৰাত শৈৱধৰ্মই ব্যাপক ৰূপত পৰিগৃহীত হয়। আনহাতে স্থানীয় লোকসকলে মাতৃপূজাক অক্ষুণ্ণ ৰাখিবলৈ যথাসম্ভৱ চেষ্টা কৰিলে। (The Aryanised conquerors held this religion (Saivism) in disdain and placed it under a ban. At the same time to secure recognition be aboriginal people,they brought to prominence another local cult,- the cult of the Mother Goddess Worshipped in the yoni symbol as opposed to the cult of Siva Worshipped in the phallic symbol- the Mother Goddess- Kamakhya.)

শদিয়াৰপৰা ওঠৰ মাইল উত্তৰ-পূৱে ঢল নদীৰ কাষত আছে তাম্ৰেশ্বৰী মন্দিৰ। ইয়াৰ অধিষ্ঠাত্ৰী দেৱীক 'কেঁচাই খাতী গোসাঁনী' বুলি কোৱা হয়। জনবিশ্বাসমতে, দেৱীয়ে কেঁচাই তেজ খায়, কেঁচাই বলি লয়। সেয়ে তেওঁৰ নাম কেঁচাইখাতী বা কাঁচাখান্তী। বুকান হেমিলটন চাহাবে এই মন্দিৰক '(The Eastern Kamakhya)' অৰ্থাৎ 'পূবৰ কামাখ্যা' হিচাপে অভিহিত কৰিছে। প্ৰথমতে তাম্ৰেশ্বৰী মন্দিৰত দেশৰ মংগলৰ কাৰণে নৰবলি দি দেৱীৰ ওচৰত সমূহৰ কল্যাণ কামনা কৰা হৈছিল কিন্তু পিছলৈ এই নিয়মটোৱে এটা এৰাব নোৱাৰা প্ৰথাত পৰিণত হ'ল। ইংৰাজ গৱেষক ডেল্টনে লিখিছিল- 'এই থানত পূৰ্বে চুতীয়াসকলে কোনো আদিম দেৱীৰ নামত নৰবলি আগবঢ়াইছিল আৰু পিছলৈ এই দেৱীক হিন্দু দেৱীৰ অন্তৰ্ভুক্ত কৰা হ'ল।

নগাসকলৰ মাজতো মূৰ কটা প্ৰথা প্ৰচলিত আছিল। নগাসকলে ৰোগ প্ৰতিৰোধ, অপদেৱতাক দূৰ কৰিবৰ বাবে আৰু শস্যৰ বৃদ্ধিৰ বাবে মূৰ চিকাৰ কৰিছিল। নগাসকলৰ মাজত এটা বিশ্বাস আছিল যে মানুহৰ মূৰ কাটি সেই মঙহ শস্য পথাৰত ছটিয়ালে শস্যৰ বৃদ্ধি হয়। Dr. Hutton এ এই প্ৰথাক (Soul fertility Cult) বুলি অভিহিত কৰিছে। কনকলাল বৰুৱাৰ মতেও এই নৰমুণ্ড চিকাৰ সঠিক অৰ্থত নৰবলি নহয় কাৰণ প্ৰায়বোৰ ক্ষেত্ৰতে মূৰ চিকাৰ প্ৰতিশোধৰ বশৱতী হৈহে কৰা দেখা গৈছিল।

কোচঁ ৰজা নৰনাৰায়ণে কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ কৰোতে অতি কমেও ১৪০ জন মানুহৰ বলি দি সিহঁতৰ মূৰ তামৰ ফলিত গোসাঁনীলৈ অৰ্পণ কৰিছিল বুলি ছাৰ এডৱাৰ্ড গেইটে তেওঁৰ পুথি "The Journal of the Asiatic Society of Bengal" ত লিখিছে।

কামাখ্যা মন্দিৰত নৰবলি প্ৰথাৰ প্ৰচলন সম্পৰ্কে অসম বুৰঞ্জীত পোৱা যায়। "আহোম ৰজা স্বৰ্গদেউ প্ৰতাপ সিংহই ১৫৩৭ শকত ঢাকাৰ সত্ৰ জিতৰ পুতেক কৰ্মচান্দক নাৱত পাই ধৰি নি কামাখ্যাৰ ঠাইত বলি দিলে"- (অসম বুৰঞ্জী)। ত্ৰিপুৰাৰ ৰজা ৰাজেশ্বৰে পুত্ৰ বাঞ্চা কৰি তিনিটা মানুহ দেৱীৰ ওচৰত বলি দিলে। জয়ন্তীয়াসকলেও কপিলীৰ পাৰত সেই নদীকে দেৱীৰূপে জ্ঞান কৰি দুজন মানুহক বলি দিছিল। বলি দিয়া শিলছটা হেনো এটিয়াও কপিলী নৈৰ পাৰত আছে।

শদিয়াত চুতীয়া ৰাজ্যৰ পৃষ্ঠপোষকতাত নৰবলি প্ৰথা চলিছিল। স্বৰ্গীয় ৰজনীকান্ত বৰদলৈয়ে কৈছিল-'তিৰোতা আৰু নিম্নজাতিক বলি হিচাপে অযোগ্য বুলি বাদ দিয়াত তাম্ৰেশ্বৰী মন্দিৰত চুতীয়া জাতৰ মানুহকে দেউৰীয়ে বলি দিয়াৰ ব্যৱস্থা কৰাই লৈছিল। চুতীয়া ৰাজ্যত পৰম্পৰাগতভাৱে চলি অহা এই নৰবলি আহোম স্বৰ্গদেউ গৌৰীনাথ সিংহৰ দিনলৈকে চলিছিল। ড° বাণীকান্ত কাকতিয়ে লিখিছে- 'This horried sacrifice was discontinued during the reign of king Gaurinath Singha, When the chutiya Priests hurried by the Burmese invaders abandoned their ancient passessias in the vicinity of the temple.'

বৰ্তমান অসমৰ কোনো মন্দিৰতে নৰবলি প্ৰথাৰ প্ৰচলন নাই। দেউৰীসকলে আজি পৰ্যন্ত বিশ্বাস কৰে যে তাম্ৰেশ্বৰী মন্দিৰত মানুহ বলি দিবলৈ এৰা বাবেই আহোম ৰাজ্যৰ পতন হ'ল।

আজিৰ যুগত 'নৰবলি প্ৰথা'ক এক জঘন্য প্ৰথা বুলি বিবেচনা কৰা হ'ব পাৰে। মানুহৰ অন্তৰত থকা নিষ্ঠুৰতা আৰু ক্ৰুৰতাৰ বাবেই 'নৰবলি প্ৰথা'ই গা কৰি উঠিব পাৰিছিল। প্ৰাচীন সময়ত মানুহ ইমান ধৰ্মান্ধ আছিল যে 'নৰবলি প্ৰথা'ৰ দৰে এক জঘন্য প্ৰথাক তেওঁলোকে পৱিত্ৰ পৰম্পৰালৈ ৰূপান্তৰিত কৰিছিল। ধৰ্মক অন্ধ বিশ্বাসৰ উৰ্দ্ধত ৰাখিব পাৰিলেহে আধ্যাত্মিক ৰূপৰ বিকাশ সাধন সম্ভৱপৰ হ'ব।

❑❑❑

গ্ৰন্থপঞ্জীঃ
১) বৰদলৈ, ড° নিৰ্মল প্ৰভা ঃ দেৱী
২) নেওগ, ড° মহেশ্বৰ ঃ পুৰণি অসমীয়া সমাজ আৰু সংস্কৃতি
৩) বৰদলৈ, ৰজনীকান্ত ঃ তাম্ৰেশ্বৰীৰ মন্দিৰ
৪) Kakati, (Dr.) B.K. : The Mother Goddess Kamakhya

# উত্তৰ পূৰ্বাঞ্চল তথা ভাৰতবৰ্ষত প্ৰচলিত ভাষা সমূহ - এটি আলোকপাত

অমৰ জ্যোতি ভাস্কৰ
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

পৃথিৱীৰ ভাষা সমূহৰ বিষয়ে অধ্যয়ন কৰিলে দেখা যায় যে কিছুমান ভাষা পৰিয়াল প্ৰায় গোটেই পৃথিৱী জুৰি বিয়পি আছে আৰু কিছু
ভাষা পৰিয়াল এক বিশেষ ভৌগোলিক পৰিসীমাতে আৱদ্ধ হৈ আছে। এই ভাষা পৰিয়ালবোৰৰ শাখা-প্ৰশাখা আমাৰ ভাৰতবৰ্ষটো বিয়পি আছে।
ভাৰতবৰ্ষ এখন বিশাল জন-সমুদ্ৰৰ দেশ। ইয়াৰ উজ্জ্বল প্ৰাচীন ঐতিহ্যই ইয়াৰ বিশালতাৰ কথাই কয়। বৈচিত্ৰ্যৰ মাজত বিৰাজ কৰা ভাৰতীয়
ঐক্যৰ মূলভেটি ভাৰতীয় সংস্কৃতি। বিভিন্ন সময়ত ভিন ভিন জনগোষ্ঠীৰ লোক আহি ইয়াত বসতি স্থাপন কৰিছিল আৰু জনগোষ্ঠী সমূহৰ বিচিত্ৰ,
ভিন্ন সংস্কৃতিৰ মাজত সংস্কৃতি গ্ৰহণ, সমাহৰণ আৰু সংশ্লেষণ প্ৰক্ৰিয়াৰে গঢ়ি উঠিছিল ভাৰতৰ বৈচিত্ৰময়ী সংস্কৃতি। এই জনগোষ্ঠী সমূহৰ বিভিন্ন
ভাষাৰ সমাহাৰেও ভাৰতবৰ্ষক এখন বৈচিত্ৰপূৰ্ণ দেশত পৰিণত কৰিছে। ভাষাতত্ত্ববিদ পণ্ডিত চাৰ জৰ্জ গ্ৰীয়াৰ্ছনৰ ভাষা জৰিপৰ ফল অনুযায়ী
ভাৰতত ১৭৯ টা ভাষা আৰু ৫৪৪ টা উপভাষা থকা বুলি প্ৰথম জানিব পৰা গ'ল। বৰ্তমান এই সংখ্যাৰ তাৰতম্য ঘটি প্ৰায় তেৰ হাজাৰ ভাষা
আৱিষ্কাৰ হৈছে আৰু এতিয়াও নানা পাহাৰী, দুৰ্গম অঞ্চলত কম জনসংখ্যাৰ বহুতো ভাষা অনাবিস্কৃত হৈয়ে ৰৈছে। ইয়াৰ কাৰণ হ'ল, ভাৰতবৰ্ষৰ
বিশালতা আৰু পৃথিৱীৰ চাৰিটা ভাষা পৰিয়ালৰ অসংখ্য ভাষাৰ বিস্তৃতি।

ভাৰতত প্ৰচলিত বিভিন্ন ভাষাগোষ্ঠী সমূহৰ ভিতৰত অন্যতম চাৰিটা ভাষা গোষ্ঠী হ'লঃ-

ক) অষ্ট্ৰিক ভাষা পৰিয়াল।
খ) দ্ৰাবিড়ীয় ভাষা পৰিয়াল।
গ) তিব্বত চীনীয় ভাষা পৰিয়াল।
ঘ) ভাৰতীয় আৰ্য বা ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়াল।

এই ভাষা পৰিয়ালসমূহ সমগ্ৰ ভাৰতজুৰি বিয়পি আছে। অৱশ্যে ভাৰতৰ আদিমতম অধিবাসী বুলি চিহ্নিত কৰা নিগ্ৰিতু বা নেগ্ৰিবটু
জাতিৰ ভাষা বৰ্তমান লুপ্তপ্ৰায়। প্ৰাগ ঐতিহাসিক যুগতে এই আদিম অধিবাসী সকলে আফ্ৰিকা মহাদেশৰ পৰা আহি ইৰাণ বেলুচিস্থানৰ মাজেদি
ভাৰতত প্ৰবেশ কৰিছিল বুলি অনুমান কৰা হয়। কোনো কোনোৰ মতে এই ভাষাগোষ্ঠী পিছত অহা ভাষাগোষ্ঠীৰ লগত মিলি যায়।

ভাৰতত প্ৰচলিত ভাষা পৰিয়াল সমূহৰ এক বিস্তৃত আলোচনা তলত দাঙি ধৰা হৈছেঃ

ক) অষ্ট্ৰিক ভাষা পৰিয়ালঃ-

ভাৰতৰ ভাষা পৰিয়াল সমূহৰ ভিতৰত অষ্ট্ৰিক ভাষা পৰিয়ালটোৱেই সৰ্ব প্ৰাচীন। এই ভাষা পৰিয়ালৰ সংখ্যাত অতি কমসংখ্যক লোক
পশ্চিমবঙ্গ, মধ্যপ্ৰদেশ, বিহাৰ, উৰিষ্যা, অন্ধ্ৰপ্ৰদেশ, অসম আদিত বিয়পি আছে।

এই ভাষা পৰিয়ালৰ প্ৰধান শাখা দুটা হ'লঃ-

১) অষ্ট্ৰ' এচীয় (Austra-asiatic)
২) অষ্ট্ৰ' নেচীয় (Austra-nasian)

এই শাখা দুটাৰ ভিতৰত অকল এচিয়াটিক শাখাৰ লোকহে ভাৰতত আছে।





এই অষ্ট্ৰিক গোষ্ঠীৰ লোক সকলে ভাৰতত প্ৰৱেশ কৰে উত্তৰ চীনৰ পৰা। প্ৰথমতে এই ভাষাগোষ্ঠীৰ লোক অসমত সোমায় আৰু
পিছত অন্যান্য প্ৰদেশত বিয়পি পৰে। প্ৰকৃততে অষ্ট্ৰিক ভাষা-ভাষী লোকসকল পশ্চিম দিশেৰে ভাৰতত প্ৰৱেশ কৰিছিল নে পূব দিশেৰে ভাৰতত
প্ৰৱেশ কৰিছিল তাৰ সঠিক নিৰ্দ্ধাৰণ এতিয়াও হোৱা নাই। অষ্ট্ৰিক ভাষাগোষ্ঠীৰ লোক সকলৰ বংশ লতিকা এখন তলত দিয়া হ'লঃ-




অষ্ট্ৰ' এচীয় শাখাৰ তিনিটা প্ৰধান শাখাঃ কোলমুণ্ডা, খাচী-নিকোবৰী আৰু মন্‌খ'মেৰ। কোলমুণ্ডাৰ আকৌ দুটা ভাগ- এটা পূব আৰু
আনটো পশ্চিম। পূব শাখাৰ অন্তৰ্গত ভাষা কেইটা হ'ল- চাওতালী, মুণ্ডাৰী, হো, ভূমিজ, কোডা, কোৰায়া। পশ্চিম শাখাৰ অন্তৰ্গত ভাষা কেইটা
হ'ল- শবৰ, খৰীয়া, কুৰ্ক জুয়াং। খাচী-নিকোবৰী শাখাত পৰে খাচী আৰু নিকোবৰী ভাষা। মন্‌খমেৰ শাখাৰ ভিতৰত মন আৰু খ'মেৰ ভাষা প্ৰধান।

কোল মুণ্ডাৰ ভাষা কোৱা লোক মধ্যপ্ৰদেশ, পশ্চিমবংগ, বিহাৰ, উৰিষ্যা, অসমত আছে। খাচী নিকোবৰী শাখাৰ খাচী ভাষা মেঘালয়ৰ
খাচীয়া-জয়ন্তীয়া পাহাৰত প্ৰচলিত। নিকোবৰী ভাষা নিকোবৰ দ্বীপপুঞ্জত আছে। মন্ আৰু খমেৰ ভাষা মালয়, ব্ৰহ্মদেশ আদিত প্ৰচলিত।

অষ্ট্ৰিক ভাষাৰ বৈশিষ্ট্য ঃ

১) অষ্ট্ৰিক ভাষাৰ কোলমুণ্ডা শাখাৰ মুণ্ডা ভাষা অশ্লিষ্ট যোগাত্মকৰ ভিতৰত পৰে।
২) শব্দৰ আদিত, মধ্যত বা শেষত প্ৰত্যয় যোগ হয়।
৩) অঘোষ, ঘোষ, অল্পপ্ৰাণ, মহাপ্ৰাণ ধ্বনিৰ অস্তিত্ব আছে।
৪) অৰ্দ্ধস্বৰ, স্বৰ বা ব্যঞ্জন ধ্বনিৰ অতিৰিক্ত এক প্ৰকাৰ অৰ্দ্ধ ব্যঞ্জন ধ্বনিও এই ভাষাত শুনা যায়।
৫) তিনি লিংগ আৰু দুই বচনৰ প্ৰয়োগ আছে।
৬) দ্বিত্ব শব্দৰ প্ৰয়োগ শব্দৰ গুৰুত্ব আৰোপৰ কাৰণে কৰা হয়।
৭) শব্দবোৰ প্ৰায়ে দুই অক্ষৰ বিশিষ্ট।
৮) পূৰ্ব প্ৰত্যয় প্ৰধান।
৯) পূৰ্ব সৰ্গ, প্ৰসৰ্গৰ ব্যৱহাৰ দেখা যায়।
১০) ধন্যাত্মক শব্দৰ প্ৰয়োগ দেখা যায়।

খ) দ্ৰাৱিড় ভাষা পৰিয়ালঃ-

অষ্ট্ৰিক ভাষা গোষ্ঠীৰ পিছতেই ভাৰতৰ অন্যতম ভাষাগোষ্ঠী হ'ল- দ্ৰাবিড়ীয় ভাষা গোষ্ঠী। এওঁলোক ভূমধ্যসাগৰীয় নৃগোষ্ঠীৰ অন্তৰ্ভুক্ত। ভাৰতলৈ দ্ৰাৱিড় ভাষা পৰিয়ালৰ লোক সকল কেতিয়া আৰু ক'ৰ পৰা আহিছিল, এই সম্পৰ্কে কোনো সঠিক মত নাই। ড° সুনীতি কুমাৰ চেটাৰ্জীয়ে দ্ৰাৱিড় ভাষা পৰিয়ালৰ লোকসকলৰ আদিম বাসস্থান ভূমধ্য সাগৰীয় অঞ্চল বুলি কৈছে। তেওঁৰ মতে- পূৱ ভূমধ্য সাগৰীয় অঞ্চলৰ লোকসকলে নিজকে 'তৃম্মিলি'(Trimmili) বুলি কয়। ভাৰতলৈ অহা দ্ৰাৱিড় সকলে এই নামৰ পৰম্পৰা কঢ়িয়াই অনাৰ বাবেই হয়তো তেওঁলোকক পিছলৈ 'দ্ৰাৱিড়' নামেৰে নামকৰণ কৰা হ'ল। ভাষাবিদ স্মিড্‌টে আকৌ দ্ৰাৱিড় সকলক অষ্ট্ৰেলিয়াৰ আদিম অধিবাসী বুলিহে অভিহিত কৰিছে। খৃঃ পূঃ তিনিহাজাৰ মান বছৰৰ পূৰ্বে পূব ভূমধ্য সাগৰীয় অঞ্চলৰ পৰা দ্ৰাৱিড়সকল ইৰান, ইৰাক, বেলুচিস্তান হৈ সিন্ধু নদীৰ উপত্যকাত প্ৰৱেশ কৰেহি বুলি অধিকাংশ পণ্ডিতে মত পোষন কৰিছে।

ভাৰতত বসবাস কৰা দ্ৰাৱিড় সকলক প্ৰথমে দ্ৰমিল (Drmil) বা দ্ৰমিঝ(Drmmizh) বোলা হৈছিল যদিও পিচলৈ তেওঁলোকক দ্ৰমিল বা দ্ৰাৱিড় নামেৰে অভিহিত কৰা হয়।

দ্ৰাবিড় ভাষা গোষ্ঠীৰ ভাগ তিনিটাঃ-

১) দ্ৰাৱিড় শাখা।
২) অন্ধ্ৰ শাখা
৩) উত্তৰ পশ্চিম বা ব্ৰাহুই

ইয়াৰে তৃতীয় শাখাটোৰ প্ৰচলন ভাৰতত নাই। দ্ৰাৱিড় ভাষা পৰিয়ালৰ বংশ লতিকাখন তলত দাঙি ধৰা হ'লঃ-




দ্ৰাবিড় ভাষাৰ পৰা উদ্ভৱ হোৱা ভাষাবোৰ হ'ল- তামিল, মালয়ালম, কানাড়ী, টুলু, টোডা, বঙ্গ, কুৰগু, গোণ্ডী, কুই, মালতো, কুৰুখ আৰু কোটা। অন্ধ্ৰ শাখাৰ অৰ্ন্তভুক্ত ভাষা দুটা হ'ল-তেলেগু আৰু কোলামী। উত্তৰ পশ্চিম শাখাৰ পৰা কেৱল বেলুচিস্তানৰ ব্ৰাহুই ভাষাৰ সৃষ্টি হৈছে। দ্ৰাৱিড় শাখাৰ ভিতৰত তামিল উল্লেখযোগ্য ভাষা। ভাৰতৰ দক্ষিণ অঞ্চল আৰু শ্ৰীলংকাৰ উত্তৰ অংশত তামিল ভাষাৰ প্ৰচলন আছে। মালয়ালম ভাষাৰ প্ৰচলন কেৰেলা ৰাজ্যত আছে। লাক্ষাদ্বীপতো মালয়ালম ভাষা প্ৰচলিত। মালয়ালম ভাষাক তামিল ভাষাৰ বৰ জীয়ৰী আখ্যা দিয়া হয়। মহীশূৰ আৰু দক্ষিণ ভাৰতৰ দক্ষিণ পশ্চিম অঞ্চলত কানাড়ী ভাষাৰ প্ৰচলন আছে। দ্ৰাৱিড় শাখাৰ অন্যান্য ভাষাবোৰৰ ভিতৰত টুলু ভাষা কানাড়ী ভাষাৰ এটি উপভাষা। "কুৰগু" ভাষা কুৰ্গ অঞ্চলত প্ৰচলিত। "টোডা", "কোটা" আৰু "বঙ্গ" ভাষা নীলগিৰি পাৰ্বত্য অঞ্চলৰ কিছুসংখ্যক লোকৰ মাজত প্ৰচলিত। তদুপৰি মধ্যপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশৰ কোনো কোনো অঞ্চলত "গোণ্ডী" ভাষা চলে। বিহাৰ আৰু উৰিষ্যাতো বিশেষ অঞ্চল কিছুমানত "কুৰুখ" ভাষাৰ প্ৰচলন আছে। উৰিষ্যাৰ অৰণ্য অঞ্চল সমূহতো 'কুই' ভাষা আৰু ৰাজমহল পাহাৰত "মালতো" ভাষাৰ প্ৰচলন আছে।

অন্ধ্ৰ শাখাৰ প্ৰধান ভাষা তেলেগু অন্ধ্ৰপ্ৰদেশৰ মূল ভাষা হলেও মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশতো ইয়াৰ প্ৰচলন আছে। তদুপৰি মধ্যপ্ৰদেশ আৰু মুম্বাই অঞ্চলত এই ভাষাৰ বহুতো উপভাষাৰ প্ৰচলন আছে। অন্ধ্ৰশাখাৰ "কোলামী" ভাষাৰ ব্যৱহাৰ আছে বেৰাৰ অঞ্চলত। দ্ৰাবিড় ভাষা





গোষ্ঠীৰ আন এটা শাখা উত্তৰ পশ্চিম বা ব্ৰাহুই শাখাৰ ব্ৰাহুই ভাষাৰ প্ৰচলন আছে বেলুচিস্থানত।

দ্ৰাবিড় ভাষাৰ বৈশিষ্ট্য ঃ

১) এই ভাষা অশ্লিষ্ট অন্ত্য-যোগাত্মক শ্ৰেণীৰ অন্তৰ্গত।
২) প্ৰত্যয়, বিভক্তি অঙ্গাঙ্গী ভেদে যুক্ত হৈ নাথাকে।
৩) অন্ত্যব্যঞ্জন ধ্বনিৰ পিছত কোনো কোনো ভাষাত স্বৰ সংযুক্ত হৈ উচ্চাৰণ হয়।
৪) স্বৰ সংগতি দ্ৰাবিড় ভাষাৰ অন্যতম বৈশিষ্ট।
৫) মূৰ্ধণ্য ধ্বনি অৰ্থাৎ "ট" বৰ্গৰ প্ৰাধান্য মন কৰিবলগীয়া।
৬) একবচন আৰু বহুবচন দুয়োৰে প্ৰয়োগ আছে। একবচনত প্ৰত্যয়ৰ সংযোগ কৰি বহুবচন কৰা হয়।
৭) কৰ্ম্মবাচ্যৰ প্ৰয়োগ নাই, আত্মনেপদৰ চিন কোনো কোনো ক্ষেত্ৰত দেখা যায়।
৮) কেৱল একবচনতহে অপ্ৰাণীবাচক ক্লীৱলিঙ্গ প্ৰয়োগ কৰা হয়।
৯) বিশেষ্য আৰু সৰ্বনাম শব্দ অব্যয়ৰ সহযোগত যুক্ত হ'লেও সমাপিকা ক্ৰিয়া কেতিয়াও যুক্ত নহয়।
১০) তামিল ভাষাতহে ঘোষ ব্যঞ্জন ব্যৱহৃত নহয়।

গ) তিব্বত-চীনীয় ভাষা পৰিয়ালঃ-

ভাৰতৰ প্ৰধান ভাষা-পৰিয়াল কেইটাৰ ভিতৰত আন এটা ভাষা পৰিয়াল হ'ল- তিব্বত চীনীয় ভাষা পৰিয়াল। এই ভাষা পৰিয়ালটো পৃথিৱীৰ ভিতৰতে সৰ্ববৃহৎ ভাষা পৰিয়াল। খৃঃ পূঃ এহেজাৰ বছৰ মান পূৰ্বে এই ভাষাগোষ্ঠীৰ লোক সকল ভাৰতলৈ আহে আৰু ভাৰতৰ উত্তৰ পূৱ কোণত ই বিশেষ ভাৱে বিস্তৃতি লাভ কৰে। সেই বাবে এই গোষ্ঠীৰ অন্তৰ্গত ভাষাসমূহ প্ৰধান ভাৱে হিমালয়ৰ দাঁতি কাষৰীয়া অঞ্চল, উত্তৰ পূৰ্ব ভাৰতত প্ৰচলিত।

তিব্বত চীনীয় ভাষা পৰিয়ালক দুটা ভাগত ভগাব পাৰি- ১) তিব্বত বৰ্ম্মী আৰু ২) শ্যাম চীনীয়।

তিব্বত চীনীয় ভাষা পৰিয়ালৰ এখন বংশ লতিকা তলত দাঙি ধৰা হ'লঃ-



১) তিব্বতবৰ্ম্মী শাখাঃ

এই শাখাৰ চাৰিটা প্ৰধান উপশাখা হ'লঃ-

ক) হিমালয়ী খ) উত্তৰ অসম গ) অসমবৰ্ম্মী ঘ) তিব্বতী।

ক) হিমালয়ী শাখাঃ-

এই শাখাৰ অৰ্ন্তগত ভাষা সমূহ হৈছে- নোৱাৰী, লেপ্চা, কনৌৰী, লিম্বু, কিৰণ্ডী, ধিমাল আদি। এই ভাষা সমূহ হিমালয়ৰ দাঁতি কাষৰীয়া অঞ্চল, হিমাচল প্ৰদেশ আৰু উত্তৰ প্ৰদেশৰ ঠাই বিশেষ আৰু ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ নেপালত প্ৰচলিত। নোৱাৰী ভাষা নেপালৰ প্ৰধান ভাষা। লেপ্চা চিকিমৰ অন্যতম ভাষা।

খ) উত্তৰ অসম শাখাঃ

উত্তৰ অসম শাখাক "নেফা" বা "অৰুণাচলী" শাখা বুলিও জনা যায়। এই শাখাৰ অন্তৰ্গত উল্লেখযোগ্য ভাষাবোৰ হ'ল- অকা, ডফলা, মিচিং, মিচিমি, চিংফৌ, নক্টে, আবৰ, গালং, আপাটানি, মন্পা, চেৰদুক্পেন, ইদু, টাগিন ইত্যাদি। অৰুণাচলৰ কামেং জিলাত মন্পা, চেৰদুক্পেন, অকা, মিচিং আদি ভাষী লোকসকলে বাস কৰে। ডফলা, আপাটানি ভাষাৰ প্ৰচলন আছে সোৱণশিৰি জিলাত। লোহিত জিলাত ইদু, টাওৱান, চিংফৌ ভাষাৰ উপৰিও শ্যাম-চীনীয় শাখাৰ খামটি ভাষাৰ প্ৰচলন আছে। টিৰাপ জিলাত প্ৰচলিত ভাষাৰ ভিতৰত নক্টে, ৱাংচু, টাংচা ভাষা অন্যতম। এইখিনিতে উল্লেখযোগ্য যে অৰুণাচলী বা উত্তৰ অসম শাখাৰ ভাষাৰ সঠিক সংখ্যা এতিয়াও ঠাৱৰ কৰিব পৰা নাই। দুৰ্গম পাহাৰীয়া অঞ্চল হোৱাৰ বাবে আৰু সাহিত্যৰ লিখিত নিদৰ্শন, লিপি নোহোৱাৰ বাবে ভাষা সমূহৰ লগত পৰিচয় হোৱাটো কঠিন হৈ পৰিছে।

গ) অসম বৰ্ম্মীঃ-

অসম বৰ্ম্মী শাখাৰ দুটা প্ৰধান ভাগ হ'ল- বড়ো-নগা আৰু কুকি-চীন। এই ভাগ দুটাৰ মাজৰ উল্লেখযোগ্য ভাষা হৈছে কাৰ্বি ভাষা। কাৰ্বি ভাষা কোৱা লোক অসমৰ নগাওঁ, শিৱসাগৰ, উত্তৰ কাছাৰ আৰু কাৰ্বি আংলং জিলাত আছে। বৰ্তমান কাৰ্বি ভাষাৰ মান্য ভাষা ৰূপে ডিফু অঞ্চলৰ কথিত ভাষাই স্বীকৃতি পাইছে।

বড়ো-নগা শাখাটোৰ অন্যতম ভাষা হ'ল- বড়ো ভাষা। এই শাখাৰ অন্য ভাষাবোৰ হ'ল-ৰাভা, গাৰো, কছাৰী, ডিমাছা, তিৱা, হাজং, দেউৰী-চুতীয়া, টিপ্ৰা আদি। বড়ো ভাষা কোৱা লোক অসমৰ গোৱালপাৰা, কোকৰাঝাৰ, বিজনী, সৰভোগ, গোৰেশ্বৰ, তামুলপুৰ, ওদালগুৰি, ধুপধৰা আদিত বাস কৰে। গাৰো ভাষাৰ প্ৰচলন আছে মেঘালয়ৰ গাৰোপাহাৰ, অসমৰ গোৱালপাৰা, কামৰূপ আৰু ত্ৰিপুৰাত। ৰাভা ভাষাৰ প্ৰচলন আছে কামৰূপ আৰু গোৱালপাৰা জিলাৰ দক্ষিণ অঞ্চলত। তদুপৰি দৰং আৰু নগাওঁ জিলাৰ কোনো কোনো অঞ্চল আৰু গাৰো পাহাৰৰ দক্ষিণ অঞ্চলত এই ভাষাৰ প্ৰচলন আছে। ডিমাছা ভাষাৰ লোক নগাওঁ, কাৰ্বি আংলং, কাছাৰ, উত্তৰ কাছাৰ জিলাত আছে। নগাওঁ জিলাৰে দক্ষিণ-পশ্চিম অঞ্চল, কামৰূপ জিলাৰ ডিমৰীয়া আৰু জয়ন্তীয়া পাহাৰৰ নামনি অঞ্চলত বাস কৰে তিৱা ভাষীলোক সকলে। হাজং ভাষাৰ প্ৰচলন আছে গাৰোপাহাৰ, খাচীয়া জয়ন্তীয়া পাহাৰত। ত্ৰিপুৰাৰ প্ৰধান ভাষা হ'ল টিপ্ৰা। দেউৰী-চুতীয়া ভাষাক চমুকৈ দেউৰী ভাষা বুলি কোৱা হয়। অসমৰ ডিব্ৰুগড়, যোৰহাট, লক্ষীমপুৰ, শিৱসাগৰ, গোলাঘাট আদিত এই ভাষাৰ প্ৰচলন আছে। অৰুণাচল প্ৰদেশৰ লোহিত আৰু চিয়াং অঞ্চলতো এই ভাষাৰ প্ৰচলন আছে। বড়ো-নগা শাখাৰে অৰ্ন্তগত আন এক উল্লেখযোগ্য ভাষা মিচিং- এই মিচিং ভাষা কোৱা লোক অসমৰ লক্ষীমপুৰ, ডিব্ৰুগড়, শিৱসাগৰ, যোৰহাট, শোণিতপুৰ জিলাত বিয়পি আছে।

অসম বৰ্ম্মী শাখাৰ নগা শাখাও অন্যতম। এই শাখাৰ নগা ভাষা প্ৰধান ভাৱে নাগালেণ্ডতে প্ৰচলিত। তদুপৰি মণিপুৰ, উত্তৰ কাছাৰ জিলাতো এই ভাষা কোৱা লোক আছে। নগা শাখাৰ ভাষাবোৰ হ'ল- আংগামী, আও, লোথা, চেমা, ৰেংমা, কাবুই, মাও, মাৰুম, কন্যাক, টাংখুল, টাংচা, ৱাকু, নক্টে ইত্যাদি। ইয়াৰে শেষৰ তিনিটা ভাষা অৰুণাচলৰ টিৰাপ জিলাত প্ৰচলিত। টাংখুল ভাষা মণিপুৰত কোৱা হয়।

কুকি-চীন প্ৰশাখাৰ লুচাই বা মিজোভাষা মিজোৰাম প্ৰদেশৰ ভাষা। লাখেৰ, পোই, ফামাই, ক্ষাৰ আদিও এই প্ৰশাখাৰ ভাষা। কুকি-চীন প্ৰশাখাৰে আন এটা ভাষা হ'ল মেইথে ভাষা। এই ভাষাৰ প্ৰচলন আছে মণিপুৰত।

ঘ) তিব্বতীঃ

তিব্বত বৰ্ম্মী শাখাৰ ভিতৰত অন্যতম এক প্ৰশাখা হ'ল তিব্বতী। এই প্ৰশাখাটোৰ ভাষাৰ প্ৰচলন আছে হিমালয়ৰ পশ্চিম অঞ্চলত। ইয়াৰে বাল্টি আৰু লাডাখী ভাষা কাশ্মীৰৰ অন্যতম ভাষা।

২) শ্যাম চীনীয় শাখাঃ-

তিব্বত চীনীয় ভাষাগোষ্ঠীৰ দ্বিতীয়টো প্ৰধান শাখা হ'ল- শ্যাম চীনীয় শাখা। এই শাখাৰ অৰ্ন্তগত ভাষাবোৰ হ'ল- টাই-আহোম, টাই-





খামতি, টাই-ফাকে, টাই-আয়তন, টাই-খাময়াং আৰু টাই-তুৰং। এই ভাষা সমূহৰ ভিতৰত টাই-আহোম ভাষাই অসমীয়া থলুৱা কৃষ্টি সংস্কৃতিৰ লগত জাহ যোৱাৰ বাবে ইয়াৰ প্ৰসাৰ নঘটিল। টাই-খামতি ভাষা কোৱা লোক অসমৰ লক্ষীমপুৰ জিলা আৰু অৰুণাচল প্ৰদেশৰ লোহিত আৰু টিৰাপ সীমান্তত আছে। টাই ফাকে ভাষী লোক অসমৰ ডিব্ৰুগড় জিলাৰ নাম ফাকিয়াল, টিপাম ফাকিয়াল, বৰ ফাকিয়াল, নামচাই, লংগাওঁ আদি গাওঁত বাস কৰে। টাই-তুৰং ভাষী সকলক পোৱা যায় নগাপাহাৰৰ দাঁতি কাষৰীয়া ঠাইত। গোলাঘাট আৰু কাৰ্বি আংলং জিলাত পোৱা যায় টাই-আয়তন সকলক। টাই-খাময়ং ভাষা কোৱা লোকসকলৰ বসতি ধেমাজি, যোৰহাট, গোলাঘাট আৰু ডিব্ৰুগড় জিলাত।

ঘ) ভাৰতীয় আৰ্য বা ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালঃ-

ভাৰতবৰ্ষৰ আটাইতকৈ উল্লেখযোগ্য ভাষা পৰিয়ালটো হ'ল- ভাৰতীয় আৰ্য ভাষা পৰিয়াল। এই ভাষা পৃথিবীৰ সৰ্ববৃহৎ ভাষাগোষ্ঠী ইণ্ডো-ইউৰোপীয়ৰ পৰা উদ্ভৱ হৈছে। এই ভাষা পৰিয়ালৰ ইতিহাস বিচাৰি প্ৰায় পাঁচ হাজাৰ বছৰ আগলৈ যাব লগাত পৰে। প্ৰায় খ্ৰীঃ পূঃ ১৫০০ বছৰৰ আগতে মধ্য এচিয়াত প্ৰচলিত হিট্টাইট ভাষাৰ লগত এই ভাষাৰ মিল দেখা গৈছে। এই ভাষা গোষ্ঠীৰ লোক সকলৰ মাজত অৰ্ধ-নৰ্মেদিক ইণ্ডো-ইউৰোপীয় প্ৰাৰম্ভিক সংস্কৃতিয়ে পোখা মেলিছিল। এইলোক সকলে খেতি কৰিছিল, ঘোঁৰা পুহিছিল আৰু প্ৰকৃতিৰ প্ৰচণ্ড ৰূপক পূজা কৰিছিল। অঘৰী জাতীয় স্বভাৱো এই ভাষা ভাষীলোকৰ মাজত দেখা গৈছিল। এই অঘৰী স্বভাৱ নাইবা অন্য জনগোষ্ঠীৰ হেঁচাৰ ফলত নিজৰ ঠাই এৰি এওঁলোকে হয়তো অগ্ৰসৰ হৈছিল অনুকূল ভূমি বিচাৰি। এইদৰেই এটা দল আগবাঢ়ি গৈ ক'কেচাচ পৰ্বত পাৰ হৈ উত্তৰ মেচোপটেমিয়াত (বৰ্তমানৰ ইৰান) প্ৰায় খ্ৰীঃ পূঃ ২৫০০ ত প্ৰৱেশ কৰে। ইয়াৰ পৰাই ইণ্ডো-ইউৰোপীয়ৰ এটা বা একাধিক দল ভাৰতৰ অভিমুখে ধাৱিত হয় আৰু ভাৰতত প্ৰৱেশ কৰে। ভাৰতত প্ৰৱেশ কৰাৰ আগতে ইৰানত থাকোতেই এইসকলে আৰ্য নাম পায়।

ইণ্ডো-ইউৰোপীয়ৰ সতম্ শাখাৰ এটি উপশাখা হ'ল- ইণ্ডো-ইৰানীয়। ইয়াৰ তিনিটা উপশাখা হ'ল- ১) ইৰানীয় ২) দৰ্দিক ৩) ভাৰতীয় আৰ্যভাষা।

ইণ্ডো-ইৰানীয় উপশাখাৰ পৰা ভাৰতীয় আৰ্য ভাষা পৃথক হৈ অহাৰ পিছত ভাৰতবৰ্ষত আৰ্যসকলে ভাষা-ধৰ্ম-সাহিত্যৰ ৰোপন কৰা বীজে ঠন ধৰি উঠিল, ভাৰতীয় সভ্যতাই অতি উন্নত ৰূপে পৰিচিত হ'ল।

ভাৰতীয় আৰ্য্যভাষাৰ অতি প্ৰাচীন নিদৰ্শন আছে। এই ভাষা অতি বিচিত্ৰ আৰু বৈশিষ্টপূৰ্ণ। ভাৰতীয় আৰ্যভাষাৰ ইতিহাসক তিনিটা বিশেষ স্তৰত ভাগ কৰা হৈছে-

১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা।

২) মধ্য ভাৰতীয় আৰ্য্যভাষা।

৩) নব্য বা আধুনিক ভাৰতীয় আৰ্য্যভাষা।

১) প্ৰাচীন ভাৰতীয় আৰ্যভাষা ঃ

খৃঃ পূঃ পঞ্চদশ শতিকাৰ পৰা খৃঃ পূঃ ষষ্ঠ শতিকা পৰ্যন্ত প্ৰাচীন ভাৰতীয় আৰ্যভাষাৰ সময় নিৰুপন কৰা হৈছে। এই সময়ছোৱাৰ ভাষাৰ নিদৰ্শন ৰূপে বৈদিক ৰচনাৱলী, মহাকাব্য সমূহ, পাণিনি, পতঞ্জলী আদি পণ্ডিত সকলৰ ৰচনাৱলী আৰু তাৰ পৰৱৰ্তী কালছোৱা কালিদাস আৰু অন্যান্য সাহিত্যিক সকলৰ ৰচনাৱলী অন্তৰ্ভুক্ত কৰা হৈছে। আৰ্য ভাষাৰ প্ৰাচীন নিদৰ্শন য'ত পোৱা যায়, সেয়া হ'ল বেদৰ ভাষা-বৈদিক সংস্কৃত। মেক্সমুলাৰ চাহাবে এই বেদ অনুবাদ কৰি পাতনিত লিখি থৈ গৈছে-"The most ancient of books in the Library of mankind". বৈদিক সাহিত্যৰ ৰচনা কাল খৃঃ পূঃ ১৫০০ ৰ পৰা খৃঃ পূঃ ৬০০ বুলি পণ্ডিত সকলে ধৰিছে। এই সাহিত্যৰ স্তৰ তিনিটা- "বেদ বা সংহিতা", "ব্ৰাহ্মণ" আৰু "উপনিষদ"। সংস্কৃত ভাষাৰ ব্ৰাহ্মণ সমূহত আছে বিভিন্ন যাগ-যজ্ঞৰ বিৱৰণ, ব্যাখ্যা আদি। উপনিষদত সেই সময়ৰ মনীষীসকলৰ আধ্যাত্মিক চিন্তা, অনুভূতিৰ প্ৰকাশিত ৰূপক পোৱা যায়। বৈদিক যুগৰ শেষৰ ফালে ৰচিত হয় ৰামায়ণ আৰু মহাভাৰত। এই মহাকাব্য দুখন আৰু পুৰাণ সমূহৰ ভাষাৰ ভিত্তিতে প্ৰায় খৃঃ পঞ্চম শতাব্দীত জন্ম গ্ৰহণ কৰা ঋক্, যজুঃ, সাম আৰু অথৰ্ব বেদৰ ভিতৰত "ঋক্" বেদেই প্ৰাচীন। অসামান্য বৈয়াকৰণিক পাণিনীয়ে সংস্কৃত ভাষাক নিৰ্দ্ধাৰিত ৰূপ দিয়ে। বৈদিক আৰু সংস্কৃতৰ এই দুই ৰূপক প্ৰাচীন ভাৰতীয় আৰ্যভাষা বুলি নামকৰণ কৰা হৈছে।

২) মধ্য ভাৰতীয় আৰ্য্যভাষাঃ

মধ্য ভাৰতীয় আৰ্যভাষাৰ সময় ধৰা হৈছে খৃঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খ্ৰীষ্টীয় দশম শতিকালৈ। এই সময়খিনিৰ সাহিত্যৰ স্তৰক তিনিটা ভাগত ভাগ কৰা হৈছে-

ক) পালি বা আদি প্ৰাকৃত।
খ) প্ৰাকৃত বা মধ্য প্ৰাকৃত।
গ) অপভ্ৰংশ বা অন্ত্য প্ৰাকৃত।

পালি ভাষাৰ সময় কাল খৃঃ পূঃ ষষ্ঠ শতিকাৰ পৰা খৃষ্টীয় প্ৰথম শতিকালৈ ধৰা হৈছে। "পালেতিতি ৰক্ষতেতি পালি" অৰ্থাৎ য'ত পাঠ সংৰক্ষণ হয় সিয়েই পালি। পাঠ হ'ল বুদ্ধৰ বাণী ৰক্ষণ। পালি ভাষাক বৌদ্ধ ধৰ্ম্মৰ পাঠ খোদিত কৰা বা শাস্ত্ৰ ৰচনা কৰা ভাষা বুলিও কোৱা হয়। পালিৰ পাছৰ স্তৰ, খৃঃ প্ৰথম শতিকাৰ পৰা খৃঃ ষষ্ঠ শতিকালৈ প্ৰাকৃত ভাষাৰ স্তৰ ৰূপে ধৰা হয়। প্ৰাকৃতৰ উৎপত্তি সম্পৰ্কে বৈয়াকৰণিক হেমচন্দ্ৰই কৈছে যে "প্ৰকৃতিঃ সংস্কৃত্ং তত্ৰ ভবঃ তত্ আগতং ৰা প্ৰাকৃতং।" অৰ্থাৎ সংস্কৃতেই প্ৰকৃতি আৰু ইয়াৰ পৰাই প্ৰাকৃতৰ উৎপত্তি। আন এজন পণ্ডিত কৃষ্ণই তেওঁৰ "প্ৰাকৃত চন্দ্ৰিকা" গ্ৰন্থত লিখি থৈ গৈছে-

"প্ৰকৃতি সংস্কৃতং তত্ৰ ভবত্বাৎ প্ৰাকৃতং স্মৃতম।
তত্ত্বং তৎসমং দেশীত্যেবমেত ত্ৰিধা মতং।।

ইয়াৰ মতেও সংস্কৃতেই প্ৰাকৃত। কিন্তু সিয়ে তৎসম, তত্ত্বৰ আৰু দেশী- এই তিনিবিধলৈ পৰিণত হৈছে। উল্লেখযোগ্য যে সংস্কৃত সমগ্ৰ ভাৰততে এটা ৰূপত প্ৰচলিত; কিন্তু স্থানভেদে প্ৰাকৃতৰ ৰূপ বেলেগ বেলেগ। অঞ্চলকেন্দ্ৰিক এই প্ৰাকৃত বিলাক হ'ল- দক্ষিণ, দক্ষিণ পশ্চিমা, উত্তৰ পশ্চিমা, প্ৰাচ্যামধ্যা আৰু প্ৰাচ্যা। প্ৰাকৃত ভাষাৰ শেষ স্তৰ হ'ল অপভ্ৰংশ। এই স্তৰৰ সময় খৃঃ ষষ্ঠ শতিকাৰ পৰা খৃষ্টীয় দশম শতিকালৈ। অপভ্ৰংশ ভাষাৰ বৈশিষ্টই প্ৰাচীন ভাৰতীয় আৰ্য ভাষাৰ জটিলতা প্ৰায় নাইকিয়া কৰে। অপভ্ৰংশৰ সাহিত্যসমূহক অৱহটঠ আখ্যা দিয়া হয়।

৩) নব্য বা আধুনিক ভাৰতীয় আৰ্যভাষাঃ

প্ৰাকৃতৰ পৰা অপভ্ৰংশসমূহ আৰু তাৰ পৰাই নব্য ভাৰতীয় আৰ্য ভাষা সমূহৰ জন্ম হয়। এই ভাৰতীয় আৰ্যভাষাৰ আধুনিক স্তৰ আৰম্ভ হয় খৃষ্টীয় দশম শতিকাৰ পৰা। দ্বাদশ শতিকাৰ ভিতৰতে আধুনিক ভাৰতীয় আৰ্যভাষাই আধুনিক ৰূপ পৰিগ্ৰহণ কৰি আঞ্চলিক ভেদে স্বকীয় ৰূপ ল'বলৈ আৰম্ভ কৰে। আঞ্চলিক ৰূপ লাভ কৰা আধুনিক ভাৰতীয় আৰ্যভাষা সমূহক এনেদৰে ভাগ কৰিব পাৰি-

১) উত্তৰ পশ্চিমা শাখা।
২) দক্ষিণী শাখা।
৩) মধ্য শাখা।
৪) মধ্য-পূৰ্বী শাখা।
৫) পূৰ্বী শাখা।
৬) হিমালয়ী শাখা।
৭) বিদেশী শাখা।

১) উত্তৰ পশ্চিমা শাখা ঃ

এই শাখাৰ ভিতৰত থকা ভাষা কেইটা হ'ল- পশ্চিমা পাঞ্জাৱী বা লহন্দী, পূৰ্ব পাঞ্জাৱী বা হিন্দকী আৰু সিন্ধী ভাষা। পশ্চিমা পাঞ্জাৱী আৰু পূৰ্ব পাঞ্জাৱী ভাষাৰ প্ৰচলন পাঞ্জাৱত আছে। সিন্ধী ভাষা সিন্ধু আৰু কচ্ছ অঞ্চলত ব্যৱহৃত হয়।

২) দক্ষিণী শাখাঃ

এই শাখাৰ উল্লেখযোগ্য ভাষা হ'ল মাৰাঠী আৰু কোঙ্কনী ভাষা। মাৰাঠী ভাষা মহাৰাষ্ট্ৰৰ উপৰিও মধ্যপ্ৰদেশ, বেৰাৰ, হায়দৰাবাদ আদি অঞ্চল বিশেষত প্ৰচলিত।

৩) মধ্য শাখাঃ

এই শাখাৰ দুটা প্ৰশাখা হ'ল- পশ্চিমা হিন্দী আৰু গুজৰাটী-ৰাজস্থানী। পশ্চিমা হিন্দীৰ অৰ্ন্তগত ভাষা সমূহ হ'ল- ব্ৰজ ভাষা, খড়ীবুলি, কনৌজী, বুন্দেলী, বঙ্গাৰু। এই ভাষাসমূহৰ ভিতৰৰে ব্ৰজভাষা মথুৰা, বৃন্দাবন, নাইনিতাল আদিত প্ৰচলিত। খড়ীবুলি ভাষা দিল্লী, মিৰাট, মোৰদাবাদ, চাহাৰাণপুৰ আদিত প্ৰচলিত। কনৌজী ভাষা চাহজাহবাদ আৰু ফৰৰুক্কাবাদ আদিত প্ৰচলিত কথিত ভাষা। বুন্দেলী ভাষা চলে ভূপাল, ঝাঁচী, গোৱালিয়ৰ আদিত। বঙ্গাৰু ভাষাও কথিত ভাষা হিচাপে দিল্লী, পাতিয়ালা আদিত প্ৰচলিত।





ৰাজস্থানী-গুজৰাটী শাখাৰ ভাষাৰ ভিতৰত গুজৰাটত প্ৰচলিত গুজৰাটী ভাষাই প্ৰধান। ৰাজস্থানী শাখাৰ ভাষাৰ প্ৰচলন আছে ৰাজস্থানত। এই শাখাৰ ভাষা সমূহ হ'ল- মাৰৱাৰী, মেৱাৰ, মালৱী আৰু জয়পুৰী।

৪) মধ্য পূৰ্বী শাখা ঃ

এই শাখাৰ তিনিটা প্ৰশাখা পোৱা যায়। অৱধী, বঘেলী আৰু ছত্তিশগড়ী- এই প্ৰশাখা তিনিটাৰ অৰ্ন্তগত অৱধী ভাষাৰ প্ৰচলন আছে অযোধ্যা অঞ্চলত। বঘেলী আৰু ছত্তিশগড়ী ভাষা কোৱা লোক বিহাৰ, উত্তৰ প্ৰদেশ, মধ্যপ্ৰদেশ আৰু ছত্তিশগড় অঞ্চলত পোৱা যায়।

৫) পূৰ্বী শাখা ঃ

মাগধী প্ৰাকৃতৰ পৰা উদ্ভৱ হোৱা মাগধী অপভ্ৰংশৰ পৰা সৃষ্টি হোৱা পূৰ্বী শাখাৰ অৰ্ন্তগত ভাষা সমূহ হ'ল- অসমীয়া, বাংলা, উড়িয়া, মৈথিলী, মগহী আৰু ভোজপুৰী। এই ভাষা সমূহ ভাৰতবৰ্ষৰ পূব প্ৰান্তত প্ৰচলিত। "অসমীয়া" ভাষা অসমৰ মানুহৰ ভাষা। "বাংলা" ভাষাৰ প্ৰচলন আছে পশ্চিমবংগত। উড়িয়া ভাষা কোৱা লোকৰ বাসস্থান উৰিষ্যা। "মৈথিলী ভাষা" মিথিলাৰ ওপৰিও ভাগলপুৰ, পূৰ্ণিয়া, মজঃফৰপুৰ আদিত চলে। "মগহী" ভাষাৰ প্ৰচলন আছে- মগধ, পাটনা, গয়া, ছোটনাগপুৰ আদিত। "ভোজপুৰী" ভাষা কাশী, বিহাৰৰ মোতিহাৰী, চাপ্ৰা, বালিয়া আদিত আৰু উত্তৰ প্ৰদেশৰ গোৰক্ষপুৰ আদিত প্ৰচলিত।

৬) হিমালয়ী শাখাঃ

হিমালয়ী শাখাৰ অৰ্ন্তগত ভাষা সমূহ হ'ল- কুমায়নী, নেপালী, গাৰোৱালী, মন্দেয়ালী আৰু কুলুই। এই ভাষা সমূহ হিমালয়ৰ দাঁতি কাষৰীয়া অঞ্চলত প্ৰচালিত।

৭) বিদেশী শাখাঃ-

এই শাখাৰ অৰ্ন্তগত ভাষা সিংহলী ভাষা ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ শ্ৰীলংকাত প্ৰচলিত।

এইদৰেই ভাৰতবৰ্ষৰ বিশাল অঞ্চলত কথিত ভাষাৰাজিৰ এক বিস্তৃত আলোচনা কৰিব পৰা যায়। অৱশ্যে এতিয়াও ক'ত কিমান ভাষা আবিস্কৃত হ'বলৈ বাকী আছে তাক ক'ব পৰা নাযায়। তদুপৰি অঞ্চলভেদে পোৱা ভাষা-বিলাকৰ মাজৰ সম্পৰ্কৰ স্বৰূপ এতিয়াও উদ্‌ঘটিত হ'বলৈ বাকী। এক বিস্তৃত আৰু গভীৰ অনুসন্ধানেহে ভাৰতবৰ্ষত প্ৰকৃততে কিমান ভাষাৰ প্ৰচলন আছে তাক উলিয়াব পাৰিব। কিছুমান ভাষা লুপ্ত হৈ যোৱাৰো আশংকা নথকা নহয়। ভাৰতৰ জনজাতীয় ভাষাৰ পৰ্য্যাপ্ত অধ্যয়ন গৱেষনাই এই সমস্যাৰ অন্ত পেলাব বুলি আশা কৰিব পাৰি।

❑❑❑

ঃ সন্দৰ্ভ পুথি ঃ
ভাষা বিজ্ঞান ঃ ড° উপেন্দ্ৰ নাথ গোস্বামী।
ভাষাতত্ত্ব ঃ ড°দীপ্তি ফুকন পাটগিৰি।

# বাৰ্মুডা ত্ৰিভুজ - এক বিতৰ্কিত ৰহস্য

অপূৰ্ব তালুকদাৰ
স্নাতক দ্বিতীয় বৰ্ষ, বাণিজ্য শাখা

মানৱ আৰু প্ৰকৃতি দুয়োটাই ৰহস্যময়। কেতিয়াবা আকৌ এই দুইৰ মিলনৰ ফলত এনে কিছুমান ৰহস্যৰ সৃষ্টি হয় যাক মীমাংসা কৰা মানুহৰ পক্ষে অসম্ভৱ। আজি মানবৰ দৃষ্টি যদিও অন্তৰীক্ষ ভেদ কৰি গ্ৰহ - নক্ষত্ৰত উপনীত হৈছে, কিন্তু স্বয়ং পৃথিৱীৰ ওপৰতে এনে বহু অমীমাংসিত ৰহস্য আছে যাৰ মীমাংসা মানুহে আজি পৰ্য্যন্ত কৰিব পৰা নাই। হয়তো ভৱিষ্যতেও সেইবোৰৰ মীমাংসা হ'বনে নহয় তাত সন্দেহ আছে!

আটলাণ্টিক মহাসাগৰৰ ত্ৰিকোণাত্মক জলীয় ক্ষেত্ৰত সঁচাকৈ যে কিবা বাস্তৱিক ৰহস্য লুকাই আছে, অথবা 'বামুৰ্ডা ত্ৰিভুজ' কেৱল এক মানবীয় কল্পনাহে নেকি? এই প্ৰশ্নৰ উত্তৰ দিবৰ বাবে আজি পৰ্যন্ত বহু ৰহস্য ৰচিত হৈছে। আমেৰিকা আৰু ৰুচিয়াৰ বিজ্ঞানীসকলে এই ৰহস্যময় জলীয় ক্ষেত্ৰত মাটিত দুৰ্ঘটনাবোৰ অনুসন্ধান কৰিছে। কিন্তু এতিয়ালৈকে এই সিদ্ধান্তসমূহ কোনো লোকেই বিশ্বাস কৰিব পৰা নাই।



পশ্চিম আটলাণ্টিক সাগৰৰ মাজত অৱস্থিত এই ত্ৰিভুজাকৃত্বিৰ জলীয় ক্ষেত্ৰত নিখোজ হোৱা জাহাজ, বিমান আৰু মৃত ব্যক্তিৰ সংখ্যা শতাধিক, কিন্তু এতিয়ালৈকে বামুৰ্ডা ত্ৰিভুজৰ ৰহস্য ভেদ কৰিব পৰা কোনো বিজ্ঞান সন্মত প্ৰমান পোৱা হোৱা নাই।

এই কুখ্যাত ত্ৰিভুজৰ এমূৰত ফ্লোৰিডা, দ্বিতীয় মূৰত বামুৰ্ডা আৰু তৃতীয় মূৰত পুৱেৰ্টোৰিকো অৱস্থিত। প্ৰথম অৱস্থাত এই অঞ্চলত নিখোজ হোৱা জাহাজক সাধাৰণ দুৰ্ঘটনা হিচাপেই ধৰা হৈছিল। কিন্তু ইয়াৰ পিছত দুৰ্ঘটনাৰ সংখ্যা ইমান বৃদ্ধি পায় যে এই ৰহস্য সম্পৰ্কে অনুসন্ধান কৰাৰ প্ৰয়োজন আহি পৰিল।

বামুৰ্ডা ত্ৰিভুজৰ অবস্থান মাৰ্কিন যুক্তৰাষ্ট্ৰৰ পূৱ দিশত আটলাণ্টিক মহাসাগৰৰ মাজত। উত্তৰে বামুৰ্ডাৰ পৰা দক্ষিণে পুৱেৰ্টোৰিকো আৰু তাৰ পৰা পশ্চিমে ফ্লোৰিডা পাৰ হৈ গালফ্অফ অস্কিকোৰ কোনো এক বিন্দু আৰু সেই বিন্দুৰ পৰা পুনৰ বাৰ্মুডা, এই তিনিডোখৰ ঠাই কাল্পনিক ৰেখাৰে যুক্ত কৰিলে যি ত্ৰিকোণ সৃষ্টি হ'ব, তাৰ নামেই বাৰ্মুডা ত্ৰিভুজ।

আমেৰিকা আৱিস্কাৰৰ পিছৰ পৰাই বাৰ্মুডা ত্ৰিভুজত অনেক জাহাজ হেৰাই গৈছে। সেইবোৰ ক'লৈ গৈছে, কি হৈছে, কোনেও নেজানে। অকল জাহাজেই নহয় অনেক ছাৱমেৰিণ আৰু আকাশ বিমানো এই অঞ্চলত নিখোজ হৈছে। প্ৰাচীন কালৰ কথা বাদ দিলেও এই শতিকাতে এই ৰহস্যময় ত্ৰিকোণত এহেজাৰ ব্যক্তিৰ মৃত্যু হৈছে, জেট্ প্লেনকে আদি কৰি শতাধিক জাহাজ নিখোজ হৈছে যাৰ কাৰণ আজি পৰ্যন্ত বিচাৰি পোৱা নাই। নাৱিকসকলৰ মতে এই অঞ্চল পালে কিছুমান অদ্ভুত কাণ্ড সংঘটিত হ'বলৈ ধৰে। ইয়াৰোপৰি ইয়াত মাধ্যকৰ্ষণ শক্তিয়ে যেন নিয়ম মানি নচলে, কম্পাচৰ কাঁটা এই ঠাইত যেন বলিয়া হৈ পৰে। অনাঁতাৰ যন্ত্ৰ বা ৰাডাৰ বিকল হৈ পৰে।

বাৰ্মুডা ত্ৰিভুজৰ ভিতৰত প্ৰৱেশ কৰা প্ৰথমজন ব্যক্তি হৈছে ক্ৰিষ্টোফাৰ কলম্বাচ আৰু তেওঁৰ নাৱিকসকল। বিৰাট এক অগ্নিগোলকৰ কথা কলম্বাছে তেওঁৰ ডায়েৰীত লিখি থৈ গৈছে।

বামুৰ্ডা ত্ৰিভুজৰ ভিতৰত প্ৰায় তিনিশ প্ৰবাল দ্বীপ আছে, কিন্তু তাৰ ভিতৰত প্ৰায় কুৰিটামানতহে জনবসতি আছে। এই দ্বীপবোৰত তাৰ জনসাধাৰণে বাস কৰিবলৈ ভয় কৰে। নাৱিকসকলেও এই দ্বীপবোৰ এৰাই চলে।

আজিকালি বিজ্ঞানৰ যুগ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাত মানুহে অভূতপূৰ্ব সাফল্য লাভ কৰিছে। কিন্তু এই বাৰ্মুডা ত্ৰিভুজত কিয় নিখোজ হয় জাহাজবোৰ তাৰ উত্তৰ আজি পৰ্যন্ত বিজ্ঞানে দিব পৰা নাই। বাৰ্মুডা ত্ৰিভুজ প্ৰকৃততে কি ? এই প্ৰশ্ন মানুহৰ মাজত সদায় থাকিবনে ?❑❑

(সহায় লৈ)





# ডাঙৰ মইনা

শ্ৰীকৰ্ণ নাথ
স্নাতক প্ৰথম বাৰ্ষিক



ভাৰতৰে পূৰ্ব দিশৰ সূৰ্য উঠা দেশ অসমৰে কথা কম বুলি ভাবিলো। ১৯২৬ চনৰ কথা। ভাদমহীয়া বৰ্ষামুখৰ এটি দিন। শদিয়াৰ এখন আদি গাঁৱত শান্তিপ্ৰিয়া আৰু নীলাম্বৰৰ দাম্পত্য জীৱনৰ প্ৰথম চিনাকী লুইত পৰীয়া এটি অক্লান্ত ডেকাৰ আৱিৰ্ভাৱ যিয়ে নিজৰ শিল্পী সত্ত্বাৰে বিশ্বৰ ইতিহাসক চকু মেলি চাবলৈ বাধ্য কৰালে। পৰ্বত বগাব জনা, দীন-দুখীয়া, খাদ্য-বিহীন নাগৰিকৰ কথা চিন্তা কৰা এই শিশুটিক মাক বাপেকে মৰমতে মাতিছিল 'ডাঙৰ মইনা' বুলি।

এই ডাঙৰ মইনাৰ মাতুল আৰু পিতৃ বংশৰ দুয়োখন ঘৰে আছিল শিক্ষা আৰু সংগীতৰ প্ৰতি আগ্ৰহী। উল্লেখ যোগ্য যে নীলকান্তৰ পিতৃ বংশীধৰ হাজৰিকা বৰ্তমানৰ নাজিৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠাতা আৰু আজীৱন অবৈতনিক শিক্ষক আছিল। আনহাতে সোণাৰাম হাইস্কুলৰ প্ৰতিষ্ঠাতা শান্তিপ্ৰিয়াৰ পিতৃ ৰাতিৰাম দাস। ডাঙৰ মইনাৰ মোমায়েক কৰুণাসিদ্ধি দাসো এজন সু-শিক্ষাৰে শিক্ষিত ব্যক্তি আৰু তেতিয়াৰ দিনৰ অসমৰ এজন সু-প্ৰতিষ্ঠিত গায়ক আছিল। মুঠতে শিক্ষা আৰু সংগীত মুখৰ পৰিবেশৰ মাজতেই সকলোৰে মৰমৰ ডাঙৰ মইনাই জীৱনৰ পাতনি মেলিলে। সংগীত প্ৰিয় মাক-বাপেক, মোমায়েক আৰু মাহীয়েকহঁতে নিচেই সৰুৰে পৰাই তেওঁক সংগীতৰো অনুশীলন কৰালে। উল্লেখযোগ্য যে নীলকান্ত হাজৰিকাই চাকৰি সূত্ৰে বিভিন্ন ঠাইত থাকিব লগীয়া হৈছিল।

১৯৩০ চন, ৩০ অক্টোবৰ। কটন কলেজিয়েট হাইস্কুলত ছাত্ৰ সকলৰ দ্বাৰা আয়োজিত এখন ডাঙৰ সভা। সভাৰ মাজত এখন টেবুলৰ ওপৰত থিয় হৈ নিৰ্ভয়ে সাগৰ সংগমত সাঁতুৰিব জনা পাঁচবছৰীয়া ডাঙৰ মইনাই সম্পূৰ্ণ শিল্পী সুলভ অঙ্গী - ভঙ্গীৰে ঘৰতে শিকাই নিয়া গীত এটি গালে। সভাত উপস্থিত থকা ৰাইজ স্তম্ভিত হৈ পৰিল। তাৰে এজন বয়োবৃদ্ধই মনৰ অদম্য হেঁপাহ সামৰিব নোৱাৰি পানী এগিলাছ অনাই তামোল খোৱা মুখখন ধুই লৈ কৈছিল, "অকণমাণি ল'ৰাটিৰ পবিত্ৰতাখিনি ৰক্ষা কৰিবলৈহে মুখখন ধুই ল'লো।" মৰম লগা ল'ৰাটিৰ গালত চুমা এটি আঁকি দি ক'লে - "বৰ ডাঙৰ শিল্পী কণমাণি ল'ৰাটিৰ গালত চুমা এটি আঁকি দি ক'লে" 

❑❑❑

(সহায়ক গ্ৰন্থ - ৰতিমোহন নাথ ঃ কলাৰত্ন ড° ভূপেন হাজৰিকা)

# মোৰ প্ৰথম প্ৰেম

যুৱৰাজ চৌধুৰী
স্নাতক ৩ য় বৰ্ষ, বাণিজ্য বিভাগ

বহুতে মোক প্ৰশ্ন কৰে "তোমাৰ প্ৰথম প্ৰেম কি ?" মই কাৰোবাক উত্তৰত কৈছো অপৰাজিতা, কাৰোবাক কেটৰিণা, কাৰোবাক কৈছো অভিনয় আৰু হয়তো কাৰোবাক কৈছো মই মোৰ জীৱনৰ প্ৰেমত পৰিছো।

হয় ! অষ্টম শ্ৰেণীত পঢ়ি থাকোতে এজনী ছোৱালীৰ প্ৰতি বৰকৈ আকৰ্ষিত হৈছিলো। যাৰ নাম আছিল অপৰাজিতা বৰদলৈ। তাইৰ সেওঁতাৰ পৰা কপাললৈ নামি অহা চুলিডালে মোক বাৰুকৈ আমনি কৰিছিল। কিন্তু আজি সেই অপৰাজিতা নাই। আৰু মোৰ সেই অতীতো নাই । হয়তো আছে, তাই কোনোবা বয়ফেণ্ডৰ বাইকৰ পিছফালে অথবা কোনোবা লাইব্ৰেৰীৰ এচুকত বহি মগজু খটুৱাই আছে নিজৰ পাঠ্যপুথিত।

কেটৰিণা কাইফৰ প্ৰেমত নপৰাওঁ নহয়। যেতিয়া মই তেওঁৰ 'আজব প্ৰেম কি গজব কাহানি' চাইছিলো। তেওঁৰ হাঁহিটোত মই আকৰ্ষিত হৈছিলো। পিছত গম পালো যে তেওঁক মোতকৈ ৰণবীৰ কাপুৰে বেছি ভাল পায়।

কলেজীয়া জীৱনত সাধাৰণতে ল'ৰাবোৰে ছোৱালীৰ আৰু ছোৱালীবোৰে ল'ৰাৰ প্ৰেমত পৰে। কিন্তু মই পৰিলো অভিনয়ৰ প্ৰেমত। এটা চৰিত্ৰৰ পৰা আন এটা চৰিত্ৰত যেতিয়া মই সোমাই পৰিছিলো কিছুমান এনে আনন্দ, অনুভূতিয়ে মোক হেঁচা দি ধৰিছিল যাৰ অপেক্ষা হয়তো মই বহু বছৰ ধৰিয়ে কৰিছো আৰু এইদৰে মোৰ জীৱনটোত নামি আহিল এক আনন্দময়ী ধুমুহা আৰু মই জীৱনক ভীষণ ভাল পাবলৈ ধৰিলো আৰু এনেকৈয়ে মই মোৰ জীৱনৰ প্ৰেমত পৰিলো।



আচলতে প্ৰেম কোনো দৌৰ খেল নহয় যে তাত প্ৰথম, দ্বিতীয় আৰু তৃতীয় স্থান থাকিব। প্ৰেম মাথো প্ৰেম। ই সদায় বৈ যায় এক শান্ত নৈৰ দৰে। কিছুমান প্ৰেম স্থায়ী আৰু কিছুমান অস্থায়ী। যিবোৰ প্ৰেমে আমাৰ জীৱনক ভাল পাবলৈ শিকায় সেইবোৰে স্থায়ী প্ৰেম।

এতিয়া আপুনিয়েই কওঁক "মোৰ প্ৰথম প্ৰেম কি ?"

❑❑❑





# মাদক দ্ৰব্য
## - অন্য এক বিভীষিকা

নিলোৎপল কলিতা
উঃ মাঃ দ্বিতীয় বৰ্ষ

জীৱ মাত্ৰেই আহাৰ খাব লাগিব। মানুহে নিজৰ স্বাস্থ্য আৰু বল শক্তি অটুট ৰাখিবলৈ উন্নত মানবিশিষ্ট আহাৰ খাবই লাগিব। কিন্তু চিন্তাৰ বিষয় এই যে মানুহে প্ৰয়োজনীয় আহাৰ খিনি খোৱাৰ উপৰিও অইন কিছুমান বস্তু খোৱা-পিয়াৰ অভ্যাস কৰিছে যিবোৰ বস্তু খালে নিজৰ স্বাস্থ্যৰ ক্ষতি হোৱাৰ লগতে পৰিয়ালৰ বাবে অশান্তিৰ কাৰণ হৈ পৰে। এনে ধৰণৰ ক্ষতিকাৰক, নিচাকাৰক আৰু অশান্তিকাৰক দ্ৰব্যবোৰেই হ'ল মাদক দ্ৰব্য।

মাদক দ্ৰব্য সমগ্ৰ পৃথিৱীৰ বাবে এক মাৰাত্মক বস্তু। মদ-ভাং, কানি আৰু ধপাতেই হ'ল প্ৰধান ৰাগিয়াল বস্তু। কিন্তু বৰ্তমান মাদক দ্ৰব্যৰ আন এটি বিভীষিকা হৈছে ড্ৰাগছ।



মাদক দ্ৰব্য ব্যৱহাৰৰ ফলত উপকাৰ পোৱা দেখা যায় যদিও সেয়া সামান্য পৰিমাণে বুলি ক'ব পাৰি। প্ৰাচীন কালত অস্ত্ৰোপচাৰ কৰাৰ সময়ত মাদক দ্ৰব্য ব্যৱহাৰ কৰা হৈছিল। কিছুমান ৰাগিয়াল দ্ৰব্য যেনে- ভাং, কানি আদি ঔষধ প্ৰস্তুত কৰাৰ বাবে ব্যৱহাৰ কৰা হৈছিল। ৰাগিয়াল দ্ৰব্য সেৱনৰ উপকাৰ আছে যদিহে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত মানুহে যথেষ্ট সাৱধানতা অৱলম্বন কৰি নিৰ্দিষ্ট পৰিমাণৰহে সেৱন কৰিব পাৰে।

মাদক দ্ৰব্য সেৱন কৰাৰ ফলত মানুহৰ উপকাৰতকৈ অপকাৰহে বেছি হোৱা দেখা যায়। এই ৰাগিয়াল দ্ৰব্যই মানুহৰ সকলো ফালৰ শাৰীৰিক, আৰ্থিক আৰু সামাজিক ক্ষেত্ৰত অনিষ্টহে সাধন কৰে। তদুপৰি মদে মানুহৰ হৃদৰোগ আৰু অন্যান্য ৰোগবো সৃষ্টি কৰে। বৰ্তমান যুগত মাদক দ্ৰব্য বিভিন্ন প্ৰকাৰে তৈয়াৰ কৰি ভয়ানক পৰিবেশৰ সৃষ্টি কৰিছে। কাৰ্যকাৰিতা আৰু প্ৰতিক্ৰিয়া অনুসৰি ইয়াক বহুধৰণে পাব পাৰি। যেনে- আফিং, হিৰোইন, কোকেইন, ড্ৰাগছ্ আদিৰ উপৰিও আজিকালি বজাৰত ওলোৱা 'শিখৰ', 'ৰজনীগন্ধা' আদিৰ দৰে সস্তীয়া নিচাজাতীয় দ্ৰব্যবোৰৰো ব্যাপক প্ৰচলন হোৱা দেখা যায়।

এই সময়ত ছাত্ৰ সমাজত মাদক দ্ৰব্যৰ অধিক প্ৰচলনে শিক্ষাবিদ আৰু অভিভাৱক সকলোকে চিন্তিত কৰি তুলিছে। বহুতো স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীয়ে ড্ৰাগছ্‌ৰ দৰে মাৰাত্মক দ্ৰব্যৰ প্ৰতি আসক্ত হৈ পৰা দেখা যায়। বৰ্তমান মাদক দ্ৰব্যৰ বজাৰত ড্ৰাগছ্‌ৰ চাহিদা ইমানেই বেছি হৈছে যে ইয়াক সেৱনকাৰীৰ সুবিধা অনুযায়ী বিভিন্ন ধৰণে তৈয়াৰ কৰা হয়। যেনে- চিগাৰেটৰ নিচিনাকৈ হুপিব পৰা বা নিজকে নিজে দিব পৰা ইনজেক্শ্বন আদি। ড্ৰাগছ্ সেৱন কৰা ব্যক্তি এজনে যদি ড্ৰাগছ পৰিত্যাগ কৰে; তেন্তে তেওঁক বহতো উপসৰ্গই লগ দিয়ে। যেনে- বমি, শৰীৰ দুৰ্বল অনুভৱ, পেটৰ অসুখ, ওজন কমি যোৱা, বেছি ঘাম ওলোৱা ইত্যাদি। ৰাগিয়াল দ্ৰব্য সেৱনকাৰী তথা ড্ৰাগছ্ আসক্তসকলৰ ভিতৰত বেছিভাগৰে ভয়াবহ এইডছ ৰোগ হোৱা দেখা যায়।

গতিকে আমাৰ সমাজ তথা দেশৰ পৰা যদি ৰাগিয়াল দ্ৰব্যৰ ব্যৱহাৰ বন্ধ কৰিব নোৱাৰোঁ তেন্তে মাদক দ্ৰব্যই আমাৰ সমাজ তথা দেশক ক্ৰমান্বয়ে ধ্বংসৰ পথলৈ ঠেলি দিব। গতিকে আমাৰ দেশৰ সমাজ সংস্কাৰক তথা সচেতন ব্যক্তিসকলে মাদক দ্ৰব্যৰ চোৰাং বেপাৰীয়ে যাতে মাদক দ্ৰব্যৰ প্ৰচলন কৰিব নোৱাৰে তাৰ বাবে সচেতন হোৱা উচিত।

❑❑❑

# তমসো মা জ্যোতিৰ্গময়

(নাম তেওঁৰ প্ৰণৱ বেজবৰুৱা। বঙিয়া মহাবিদ্যালয়ৰ এজন দৃষ্টিহীন প্ৰতিভাধৰ ছাত্ৰ। দৃষ্টিহীনতাৰ প্ৰবল বাধা নেওচি এই গৰাকী ছাত্ৰই উত্তৰণৰ জখলাত অগ্ৰগামী হৈছে। তেওঁৰ এটি সাক্ষাৎকাৰ গ্ৰহণ কৰিলে বঙিয়া মহাবিদ্যালয়ৰ আলোচনী তত্ত্বাৱধায়ক দীনেশ লহকৰে)



**পৰিচয় ঃ**

মোৰ নাম শ্ৰীপ্ৰণৱ বেজবৰুৱা। দেউতা শ্ৰীললিত বেজবৰুৱা আৰু মা শ্ৰীলয়ন বেজবৰুৱা। মোৰ দাদা তিনিজন আৰু ভাই এজন। জন্মস্থান মোৰ নিজ খগটা গাঁওত। দেউতাই কৃষিকাৰ্য্য কৰে।

**প্ৰাথমিক শিক্ষা ঃ**

নিজ খগটা প্ৰাথমিক বিদ্যালয়ত ৩য় শ্ৰেণীলৈ পঢ়ি গুৱাহাটীৰ বশিষ্ঠত থকা দৃষ্টিহীন উচ্চ মাধ্যমিক বিদ্যালয়লৈ যাও ১৯৯৮ চনত। এই স্কুলত পুনৰ নামভৰ্তি কৰো ক্লাছ ওৱানত। আমাৰ পৰিয়ালৰ হিতাকাংক্ষী গৰীয়াকোঠৰ দিলীপ শালৈয়ে এই ক্ষেত্ৰত মোক বাট দেখুৱাই দিয়ে। মই তেখেতৰ প্ৰতি চিৰকৃতজ্ঞ।

**তবলা শিক্ষা ঃ**

মই তৃতীয় শ্ৰেণীত তবলা শিক্ষা আৰম্ভ কৰো। মোক শাৰীৰিক ভাবে দুৰ্বল বুলি প্ৰথমতে তবলা শিক্ষা লব দিয়া নাছিল। কিন্তু মোৰ একান্ত ইচ্ছা আৰু মনোবলৰ বাবে দেবেন্দ্ৰ ঠাকুৰ দাদাই মনে মনে পকা আলমাৰীৰ তলত লেপ ঢাকনি দি শিকায়। পিচলৈ মই তবলাৰ বিশাৰদ হওঁ ক্লাছ নাইনত। যি গৰাকী চাৰে মোক স্বাস্থ্যজনিত কাৰণত তবলা শিক্ষা বাৰণ কৰিছিল, সেই গৰাকী চাৰে ক্লাছ ফাইভত এটা অনুষ্ঠানত তবলা বাদন কৰাৰ পিচত মোক মৰমতে কাণত ধৰি তবলা শিক্ষা লোৱা বাবে ভূয়সী প্ৰশংসা কৰে। মোক তবলা কিনোতে প্ৰধান শিক্ষক দীনেশ কলিতা চাৰে আৰ্থিক ভাৱে সহায় কৰিছিল। তেখেতে মোক প্ৰায়ে 'টিকলি খাঁ ওস্তাদ' বুলি মাতিছিল। চাৰলৈ মই গভীৰ শ্ৰদ্ধা যাচিছোঁ।

**ভূপেন মামাৰ সৈতে এদিন ঃ**

২০০০ চনৰ ৩১ অক্টোবৰ তাৰিখে শঙ্কৰদেৱ কলাক্ষেত্ৰত অনুষ্ঠিত মৌ-মেল অনুষ্ঠানত মঞ্চত মই প্ৰথমে তবলা বজাও। সেইদিনা বিশ্ববন্দিত শিল্পী অসমীয়া জাতিৰ হিয়াৰ আমঠু ড° ভূপেন হাজৰিকাদেৱে মোক কোলাত বহুৱাই লৈ তবলা বজাব দিছিল আৰু তেখেতে মোক ভূপেন মামা বুলি মাতিব দিছিল। তেখেতে ছাৰহঁতক কৈছিল "এই ল'ৰাজন বাখৰ হ'ব ; আপোনালোকে যত্ন ল'ব"।

**ঘটনা বহুল মাধ্যমিক শিক্ষা ঃ**

মই ক্লাছ ফাইভত বিদ্যালয় ছাত্ৰ-সন্থাৰ সদস্য হওঁ, পিছৰ বছৰত খেল সম্পাদক; তাৰ পিছৰ বছৰত সাংস্কৃতিক সম্পাদক। অষ্টম শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ একেৰাহে তিনিবছৰ মই সাধাৰণ সম্পাদক হওঁ। ২০০৫ চনলৈ আমাৰ বিদ্যালয় চৰকাৰী হোৱা নাছিল। সেইবাবে ২০০৮ চনত মোৰ নেতৃত্বত একেৰাহে দুসপ্তাহ যোৱা আন্দোলন আৰম্ভ কৰো। ক'লা বেজ পৰিধান, শ্ৰেণী বৰ্জ্জন, ধৰ্মঘট, শোভাযাত্ৰা আছিল আন্দোলনৰ কাৰ্য্যসূচী। চৰকাৰে দাবী মানি নোলোৱাত আমি পুনৰ প্ৰতীক অনশন আৰম্ভ কৰো। প্ৰতীক আনশনত আমাৰ স'তে অংশ লৈছিল প্ৰখ্যাত সঙ্গীত শিল্পী জুবিন গাৰ্গ আৰু মানস ৰবীনদেৱে। তেতিয়ালৈ চৰকাৰে দাবী মানি নোলোৱাত আমি একেৰাহে চাৰিদিন আমৰণ অনশনত বহো। এই কাৰ্য্যসূচীত পাচঁ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশ লৈছিল। অনশনৰ চতুৰ্থ দিনা অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীত তৰুণ গগৈয়ে ডাঙৰীয়াৰ সৈতে আমি আলোচনাত বহোঁ। সন্ধিয়া অসমৰ সমাজ কল্যাণ মন্ত্ৰী শ্ৰীযুত গৌতম ৰয়ৰ সৈতে আমি এখন চুক্তিত উপনীত হওঁ। এই চুক্তি মৰ্মে ৩ মাহৰ ভিতৰতে আমাৰ বিদ্যালয়ৰ উচ্চ মাধ্যমিক শাখা চৰকাৰীকৰণৰ দাবী সম্পূৰ্ণৰূপে মানি লোৱা হয়। আমাৰ এই আন্দোলনত সদৌ অসম ছাত্ৰসন্থা, বেলতলা আঞ্চলিক ছাত্ৰসন্থা, সদৌ অসম দৃষ্টিহীন ছাত্ৰসন্থা, সদৌ অসম দৃষ্টিহীন যুব পৰিষদ এই কেইটা সংগঠনে সহায় কৰে। মোৰ জীৱনত মই পঢ়ি অহা বিদ্যালয়খন চৰকাৰীকৰণ কৰাৰ ক্ষেত্ৰত সফল হোৱা কাৰ্য্যটো গুৰুত্ব পূৰ্ণ হিচাপে বিবেচনা কৰো।

মই ২০০৮ চনত 'অসমীয়া' আৰু 'মিউজিক' বিষয়ত 'লেটাৰ' মাৰ্কলৈ প্ৰথম বিভাগত উত্তীৰ্ণ হওঁ। এগৰাকী দৃষ্টিহীন ছাত্ৰ হিচাপে মই 'ব্ৰেইল' পদ্ধতিত পৰীক্ষা দিছিলো। মোক প্ৰথম শ্ৰেণীতে ববিতা শৰ্মা বাইদেউয়ে 'ব্ৰেইল' পদ্ধতি শিকাইছিল। বাইদেউ নিজেও সম্পূৰ্ণ দৃষ্টিহীন আছিল। মই বাইদেউৰ প্ৰতি চিৰকৃতজ্ঞ। মোক মাধ্যমিক শেষান্ত পৰীক্ষাত বিষ্ণুপথ শংকৰদেৱৰ ছাত্ৰ অনিমেষে 'লেখক' হিচাপে সহায় কৰিছিল। মই তেওঁৰ প্ৰতিও কৃতজ্ঞ।

**স্কুলীয়া জীৱনৰ সাংস্কৃতিক কাৰ্য্যসূচী ঃ**

দুই তিনি দিনীয়াকৈ আমাৰ স্কুলত প্ৰতিবছৰে প্ৰীতি-সন্মিলন আয়োজিত হৈছিল। এই সন্মিলনত ২০০5 চনত অসমৰ মুখ্যমন্ত্ৰী মাননীয় তৰুণ গগৈদেৱ মুখ্য অতিথি আছিল। সাংস্কৃতিক কাৰ্য্যসূচীত বিখ্যাত সঙ্গীত শিল্পী জুবিন গাৰ্গ আৰু প্ৰণীতা বৈশ্য মেধিয়ে অবৈতনিকভাবে অংশ লৈছিল আৰু জুবিন গাৰ্গদেৱে আমাক সামুহিক ভোজনৰ বাবে চাৰি হাজাৰ টকা দিছিল।

মই দশম শ্ৰেণীত পঢ়ি থাকোতে ভাৰত বিকাশ পৰিষদৰ সৌজন্যত হিন্দী, সংস্কৃত আৰু আসমীয়া ভাষাত সমবেত সঙ্গীত প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। ইয়াত আমি বিদ্যালয়ৰ পৰা পোন প্ৰথমবাৰৰ বাবে প্ৰতিনিধিত্ব কৰো আৰু ৰাজ্যিক ভিত্তিৰ প্ৰতিযোগিতালৈ নিৰ্বাচিত হওঁ। এই প্ৰতিযোগিতাত আমি হিন্দী আৰু সংস্কৃত ভাষাৰ দলীয় প্ৰতিযোগিতাত প্ৰথম হওঁ। ইয়াৰ পিচত আমি সংস্কৃত ভাষাত দলীয় গীত পৰিবেশন কৰিবলৈ হাৰিয়ানালৈ যাওঁ আৰু ৰাষ্ট্ৰীয় ভিত্তিত প্ৰথম পুৰস্কাৰ লাভ কৰো। একেদৰে মধ্যপ্ৰদেশত অনুষ্ঠিত হিন্দী ভাষাৰ দলীয় গীত প্ৰতিযোগিতাত ৰাষ্ট্ৰীয় ভিত্তিত তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হওঁ। এই প্ৰতিযোগিতাসমূহত মই তবলা বাদক হিচাবে আছিলো। ঢোলৰ ওস্তাদ ৰাজ কুমাৰে আমাক পৰিচালনা কৰিছিল।

**উচ্চতৰ মাধ্যমিক শিক্ষা ঃ**

মই ২০০৮ চনত বনভাগ মহাবিদ্যালয়ত একাদশ শ্ৰেণীত নামভৰ্তি কৰো। মোৰ বিষয়বোৰ আছিল ইংৰাজী, অসমীয়া, শিক্ষা ৰাজনীতি বিজ্ঞান আৰু তৰ্কবিজ্ঞান। পাঠ্যপুথিৰ কিছু অংশ 'ব্ৰেইল' পদ্ধতিত পঢ়ো আৰু বাকী অংশ 'টেপ ৰেকৰ্ডাৰ'ত বাণীবদ্ধ কৰি পঢ়া-শুনা কৰো। প্ৰখ্যাত বাঁহীবাদক দীপক শৰ্মাদেৱে মোক একাদশ শ্ৰেণীত নামভৰ্তি খৰচ আৰু 'গণবেশ'ৰ খৰচ দিছিল। মই তেখেতক ইয়াৰ বাবে গভীৰ কৃতজ্ঞতা প্ৰকাশ কৰিছো। মই একাদশ শ্ৰেণীত সাংস্কৃতিক সম্পাদক হও। কলেজ সপ্তাহত ধুমধামেৰে সঙ্গীত আৰু নাট প্ৰতিযোগিতা আয়োজন কৰিছিলো।

**মোৰ বিদেশ যাত্ৰা ঃ**

২০১০ চনত প্ৰখ্যাত সঙ্গীত শিল্পী দীপক শৰ্মাৰ সৈতে সাংস্কৃতিক কাৰ্য্যসূচীত অংশ লবলৈ মই দক্ষিণ আফ্ৰিকালৈ যাও আৰু দীপকদাৰ সৈতে তবলা সঙ্গত কৰো। সাংস্কৃতিক কাৰ্য্যসূচীৰ সামৰণিত বহুতো দৰ্শকে মোক কৰমৰ্দ্দন কৰিছিল আৰু বহুতো 'কিবা কিবি' কৈছিল। মই হ'লে বুজা নাছিলো। আফ্ৰিকাবাসীৰ মৰম-চেনেহ ভাল লাগিছিল, ভাল লাগিছিল বিদেশলৈ যাওঁতে উৰা জাহাজত উঠি।

**বঙিয়া মহাবিদ্যালয়ত উচ্চ শিক্ষাৰ খোজ ঃ**

২০১০ চনত সকলো দিশ বিবেচনা কৰি মই বঙিয়া মহাবিদ্যালয়ৰ কলা শাখাত ইংৰাজী, অসমীয়া, ৰাজনীতি বিজ্ঞান আৰু শিক্ষা বিষয়ক সাধাৰণ পাঠ্যক্ৰম হিচাবে লৈ নামভৰ্ত্তি কৰো। মোৰ এই যাত্ৰাত গুণমণি বাইদেউ, বিশ্বজিৎ দা, দিগন্ত দা, তফিকুৰ দা আৰু বিভিন্নজনে সহায় কৰে। দৃষ্টিহীন ছাত্ৰ হিচাবে মহাবিদ্যালয়ৰ বিশাল পৰিধি অনুভৱ কৰি মই ভীত হৈছিলো। কিন্তু মোৰ প্ৰিয় বন্ধু-বান্ধৱী সকলৰ সহযোগিতাত এই ভয় আঁতৰি যায় আৰু ইয়াত মই নিজে নিজে চলিব পৰা হ'লো। ভূগোল বিজ্ঞান বিভাগৰ কমলা বাইদেউয়ে মোক স্নাতক প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ পাঠ্যপুথি যোগান ধৰে। তেখেতৰ এনে সহায়ৰ বাবে মই গভীৰ কৃতজ্ঞ।

বঙিয়া মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাত মই যথেষ্ট সুযোগ পাওঁ। প্ৰীতি সন্মিলনত মই 'কেৰিকাচাৰ' (Caricature) প্ৰদৰ্শন কৰো। মুকলি সভাৰ বিভিন্ন সঙ্গীত পৰিবেশনত মই তবলা বজাও। বঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধেয় শ্ৰীযুত অমৰেন্দ্ৰ শৰ্মা চাৰে সেইদিনা মোৰ বিশেষভাবে পৰিচয় লয়। নৱাগত আদৰণিৰ সাংস্কৃতিক সভাত মই পাৰ্বতী প্ৰসাদ বৰুৱাদেৱৰ ৰচিত "পুজো আহা আই মাতৃৰ চৰণ কমল" শীৰ্ষক গীতটি পৰিবেশন কৰোঁ। ২০১০ চনৰ কলেজ সপ্তাহত মই ভূপেন্দ্ৰ সঙ্গীতত প্ৰথম, জ্যোতি সঙ্গীত আৰু আধুনিক গীত প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰোঁ।

২০১১ চনত মই স্নাতক মহলাৰ প্ৰথম বৰ্ষৰ চূড়ান্ত পৰীক্ষা দিওঁ। ইয়াত 'লিখক' হিচাপে মোক সহায় কৰে ধমধমাৰ লুইত একাডেমীৰ ছাত্ৰ পৱন দাসে। তেওঁ মোৰ মৰমৰ পাত্ৰ। ২০১০ চনত মই গানৰ বিশাৰদ পাঠ্যক্ৰমৰ প্ৰথম খণ্ডৰ পৰীক্ষাতো উত্তীৰ্ণ হওঁ।

২০১১ চনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দলটিৰ সৈতে অংশগ্ৰহণ কৰো। আমাৰ মহাবিদ্যালয়ে প্ৰতিযোগিতাত পৰিবেশন কৰা নাট আৰু সঙ্গীতত মই তবলা বজাও। তাৰোপৰি মই Mimicry প্ৰতিযোগিতাত বিচাৰকৰ বিশেষ বটা লাভ কৰো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ইতিহাস বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰদ্ধেয় কিশোৰ মোহন ভট্টাচাৰ্য্যই মোক বিশেষভাবে উৎসাহিত কৰে।

**ডিব্ৰুগড়ৰ কৰ্মশালাত যোগদান ঃ**

২০১০ চনৰ নৱেম্বৰ মাহত ১৭ দিনীয়াকৈ 'বাঁহীবাদন' কৰ্মশালাত মই প্ৰখ্যাত বাঁহীবাদক দীপক দাৰ সৈতে অংশ গ্ৰহণ কৰো। ইয়াত অসমৰ বিভিন্ন তবলা বাদকেও অংশ লৈছিল। এই কৰ্মশালাত মোৰ সম বয়সীয়া এগৰাকী অংশ গ্ৰহণকাৰীয়ে স্নাতক প্ৰথম বৰ্ষৰ ইংৰাজী আৰু শিক্ষা বিষয়ৰ বিষয় বস্তু টেপ্ ৰেকৰ্ডাৰত বাণীবদ্ধ কৰি দিছিল যাতে স্বাভাবিকতে মোৰ পঢ়া শুনা বিশেষ লোকচান নহয়। নাম আছিল তেওঁৰ অনামিকা বৰা। মই অনামিকাৰ ওচৰতো গভীৰ কৃতজ্ঞ।

**এটি বিশেষ ঘটনা ঃ**

২০১১ চনৰ জুলাই মাহত এটি সাংস্কৃতিক কাৰ্য্যসূচীৰ বাবে গায়ক দিলীপ বৰুৱাৰ সৈতে ডিব্ৰুগড়লৈ যাও আৰু কাৰ্য্যসূচীৰ অন্তত তেখেতৰে সৈতে মঙ্গলদৈলৈ উভতি আহো। তেখেতে সেইদিনা মঙ্গলদৈত থাকিবলৈ অনুৰোধ জনায়। পিচদিনা নলবাৰী গৰ্ডন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত মোৰ এক সাংস্কৃতিক কাৰ্য্যসূচী থকা বাবে মই থাকিবলৈ ৰাজী নহ'লো আৰু তেখেতে নজনাকৈয়ে মই মঙ্গলদৈৰ পৰা ৯.৫০ বজাত ঘৰলৈ খোজ কঢ়া আৰম্ভ কৰো। মোৰ পকেটত পইচাও আছিল কম। ৰাতি ৯.৩০ বজাত মই ঘৰ পাওঁ। মাজতে কেন্দুকোনাত মোক এজাক ৰবযুণে লম্ভিছিল।

**হবি ঃ**

মই Mimicry কৰি ভাল পাওঁ। পৰেশ তালুকদাৰৰ পৰা শুনি এই বিদ্যা আয়ত্ত কৰিবলৈ শিকিছো। মই মতা কুকুৰাৰ মাত, ভূটীয়া কুকুৰৰ মাত, বটলত পানী ভৰোৱা শব্দ, পুৰণি চলি থকা অটোৰিক্সা আৰু ইয়াৰ হৰ্ণৰ শব্দ, বাইক বোকাত ফচিলে কৰা শব্দ, ট্ৰেক্টৰে হাল বাই থকা শব্দ, প্ৰখ্যাত নাগাৰা নামৰ পাঠক কৈলাশ তালুকদাৰৰ নাগাৰা নাম গাই থকা শব্দ, ঝুনা নামৰ নাগাৰা বাদন, নাগাৰা নামৰ নাগাৰাৰ শব্দ পৰিবেশন কৰিব পাৰো। বৰ্তমান মই মাৰুতি সৰু গাড়ীৰ 'ষ্টাৰ্ট' দিয়াৰ শব্দ, ট্ৰাকৰ শব্দ পৰিবেশনৰ বাবে চেষ্টা কৰি আছো।

প্ৰিয় পুথি ঃ- শ্ৰদ্ধেয় হিতেশ ডেকাৰ আজিৰ মানুহ।

প্ৰিয় খেলুৱৈ ঃ- শচীন তেণ্ডুলকাৰ, বীৰেন্দ্ৰ সেৱাগ, মহেন্দ্ৰ সিং ধোনী ইত্যাদি।

**মোৰ প্ৰিয়**

প্ৰিয় খেল ঃ- ক্ৰিকেট।

প্ৰিয় গায়ক ঃ- ড° ভূপেন হাজৰিকা।

খাই ভাল পাওঁ মই ঃ- টেঙাৰ আঞ্জা, যিকোনো টেঙা আৰু আমিষ ভোজন।

শুনি ভাল পাওঁ মই ঃ- ড° ভূপেন হাজৰিকা দেৱৰ যিকোনো গীত।

ভৱিষ্যতৰ সপোন ঃ- এগৰাকী ভাল শিল্পী হোৱাৰ মন।

ভাল বন্ধু ঃ- বহুত। তাৰে মাজত প্ৰাঞ্জল কলিতা।

নতুন পুৰুষৰ উপলব্ধিত ঃ- আজন্ম দৃষ্টিহীন হৈও আন দহজনৰ সৈতে একে খোজতে খোজ মিলাবলৈ চেষ্টা কৰিছো। মোৰ এই প্ৰচেষ্টাক তেওঁলোকে হৃদয়ঙ্গম কৰিলে মই নথৈ সুখী হ'ম।

❑❑❑





# অংকুৰিত প্ৰতিভা দ্বীপজ্যোতি বড়ো

## উচ্চতৰ মাধ্যমিক দ্বিতীয় বৰ্ষ

(দ্বীপজ্যোতি বড়ো আমাৰ মহাবিদ্যালয়ৰ এজন উচ্চতৰ মাধ্যমিক বৰ্ষৰ ছাত্ৰ আৰু সুদক্ষ খেলুৱৈ। অথচ বহুজনৰে অপৰিচিত। সেই ছাত্ৰজনৰ বিষয়ে অলপ জানো আহক।)



*দ্বীপ তোমাৰ প্ৰিয় খেল কি?*

ঃ কাবাদী আৰু কাৰাটে। বৰ্তমান মই দুয়োবিধ খেলে খেলি আছো।

*কেতিয়াৰ পৰা তুমি খেল খেলা আৰম্ভ কৰিছা?*

ঃ দশম শ্ৰেণীৰ পৰা মই খেলিছো।

*তুমি যে কৈছা দুয়োবিধ খেলে তুমি খেলি আছা, তোমাৰ পঢ়াত জানো প্ৰভাৱ নপৰে।*

ঃ পৰে। তথাপি মই খেলি বেছি ভাল পাওঁ।

*তোমাৰ এই দুবিধ খেলৰ ওপৰত প্ৰতিভাৰ বিষয়ে জনাবা নেকি?*

ঃ প্ৰতিভা বুলি ক'বলৈ গ'লে মই দুয়োবিধ খেলতে বিভিন্ন পৰ্য্যায়ত অংশ গ্ৰহণ কৰিছো।

আঞ্চলিক বা ৰাজ্যিক পৰ্য্যায়ত কাবাদী প্ৰতিযোগিতা ঃ

১) ২০০৯ চনত (দশম শ্ৰেণীত) PYKKA ৰ দ্বাৰা অনুষ্ঠিত আৰিমত্ত পঞ্চায়তৰ হৈ অংশগ্ৰহণ কৰি Champion দল হৈছো।

২) ২০০৯ চনত জিলাভিত্তিক পৰ্য্যায়ত মিৰ্জাত। তাত ৰঙিয়া জিলাৰ হৈ খেলিছিলো।

৩) ২০১১ চনত মছলপুৰত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত অংশগ্ৰহণ। আমি (Runners-up) হৈছিলো।

৪) ২০১২ চনত আজাৰত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত। তাত Semi-final লৈকে খেলিছো।

৫) ২০১২ৰ জানুৱাৰী মাহত দুধনৈত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত অংশগ্ৰহণ য'ত মই দলপতি হিচাপে গৈছিলো। আমাৰ দলটো Runners-up হৈছে। মই All Assam Best player হিচাপে পুৰস্কৃত হৈছিলো।

৬) ২০১২ ৰ ফেব্ৰুৱাৰী মাহৰ প্ৰথম সপ্তাহত আজাৰাত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত Runners-up হৈছো।

**ৰাষ্ট্ৰীয় পৰ্য্যায়ত ঃ**

১) ২০১১ চনত ডিচেম্বৰ মাহত 'ঝাৰখণ্ডত' অনুষ্ঠিত ৰাজ্যিক পৰ্য্যায়ত অংশগ্ৰহণ। আমাৰ দলটোৱে Best Disciplined Group হিচাপে বঁটা লাভ কৰিছো।

*কাৰাটে তুমি ক'ত শিকিছা?*

ঃ ৰঙিয়াত, মোজাবুৰ ইছলাম আৰু মনোজ বড়ো ছাৰৰ তাত।

*কাৰাটে তুমি ক'ত শিকিছা?*

ঃ ৰঙিয়াত, মোজাবুৰ ইছলাম আৰু মনোজ বড়ো ছাৰৰ তাত।

*কাৰাটেৰ বিষয়ে অলপ কবা নেকি?*

ঃ হয়। আমাৰ অসমত কাৰাটেৰ দুটা সংস্থা আছে। AAKA আৰু UKAA। মই ASKAA (WSKF) দ্বাৰা পৰিচালিত 'ছটো কান' Style বিভাগটোৰ ছাত্ৰ।

তোমালোকৰ যে কিবা "Belt"থাকে তাৰ বিষয়ে অলপ ক'বা নেকি? বেয়া নাপাবা মানে শুনি থাকো।

ঃ (হাঁহি হাঁহি) হয়। White, Senior white, Yellow, Orange, Green, Purple, Purple Senior, Brown-I, Brown-2, Brown-3, Black 1, 2,3,4,5,6,7,8,9,10 Belt.

*Oh, God, ইমান বেল্ট, ককাললৰ অৱস্থা কি হ'ব বাৰু তোমাৰ বৰ্তমান কোনটো পৰ্য্যায়?*

ঃ মই বৰ্তমান Brown 3rd ত।

*ভৱিষ্যতে কোনটো বেল্ট পিন্ধাৰ ইচ্ছা আছে তোমাৰ?*

ঃ Black 4/5 লৈকে যোৱাৰ চেষ্টা কৰিম। এইখিনিতে এটা কথা ক'ব বিচাৰো মানে আমাৰ 'style' ৰ যিজন বিশ্বৰ ভিতৰতে প্ৰথম সেইজনৰ Rank Black 9 তেখেত জাপানৰ 'হিতুছু কাছুৱা'।

*তুমি এতিয়া লৈকে ক'ত ক'ত খেলিলা?*

ঃ আঞ্চলিক বা ৰাজ্যিক পৰ্য্যায়তঃ-

১) ২০০৯ চনত কমলপুৰত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত ৰঙিয়া জিলাৰ হৈ।

২) ২০১০ চনত গুৱাহাটীৰ নেহৰু খেলপথাৰথ কামৰূপ জিলাৰ হৈ।

৩) ২০১১ চনত গুৱাহায়ীৰ নেহৰু খেলপথাৰত অনুষ্ঠিত জিলাভিত্তিক পৰ্য্যায়ত দ্বিতীয় স্থান লাভ কৰিছো।

ৰাষ্ট্ৰীয় পৰ্য্যায়তঃ-

১) ২০১০ চনত মুম্বাইত। ৬২ kg শাখাত। ফলাফল তৃতীয় ৰাউণ্ডলৈ অৱতীৰ্ণ। Orange belt উত্তীৰ্ণ।

২) ২০১১ চনত পাঞ্জাৱত। ২৮ জনীয়া দলৰ সৈতে। Semi Final লৈকে অৱতীৰ্ণ।

*বাহিৰত তুমি ভাল খেলে খেলিছা। আমাৰ মহাবিদ্যালয়ৰ প্ৰতিযোগিতাবোৰত তুমি অংশগ্ৰহণ কৰিছা নে নাই।*

ঃ কৰিছো। এতিয়ালৈকে কাবাদীত দুবাৰ Champion হ'লো।

*এই যে তুমি জিলাভিত্তিক বা ৰাষ্ট্ৰীয় পৰ্য্যায়ত খেলিবলৈ গৈছা এইবোৰ খৰচৰ দায়িত্ব কোনে লয়?*

ঃ আমি নিজা খৰচত যাওঁ। খেলত ভাল ফলাফল লাভ কৰিলে Scholarship হিচাপে সাহায্য পাওঁ।

*তোমাৰ পৰিয়ালৰ ফালৰ পৰা কেনেকুৱা সহযোগ পোৱা?*

ঃ সহযোগ পাওঁ। কিন্তু কেতিয়াবা আৰ্থিক ভাৱে অসুবিধাত পৰো।

*তুমি খেলৰ বাহিৰে আন কিবা কৰা নেকি?*

ঃ অ' মই চিত্ৰাংকণৰো ছাত্ৰ। বৰ্তমান মই 9th Year ৰ ছাত্ৰ।

*ভৱিষ্যতে যদি তুমি ৰাষ্ট্ৰীয়ভাৱে নামাঙ্কিত হোৱা তুমি কোনবিধ খেলক প্ৰাধান্য দিবা?*

ঃ কাবাদীক মই প্ৰাধান্য দিম।

*ভৱিষ্যতৰ পৰিকল্পনা?*

ঃ পৰিকল্পনা বুলি ক'বলৈ গ'লে, খেলৰ ফালৰ পৰা মই অহা মে' মাহত কলিকতাত হ'ব লগা কাৰাটে প্ৰতিযোগিতাত Black belt ৰ বাবে অৱতীৰ্ণ হম। জীৱিকাৰ ফালৰ পৰা মই ভৱিষ্যতে সেনা বাহিনীত সেৱা আগবঢ়াব বিচাৰো। Army হোৱাৰ ইচ্ছা আছে।

*ইমান কম বয়সত তুমি বহু প্ৰতিভাৰ অধিকাৰী হৈছা কেনেকুৱা অনুভৱ হয় তোমাৰ?*

ঃ আচলতে এতিয়াও মই শিকিহে আছো। আৰু বহু আগলৈ যাব আছে। ভাল প্ৰশিক্ষণ পালে আৰু ভাল খেল প্ৰদৰ্শন কৰিব পাৰিম বুলি মই ভাবো।

*আশা কৰো তোমাৰ সপোনবোৰ বাস্তৱত পৰিণত হওঁক।*

ধন্যবাদ।

ধন্যবাদ আপোনাকো।

আমাৰ ৰাজ্যৰ চুকে কোণে হয়তো দ্বীপৰ নিচিনা আৰু বহুতো প্ৰতিভাসম্পন্ন খেলুৱৈ আছে। হয়তো তেওঁলোকে উচ্চ প্ৰশিক্ষণৰ অভাৱত নিজৰ প্ৰতিভা ৰাষ্ট্ৰীয় পৰ্য্যায়ত দেখুৱাব পৰা নাই। সেয়েহে মই এই আলোচনীৰ জৰিয়তে তেনে খেলুৱৈসকলক সদাশয় ব্যক্তিসকলক সহায় আগবঢ়াবলৈ অনুৰোধ জনাও। ধন্যবাদ।

❑❑❑





# স্মৃতিৰ জলঙাইদি

## (সুধাকণ্ঠৰ সৈতে ১৯৭৩-৭৪ চনৰ পঞ্চম সংখ্যক ৰঙিয়া মহাবিদ্যালয় আলোচনী সম্পাদক ৰমেশ মহন্তৰ আলাপ)



বহুমুখী প্ৰতিভাসম্পন্ন প্ৰখ্যাত শিল্পী শ্ৰীযুত ভূপেন দা দেৱক লগ ধৰি কৰা প্ৰশ্ন চাৰিটাৰ উত্তৰ তেখেতে নিম্নলিখিত ধৰণে দিয়ে -

*প্ৰশ্ন ঃ- অসমত ৰাজ্যিক পৰ্য্যায়ত যি অন্তঃ বিপ্লৱৰ সূচনা হৈছে সেয়াই অসমীয়া ভাষা সংস্কৃতিৰ ক্ৰমবিকাশৰ ধাৰা ব্যাহত কৰিছে - আপোনাৰ অভিমত কি?*

উত্তৰ ঃ- অসমীয়া ভাষা-সংস্কৃতি এক বহমান বহল নদীৰ দৰেই জীৱন্ত উচ্ছল, উজ্জ্বল, সুন্দৰ সত্য। কিছু নেতিবাচক শক্তিয়ে ইয়াৰ বিকাশক মাজে মাজে ব্যাহত কৰিব খোজে। ই স্বাভাৱিক। তেনে সংঘাত পালেই অসমীয়া ভাষা সংস্কৃতি দুগুণ উছাহে প্ৰৱলতৰ ভঙ্গী আৰু গতিৰে উজ্জ্বলতৰ আৰু অধিক জীৱন্ত হৈ উঠে। সেই নেতিবাচক শক্তিসমূহ যুগে যুগে পৰাজিত হোৱা দেখি আহিছোঁ। আমাৰ অসমত অন্তঃ বিপ্লৱ এতিয়া হোৱা মোৰ চকুত পৰা নাই। তথাকথিত বিপ্লৱৰ নামত যি চিকিৎসাৰ, আৰ্তনাদ আদি শুনা যায় সেইবোৰ অন্তঃবিপ্লৱ নহয়- অৰ্ন্তকলহ!

*প্ৰশ্ন ঃ- ভাৰতৰ দৰে এখন শান্তিকামী দুখীয়া দেশে আনৱিক বিস্ফোৰণ ঘটোৱাটো বিসঙ্গতি পূৰ্ণ। কথাষাৰ আপুনি সমৰ্থন কৰেনে?*

উত্তৰ ঃ- নকৰোঁ। মাথো এটা বিস্ফোৰণ ঘটোৱাত খৰচ নিচেই কম পৰিছে। তাতোকৈ বেছি, খৰচ হৈছে অনাদি অনন্ত কাল দুৰ্নীতিক লাই দিয়া একো একোটা ডাঙৰ ডাঙৰ মথাউৰি "নিৰ্ম্মাণ" কৰোতে! এই বিষ্ফোৰণে ভাৰতক 'পুৰুষ' কৰিছে শান্তিপূৰ্ণ ভাৱে আহি আনবিক শক্তিৰে জনকল্যাণ কামী কাম বহুতো কৰিব লাগিব। কৰিবৰ সময় হ'ল। মোৰ গানৰ কথাৰে ..... আজি আনবিক শক্তিক

দানৱৰ পৰা আনি
মানৱৰ সেৱাত
লগোৱা যুগ
এয়া জনাৰ যুগ
এয়া বুজাৰ যুগ
এয়া জেট যুগ
এয়া আনবিক যুগ
এয়া সীমাৰ পৰিধি ভঙাৰ যুগ।

*প্ৰশ্ন ঃ- ভাৰতৰ স্বাধীনোত্তৰ কালছোৱাত প্ৰচলিত অৰ্থনৈতিক ব্যৱস্থাক আপুনি কেনে ধৰণৰ অৰ্থনৈতিক ব্যৱস্থা বুলি অভিহিত কৰিব খোজে?*

উত্তৰ ঃ- মিস্কড্ ইকনমিক্স চলি আছে। বেংক জাতীয়কৰণ, কিছু শিল্পীৰ ৰাষ্টীয়কৰণ আদি শ্ল'গান ধৰ্মী পৰিৱৰ্তনক পুঁজিপাতিৰ ব্যুৰ'ক্ৰেটিক দালালহঁতে অৰ্থহীন কৰি পেলাইছে বাস্তৱত। সমবায় সমাজবাদৰ নাম লৈ উচ্চাৰণ কৰা দলে ক্ষমতা পাই আকৌ পুঁজিবাদৰ দালাল সকলৰ জেপত সোমাইছে। উদাহৰণ স্বৰূপে কওঁ চৰকাৰে চাউলৰ পাইকাৰী ব্যৱসায় নিজ হাতলৈ আনি ভাল কাম কৰিব নোৱাৰাৰ মূলতে হ'ল ধনী ধানকল মালিক আৰু খাদ্য চোৰাং কাৰবাৰীহঁতৰ প্ৰচণ্ড প্ৰতাপ। সেই প্ৰতাপ সিহঁতে দেখুৱাইছে কাৰণ নিৰ্বাচনীত ভোট কিনিবলৈ সিহঁতেই ফাইনেন্স কৰে ক্ষমতা থকা দলৰ প্ৰাৰ্থীক। ফলত ইকনমিক্স বা অৰ্থনৈতিক ব্যৱস্থা থাকে পুঁজিপতিহঁতৰ হাতত হে। দুৰ্ভাগ্যবশতঃ সেয়াই ভাৰতৰ স্বাধীনোত্তৰ কালছোৱাৰ প্ৰচলিত অৰ্থনৈতিক কু-ব্যৱস্থা।

*প্ৰশ্ন ঃ- আপোনাৰ ইঙ্গিত ৰাষ্ট্ৰ ব্যৱস্থাৰ এটা চমু আভাৰ দিব নে?*

যি ব্যৱস্থাত
ৰাষ্ট্ৰ ধন,
ৰাষ্ট্ৰৰ উৎপাদন,
ৰাষ্ট্ৰৰ আনন্দ
ৰাষ্ট্ৰৰ হাঁহি আদি
ৰাষ্ট্ৰৰ লক্ষ লক্ষ খেতিয়ক
বনুৱা আৰু সাধাৰণ মানুহক
(আস্থাহীনতাৰ ৰাজত্বৰ পৰা আতৰাই
আনি, আস্থা প্ৰদান কৰি,
ভাৰসাম্য ৰাখি) বিলাই দিয়ে,
সেই ব্যৱস্থাহে
সুন্দৰৰ পূজাৰীৰ কাম্য।।

খেতি প্ৰধান ভাৰতত কৃষিৰ উন্নতিৰ বাবে, কৃষিজাত শিল্পক, আগ-ভাগ দি তাৰ সুফলক পুনৰ কৃষিলৈ ওভতাই আনি উন্নততৰ কৰাৰ ব্যৱস্থা নকৰাটোৱেই মোৰ মানত চৰমতম ট্ৰেজেদী। সংবিধানত থকা ফান্দামেন্টেল ৰাইটচ্ মাত্ৰ কাকতৰ আখৰ হৈ আছে। প্ৰতি নাগৰিকক জীৱনৰ নুন্যতম প্ৰাপ্য কণকে দিব নোৱাৰাৰ ব্যৱস্থাক কোনো দেশে, কোনো লোকে সন্মান নকৰে। ময়ো চেষ্টা কৰিও সন্মান কৰিব পৰা নাই।

ভূপেন হাজৰিকা
নিজৰাপাৰ
গুৱাহাটী
২৮
—
১০
—
৭৪

❑❑❑

ব্যঙ্গ ৰচনা

# সোমৰস আৰু ধূম্ৰপান নিষেধ



শ্ৰী গোলোক চন্দ্ৰ ভূএল
প্ৰাক্তন অধ্যক্ষ

অলপতে স্বৰ্গত বৰ তোলপাৰ হৈ গ'ল। তোলপাৰ মানে মাৰাত্মক গণ্ডগোল। গণ্ডগোল মানে নানা হৈ-চৈ, হাল্লা-গুল্লা আৰু বহুত কিবাকিবি। চৰকাৰী খৰচত লালিত ৰাইজৰ ধনত পালিত কৰ্ত্তব্য নিষ্ঠ শান্তিৰক্ষকৰ লোকসকলে হাতত দা, টাঙোন লৈ স্বৰ্গৰ ৰাষ্টাত ব্যস্ত হৈ ঘূৰি আছে। কিয়নো হৰতালকাৰীহঁতৰ দলৰ পিছত দল আহি আছে। হৰতালকাৰীহঁতৰ দাবী হ'ল-"আমাৰ দাবী মানিবই লাগিব, সোমৰস নিবাৰক আইন ৰোধ কৰক, ধূম্ৰপান নিষেধ আইন বন্ধ কৰক" ইত্যাদি ইত্যাদি। হৰতালকাৰী বিলাকৰ নিৰ্দ্দেশ ক্ৰমে স্বৰ্গলোকৰ সকলো দোকান-পোহৰ বন্ধ, ডাক বন্ধ, ৰেলগাড়ী বন্ধ, মটৰ বন্ধ, ৰিক্সা বন্ধ, ঠেলাগাড়ী বন্ধ আৰু বহুতো কিবাকিবি বন্ধ। মাত্ৰ এইকেইটা বন্ধ হোৱা নাছিল- যথা ৰাত্ৰি পাখা খেলত পৰাজিত হৈ হাতে কোচে থকা আটাইখিনি হেৰুৱাই জৰ্জৰিত-ক্লান্ত দেহে দুঃখিত মনে উভতি অহা স্বামীক ঘৈণীৰ অকথ্য কথন, চাৰি ইঞ্চি মাফৰ লজ্জা নিবাৰক ৰক্ষা বস্ত্ৰ ধাৰণ, নাভি কমলৰ বহু নিম্নত মেখেলা-শাড়ী পৰিধান কৰণ, দীৰ্ঘকেশী নানা ধৰণৰ কাতৰ হলৌ পেন্ট পৰিহিত যুৱকৰ ছোৱালী বিদ্যালয়-মহাবিদ্যালয়ৰ আশে-পাশে ভ্ৰমণ ইত্যাদি।

পিছে কথা হ'ল-এই হৈ-চৈ কিহৰ? পাঠকসকলে তাৰ মোৰ পোৱা নাই। অলপ ভাঙি পাতি কোৱা যাওঁক। হওঁতে কথাটো বৰ এলা-পেচা ধৰণৰ নহয়। কথা ডাঙৰে। সৌ সিদিনা স্বৰ্গ ৰাজ্যৰ লোকসভাত এখন বিল পাচ হৈ গ'ল। এই বিলখন হ'ল, ৰাগিয়াল বস্তু বৰ্জন। বিশেষতঃ সোমৰস আৰু ধূম্ৰপান স্বৰ্গলোকত নিষেধ কৰাই এই বিলৰ উদ্দেশ্য। বিৰোধী পক্ষই নানা যুক্তি প্ৰদৰ্শন কৰিও ঠাউৰিব নোৱাৰিলে। ভোটত বিলখন অলপৰ কাৰণে সৰকি গ'ল। ৰাষ্ট্ৰপতি বিষ্ণুৱে বিলত চহী কৰি দিলে, প্ৰধানমন্ত্ৰী ব্ৰহ্মাই তেওঁৰ ব্যক্তিগত সচিব চিত্ৰগুপ্তক নিৰ্দ্দেশ দিলে এই আইন তৎমুহূৰ্তে কাৰ্যকৰী কৰিবলৈ। যেনে হুকুম তেনে কাম। চিত্ৰগুপ্তই এই আইনৰ কাৰ্য্যকৰণৰ বিহিত ব্যৱস্থা ল'বলৈ ৰাজ্যসমূহক জনাই দিলে।

লোকসভাত যেতিয়া বিলখন ভোটত দিয়া হ'ল, তেতিয়া বিৰোধীদলৰ দলপতি সদাশিৱ, উপ দলপতি ইন্দ্ৰ, দলৰ সম্পাদক নাৰদ প্ৰমুখ্যে ৩৫ জন সদস্যই সদন ত্যাগ কৰি গুচি আহিল। সদাশিৱহঁতে সদন ত্যাগ কৰাৰ সময়ত সদনত হাহাকাৰ হ'ল। কোন কাৰ ওপৰত পৰিল ঠিক নোহোৱা হ'ল। কোনো সদস্যই দৌৰা-দৌৰিত নেকি নিজৰ পুৰণা জোতা বা চেন্দেল এৰি কাৰোবাৰ নতুন জোতা চেন্দেল লৈ বেগাই প্ৰস্থান কৰিলে। অধ্যক্ষ যমৰাজে ৰুলিং দিও একো কৰিব নোৱাৰি খঙতে পাৰ্লিয়ামেন্ট ভঙ্গ কৰি দি বেগাই আহি থাকোতে শাসকীয় দলৰ সদস্যা লক্ষ্মীৰ ওপৰতে পৰি গ'ল। অৱশ্যে যমৰাজ শিষ্টাচাৰ জনা লোক দুখিত, মাফ কৰিব বুলি ক'ব নেপাহৰিলে। গ'ল কথা গুচিল। কোনেও ভবা নাছিল যে স্বৰ্গলোকত এনে এটা কাণ্ড হ'ল। কিন্তু কি হ'ল এতিয়া শুনাহক। সদাশিৱ, ইন্দ্ৰ আৰু নাৰদ এই ত্ৰিমূৰ্ত্তিয়ে আলোচনা কৰি ঠিক কৰিলে যে ইন্দ্ৰৰ নন্দন কাননত বহল ভিত্তিত জনমত গঠনৰ কাৰণে এখন ৰাজহুৱা সভা পতা হওঁক। এই সভাৰ প্ৰচাৰ কাৰ্য পৰিচালনাৰ দায়িত্ব অৰ্পিত হ'ল সদাশিৱৰ ব্যক্তিগত সচিব নন্দী-ভৃঙ্গীৰ ওপৰত। যিহেতু সদাশিৱৰ ব্যক্তিগত যান বৃষভৰ ওপৰত উঠি তেওঁৰ বিজ্ঞাপক যন্ত্ৰ ডম্বৰুটোৰ সহায়ত বিজ্ঞাপন দি স্বৰ্গলোক বাসীৰ কাণৰ কন্নামাকৰি সৰুৱালে সভাত লোকে লোকাৰণ্য হ'ল। সভা পৰিচালনাৰ গুৰু দায়িত্ব সদাশিৱৰ ওপৰতে ব্যস্ত হ'লা নাৰদে সভাৰ উদ্দেশ্য ব্যাখ্যা প্ৰসঙ্গত এই ৰাগিয়াল দ্ৰব্য বৰ্জন আইনখন কাৰ্যকৰী হ'লে দেশৰ কিমান অপকাৰ অন্যায় হ'ব বিতংভাৱে বুজাই দিলে। পূৰ্ব্বে নিয়োজিত নিৰ্দিষ্ট বক্তা দেৱৰাজ ইন্দ্ৰৰ পাল পৰিল। সভাপতি ভোলানাথে বিপদৰ সময়ত জনস্বাৰ্থৰ পিনে লক্ষ্য কৰি ইন্দ্ৰই আত্মগোপন কৰি থাকিলেও ফৰকাল দিনত যে দেৱলোকৰ হিতৰ কাৰণে তেওঁ আত্মপ্ৰকাশ কৰে ইত্যাদি বীৰত্বৰ গুণ বখানি ইন্দ্ৰক তেওঁৰ ভাষণ দিবলৈ অনুৰোধ কৰিলে। ইন্দ্ৰই আৰম্ভ কৰিলে-"সভাপতি ভোলানাথ ডম্বৰুধৰ দিগম্বৰ ত্ৰিলোচন পশুপতি উমাপতি আশুতোষ মহেশ্বৰ মহোদয়, বীণাবাদক, সৰ্ব্বহিতৈষী টুটুকীয়া নাৰদ প্ৰবৰ দেৱতা মণ্ডলী, দেৱী সমাজ, স্বৰ্গৰ অঙ্গ অপেশ্বৰীসকল আৰু ৰাইজ। আপোনালোক আটায়ে জানে যে যোৱা শাৰদীয় অধিবেশনত এই অবাঞ্চিত বিলখন ব্ৰহ্মা চৰকাৰে আগ পিচ নুশুনি, ৰাইজৰ সুবিধা অসুবিধা লৈ আওঁকাণ কৰি পাছ কৰাই ৰাইজক বিপদত পেলাব বিচাৰিছে। আপোনালোক আটায়ে জানে যে এই সোমৰস আৰু ধুম্ৰপান আমাৰ জন-জীৱনৰ এটা এৰাব নোৱাৰা বস্তু। ই আমাৰ তেজ মঙহৰ লগত সম্পৰ্ক থকা বস্তু। উষা নিদ্ৰা-জাগৰণৰ পৰা ৰাতি শয়ণৰ আগমহূৰ্তলৈ এই দুটা বস্তু নহ'লে আমাৰ জীৱন অচল। ব্যতিক্ৰমৰ বাহিৰে বেচিভাগে ইয়াক সেৱন কৰে। শিক্ষিত শতকৰা ৬ ভাগে (লুকাই-চুৰকৈ) আৰু অশিক্ষিতৰ শতকৰা ৪৫ ভাগে সোমৰস পান কৰে আৰু ধূম্ৰপান শিক্ষিতৰ শতকৰা ৯৮ ভাগে আৰু অশিক্ষিতৰ শতকৰা ৯৯ ভাগে বেলেগ বেলেগ ধৰণে। (যেনে-কোনোৱে বিড়ি, কোনোৱে চুৰট, কোনোবাই ধপাত, বাকী বিলাকে চাধা) ধুমপান কৰে। এই দুটা আমাৰ বহুতৰে গৃহশিল্পই আমাৰ বাপতি সাহোন স্বৰূপ। এই শিল্প দুটা আমি ধ্বংস হৈ যাব দিব নোৱাৰোহ'ক। সামাজিকভাৱে এই শিল্প দুটা আমাৰ অপৰিহাৰ্য্য। এনে হোৱাৰ উপৰিও ইয়াৰ এটা অৰ্থনৈতিক দিশো আছে। আজিৰ এনে উৎকট নিবনুৱা সমস্যাৰ দিনত এই শিল্পই ৭৫ লাখ জনতাক চাউলমুঠিৰ দিহা কৰি দিছে। ই বছৰি ১০০ কৌটি টকাৰ বৈদেশিক মুদ্ৰা অৰ্জন কৰে। সমজুৱা সকল- মই ভাষণ দীঘল কৰিব বিচৰা নাই। আৰু এটা দুটা ইয়াৰ আৱশ্যকতা আৰু উপকাৰিতাৰ কথা কৈ মোৰ ভাষণৰ মোখনি মাৰিম। সোমৰসৰ জুতি যি এবাৰ লৈছে তাক ইয়াৰ উপকাৰৰ কথা কোৱাৰ সকাম নাই। ই মানুহৰ কলুষিত অন্তৰ ধুই - পখালি নিকা কৰে। সোমৰস সেৱী পেটৰ তলি পাব লাগিলে মাত্ৰ ইয়াৰ এক পেগ প্ৰয়োগ কৰিব, আপোনাৰ কাম হাচিল। কাৰোবাৰ ওপৰত যদি পুৰণা অখেজ আছে দুই এটা সোমৰসৰ চিপ মাৰি ল'ব, আপুনি খুচিমতে তেওঁৰ উপৰি পুৰুষৰ উদ্ধাৰ কৰি থাকক, তেওঁলোকে বাগৰ দিয়াৰ পিছত দেখিব আপোনাৰ কাম শেষ। ভূলোকৰ কোনো চিন্তা-ভাৱনা, দুখ-ভাগৰে আপোনাৰ ওচৰ নেচাপে, কুকুৰ দেখি শিয়াল পলোৱাদি পলাব। ল'ৰা ছোৱালীৰ মাচুল কিতাপ দিব নোৱাৰিলেও, ঘৈণীৰ এশ টকা দাবী ন ন উপায়েৰে বশীভূত কৰি লৈ আপুনি চিপ মৰাৰ পিছত নিজকে মহাৰাজ মহাৰাজ অনুভৱ কৰিব। আৰু বহুত আছে আপোনালোকে লেখি ল'ব। ধূম্ৰপানৰো তেনে উপকাৰী গুণ বহুত আছে। যেনে- উষাকালে নিদ্ৰা ভঙ্গৰ কাৰণে ধূম্ৰপান বহুতৰে অপৰিহাৰ্য্য। ধূম্ৰপান নহ'লে আমাৰ কিছুমানৰ মলত্যাগ কৰা দুৰুহ কথা হৈ পৰিছে। অধ্যয়নৰত অৱস্থাত যদি কেতিয়াবা চিন্তাৰ নৈত বালিচৰ পৰে তেন্তে ধূম্ৰপানৰ ওচৰ চাপক, কাম হাচিল। ধূম্ৰপানৰ ধোৱাৰ পাকে পাকে বালিচৰ উটি যাব। কামলাৰ হতুৱাই যদি আধৰুৱা কামখিনি সিদিনাই শেষ কৰিব বিচাৰে তেন্তে ক'ব- "ধৰ অমুকা, বিড়ি এটা খাই জিৰাই ল অলপ। অ' কামখিনি আধৰুৱাকৈ এৰি নেযাবি আকৌ।" ভদ্ৰতাৰ খাতিৰত অলপ দেৰিকৈ খাতি হ'লেও কামখিনি শেষ কৰি যাব। আৰু ধৰক আপুনি কাৰোবাৰ ওচৰত ধৰুৱা, মহাজনে আপোনাৰ ওচৰলৈ আহি আপোনাৰ ধাৰ সধাৰ আগতে বিড়ি বা চুৰতত জোৰকৈ হোপা মাৰি কাহ তুলি দিয়ক আৰু কিছু সময় কাহি থাকক- দেখিব তেওঁ আঁতৰি যাবলৈ বাধ্য। চৰকাৰী পক্ষই যুক্তি দেখুৱাইছে যে সোমৰস সেৱন কৰিলে পাকস্থলী নষ্ট হয়, কিবা ঘা-ফোৰা হয়, ধন হানি, মানহানি, স্বাৰ্থহানি, আৰু বহুত কিবা-কিবি হানি হয়। ধূম্ৰপান কৰিলে হেনো কৰ্কট ৰোগ হয়, কফ হয় ইত্যাদি। চৰকাৰী পক্ষৰ এনে

দুৰ্বল যুক্তি আমি মানিব নোৱাৰোহক। দেহ ধাৰণ কৰিলে তাত বেমাৰ-আজাৰ হবই। ধূম্ৰপান নকৰা জীৱৰো মৃত্যুৰ সময়ত কফে লগ দিয়ে। মৰিবই লাগিব যেতিয়া নেখাই মৰাতকৈ খাই মৰাই ভাল। গতিকে মোৰ শেষ কথা আৰু খাতাং কথা চৰকাৰী পক্ষই পাছ কৰা এই আইনখন সম্পূৰ্ণ কেনচেল কৰিব নোৱাৰিলেও ইয়াক সংশোধন কৰিবই লাগিব।”- এইবুলি কৈ ইন্দ্ৰ বহিল। সভাত হাতচাপৰিৰ ৰোল উঠিল।

উপস্থিত দুই এক দেৱতাই কোৱাৰ পিছত সভাপতিৰ পাল পৰিল। এঙামুৰি দি চাৰিটামান হামি কাঢ়ি সভাপতি ভোলানাথে আৰম্ভ কৰিলে- ‘নিৰ্দিষ্ট বক্তা সহস্ৰলোচন পনীপতি দেৱৰাজ ইন্দ্ৰ, ভাগিন নাৰদ আৰু সমজুৱা সকল। জয়জয়তে তোমালোকক মই ধন্যবাদ দিলোহক। কিয়নো বুঢ়ালোকৰ এই অনাদৰী দিনটো তোমালোকে সভাপতিৰ আসন অলংকৃত কৰিবলৈ মোক সুযোগ দিছা। আজিকালি বুঢ়াৰ আদৰ কমি যাব ধৰিছে। কামৰ অলায়ক দেখি অগ্নিক সাক্ষী কৰি অনা বুঢ়ীয়েও কেতেৰ-জেঙেৰ কৰে। উষাকালৰ সুমধুৰ নিদ্ৰাফেৰা নষ্টকৰি নিদ্ৰাভঙ্গ কৰা কাৰণেই নেকি পুত্ৰ-পুত্ৰবধু কেৰে ভাল নেপায়, তেনে স্থলটো তোমালোকে সন্মান কৰি নিজে ধন্য হৈছা। তোমালোকৰ কুশল হওঁক। বাৰু যি হ'ল হ'ল। সভাৰ আলোচ্য বিষয়টোলে অহা যাওঁক। সোমৰস আৰু ধূম্ৰপানৰ মহিমা মই কি বৰ্ণাম। সোমৰস আৰু ধূম্ৰপান ইন্দ্ৰ আৰু মোৰ জীৱন-প্ৰাণ, ই চিৰলগৰী। ই আমাৰ কৃষ্টি সভ্যতাৰ অবিচ্ছেদ্য অঙ্গ। ইয়াক বাদ দিলে স্বৰ্ণৰাজ্য অসাৰ, নিষ্ফল। ইয়াক আমি ৰক্ষা কৰিবই লাগিব। এই আইন বাতিল কৰিবই লাগিব। সেইটো কৰিবলৈ হ'লে বিনা আন্দোলনে সম্ভৱ নহ'ব। পদ্ধতিগতভাৱে ঐক্যবদ্ধ হৈ গণতান্ত্ৰিক ভাৱে সমূহ জনতাই একে সময়তে বিদ্ৰোহ আৰম্ভ কৰিলে এই আইন সংশোধন কৰিবলৈ ব্ৰহ্মা চৰকাৰ বাধ্য হ'ব। এই অন্যায়ৰ বিৰুদ্ধে যুঁজি জয়ী হ'বলৈ আমি সাম্যবাদৰ ভেটিত গণতান্ত্ৰিক পদ্ধতিত পৰ্য্যায়ক্ৰমে, শোভাযাত্ৰা, হৰতাল, বন্ধ, গণ অনশন কৰিব লাগিব। তেতিয়াও যদি কাম নহয়, শেষ অস্ত্ৰ আমৰণ অনশন কৰিব লাগিব। দেখিবা গাদী যোৱাৰ ভয়ত ব্ৰহ্মা চৰকাৰ নামি আহিব। সভাত আকৌ হাত চাপৰিৰ ৰোল উঠিল। সকলোৱে ধইন ধইন কৰি কোৱা কুই কৰিলে যে দেখাত সদাশিৱ বুঢ়া হ'লেও ভিতৰি ভিতৰি ডেকা হৈ গৈছে। অৱশ্যে দুই একে ফুচ-ফুচাই কাণে কাণে কোৱা মেলা কৰা শুনা গ'ল বুঢ়াৰ ঘৰত কাম-কাজ নাইতো, মাহদিনৰ কুৰিদিনৰ কুৰিদিনে উপবাসে যায়। তেওঁ অনশন কৰা কিনো টান ইত্যাদি। সভাত দিন-বাৰ, নক্ষত্ৰ,তিথি ঠিক কৰি পুহ মাহৰ ১৫ তাৰিখ শনিবাৰে অমাবস্যা তিথিত শুভ মুহূৰ্ত্তত মাহেন্দ্ৰক্ষণত তেওঁলোকৰ অভিযানৰ শুভাৰম্ভ হ'ল। শোভাযাত্ৰা শান্তিপূৰ্ণই আছিল, মাত্ৰ যমনগৰীৰ দক্ষিণকোণত কেইখনমান কাপোৰৰ দোকানৰ পৰা কিছু কাপোৰ উধাও হ'ল বুলি জনৰৱ ওলাল। কাপোৰৰ অনুমানিক মূল্য ২০/২৫ লাখমান টকা হ'ব বুলি শুনা গ'ল। তাৰ পিচত অৱশ্যে আৰক্ষী বাহিনীয়ে ঠিকমতে শান্তি-শৃংখলা আৰু নিৰাপত্তা ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। পৰ্য্যায়ক্ৰমে সকলো অস্ত্ৰ প্ৰয়োগ হোৱাৰ পিচত যেতিয়া দেখিলে যে চৰকাৰৰ গা লৰা নাই; তেতিয়া শেষ পাশুপাত অস্ত্ৰ আমৰণ অনশন আৰম্ভ কৰিবলৈ ঠিক কৰা হ'ল। আমৰণ অনশন ৫ জনে কৰাৰ কথা আছিল যদিও নাৰদৰ অসুবিধা হ'ল তেওঁৰ বিয়াৰ বন্দবস্তৰ তাৰিখ পৰিছে, মনসাদেৱীৰ অসুবিধা হ'ল- তেওঁৰ চান্দসদাগৰৰ সৈতে হোৱা মোকৰ্দ্দমাৰ দিন পৰিছে, বায়ুৰ ঘৈণীৰ গা-নবীয়া ইত্যাদি। বাকী থাকিল সদাশিৱ আৰু ইন্দ্ৰ। তেওঁলোকেই আমৰণ অনশন আৰম্ভ কৰিলে। এদিন-দুদিন কৰি আমৰণ অনশনে ১৫ দিনত ভৰি দিলে। ৰাজ্যবৈদ্য ধনন্তৰিয়ে পুৱা-গধূলি দুয়োজনৰে শৰীৰ পৰীক্ষা কৰিব ধৰিলে। হৃদযন্ত্ৰৰ অৱস্থা স্বাভাৱিক থাকিলেও দুয়োৰে ওজন কিছু কমিল। সদাশিৱ ডেৰ মোন আৰু ইন্দ্ৰৰ ১৫ কেজি ওজন কমিল। ফলত দুয়োৰো হাই আৰু ল' প্ৰেচাৰ আৰম্ভ হ'ল। ৰাইজৰ মাজত ভীষণ প্ৰতিক্ৰিয়াই দেখা দিলে। শান্তি শৃংখলা ভঙ্গৰ ভয়ত চৰকাৰেও ঠায়ে ঠায়ে ১৪০ ধাৰা আৰু ঠায়ে ঠায়ে মোনে মোনে কাৰফিউ ঢালি দিলে লগতে ব্ৰহ্মাই ইয়াৰে ইমাৰজেন্ট কেবিনেট মিটিং আহ্বান কৰিলে। সেই সভালৈ উপৰাষ্ট্ৰপতি শ্ৰীকৃষ্ণকো নিমন্ত্ৰণ কৰিছিল। আপোচ সূত্ৰ উদ্ভাৱন কৰাত শ্ৰীকৃষ্ণৰ কৃতিত্ব অসীম। স্বৰ্গ সাপেক্ষে এই আইন খন সংশোধন কৰিবলৈ তেওঁ পৰামৰ্শ দাঙি ধৰিলে। সভাই সৰ্ব্ব সন্মতি ক্ৰমে তেওঁৰ আপোচ সূত্ৰটো মানি ললে। আপোচ সূত্ৰটো তলত দিয়া ধৰণৰ—.

**সোমৰস যোগান ব্যৱস্থাঃ—**

১) সোমৰসৰ খোলা বজাৰ নাথাকিব। লাইচেঞ্চ ল'লে অৱশ্যে বিদেশী মালো দেখা-দেখিকৈ বেচিব পাৰিব।

২) প্ৰতি ৰাজ্যৰ আধা আধি জিলাতহে এই আইন বলবৎ হ'ব। এই আইনৰ সিপাৰৰ জিলাকেইখন হ'ব ওৱেত এৰিয়া। ওৱেত এৰিয়াৰ পৰা লোকচক্ষুৰ আঁৰত যিমান সোমৰস লাগে নিজৰ গাঠিৰ ধন ভাঙি আনিব পাৰিব।

৩) ড্ৰাই এৰিয়াৰ চাহ ভাতৰ দোকানৰ নাম ফলকত ইয়াত উৎকৃষ্ট চাহ আৰু সুস্বাদু খানা পোৱা যায় বুলি লিখা থাকিলেও, ভিতৰৰ কোঠা সমূহত দিনে নিশাই অবাধ গতিত সোমৰস চলাব পাৰিব।

৪) চাহ দোকানী বিলাকে গাখীৰ যোগানিয়াৰ সকলৰ হতুৱাই গাখীৰ যোগান ধৰা পাত্ৰত গাখীৰৰ নামত সোমৰস সৰবৰাহ কৰিব পাৰিব।

৫) ডাঙৰ চৰকাৰী চাকৰিয়াল বিলাকে অফিচৰ কামত সদৰলৈ যাওঁতে নিজৰ যানত লৈ আহিব পাৰিব আৰু নিৰ্বিঘ্নে বন্ধু-বান্ধৱক নিমন্ত্ৰণ কৰি অফিচৰ অৱসাদ আঁতৰ কৰাত চৰকাৰৰ তাত কোনো আপত্তি নাই।

৬) স্বৰ্গলোকৰ কৈলাস ৰাজ্যৰ সমীপৰৰ্ত্তী ভোট যবন ৰাজ্যৰ পৰাও লোক চক্ষুৰ অগোচৰে সোমৰস আনিব পাৰিব।





**সোমৰস সেৱন বিধিঃ-**

১) সোমৰস সেৱন কৰাত কিছু সংযমী হোৱা বাঞ্চনীয়। এপোৱা সোমৰস পান কৰি ১ সেৰ সোমৰসৰ গান গোৱা লোকক চৰকাৰে প্ৰশ্ৰয় নিদিয়ে। ঔষধৰূপে অৱশ্যে ইয়াক খুচিমতে সেৱন কৰিব পাৰিব। কিন্তু ধন্বন্তৰীৰ পৰা এখন প্ৰমাণ পত্ৰ দেখুৱাব লাগিব তেহে লাইচেঞ্চ পাব। মাত্ৰ পাঁচ টকাতে প্ৰমাণ পত্ৰ সংগ্ৰহ কৰিব পাৰিব বুলি চৰকাৰে সিদ্ধান্ত ল'লে।

২) আবকাৰী আৰু আৰক্ষী বাহিনী সোমৰসৰ গুপ্তস্থানৰ গোন্ধ পালে তালৈ যাব। তেওঁলোক যোৱাৰ ইঙ্গিত পালে সোমৰসৰ পাত্ৰ আৰু প্ৰস্তুত সোমৰস সংগোপনে ৰক্ষা কৰা বিধেয়। কিয়নো তেৱা সবক নিয়োগ কৰোতে কোনে কিমান সোমৰস হজম কৰিব পাৰে তাত উত্তীৰ্ণ হোৱা লোক সকলক হে কৃতিত্ব অনুসাৰে নিয়োগ কৰা হৈছে।

৩) দুৰ্ভাগ্য বশতঃ তেওঁলোকৰ হাতত পৰিলেও ভয় খোৱাৰ বিশেষ কাৰণ নাই। যিয়ে তেওঁলোকৰ মাননিখিনি দিব, তেওঁলোকক দিগডাৰি নিদিবলৈ নিৰ্দেশ দিয়া হৈছে। যি সকলে মাননি দিবলৈ টান পায়, তেওঁলোকক ২/৪ মাহ চৰকাৰী ঘৰত ৰাখি চৰকাৰী খৰচত পোহ-পাল দি এৰি দিয়াৰ বন্দবস্ত আছে।

৪) আদ্যবন্ত সোমৰস সেৱীয়ে সোমৰসৰ লগত মাছ-মাংস ব্যৱহাৰ কৰিব। দুখীয়া বিলাকে একো নাপালে চানা চুৱকে খাব।

৫) কোনোবা দুৰ্ভগীয়া সোমৰস সেৱীক যদি নিশা ১২/১ বজাত উভতি অহাত ঘৈণীয়েকে দুৱাৰ খুলি নিদিয়ে বা খুলি দিলেও ভাত খোৱা সময়ত কাষত বহি নেথাকে আৰু নাইবা কোনোবা সাহসী দন্দুৰী তিৰোতাই ডাঙৰ ডাঙৰকৈ গালি-গালাজ কৰি ওচৰ-চুবুৰীয়াৰ শান্তিভঙ্গ কৰে তাৰ কাৰণে চৰকাৰ দায়ী নহ'ব।

৬) কোনোবা সোমৰস সেৱীয়ে যদি সোমৰসৰ আমেজত নৰ্দ্দমাটো ৰাস্তাৰ মাজলৈ আনি আৰামত শুই থাকে, তাক নৰ্দ্দমাৰ পৰা তুলি অনা দায়িত্ব চৰকাৰে বহন নকৰে।

৭) সোমৰস সেৱন কৰোতে কৰোতে যদি কোনো সোমৰস সেৱীৰ হৃদযন্ত্ৰৰ কোনোবাখন দুৱাৰ খিৰিকি উৰলি যোৱাত আৰু তেওঁ সংসাৰৰ বিৰক্তিতে সিপুৰীলৈ গৈ চিৰদিন আনন্দত কটাব খোজে, চৰকাৰে তাত বিধি পঠালি নিদিয়ে।

**ধূম্ৰপানৰ যোগান ব্যৱস্থা আৰু সেৱন বিধি**

১) সোমৰসৰ তুলনাত ধূম্ৰপানৰ ব্যৱস্থা একেবাৰে শিথিল কৰি দিয়া হেতু ইয়াৰ মূল্য চৰকাৰৰ সন্মানৰ খাতিৰত কিঞ্চিৎ বৃদ্ধি কৰা হৈছে।

২) আফু খেতিৰ উৎপাদন বন্ধ হোৱা বাবে ইয়াৰ প্ৰচলনো একেবাৰে গোপনীয় হৈ থাকিব।

৩) চিগাৰেটৰ পেকেটত কৰ্কট ৰোগ হয় বুলি লিখা থাকিলেও সংশয়ৰ কাৰণ নাই। নিৰ্বিঘ্নে আনন্দে তাক সেৱন কৰিব পাৰিব।

৪) সৰুজনে ডাঙৰজনৰ আগত ধূম্ৰপান নকৰাই ভাল। অভ্যস্তজনে নেদেখাৰ ভাও জুৰি খাব। ধূম্ৰপান সেৱী ছাত্ৰই হঠাতে শিক্ষকক দেখিলে হাতৰ টিপাতে বিড়ি চুৰত নুমাব। চাব যাতে আঙুলিৰ আগ নোপোৰে। বিড়ি চুৰত নুনুমোৱাকৈ শিক্ষকৰ লগত কথা নপতাই ভাল; কিয়নো তাৰ ধোঁৱা ওলাই শিক্ষকক লাজ দিব পাৰে।

৫) লাইচেঞ্চ নেথাকিলে গাঞ্জাৰ দোকান কেন্দ্ৰীয় স্থলত দিবলৈ অনুমতি দিয়া নহ'ব। গাঞ্জা সেৱীসকলে চিলিমত খোৱা আওপুৰণি পদ্ধতি ত্যাগ কৰি বিড়িৰ ভিতৰৰ মছলাখিনি উলিয়াই সেৱন কৰা প্ৰশস্থ।

৭) গাঞ্জা সেৱন নকৰা ব্যক্তিসকলে অৱশ্যে শিৱৰাত্ৰিৰ দিনা ধতুৰা মিশ্ৰিত ঘোটা ভাং শিৱৰ প্ৰসাদ গ্ৰহণ কৰি এবাৰ তল এবাৰ ওপৰ কৰি আৰামত শিৱৰাত্ৰিৰ উৎযাপন কৰিব পাৰিব।

৮) বিড়ি চুৰতৰ লগত ৰাহি নহা সকলৰ কাৰণে কনচেচন হাৰত খৈনিৰ বিশেষ বন্দবস্ত ৰখা হৈছে। দুৰ্বল মনা লাজুক ছাত্ৰ সকলে বিড়িচুৰত কিয় খৈনিও শিক্ষকৰ আগত ব্যৱহাৰ নকৰিব। সবলমনা সাহসী ছাত্ৰসকলে শিক্ষকৰ কাষতে খৈনি বনাই সেৱন কৰিব পাৰিব। অৱশ্যে খৈনিৰ ওপৰত মৰা চাপৰ কেইটা সৰুকৈ মৰা ভাল নহ'লে শিক্ষকৰ নাকেৰে জোল ব'ব।

❑❑❑



এই ব্যঙ্গ ৰচনা বদন চন্দ্ৰ ভৰালীৰ দ্বাৰা সম্পাদিত ৰঙিয়া মহাবিদ্যালয় আলোচনী (অষ্টম সংখ্যা, ১৯৭৬-৭৭ বৰ্ষ)ৰ পৰা পুনৰ মুদ্ৰিত।



# ভাস্কৰ্য শিল্পী
# অকুণ্ঠ কাকতিৰ সৈতে এখন্তেক

অকুণ্ঠ কাকতি এগৰাকী ভাস্কৰ্য শিল্পী। পেশা তেখেতৰ চাকৰি, নিচা ভাস্কৰ্য শিল্প। শিল্পী গৰাকীৰ দুহাতেৰে কাঠৰ বুকুত খোদিত হয় জীৱন জগতৰ মূৰ্ত প্ৰতীক। তেখেতৰ মনৰ দুৱাৰ এখন্তেক মুকলি কৰিলে সম্পাদক ৰূপম বড়োৱে।)

*আপুনি ৰঙিয়া মহাবিদ্যালয়ত চাকৰিত কেতিয়া যোগদান কৰিছিল?*

১৯৯৭ চনৰ ৩ জুলাইত মই ৰঙিয়া মহাবিদ্যালয়ত চাকৰিত যোগদান কৰো।

*আপুনি ভাস্কৰ্য শিল্পৰ সৈতে কেতিয়াৰ পৰা জড়িত হৈ পৰে?*

২০০5 চনৰ পৰা।

*আপুনি ভাস্কৰ্য শিল্প কৰবাত শিকিছিল নেকি?*

নাই শিকা। সৰুৰে পৰা এই শিল্পৰ প্ৰতি মোৰ দুৰ্বাৰ ভালপোৱা আছিল। সেয়ে মই ২০০5 চনৰ পৰা এই শিল্পৰ সৈতে জড়িত হৈ পৰো।

*মহাবিদ্যালয়ত অনুষ্ঠিত প্ৰদৰ্শনীৰ বাহিৰে আপুনি অন্য ঠাইত এই শিল্প প্ৰদৰ্শন কৰিছে নেকি?*

মহাবিদ্যালয়ৰ প্ৰদৰ্শনীত যোগদান কৰি প্ৰথম পুৰস্কাৰ লাভ কৰিছিলো। ইয়াৰ পিচত মই দুগুণ উৎসাহ পালো। ৰাজ্যিক পৰ্য্যায়ত যোগদান কৰিবলৈ চেষ্টা কৰি আছো; কিন্তু তেনে সুযোগ এতিয়ালৈ পোৱা নাই।

*ৰঙিয়া মহাবিদ্যালয়ৰ পৰা আপুনি কেনে ধৰণৰ প্ৰেৰণা পাইছে?*

ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী বন্ধু আৰু ছাৰ-বাইদেউসকলৰ পৰা যথেষ্ট উৎসাহ পাইছো। সকলোৱে মোৰ শিল্পক মৰমৰ চকুৰে চাইছে। তথাপিও বিশেষভাৱে মোক প্ৰেৰণা যোগাইছিল বৰ্তমানৰ অধ্যক্ষ মহোদয় যোগেশ কাকতিছাৰ, প্ৰাক্তন অধ্যক্ষ প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা, ড° অপূৰ্ব গোস্বামী,. ড° স্নিগ্ধা চৰকাৰ, দীনেশ লহকৰ, ড° মনোজ কুমাৰ সিনহা, ড° ফুকন বসুমতাৰী ছাৰে।

*এটি শিল্প প্ৰস্তুত কৰোতে আপোনাৰ কিমান সময়ৰ প্ৰয়োজন?*

প্ৰায় সাত-আঠদিন লাগে।

*যিহেতু আপুনি এজন চৰকাৰী কৰ্মচাৰী, কৰ্তব্যৰ মাজত কেনেদৰে সময় উলিয়াব পাৰে?*

মহাবিদ্যালয় বন্ধ থাকিলে আৰু আজৰি সময়ত মই শিল্প সাজো।

*বৰ্তমান আপুনি কি বিষয় বস্তু লৈ এই শিল্প নিৰ্মাণ কৰিছে*

'প্ৰেমৰ জয় আৰু নিষ্ঠুৰতা'ক প্ৰতীক হিচাবে লৈ।

*অহা বছৰ আমাৰ মহাবিদ্যালয়ে সোণালী বৰ্ষত ভৰি দিব? এইক্ষেত্ৰত আপোনাৰ পৰিকল্পনা?*

নিশ্চয় আছে, সময়লৈ আপেক্ষা কৰক।

আপোনাৰ সপোন বাস্তৱত ৰূপায়িত হওঁক। শুভ কামনাৰে

ধন্যবাদ।

আপোনালৈও।

❑❑❑





## অন্য এক খোজ
# ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (ছোৱালী) গোট, ৰঙিয়া মহাবিদ্যালয়

*(গৌৰৱময় ইতিহাসেৰে প্ৰোজ্বল ৰঙিয়া মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ গোট। ১৯৬৫ চনত এই গোটটি গঠন কৰা হৈছিল। শেহতীয়াকৈ ২০১১ চনত প্ৰথম অসম বেটেলিয়নৰ ছাত্ৰীৰ বাবে অন্য এটা গোট গঠন কৰা হয়। বৰ্তমান ৮ গৰাকী শিক্ষাৰ্থীয়ে ইয়াৰ অধীনত প্ৰশিক্ষণ গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী সম্পৰ্কে তেওঁলোকে এইদৰে মত প্ৰকাশ কৰিছে।)*

**ডালিমী বড়ো ঃ-** মই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (NCC) খুবেই ভাল পাওঁ। ভৱিষ্যতে ভাৰতীয় সেনা বাহিনীত বিষয়া হিচাপে যোগদান কৰাৰ ইচ্ছা আছে। মই ইতিমধ্যে NCC ৰ জুনিয়ৰ কেডেট আছিলো। ২০০৯ চনত গুৱাহাটীৰ ছাউথ পইন্ট হাইস্কুলত অনুষ্ঠিত বাৰ্ষিক প্ৰশিক্ষণ শিবিৰত যোগদান কৰিছো। গুৱাহাটীৰ সৰু সজাই ষ্টেডিয়ামৰ অন্য এটা শিবিৰতো মই অংশ গ্ৰহণ কৰিছো।

**ৰবমী স্বৰ্গীয়াৰী ঃ-** ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত যোগদান কৰি বহুত ভাল লাগিছে। এইক্ষেত্ৰত মোৰ মায়েও প্ৰেৰণা দিছে। ডেউলকুছি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়াৰে পৰা ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী সম্পৰ্কে মই পৰিচিত। NCC ত যোগদান কৰাৰ পিচত বিদ্যায়তনিক দিশত লোকচান হব বুলি ভবা নাই।

**হাংমাশ্ৰী বড়ো ঃ-** তামুলপুৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত পঢ়ি থাকোতে NCC ৰ ছোৱালী শাখাত যোগদান কৰিম বুলি ভাবিছিলো। কিন্তু ব্যক্তিগত সমস্যাৰ বাবে সেইটো নহ'ল। ৰঙিয়া কলেজত নামভৰ্ত্তি কৰি পুনৰ এই সুবিধাতো পালো। জ্যেষ্ঠ প্ৰশিক্ষাৰ্থীসকলে আমাক যথেষ্ট উৎসাহিত কৰিছে। মোৰ খুড়া এজনেও ৰঙিয়া কলেজ NCC গোটৰ পৰা Republic Day কেম্পত অংশ গ্ৰহণ কৰিছে।

**সঙ্গীতা বড়ো ঃ-** ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ পৰা সকলোখিনি ভালেই শিকাৰ মোৰ ইচ্ছা আছে। বন্ধু-বান্ধৱী, অভিভাৱক সকলোৱে ইয়াত অংশগ্ৰহণ কৰাত উৎসাহিত কৰিছে। আশা কৰো NCC ৰ অভিজ্ঞতাই মোক জীৱনত বহু ধৰণে সহায় কৰিব।

**সোণালী বড়ো ঃ-** মোৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত যোগদান কৰাৰ প্ৰবল ইচ্ছা আছিল। উচ্চতৰ মাধ্যমিক শ্ৰেণীত পঢ়ি থকা মোৰ বাইদেউয়ে এইক্ষেত্ৰত সহায় কৰিছে। NCC ৰ পাঠ্যক্ৰম সম্পূৰ্ণ কৰি মই প্ৰতিৰক্ষা বিভাগত সেৱা আগবঢ়াব বিচাৰো।

**ৰঞ্জু বসুমতাৰী ঃ-** বড়ো সাহিত্য সভাৰ জিলা অধিবেশনত মই এবাৰ স্বেচ্ছাসেৱক হৈছিলো। তেতিয়াৰে পৰা মই NCC ত যোগদান কৰাৰ ইচ্ছা কৰিছিলো। মোৰ জ্যেষ্ঠ ভাতৃ ৰঙিয়া কলেজৰ গোটৰ প্ৰশিক্ষাৰ্থী শংকৰ বড়োৱেও মোক এইক্ষেত্ৰত সহায় কৰিছে। ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীত পাঠ্যক্ৰম সম্পূৰ্ণ কৰাৰ পিচত মই এটা ভাল চাকৰি পাম বুলি ভাবিছো।

❑❑❑



# সোঁতৰ বিপৰীতে

২০১১ বৰ্ষৰ ৭, ৮ আৰু ৯ নৱেম্বৰত সুধাকণ্ঠ বিশ্বশিল্পী গুৱাহাটী জজখেলপথাৰ ৰাজহুৱা শ্ৰদ্ধাঞ্জলি ড° ভূপেন হাজৰিকাৰ অনুষ্ঠানত আমাৰ মহাবিদ্যালয়ৰ স্কাউট্‌চ এণ্ড গাইড্‌চৰ ৰভাৰ আৰু ৰেঞ্জাৰ সকলে দিয়া অনবদ্য সেৱা আৰু অভিজ্ঞতাৰ সন্দৰ্ভত জনাইছে এনেদৰে



*পোনপ্ৰথমে মহাবিদ্যালয় পৰিয়ালবৰ্গৰ পৰা তোমালোকক অভিনন্দন জনালোঁ। গুৱাহাটীৰ জজ খেলপথাৰত তোমালোকে যি সেৱা আগবঢ়াইছা, সেইয়া মহাবিদ্যালয়ৰ বাবে অতি গৌৰৱৰ কথা। কেনেকুৱা লাগিছে তোমালোকৰ?*

ঃ খুউব ভাল লাগিছে আৰু বহুত দুখ লাগিছে।

*ভালো লাগিছে, দুখো লাগিছে কিয়?*

ঃ ড° ভূপেন হাজৰিকাৰ মৃত্যুৰ পিছতহে তেওঁৰ মহানতা বুজি পাইছো। সেয়ে এনেকুৱা এজন মহান ব্যক্তি হেৰাই যোৱাৰ বাবে বহুত দুখ লাগিছে। ভাল লাগিছে এইকাৰণে এজন মহান ব্যক্তিৰ এনে এটা কামত নিজকে জড়িত কৰিব পাই ভাগ্যবান যেন লাগিছে।

*আমাৰ মহাবিদ্যালয়ৰ পৰা কিমান জন গৈছিলা?*

ঃ ঊনৈশ জন।

*তোমালোকে তাত কেনেকুৱা ধৰণৰ কাম কৰিব লগা হৈছে?*

ঃ ৭ নৱেম্বৰ, ২০১১ দুপৰীয়া এক বজাৰ পৰা আমি কাম আৰম্ভ কৰিছিলো। প্ৰথমে ভূপেন দাৰ বাসগৃহ নিজবাপাৰত কাম কৰিছো। তাত দুপৰীয়া ১ বজাৰ পৰা নিশা ৯.৩০ বজালৈ আছিলো। তাৰ পিছত জজ ফিল্ডত আৰম্ভ। জৰ্জ ফিল্ডত ভূপেন দাৰ নশ্বৰ দেহ দৰ্শনৰ বাবে ৯.৩০ বজাত মুকলি হোৱা মানুহৰ শাৰীবোৰ শৃংখলাবদ্ধ কৰিছিলো।

*তাত কেনেকুৱা ধৰণৰ পৰিৱেশ হৈছিল?*

ঃ পৰিৱেশ বুলি ক'বলৈ গ'লে অজস্ৰ মানুহ হৈছিল। মানুহবোৰৰ শ্ৰদ্ধা দেখি আচৰিত লাগিছিল। প্ৰায় সাত ঘন্টা শাৰী পাতি মাত্ৰ এক মুহূৰ্তৰ কাৰণে ভূপেনদাক দৰ্শন কৰিব পাইছিল। চাৰিওফালে কেৱল মানুহ আৰু মানুহ। সকলোৰে হাতত ফুল লৈ দৰ্শন কৰিছিল। অজস্ৰ মানুহে ভূপেনদাৰ ফটো তুলিছিল যদিও তাত ফটো তোলা বাধা আছিল। কোনো মানুহে কথা নুশুনিলে। সকলোৱে কৈছিল শেষবাৰৰ বাবে দেখিছে, গতিকে এবাৰ ফটো তুলিব দিয়া। বহুতে কান্দিছেও।

*বাতৰি কাগজত তোমালোকক Super Seventy বুলি কৈছে? তোমালোকে কি ভাবা?*

ঃ আমি কোনো Superman নহয়। আমাৰ Motto হৈছে Service। গতিকে আমি মাত্ৰ আমাৰ কৰ্তব্য কৰি গৈছো।

*তোমালোকে ভূপেন দাৰ নশ্বৰ দেহৰ ওচৰত থাকি শৃংখলতা ৰক্ষাৰ কাম কৰিছিলা, তোমালোকৰ ভয় লগা নাছিলে নে?*

ঃ সাধাৰণ মানুহ হ'লে অলপ ভয় লাগিলহেঁতেন। ভূপেন দাৰ নশ্বৰ দেহ চাবলৈ ইমান মানুহৰ ভিৰ আছিল যে তেখেতক মৃত যেন অনুভৱ হোৱা নাছিল। কিবা উৎসৱ চলি থকা যেনহে লাগিছিল।

*তোমালোকৰ ওপৰত মানুহৰ মনোভাৱ কেনেকুৱা আছিল?*

ঃ মানুহবোৰে আমাক ভাগ্যৱান বুলি কৈছিল। কিয়নো মানুহবোৰ বহু কষ্টৰ পিছতহে এক মুহূৰ্তৰ বাবে ভূপেনদাৰ নশ্বৰ দেহ দেখিছিলে। আমি অনবৰতে দৰ্শন কৰিবলৈ সুবিধা পাইছিলো। অৱশ্যে কিছুমান ভি.আই.পি.ক বেলেগকৈ সুবিধা দিয়াৰ বাবে খঙো উঠিছিল। এই ব্যৱস্থাটো আমাৰ নহয়, তাত যি কৰিব দিছে আমি তাকেই কৰিছো।

*এনেকুৱা এটা মহান কাম কৰিবৰ বাবে পোৱা সুবিধাৰ বাবে তোমালোকে কাক ধন্যবাদ দিবা?*

ঃ এই সুবিধাটো দিয়াৰ বাবে শ্ৰদ্ধাৰ কমলা বৰ্মন বাইদেউ, মহেন্দ্ৰ কলিতা ছাৰ, ফুকন বসুমতাৰী ছাৰ, দিগন্ত দা আৰু ৰূপম দাক ধন্যবাদ জনাওঁ।

আশাকৰো ভৱিষ্যতলৈ তোমালোক সমাজৰ কাৰণে ভাল কাম কৰিবা। ধন্যবাদ।



❑❑❑

অসম চৰকাৰ
মুখ্য সচিবৰ কাৰ্যালয়, ব্লক চি, অসম সচিবালয়
দিশপুৰ, গুৱাহাটী
।। প্ৰশংসা পত্ৰ ।।





# আলোচনী সম্পাদকলৈ কিছু প্ৰশ্ন ?

মৃদুল কুমাৰ
স্নাতক দ্বিতীয় বৰ্ষ,
ৰাজনীতি বিজ্ঞান বিভাগ

১) *প্ৰত্যেক বছৰে আলোচনীত এটা নতুনত্ব দেখিবলৈ পাইছো। এইবেলিত আপুনি কিবা নতুনত্ব আনিব নেকি?*

ঃ আলোচনীখন পঢ়িলে গম পাব।

২) *বহু ছাত্ৰ-ছাত্ৰীয়ে কোৱা শুনো তেওঁলোকে আলোচনী নাপায়। ইয়াৰ কাৰণ কি?*

ঃ এক নিৰ্দিষ্ট শিক্ষাবৰ্ষৰ সৈতে আলোচনী প্ৰকাশ হয় বাবে সকলো শিক্ষাবৰ্ষৰ ছাত্ৰ-ছাত্ৰীয়ে আলোচনী নাপায়।

৩) *আলোচনীখন দল ভিত্তিক ছাত্ৰক দিয়ে নেকি?*

ঃ তেনেদৰে দিয়া নহয়।

৪) *আলোচনীত আপুনি অসমীয়া, হিন্দী, ইংৰাজীৰ বাহিৰে অন্য ভাষাৰ লিখনি প্ৰকাশ কৰিব নেকি?*

ঃ আচলতে ভাষাৰ কথা অহাতকৈ আমি বিষয়বস্তুৰ ওপৰতহে অধিক গুৰুত্ব প্ৰদান কৰাৰ কথা ভাবিছো।

বিদ্যুৎ বেজবৰুৱা
স্নাতক তৃতীয় বৰ্ষ, অসমীয়া বিভাগ

৫) *এজন সফল আলোচনী সম্পাদকৰ ক্ষেত্ৰত সাহিত্য প্ৰতিভাই কিবা প্ৰভাৱ পেলাই বুলি আপুনি ভাবেনে? যদি ভাৱে তেন্তে কেনেকুৱা প্ৰভাৱ পেলাই বুলি ভাবে?*

ঃ যথেষ্ট প্ৰভাৱ পেলায়। প্ৰতিভা নাথাকিলে আলোচনীৰ মানদণ্ড নিম্নগামী হ'ব। মুঠতে যিমান প্ৰতিভা সিমানে ভাল হ'ব বুলি ভাবো।

৬) *এখন মহাবিদ্যালয়ৰ আলোচনীৰ বাবে সেই মহাবিদ্যালয়ৰ প্ৰায় সকলো শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীয়ে তেখেতসকলৰ লিখনি আগবঢ়ায়। ইয়াৰে কিছু সংখ্যক প্ৰকাশ পায় আৰু কিছুসংখ্যক প্ৰকাশ নাপায়। এতিয়া প্ৰশ্ন হ'ল- এই প্ৰকাশ পোৱা সকলোবিলাকে সাৰ্থক বা ভাল আৰু প্ৰকাশ নোপোৱা বিলাক অসাৰ্থক বা বেয়া নেকি?*

ঃ বন্ধু, তেনে কথা নহয়। প্ৰথম কথা হ'ল, প্ৰায় সকলোৱে নিদিয়ে। তদুপৰি এটা ভাল লিখনি লিখাটো ভাত খালে পানী খোৱাৰ দৰে নহয়। বৰ্তমান ছাত্ৰ-ছাত্ৰীয়ে কবিতাৰ অৰ্থকে সলনি কৰিব বিচাৰে। কি প্ৰেমৰ কবিতা লিখে। তদুপৰি বহুত কৈ কৈ হে লিখনি পাইছো। মুঠতে প্ৰকাশ পোৱা বিলাক সিমান উন্নত নহ'লেও ভাল বুলি ক'ব পাৰি। প্ৰকাশ নোপোৱা বিলাক সিমান ভাল হোৱা নাই বুলি ক'ব পাৰি।

৭) *এখন মহাবিদ্যালয়ৰ এখন সফল আলোচনী প্ৰকাশৰ ক্ষেত্ৰত যিমানখিনি অৰ্থৰ প্ৰয়োজন হয় সিমানখিনি আপুনি কলেজ কৰ্তৃপক্ষৰ পৰা লাভ কৰিছে নে? যদি লাভ কৰিছে ভাল কথা। যদিহে পোৱা নাই তেন্তে আপুনি কেনেদৰে সমাধান কৰিব?*

ঃ যিমানখিনি অৰ্থৰ প্ৰয়োজন আছিল সিমানখিনি এতিয়ালৈ দিয়া নাই। যিমানখিনি দিব সিমানখিনিৰে ভাল আলোচনী প্ৰকাশ কৰিম বুলি ভাবিছো।

৮) *আপোনাৰ কি এনেকুৱা ইচ্ছা হৈ গ'ল, যিটোৱে আপোনাক যিকোনো মুহূৰ্ততে অস্থিৰ কৰি তুলিব পাৰে? নে আপুনি সকলো ফালৰ পৰা মুক্ত?*

ঃ এজন ভাল বন্ধুৰ প্ৰয়োজন আছিল। বন্ধু বহুত পাইছো। কিন্তু প্ৰকৃত বন্ধু নাপালো।

❑❑❑

# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল মহান ত্যাগ বীৰে নিজৰ প্ৰাণ আহুতি দি দেশ মাতৃৰ জয় গান
গোৱালে সেইসকল ছহিদ বীৰলৈ জনাইছোঁ মোৰ সেৱা।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ উপ-সভাপতি পদৰ বাবে সাধাৰণ নিৰ্বাচনত জয়ী
কৰাই মহাবিদ্যালয়ৰ সেৱা আগবঢ়োৱাত অৰিহণা যোগাবলৈ সুবিধাকণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰী সকললৈ
তথা মোৰ প্ৰিয় বন্ধু-বান্ধৱীসকললৈ আন্তৰিক ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

উপ-সভাপতি হিচাপে ২০ নবেম্বৰ (২০১০) ত শপত গ্ৰহণ কৰাৰ পিছৰে পৰা প্ৰথম কাৰ্য্যসূচী
হিচাপে আমি পাওঁ মহাবিদ্যালয় বাৰ্ষিক সপ্তাহৰ প্ৰথম দিনাৰ দ্বিতীয় কাৰ্য্যসূচীত ছহিদ তৰ্পক হিচাপে মই ছহিদ
তৰ্পন কৰিছিলো।

অইন বেলিৰ তুলনাত এই বেলি আমি ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাই এক অভিনৱ পদ্ধতিৰে 'সাংস্কৃতিক
শোভাযাত্ৰা' উলিয়াইছিলো। উক্ত সাংস্কৃতিক শোভাযাত্ৰাত কমেও ৭০০ জন ছাত্ৰ-ছাত্ৰীৱে আমাৰ স'তে বিভিন্ন
সংস্কৃতিৰ পোছাকেৰে যোগদান কৰি আমাক উৎসাহিত কৰিছিল।

ইয়াৰ পিছত বৃক্ষৰোপণ কাৰ্য্যসূচীৰ বাবে আমি সকলো প্ৰস্তুত কৰাত উক্ত কাৰ্য্যসূচী সুকলমে চলি
গৈছিল। প্ৰদৰ্শনী, তৰ্ক প্ৰতিযোগিতা, আকস্মিক বক্তৃতা, বিভিন্ন ধৰণৰ খেল - ধেমালি, ৰচনা লিখা, কবিতা
(থিতাতে) লিখা প্ৰতিযোগিতা, নাটক, গীত-মাত আদি এশ এবুৰি খেল - ধেমালিৰে মহাবিদ্যালয় সপ্তাহৰ শেষত বঁটা বিতৰণী সভা ও নিৰ্দিষ্ট
বক্তাৰ ভাষণৰ পিছত সভা ভংগ হয়। তাৰ পাছত বাৰ্ষিক সপ্তাহৰ পতাকা নমোৱা (২০১০-২০১১) কাৰ্য্যসূচীওঁ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়ে আমাক
দায়িত্ব দিয়াত উক্ত কাৰ্য্যসূচী পালন কৰি পতাকাখন অধ্যক্ষ মহোদয়লৈ সন্মান সহকাৰে আগবঢ়াই দি মহাবিদ্যালয় সপ্তাহৰ সামৰণি পেলাওঁ।
২০১১ চনৰ জানুৱাৰী মাহত পুনৰ মহাবিদ্যালয়ৰ ছহিদ ভৱনৰ সন্মুখত বৃক্ষ ৰোপণ কৰি বেৰ দিয়াৰ ব্যৱস্থা কৰা হয় যদিওঁবা উক্ত
কাৰ্য্যসূচীৰ পিছৰে পৰা মোৰ চূড়ান্ত পৰীক্ষা (২০১১) অহাৰ বাবে মহাবিদ্যালয়ৰ কিছুমান অনুষ্ঠানত মই অংশ গ্ৰহণ কৰাৰ সময় আৰু সুবিধা
উলিয়াব পৰা নাছিলো। ব্যক্তিগত ভাবেওঁ মই এটা বিশেষ কামত দিনে-ৰাতিয়ে নলবাৰীত ব্যস্ত থাকিবলৈ বাধ্য হৈ পৰিছিলো। সেয়েহে ইয়াৰ বাবে
মই মহাবিদ্যালয় পৰিয়ালৰ ওচৰত ক্ষমা ভিক্ষা মাগিছো। অনিচ্ছাকৃতভাৱে জানুৱাৰীৰ পিছত মই বিষয়ববীয়াসকলক সহায় কৰিব নোৱাৰা বাবে
নিজকে এতিয়াওঁ দোষী দোষী যেন লাগে!

শেষত, মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, এবছু, ৰঙিয়া মহাবিদ্যয়লয় এন, চি, চি গোট, স্কাউট এণ্ড গাইড্চ
গোটৰ সমূহ বিষয়ববীয়া, কৰ্মকৰ্তা আৰু সদস্য সকললৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলো।

সদৌ শেষত, মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুল - ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যৎ কামনা কৰি
প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে
জয় আই অসম
"জয়তু ৰঙিয়া মহাবিদ্যালয়"

**এমঃ ইছলাম আহমেদ**
উপ-সভাপতি
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



সপোনক দিঠক কৰাৰ হেপাহেৰে জীৱনক সপোন কৰাৰ আশাৰে ৰঙৰ মন্দিৰ ৰঙিয়া মহাবিদ্যালয়ত প্ৰৱেশ
কৰিছিলো। মই এজন ছাত্ৰ হিচাপে। সংস্কৃতিৰ নক্ষত্ৰ ড° ভূপেন হাজৰিকা দেৱে গোৱাৰ দৰে-

মানুহে মানুহৰ বাবে
যদিহে অকণো নাভাবে
অকণি সহানুভুতিৰে
ভাবিব কোনেনো কোৱা

হয়, ভাবিব কোনেনো কোৱা। আমিয়ে ভাবিব লাগিব জীৱ শ্ৰেষ্ঠ মানুহ হিচাপে। মই মাথো এজন
নিয়মীয়া ছাত্ৰ হৈ নতুবা নিয়মীয়া লোহিত দাৰ কেন্টিনত চাহৰ আড্ডা মাৰি, পুখুৰীৰ পাৰ আৰু জালুকবাৰীত
বহিয়ে কলেজীয়া আনন্দলৈ ২০১০-১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত সদৌ অসম ছাত্ৰ সন্থাৰ
সাধাৰণ সম্পাদকৰ মনোনীত প্ৰাৰ্থী হিচাপে বিপুল ভোটত জয় যুক্ত হৈ ৰঙিয়া মহাবিদ্যালয়ৰ হকে কাম কৰিবলৈ
পাই কলেজীয়া জীৱন সাৰ্থক হোৱা বুলি আজি বাৰুকৈ অনুভৱ কৰিছো।

প্ৰতিবেদনৰ পাতনিতে ড° ভূপেন হাজৰিকা আৰু ড° মামণি ৰয়ছম গোস্বামী বাইদেউৰ লগতে যি
সকলে দেশ আৰু জাতিৰ অস্তিত্ব ৰক্ষাৰ হকে আত্ম বলিদান দি ছহিদ ৰূপে বিভূষিত হৈছে সেই সকলক জনাইছোঁ
অশেষ শ্ৰদ্ধা আৰু ভক্তি। যিসকল ব্যক্তিৰ অক্লান্ত পৰিশ্ৰম, চেষ্টা আৰু ত্যাগৰ বিনিময়ত ৰঙিয়া মহাবিদ্যালয়ৰ
জ্ঞানৰ বন্তি জ্বলি উঠিছে সেই সকল মহান ব্যক্তিলৈও জনাইছো স-শ্ৰদ্ধ প্ৰণিপাত।

**কাৰ্যকাল ঃ-** সপোনত ডেউকাই অহৰহ মোক লৈ যায় দূৰ দিগন্তলৈ। তেনে সপোনৰ ভেটিতে ২০১০-১১ বৰ্ষৰ
কাৰ্যকালত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ কাৰ্যভাৰ গ্ৰহণ কৰোঁ তথা কৰ্তব্য বোধ আৰু
দায়িত্ব বোধ সহকাৰে মহাবিদ্যালয়ৰ প্ৰতিটো কাম কৰিম বুলি প্ৰতিজ্ঞা বদ্ধ হওঁ।

হেঁপাহৰ নদীত সোণালী ৰথৰে নাওঁ মেলিলোঁ। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক, দৈহিক উৎকৰ্য সাধনৰ
অৰ্থে ২১ ৰ পৰা ২৮ ডিচেম্বৰ, ২০১০ তাৰিখলৈ অনুষ্ঠিত কৰা হয় মহাবিদ্যালয় সপ্তাহ। পোন প্ৰথম বাৰৰ বাবে
ৰঙিয়াৰ কেন্ভাছত ৰঙিয়া মহাবিদ্যালয়ৰ ৰং বোলাবলৈ উলিওৱা হয় সাংস্কৃতিক শোভা যাত্ৰা। বিভিন্ন বিভাগৰ
তত্বাৱধানত অনুষ্ঠিত হোৱা বিভিন্ন চিত্তাকৰ্যক, আমোদজনক প্ৰতিযোগিতা সমূহ প্ৰতিযোগীৰ অংশ গ্ৰহণে ইয়াৰ

মানদণ্ড অধিক উন্নত কৰে। ২৮ ডিচেম্বৰৰ বঁটা বিতৰণী তথা মুকলি সভাত উপস্থিত থাকে বিশিষ্ট কথা শিল্পী শ্ৰী যুত কুল শইকীয়া আৰু ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমিতিৰ সভাপতি শ্ৰী যুত অনন্ত ডেকা।

২৫ জানুৱাৰী, ২০১১ তাৰিখে উলহ মালহেৰে উদ্‌যাপন কৰা হয় বাথৌ পূজা। তেনেদৰে ৮ ফেব্ৰুৱাৰী, ২০১১ তাৰিখে বিদ্যাৰ অধিষ্ঠাত্ৰী সৰস্বতী দেৱীৰ পূজা জাক-জমকতাৰে পালন কৰা হয়। সেই বৰ্ষতে ৯ৰ পৰা ১৬ মে তাৰিখলৈ ৰঙিয়া মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে আয়োজন কৰা হয় নাট্য কৰ্মশালা। ২৯ জুলাই তাৰিখে মহাবিদ্যালয়ত নৱাগত ছাত্ৰ-ছাত্ৰীক আদৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা হয় নৱাগত আদৰণি সভা। মুকলি সভাত উপস্থিত আছিল গুৱাহাটী বি. বৰুৱা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দীনেশ বৈশ্য।

সাংস্কৃতিক অনুষ্ঠানত উপস্থিত থাকে জনপ্ৰিয় কণ্ঠ শিল্পী অনুপম শইকীয়া। ৫ আগষ্ট, ২০১১ তাৰিখে মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু ৰঙিয়া মহাবিদ্যালয় আছু গোটৰ উদ্যোগত ৫ চেপ্তেম্বৰ, ২০১১ তাৰিখে পালন কৰা হয় শিক্ষক দিৱস। শিক্ষক দিৱসৰ লগত সংগতি ৰাখি শিক্ষক আৰু ছাত্ৰ ছাত্ৰীৰ মাজত এখনি মুকলি কুইজ প্ৰতিযোগিতা আয়োজন কৰা হয়। ১৭ চেপ্তেম্বৰ, ২০১১ তাৰিখে বিশ্বকৰ্মা পূজা পালন কৰা হয়। একে বৰ্ষৰ ২৫ ৰ পৰা ৩০ ছেপ্তেম্বৰ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি ৰঙিয়া মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ সক্ষম হওঁ।

২৯ অক্টোবৰ, ২০১১ তাৰিখে প্ৰয়াত সিদ্ধি নাথ শৰ্মা সোঁৱৰণী আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা খন আয়োজন কৰা হয়। ১৪ নবেম্বৰ, ২০১১ তাৰিখে সুধাকণ্ঠ ড° ভূপেন হাজৰিকা দেৱৰ আত্মাৰ চিৰশান্তিৰ বাবে সৰ্ব-ধৰ্মীয় প্ৰাৰ্থনাৰ আয়োজন কৰা হয়।

**মোৰ সপোন আৰু বাস্তৱ ঃ**

সপোনত ৰাজমুকুট পিন্ধিলেও বাস্তৱত একেখন বিচনা। নানা অভাৱ অভিযোগে গিজ-গিজাই আছে ৰঙিয়া মহাবিদ্যালয়। এনে অভিযোগ সমূহৰ ভিতৰত প্ৰধানত (১) প্ৰেক্ষাগৃহ (২) চাৰিসীমাৰ বেৰ (৩) উন্নতমানৰ ক্লাচৰুম আৰু বহুতো।

এনে অভাৱ অভিযোগৰ মাজতে আছে ৰঙিয়া মহাবিদ্যালয়ৰ ৰং। সময়ে সময়ে কিছু দুষ্ট চক্ৰই এই ৰঙত মিহলি কৰিব খোজে বিভেদৰ ধোঁৱা। সপোন নৰ্দমাত পৰে, বাস্তৱ দুৰ্নীতিৰ আলহী হ'লে। ৰজা কেতিয়াও ৰজা নহয় যদি প্ৰজাই নোবোলে ৰজা। জ্ঞানৰ পোহৰেৰে বাট উজলাই স্বৰ্ণ জয়ন্তী অভিমুখে ধাবিত হোৱা বল্লভা পাৰৰ ৰঙিয়া মহাবিদ্যালয়ৰ সপোনৰ কাৰেং আমিয়ে সাজিব লাগিব।

**কৃতজ্ঞতা ঃ**

সামাজিক ক্ষেত্ৰখনৰ সৈতে চিনাকি কৰাই দিয়া সদৌ অসম ছাত্ৰ সন্থাৰ ওপৰত মই চিৰ ঋণী হৈ ৰ'ম। যিসকলৰ উৎসাহ, অনুপ্ৰেৰণা, সহায় আৰু সমৰ্থনৰ বাবে এই প্ৰতিবেদন খন লিখাৰ সুযোগ পালো সেই সকলকো মই কৃতজ্ঞতা জনালোঁ। মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰু, কৰ্মচাৰী, ভাৰত স্কাউড এণ্ড গাইড, এন.চি.চি., এন. এছ.এছ তথা মোক সহায়ৰ হাত আগ বঢ়োৱা সকলোকে মই কৃতজ্ঞতাৰে সোঁৱৰিছো।

আজীৱন কৃতজ্ঞতাৰে সুঁৱৰিম ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, মধ্য পাণ্ডুৰী আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া মহকুমা ছাত্ৰ সন্থা, কামৰূপ জিলা ছাত্ৰ সন্থা, ৰঙিয়া মহকুমা ছাত্ৰ সন্থা, কামৰূপ জিলা ছাত্ৰ সন্থা আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ সহায় সহযোগ।

সপোন আৰু বাস্তৱেই হওক একেটা পজা, ৰঙিয়া মহাবিদ্যালয়ত সদায় উৰি থাকিব জ্ঞানৰ ধ্বজা। তাৰেই কামনাৰে।

জয় আই অসম

জয়তু ৰঙিয়া মহাবিদ্যালয়

**ৰূপম শৰ্মা**

সাধাৰণ সম্পাদক,

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা-.





# लोगो गाहाय नेहाथारीनि फोरमायथि



"जाय इसेब्लाबो मालाइनि खोथा साना, बिनि थांना थानाया ओंथि गैया।" - मन्तेइन'नि बे बिबुंथिनि आन्दोआव हाबना दं गावखौ सुबुं माहारिनो बावनाय, सुबुं माहारिनि मोजां हास्थायनाय। गुबुननि जौगानायाव दं गावनि जौगानाय, गुबुननि सुखुआव दं गावनि सुखु आरो गोजोननाय।

जाय गेदेमा सुबुंफोरा गावबा गावनि आगोमा जिउखौ बिमा हादर आरो सुबुं माहारिनि थाखाय बावलांबाय बिथांमोननि सिगांआव गिबिआवनो आंनि सिबिनाय आरो खुलुमनाय थाबाय। लोगोसे जायफोर गेदेमा, मेलेमजिबि सुबुंफोरा जोबोर नाजानाय, दुखु-दाहा आरो बावसोमनायनि गेजेरजों रङिया फरायसालिमाखौ मोगथां महर होलांबाय बिथांमोननि सिमबो आंनि सिबिनाय आरो खुलुमनायखौ बावहरग्रोबाय।

रङिया फरायसालिमा फरायसा आफादनि बिसायख'थिआव सासे लोगो गाहाय नेहाथारिनि बिबानाव आंखौ इं 2010-11 माइथायसिम रुजुलांनो खाबु एबा देरहासार जोहोनायनि थाखाय दुलाराय बर' फरायसा आफादनि आरो फरायसालिमानि मानगोनां फरायसा-फरायसुलिनिसिम आंनि रोजा-रोजा साबायखर थाबाय। बिबानखौ मोजाङै रुजु लांदोंमोन।

बे से बोसोरआव आं जेसेबांसिम हायो गावखौ बावसोमदोंमोन, बिबानखौ मोजाङै रुजु लांदोंमोन। फरायसालिमानि लोगो गाहाय नेहाथारिनि थोब्लिब माब्लिब रांजों गोसोखां खाम्फानि सेराव बिफां गायदोंमोन। फरायसालिमानि लोगो गाहाय नेहाथारिनि थोब्लिब माब्लिब रांजों गोसोखां खाम्फानि सेराव बिफां गायदोंमोन। "फरायसालिमा हाबथा" याव आं गुबुन गुबुन नेहाथारिफोर रुपम सर्मा आदा, एंगार हायै मोनसे हाबाफारि "फरायसालिमा हाबथा" याव आं गुबुन गुबुन नेहाथारिफोर रुपम सर्मा आदा, आकिदा पारबिन, नुर हक, भनिता लहकर, कमल ज्योति सर्मा, माइनाव आब'मोनखौ बिथांमोननि खामानियाव मैखोमै मदद खालामदोंमोन। बिनि अनगायैबो फरायसालिमायाव खुंनाय गासैबो हाबाफारि आरो फोर्बो जैरै बाथौ फुजा, सरास्वती फुजा, गोदान फरायसा बरायनाय आरो फरायसा-फरायसुलिफोरनि गेजेराव ओंखारनाय बायदिसिना जेंना-जेंसिफोरखौ सुंझांनो नाजादोंमोन।

जोबथारनायाव, आं फरायसालिमानि गासै Teaching Staff आरो Non Teaching Staff आरो फरायसा-फरायसुलिमोननियाव आंनि नुस' मोनै गोरोन्थिनि थाखाय निमाहा मोनगोन होनना आसा खालामबाय आरो आंनि लोगो गाहाय नेहाथारीनि बोसोरारि फोरमायथि बिलाइखौ एसेआवनो फोजोबबाय।

गोजोनथों,

जै जाथों रङिया फरायसालिमा

थांनानै थाथों रङिया फरायसालिमा

सनेस्वर बसुमतारी

लोगो गाहाय नेहाथारी

# গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মই দেশৰক্ষাৰ হকে প্ৰাণ আহুতি দিয়া জাতীয় বীৰ ছহিদসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো।

শিক্ষানুষ্ঠানত শিক্ষা গ্ৰহণৰ লগতে খেলৰ দিশটো ছাত্ৰ-ছাত্ৰীৰ বাবে অতি প্ৰয়োজনীয়। খেল হৈছে মানৱ জাতিৰ শিক্ষাৰ এক অপৰিহাৰ্য অংগ। আমাৰ মহাবিদ্যালয়ত বহু প্ৰতিভাসম্পন্ন খেলুৱৈ চামে চামে ওলাই আছে আৰু আগলৈও ওলাই থাকিব বুলি আমি আশাবাদী। অনাগত দিনবোৰত মহাবিদ্যালয়ৰ ছাত্ৰ - ছাত্ৰীয়ে খেলৰ জৰিয়তে নিজৰ পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়খনৰ গৌৰৱ বৃদ্ধি কৰিব বুলি মই আশা কৰিছোঁ।

২০১০-২০১১ বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত গুৰু খেল বিভাগৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰি মহাবিদ্যালয়লৈ সেৱা আগবঢ়োৱাৰ সুযোগকণ দিয়াৰ বাবে সমূহ বন্ধু-বান্ধৱী, দাদা-বাইদেউ তথা ভাইটি-ভন্টিলৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু মৰম যাঁচিছো।

গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছতে মোৰ কাৰ্যকাল আৰম্ভ হয় "মহাবিদ্যালয় সপ্তাহ"ৰ যোগেদি মহাবিদ্যালয় সপ্তাহত গুৰু খেল বিভাগৰ সকলো প্ৰতিযোগিতাই মই অনুষ্ঠিত কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ কাৰ্যকালত মই কিমান দূৰ সফলতাৰে আগবাঢ়িব পাৰিছো, সেইটোৰ সঠিক জোখ - মাখ আপোনালোকেহে বিচাৰ কৰিব পাৰিব।

মোৰ কাৰ্যকালৰ প্ৰথম পদক্ষেপ অৰ্থাৎ মহাবিদ্যালয় সপ্তাহত গুৰু খেল বিভাগৰ পৰা অনুষ্ঠিত কৰা বিভিন্ন প্ৰতিযোগিতাত অংশ গ্ৰহণ কাৰী খেলুৱৈসকললৈ লগতে আৰম্ভণিৰে পৰা শেষলৈকে সুন্দৰভাৱে চলাই নিয়া শ্ৰদ্ধাৰ গুৰুখেল বিভাগৰ তত্ত্বাৱধায়ক মাননীয় ড° মহেন্দ্ৰ কলিতাদেৱ তথা আৰু মোৰ বন্ধু-বন্ধৱী সকললৈ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

২০১০-২০১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাধাৰণ নিৰ্বাচনত বিশ্বাস সহকাৰে মোক গুৰু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ হকে যি সেৱা আগবঢ়োৱাৰ সুযোগ কণ দিলে তাৰ বাবে ৰঙিয়া আঞ্চলিক বড়ো ছাত্ৰ সন্থা, লগতে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সমূহ আছুকৰ্মী, এবছু কৰ্মী তথা এইখন মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

সদৌ শেষত মহাবিদ্যালয়খনৰ ভৱিষ্যৎ মংগল কামনা কৰি মোৰ কাৰ্যকাল আৰু প্ৰতিবেদনত অজানিতে ৰৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা মাগিছো।

ধন্যবাদেৰে -
জয় আই অসম
"জয়তু ৰঙিয়া মহাবিদ্যালয়"

**প্ৰণৱ বড়ো**
সম্পাদক, গুৰু খেল বিভাগ





# লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



"আমি অসমীয়া নহয় এলেহুৱা
নহয় যে আমি কোনো মুৰ্খ,
জাতি শত্ৰুৰ হকে যুঁজিবলৈ
বাহুত আছে আমাৰ মহাবল,
লাগে মাথো সঁহাৰি আমাক
আমাৰ জাতিৰ জনতাৰ দল।"

প্ৰতিবেদনৰ প্ৰাক্ মুহূৰ্তত আমাৰ অসমীয়া জাতি জনগোষ্ঠী, সাহিত্য-সংস্কৃতি, ভাষা আৰু জাতীয় ঐক্যতা ৰক্ষাৰ বাবে যি সকল আমাৰ জাতিৰ বীৰ - বীৰাঙ্গনাই নিজৰ অমূল্য জীৱন আহুতি দিলে, সেই সকল মহান পুৰুষ আৰু বীৰ- বীৰাঙ্গনালৈ মোৰ পৰম শ্ৰদ্ধা আৰু চৰম কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সমগ্ৰ অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ আগশাৰীৰ শিক্ষানুষ্ঠানৰ ভিতৰত আমাৰ ৰঙিয়া মহাবিদ্যালয়ো অন্যতম। ৰঙিয়া মহাবিদ্যালয়ত ভালদৰে শিক্ষা অধ্যয়ন কৰাৰ লগতে ইয়াৰ সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি বিভিন্ন দিশৰ লগত জড়িত হৈ ইয়াৰ ছাত্ৰ সমাজক নেতৃত্ব প্ৰদান কৰাটো মোৰ স্কুলীয়া জীৱনৰে পৰা বৰ হেঁপাহ আৰু ক'বলৈ গ'লে নেদেখা মনৰ এটা গুপুত সপোন আছিল।

২০১০-২০১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত 'লঘু খেল বিভাগ'ৰ সম্পাদকৰ বাবে আমাৰ মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক যোগ্য বুলি বিবেচনা কৰি যি গুৰুভাৰ মোৰ ওপৰত অৰ্পণ কৰি এই মহাবিদ্যালয়খনলৈ সেৱা তথা কাৰ্য্য কৰিবলৈ সুযোগকণ দিলে, সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভৰা মৰম যাচিছোঁ আৰু তেওঁলোকৰ ওচৰত মই সদায় চিৰ কৃতজ্ঞ।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ এজন সক্ৰিয় সদস্য তথা লঘু খেল বিভাগৰ সম্পাদক হিচাপে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে কি কৰিছোঁ বা কিমান কাৰ্য্য কৰিব পাৰিছো, এইটো আপোনালোকৰ বিচাৰ-বিবেচনাৰ যোগ্য বিষয়। মহাবিদ্যালয় বাৰ্ষিক সপ্তাহত ক্ৰীড়াসমূহ আয়োজন কৰোঁতে মোৰ এনে বোধ হৈছিল যে যদি মহাবিদ্যালয় কৰ্তৃপক্ষই লঘু খেল বিভাগৰ পুঁজিৰ পৰিমাণ কিছু বৃদ্ধি কৰে, তেন্তে আমাৰ মহাবিদ্যালয়ৰ ভাল খেলুৱৈসকলক বিশেষ ধৰণৰ সুযোগ তথা সা-সুবিধা প্ৰদান কৰিব পৰা যায় আৰু খেলুৱৈ সকলৰ লগতে আমাৰ মহাবিদ্যালয়ো নিশ্চয় উপকৃত হ'ব।

আমাৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক, মানৱীয় ঐক্যতা আৰু বিভিন্ন দিশত এই ক্ৰীড়াসমূহৰ যথেষ্ট ভূমিকা থাকে। গতিকে আমাৰ মহাবিদ্যালয় কৰ্তৃপক্ষই যেন এই বিষয়ত থকা বিভিন্ন সমস্যা তথা অসুবিধাসমূহ আঁতৰ কৰি ক্ৰীড়াৰ দিশটো উন্নতি সাধন কৰাৰ প্ৰয়াস কৰে!

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোৰ দায়িত্বত থকা ক্ৰীড়া প্ৰতিযোগিতাসমূহ হ'ল - ভলীবল, ল'ৰাৰ কাবাডী, ছোৱালীৰ কাবাডী, ল'ৰাৰ বেডমিণ্টন, ছোৱালীৰ বেডমিণ্টন, ল'ৰা-ছোৱালী উভয়ৰে বেডমিণ্টন, ল'ৰাৰ ধীৰ গতিত বাইচাইকেল চলোৱা আৰু ছোৱালীৰ ধীৰ গতিত বাইচাইকেল চলোৱা ইত্যাদি খেল।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত বিভিন্ন দিশত উপদেশ তথা দিহা পৰামৰ্শ দি সাফল্যমণ্ডিত কৰি মোক সহায় কৰা বাবে মই মোৰ পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা তত্ত্বাৱধায়ক শ্ৰীযুত দিলীপ কুমাৰ ডেকা ছাৰ, লগতে ভলীবল আৰু বেডমিণ্টন খেলসমূহ সুচাৰুৰূপে পৰিচালনা কৰি মোক যথেষ্ট সহায় কৰা মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু শ্ৰীযুত দাম্ফলা গয়াৰী ছাৰ, ফুকন বসুমতাৰী ছাৰ, অমৰজ্যোতি ভাস্কৰ ছাৰ আৰু অতিকৈ শ্ৰদ্ধাৰ সন্মানীয় অৱসৰ প্ৰাপ্ত মঃ ওচমান গণি ছাৰ আৰু মোৰ শ্ৰদ্ধাৰ ৰেজাউল কৰিম আহমেদ দা, ভাস্কৰজ্যোতি শৰ্মা দা, ছুমন দাস দাৰ ওচৰত মই চিৰকৃতজ্ঞ। ইয়াৰ উপৰিও মহাবিদ্যালয় বাৰ্ষিক তথা মোৰ কাৰ্য্যকালৰ বিভিন্ন সময়ছোৱাত মোৰ গাৰ ছাঁৰ দৰে লাগি থাকি মোক যথেষ্ট সহায় কৰা মোৰ ভাতৃ সদৃশ মোজাক্কিৰ হুছেইন, নুৰ ইছলাম, তফিকুৰ ৰহমান আৰু দিগন্ত কলিতাৰ ওচৰত মই মোৰ হিয়াভৰা মৰম আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

২০১০-২০১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত মোক যোগ্য বুলি বিবেচনা কৰি পৰম বিশ্বাসেৰে মোক লঘু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি আমাৰ ৰঙিয়া মহাবিদ্যালয়ক সেৱা কৰাৰ সুযোগ -কণ দিয়া বাবে মই মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী, ২০০৯-১০ বৰ্ষৰ মহাদ্যিালয় ছাত্ৰ সন্থাৰ সমূহ বিষয় ববীয়াসকল, ৰঙিয়া মহাবিদ্যালয় আছু গোট, এবছু গোট, স্কাউট এণ্ড গাইড গোট, এন. চি. চি. গোট আৰু ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি / সম্পাদক সমন্বিতে সমূহ বিষয়ববীয়া আৰু সদস্যকে মোৰ পৰম শ্ৰদ্ধা আৰু চিৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শেষত মই পুনৰ ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় সমন্বিতে অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী বৃন্দ, মোৰ অতিকৈ মৰমৰ বন্ধু-বান্ধৱী, দাদা-বাইদেউ আৰু ভাইটি-ভণ্টী সকলক মোৰ আন্তৰিক অভিনন্দন জনাই মোৰ কাৰ্যকালৰ সময়ছোৱাত হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো আৰু মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা
জয় আই অসম

**নুৰ হ'ক**
সম্পাদক, লঘু খেল বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



"জীৱনে মৰণে মই
চিৰদিন অসমীয়া।
অসমীয়া দেহে প্ৰাণে মই,
জীয়াই থাকোতে মই
অসমৰে অসমীয়া
মৰিলেও বৰি ল'ম
অসমৰ অসমীয়া মৰম"।।

প্ৰতিবেদনৰ পাতনিতে যি সকল মহান ব্যক্তিয়ে অসমী আইৰ সন্মান ৰক্ষাৰ্থে, অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ হেতু ৰঙিয়া মহাবিদ্যালয় নামৰ অনুষ্ঠানটি জন্ম দি জাতি, বৰ্ণ, ধৰ্ম নিৰ্বিশেষে প্ৰজ্ঞাৰ ডোলেৰে বান্ধ খাই সমাজৰ আন্ধাৰ আঁতৰাই জ্ঞানৰ বন্তি জ্বলাবলৈ প্ৰয়াস কৰিছিল, সেই সকল পুৰোধা ব্যক্তিলৈ সশ্ৰদ্ধ প্ৰণাম যাচিছোঁ।

২০১০-২০১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সাংস্কৃতিক বিভাগৰ সম্পাদিকাৰ বাবে যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোৰ ওপৰত গুৰুভাৰ অৰ্পণ কৰি মহাবিদ্যালয়লৈ সেৱা কৰিবলৈ সুযোগকণ দিলে, সেই সকল ছাত্ৰ - ছাত্ৰীলৈ মোৰ শ্ৰদ্ধাসহ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মোৰ কাৰ্যকালৰ সময়ছোৱাত প্ৰতিটো সাংস্কৃতিক অনুষ্ঠান সুচাৰুৰূপে পালন কৰিবলৈ মই চেষ্টা কৰিছো। মোৰ কাৰ্যকালৰ সময়ছোৱাত বিভিন্ন সাংস্কৃতিক অনুষ্ঠান যেনে - নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহ বিশেষভাৱে উল্লেখযোগ্য। সাংস্কৃতিক বিভাগৰ দায়িত্বত থকা বিভিন্ন প্ৰতিযোগিতা সমূহ হ'ল - জ্যোতি সংগীত, ৰাভা সংগীত, বিহুগীত, বৰগীত, লোকগীত, বিয়াগীত, আধুনিক গীত, জিকিৰ, বড়োনৃত্য, আধুনিক নৃত্য, বিহু নৃত্য আদি অনুষ্ঠিত কৰাৰ লগতে ভেশচন প্ৰতিযোগিতা, একাংকিকা নাট প্ৰতিয়োগিতা, একক অভিনয় আৰু একক কৌতুক অভিনয় প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিযোগিতা সমূহত ছাত্ৰ-ছাত্ৰী সকলে দেখুওৱা সম্পূৰ্ণ সহযোগিতাত মই বাৰুকৈয়ে উৎসাহিত হৈছো।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত আমাৰ মহাবিদ্যালয়ৰ পৰা অংশ গ্ৰহণ কৰি তিনিটা প্ৰতিযোগিতাত বঁটা পাবলৈ সক্ষম হোৱা বাবে মই বাৰুকৈয়ে উৎসাহিত হৈছো। তদুপৰি গুৱাহাটী ডনবস্ক' স্কুলত অনুষ্ঠিত হোৱা আন্তঃ মহাবিদ্যালয় নাটক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি আমাৰ মহাবিদ্যালয়ৰ দলটিয়ে দ্বিতীয় স্থান পাবলৈ সক্ষম হৈছে। আগলৈ যাতে ইয়াতকৈও ভাল প্ৰদৰ্শন কৰি আমাৰ মহাবিদ্যালয়খনৰ গৌৰৱ কঢ়িয়াই আনিব পাৰে তাকেই কামনা কৰিলোঁ।

শেষত, মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোক বিভিন্ন দিহা-পৰামৰ্শ দি সহায়-সহযোগ কৰা সদৌ অসম ছাত্ৰ সন্থা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, "আছু" গোট আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলক আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। লগতে মোক দিহা-পৰামৰ্শ দি সহায় কৰা তত্ত্বাৱধায়ক মাননীয় শ্ৰীযুত কবিন দাস ছাৰলৈ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো। এই ছেগতে মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোক সহায় কৰা মহাবিদ্যালয়ৰ কৰ্মচাৰী অনুপ দালৈ আন্তৰিক অভিনন্দন জনালোঁ। মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোৰ গাৰ ছাঁটোৰ দৰে লাগি সহায়-সহযোগ কৰা যুৱৰাজ দা, তফিকদা, কৃষ্ণ, চেমি, চালমা, যৱনীকা, বিভা, প্ৰিতিস্মিতা, মুকুট আৰু আন বহুতো মোৰ শুভাকাংক্ষী, মোৰ মৰমৰ বন্ধু-বান্ধৱী তথা ভাই-ভনীসকললৈ ধন্যবাদ জ্ঞাপন কৰিছো।

সদৌ শেষত অজানিতে মোৰ ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বতো প্ৰকাৰৰ উজ্জ্বল ভৱিষ্যতৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে
জয় আই অসম
"জয়তু ৰঙিয়া মহাবিদ্যালয়"

**ভনিতা লহকৰ**
সম্পাদিকা, সাংস্কৃতিক বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকাৰ প্ৰতিবেদন



"লুইতৰ পাৰৰে তুমি ডেকা ল'ৰা
তুমিয়েটো বুকু পাতি দিলা
ভাৰতীৰ নুমলী জীক বচাবলে'
তুমিয়েটো মৃত্যু বৰিলা
শ্বহীদ প্ৰণামো তোমাক
শ্বহীদ প্ৰণামো তোমাক।।"

প্ৰতিবেদনৰ আৰম্ভণিতে ড০ ভূপেন হাজৰিকা দেৱৰ গীতৰ ভাষাৰে ময়ো আজি সেই সকল বীৰ - বীৰাঙ্গনাক শ্ৰদ্ধাৰে সুৱৰিছোঁ, যি সকলে দেশ আৰু স্বজাতিৰ হকে বুকু পাতি দিছিল। লগতে প্ৰতিবেদনৰ জৰিয়তে শ্ৰদ্ধাৰে শলাগ লৈছো সেইসকল ব্যক্তিক যি সকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বিনিময়ত জন্ম হৈছিল ৰঙিয়া মহাবিদ্যালয়।

২০১০-২০১১ বৰ্ষৰ "ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা"ৰ সাধাৰণ নিৰ্বাচনত তৰ্ক আৰু সাহিত্য বিভাগৰ দৰে মহৎ পদ এটিত নিৰ্বাচিত কৰি মোক মহাবিদ্যালয়খনৰ সেৱাৰ বাবে সুযোগকণ দিয়া বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা শুভাকাংক্ষী সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা আৰু ধন্যবাদ জ্ঞাপন কৰিছো।

তৰ্ক আৰু সাহিত্য বিভাগৰ সম্পাদিকা হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰোতে প্ৰথম কাৰ্য্যসূচী হিচাপে "মহাবিদ্যালয় সপ্তাহ" আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহত তৰ্ক আৰু সাহিত্য বিভাগৰ সৌজন্যত অনুষ্ঠিত কৰা প্ৰতিযোগিতাসমূহৰ ভিতৰত আছিল কবিতা আবৃত্তি, কুইজ, তৰ্ক, আকস্মিক বক্তৃতা, ঠাইতে লিখা কবিতা, ঠাইতে লিখা চিঠি, ৰচনা, স্মৃতি শক্তি পৰীক্ষা ইত্যাদি অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতাসমূহত সৰহ সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰাৰ লগতে সকলোৰে সহযোগিতাই মোক যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল।

প্ৰত্যেক বছৰৰ দৰে এই বছৰো ২৯-১০-২০১১ ইং তাৰিখে অনুষ্ঠিত কৰা হৈছিল স্বৰ্গীয় সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিয়োগিতা। বিষয় আছিল সদনৰ মতে, "আজিৰ যুগত তথ্য প্ৰযুক্তিৰ প্ৰতি আৰোপিত অত্যাধিক গুৰুত্বই বৰ্তমান প্ৰজন্মৰ স্বাভাৱিক বিকাশৰ পথত গতিৰোধক হৈ পৰিছে"। প্ৰতিযোগিতা খনত অসমৰ বিভিন্ন প্ৰান্তৰ অংশ গ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰীয়ে ৰঙিয়া মহাবিদ্যালয়ৰ মজিয়াত খলকনি তুলি এক ধনাত্মক পৰিবেশ সৃষ্টি কৰি আমাক গৌৰৱান্বিত কৰিছিল। প্ৰতিযোগিতা খনত শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা অৰ্জন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ জিন্টু গোঁহাই, দ্বিতীয় তাৰ্কিকৰ বঁটা অৰ্জন কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ মৃদুল বৰ্মন আৰু তৃতীয় তাৰ্কিকৰ বঁটা অৰ্জন কৰে স্কুল অফ্ টুৰিজিম মেনেজমেণ্টৰ মনীষা দাসে। শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় গুৱাহাটী বিশ্ববিদ্যালয় আৰু দ্বিতীয় শ্ৰেষ্ঠ দল হিচাপে বিবেচিত হয় কটন কলেজ।

মোৰ কাৰ্যকালত বিশেষভাৱে সহায় - সহযোগ কৰা শ্ৰদ্ধাৰ তত্বাৱধায়ক ইমদাদ আলী ছাৰ, কৰ্মচাৰী অনুপ দাৰ ওচৰত চিৰকৃতজ্ঞ।

শেষত মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শৰে সহায়-সহযোগ কৰা সদৌ অসম ছাত্ৰ সন্থা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয় 'আছু' গোট, 'এবছু' গোট, আৰু নিখিল বড়ো ছাত্ৰ সন্থাৰ বিষয়ববীয়া সকলকো কৃতজ্ঞতা জনাইছোঁ।।

মোৰ কাৰ্যকালছোৱাত অজানিতে হোৱা ভুল - ক্ৰটিৰ বাবে ক্ষমা বিচাৰিছো। সদৌ শেষত ঐতিহমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যতৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ধন্যবাদেৰে
জয় আই অসম
"জয়তু ৰঙিয়া মহাবিদ্যালয়"

**আকিদা পাৰবিন**
সম্পাদিকা, তৰ্ক আৰু সাহিত্য বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক মুহূৰ্তত অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰাণ আহুতি দিয়া ছহিদসকললৈ মই সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ।

ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰাৰ পিছত ৰঙিয়া মহাবিদ্যালয়ৰ হ'কে কিবা কৰিবলৈ ইচ্ছা কৰিছিলো। ২০১০-১১ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মই সমাজ সেৱা বিভাগত জয়লাভ কৰিছিলো। মোক নিৰ্বাচনত জয়ী কৰোৱা সকলো বন্ধু-বান্ধবীকে মই কৃতজ্ঞতাৰে সুঁৱৰিছো। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ কিছুদিন পিছতে মহাবিদ্যালয় সপ্তাহ আৰম্ভ হয়। মহাবিদ্যালয় সপ্তাহ আৰম্ভ হোৱাৰ আগদিনা চাফাই অভিযান প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এই প্ৰতিযোগিতাত বিশেষকৈ বিদ্যালয় চৌহদ, পুখুৰীৰ পাৰ, ছহিদ বেদী চাফা কৰা আৰু গছবোৰত চূণ লগোৱা হয়। ইয়াৰ পিছত নৱাগত আদৰণি সভাৰ আগে আগে আকৌ গছত চূণ লগোৱা হয় আৰু চাফাই অভিযান অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ কিছুদিন পিছত কিছুমান প্ৰজাতিৰ গছ পুলি ৰোৱা হৈছিল আৰু ২০১১-১২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে আকৌ চাফাই অভিযান অনুষ্ঠিত কৰিছিলো।

মোৰ কাৰ্যকালত মোক সুন্দৰভাৱে সহায় কৰা আৰু দিহা পৰামৰ্শ আগবঢ়োৱা মোৰ শ্ৰদ্ধাৰ ড° মদন বড়ো ছাৰ, কমলা বাইদেউ, দীনেশ লহকৰ ছাৰ, দিলীপ ডেকা ছাৰ প্ৰমুখ্যে সমূহ শিক্ষাগুৰু তথা কৰ্মচাৰী বৃন্দক মই ধন্যবাদ জনাইছোঁ, লগতে ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা তথা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সমূহ বিষয়-ববীয়াক মই শ্ৰদ্ধা নিবেদিছোঁ।

আকৌ শেষত মই মোৰ প্ৰতিবেদনত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ ওৰ পেলালোঁ।

**জগদীশ কলিতা**
'সম্পাদক
সমাজসেৱা বিভাগ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে কোনো এটি শুভ মুহূৰ্তত অসম মাতৃৰ বুকুত ভূমিষ্ঠ হোৱা অসমৰ ছাত্ৰ সংগঠন সদৌ অসম ছাত্ৰ সন্থাৰ নেতৃত্বত বিদেশী নাগৰিকৰ সমস্যা, ভাষা সমস্যা আৰু আন বহুতো সমস্যাৰ পৰা অসম মাতৃক ৰক্ষা কৰাৰ এক মহান সংকল্প লৈ গঢ়ি উঠা অহিংস গণতান্ত্ৰিক, পৱিত্ৰ, সাংবিধানিক জাতীয় অস্তিত্ব ৰক্ষাৰ আন্দোলনত যি সকল জ্ঞাত আৰু অজ্ঞাত বীৰ ছহিদে প্ৰাণ আহুতি দিলে, যি সকলে জাতিৰ স্বাৰ্থত চৰম ত্যাগ স্বীকাৰ কৰিলে, সেই সকলৰ পৱিত্ৰ স্মৃতিত অশ্ৰুসিক্ত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ।

পোন প্ৰথমে মই কৃতজ্ঞতাৰে সুঁৱৰিছো যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক ২০১০-২০১১ বৰ্ষৰ ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক ৰূপে নিৰ্বাচিত কৰি দায়িত্ব লোৱাৰ সুযোগকণ দিলে।

ছাত্ৰ জিৰণি কোঠাৰ সম্পাদক হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পিছত মোৰ কাৰ্যকাল আৰম্ভ হয় 'মহাবিদ্যালয় সপ্তাহ'ৰ যোগেদি। মোৰ বিভাগৰ অন্তৰ্গত কেৰম, টেবুল টেনিছ, দবা, পাঞ্জা, মিষ্টাৰ ৰঙিয়া কলেজ, দেহশ্ৰী ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। প্ৰতিযোগিতাসমূহ সুকলমে চলাই নিয়াৰ বাবে মই অশেষ চেষ্টা কৰিছো। মোৰ কাৰ্যকালত ছাত্ৰ জিৰণি কোঠাটো চাফ-চিকুণ কৰি দৰ্জা-খিৰিকীবোৰত পৰ্দা, বেৰত আঁৰি থোৱা ঘড়ী আদিৰ ব্যৱস্থা কৰি দিছিলো।

শেষত, মোৰ কাৰ্যকালৰ সময়ত প্ৰতিটো দিশতে মোক দিহা-পৰামৰ্শ দি সহায়-সহযোগ কৰা সদৌ অসম ছাত্ৰ সন্থা, ৰঙিয়া আঞ্চলিক ছাত্ৰ সন্থা, নিখিল বড়ো ছাত্ৰ সন্থা, আছু গোট, এবছু গোট আৰু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ প্ৰতিজন বিষয়ববীয়াকে শ্ৰদ্ধা আৰু ধন্যবাদ জ্ঞাপন কৰিছোঁ।

তদুপৰি মহাবিদ্যালয়খনত মোৰ কাৰ্যকালৰ প্ৰতিটো দিশতে দিহা - পৰামৰ্শ দি সহায় কৰা মোৰ তত্ত্বাৱধায়ক ৰাজেশ কুমাৰ ছাৰ, কৰ্মচাৰী অনুপদালৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

সদৌ শেষত, কাৰ্যকালৰ সময়ত আৰু প্ৰতিবেদনত হোৱা ভুল - ক্ৰটিৰ মাৰ্জনা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

জয় আই অসম

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

**কমল জ্যোতি শৰ্মা**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা





# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



পাতনি ঃ

"অসমৰ তেজে ধোঁৱা মাটিত মূৰ থৈ
তোমালোকে আমাৰ জাতীয় চেতনাক জাগ্ৰত কৰি,
আমাৰ জীৱন আৰু জগতক সুন্দৰ
আৰু শান্তিময় কৰি তুলিবলৈ নিজৰ প্ৰাণ
আহুতি দিলা .........
হে শ্বহীদ, তোমাক শত শত প্ৰণাম।।"

আত্মোপলব্ধি ঃ

ৰঙিয়া মহাবিদ্যালয়ত নামভৰ্তি কৰি এদিন মনটোৱে সপোন দেখিছিল ৰঙিয়া মহাবিদ্যালয়ৰ হকে কাম কৰাৰ। ২০১০-২০১১ বৰ্ষত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ-সন্থাৰ সাধাৰণ নিৰ্বাচনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে বিপুল ভোটত জয়ী হৈ সেই সপোন পৰিণত হৈছিল দিঠকত।

কাৰ্য্য খতিয়ান ঃ

ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্যভাৰ লোৱাৰ পিছতে আৰম্ভ হয় মহাবিদ্যালয় সপ্তাহ। 'ছাত্ৰী জিৰণি কোঠা' বিভাগৰ বিভিন্ন প্ৰতিযোগিতা শিতানত -কেৰম, ৰছী টনা, জেতুকা লগোৱা, কইনা প্ৰতিযোগিতা, মিছ ৰঙিয়া কলেজ, পাৰ-পানী, উঠা-বহা খেল অনুষ্ঠিত কৰিছিলো। এই প্ৰতিযোগিতাসমূহ চলাই নিয়াত মোক মোৰ দাদা-বাইদেউ আৰু বন্ধু-বান্ধৱী সকলে সহায় কৰিছিল। মোৰ কাৰ্যকালত ছাত্ৰী জিৰণি কোঠাটোৰ উন্নতিৰ বাবে মই আপ্ৰাণ চেষ্টা কৰিছো। কোঠাটোৰ সৌন্দৰ্যৰ বাবে দুৱাৰ-খিৰিকীবোৰত পৰ্দাৰ ব্যৱস্থা কৰা হৈছে। ছাত্ৰীসকলে বহিবৰ বাবে চকীৰ লগতে টয়লেটত যাৱতীয় কিছু সামগ্ৰীৰ ব্যৱস্থা কৰা হয়। এই ক্ষেত্ৰত মোৰ সাফল্যৰ সঠিক মাপ-কাঠি আপোনালোকৰ বিচাৰ্য!

উপসংহাৰ ঃ

সেই সকল পৰম সুহৃদৰ ওচৰত চিৰকৃতজ্ঞ যাৰ সমৰ্থনত ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে কাৰ্যনিৰ্বাহ কৰিবলৈ সমৰ্থ হৈছিলো। মোৰ কাৰ্যকালত বিভিন্ন দিহা পৰামৰ্শ দি মোৰ গাৰ ছাঁটোৰ দৰে লাগি থাকি বিভিন্ন সহায় -সহযোগিতা আগবঢ়োৱা ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা, ৰঙিয়া মহাবিদ্যালয়ৰ এবছু গোট তথা ৰঙিয়া মহাবিদ্যালয় আছু গোটৰ সমূহ বন্ধু-বান্ধৱীৰ ওচৰত মই চিৰকৃতজ্ঞ।

মই সদায় চিৰঋণী হৈ থাকিম, মোক সামাজিক ক্ষেত্ৰখনত আগবঢ়াই অনা আৰু জাতীয় স্বাৰ্থৰে উদ্বুদ্ধ কৰা অতি শ্ৰদ্ধাৰ নিখিল বড়ো ছাত্ৰ সন্থা তথা সদৌ অসম ছাত্ৰ সন্থাৰ সন্মানীয় বিষয়ববীয়া তথা কৰ্মীবৃন্দৰ ওচৰত।

মহাবিদ্যালয়ৰ অন্তঃভাগত বিভিন্ন দিহা পৰামৰ্শ দি সহায়-সহযোগিতাৰে উৎসাহিত কৰা সন্মানীয় অধ্যক্ষ মহোদয়, তত্ত্বাৱধায়িকা মমতা লহকৰ বাইদেউ, শিক্ষাগুৰু সকল তথা সন্মানীয় কৰ্মচাৰী বৃন্দলৈ মই আন্তৰিক ধন্যবাদ জনালোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ ভৱিষ্যৎ উজ্জ্বল কামনা কৰি মোৰ কাৰ্যকালত আৰু প্ৰতিবেদনত অজানিতে হৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত মই ক্ষমা প্ৰাৰ্থনা মাগিলো।

জয় আই অসম

**শ্ৰী মাইনাওঁ বড়ো**
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

# LIST OF EDITORS OF RANGIA COLLEGE MAGAZINE SINCE 1966-67

| | | |
|---|---|---|
| 1. | 1966-67 | Paramesh Sarma |
| 2. | 1967-68 | Bibhaba Bhatta |
| 3. | 1969-70 | Baneswar Sarma |
| 4. | 1971-72 | Rupsad Ali |
| 5. | 1973-74 | Ramesh Mahanta |
| 6. | 1974-75 | Bhupen Kakati |
| 7. | 1975-76 | Pratul Kr. Sarma |
| 8. | 1976-77 | Badan C. Sarma |
| 9. | 1977-78 | Biren Sarma |
| 10. | 1978-79 | Kandarpa Kumar Kalita |
| 11. | 1979-81 | Sanjib Kalita |
| 12. | 1982-83 | Khagen Ch. Deka |
| 13. | 1983-84 | Manoranjan Goswami |
| 14. | 1984-85 | Simanta Saloi |
| 15. | 1985-86 | Jyotirmoy Kalita |
| 16. | 1986-87 | Mukutananda Bhattacharjya |
| 17. | 1987-88 | Dasarath Kalita |
| 18. | 1989-90 | Tapan Konwar |
| 19. | 1991-92 | Babul Baishya |
| 20. | 1992-93 | Dilip Deka |
| 21. | 1993-94 | Ataur Rahman |
| 22. | 1994-95 | Hemanta Das |
| 23. | 1995-96 | Diganta Saloi |
| 24. | 1996-97 | Dudul Deka |
| 25. | 1997-98 | Ripul Ch. Deka |
| 26. | 1998-99 | Anuj Lahkar |
| 27. | 1999-00 | Rajib Mahanta |
| 28. | 2000-01 | Pankaj Deka |
| 29. | 2001-02 | Prakash Kalita |
| 30. | 2002-03 | Momita Begum |
| 31. | 2003-04 | Momita Begum |
| 32. | 2004-05 | Unpublished |
| 33. | 2005-06 | Dwipen Basumatary |
| 34. | 2006-07 | Pranjal Basumatary |
| 35. | 2007-08 | Siddhartha Sankar Nath |
| 36. | 2008-09 | Sahabuddin Ahmed |
| 37. | 2009-10 | Toufikur Rahman |
| 38. | 2010-11 | Rupam Baro |





## প্ৰচাৰ মাধ্যমত ৰঙিয়া মহাবিদ্যালয়





COLLEGE CANTEEN

*Sketch By : Simanta Choudhury, H.S. 1st Year*



## আলোচনীৰ নেপথ্যত....



প্ৰয়াত অমৰেন্দ্ৰ কুমাৰ শৰ্মা
উপদেষ্টা



দীনেশ লহকৰ
তত্ত্বাৱধায়ক



অমৰজ্যোতি ভাস্কৰ
শিক্ষক প্ৰতিনিধি



হৃষিকেশ চৌধুৰী
শিক্ষক প্ৰতিনিধি



ফুকন বসুমতাৰী
শিক্ষক প্ৰতিনিধি



ৰূপম বড়ো
সম্পাদক



বিদ্যুৎ বেজবৰুৱা
ছাত্ৰ সদস্য



বিগ্ৰায়াৰী বড়ো
ছাত্ৰ সদস্য

## COLLAGE OF THE COLLEGE





*Prof Md. Othman Ghani, former Head of Arabic Department, retired on 28-02-2011. Ghani sir rendered service to the college since 20-07-1982 and has established a good name as a romantic poet. His collection of poems in Assamese are "Tumi", "Maramee", Sihatar Patharua Sur", "Mor Premar Bal", and "Marur Bukur Suravi". Moreover, "Riniki" is his collection of poems in English. We wish him a long and prosperous life.*

*- Editor*

## তোমাৰ গৰিমাৰে বিঢৌত.........



**DR. MANOJ KR. SINGHA**
Associate Professor
Deptt of Physics
He was awarded Ph.D. Degree by the Gauhati University for his thesis entitled "Representation and Recognition of Bodo and Rabha Phonemes with special Regerence to some ethnic languages of North East." He was guided by Prof. P.H. Talukdar, Deptt. of Instrumentation & USIC, G.U.



NIZARA AHMEDA
1st Class 1st Position
in Botany (Major)
with distinction, B.Sc. 2010



DHRUBAJYOTI RAJBONGSHI
1st Class 23rd Position
in Botany (Major)
with distinction, B.Sc. 2010



RAZAUL KARIM AHMED
1st Class 13th Position
in Zoology (Major)
with distinction, B.Sc. 2010



BHASKARJYOTI SARMA
1st Class 42nd Position
in Zoology (Major)
with distinction, B.Sc. 2010



FIRDUSAR RAHMAN
1st Class 38th Position
in Zoology (Major)
B.Sc. 2010



MD. MAINUL HAQUE
1st Class 24th Position
in Arabic (Major),
with distinction, B.A. 2010



BIKRAM PATHAK
1st Class 15th Position
in Economics (Major)
with distinction, B.A. 2010



NURE ASHMA PARBIN
1st Class 71st Position
in Economics (Major),
B.A. 2010



PAPARI SHARMA
1st Class 8th Position
in Education (Major) with
distinction B.A. 2010



PRASANJEET PAUL
1st Class 36th Position
in Geography (Major)
B.A. 2010



BINITA KALITA
1st Class 42nd Position
in Geography (Major)
B.A. 2010



IMRAN HUSSAIN
1st Class 47th Position
in Geography (Major)
B.A. 2010



MRINAL HALOI
1st Class 55th Position
in Poltical Science (Major)
with distinction, B.A. 2010



Biju Swargiary attended 62nd Republic Day Parade at New Delhi



Uddhab Boro attended 62nd Republic Day Parade at New Delhi



Rupam Sarma best Actor in the year of 2010-11



Bhanita Lahkar best Singer in the year of 2010-11



Sabita Das best Player in the year of 2010-11



An exhibition organised by RCSU at Rangia College



Noted mask making Artist Hemchandra Goswami in a workshop held at Rangia College




Inaugaration of Wall Magazine by Mr. B. N. Sarma, Ex.Librarian Rangia College



Mask making workshop ...... at the end





Champion Group (Boys' Cricket), 2010-11



Champion Group ( Girls' Cricket), 2010-11



Champion Group (Boys' Kabaddi), 2010-11



Champion Group (Girls' Kabaddi), 2010-11



Rangia College Volleyball Team 2010-11



Champion Group (Vollyball), 2010-11

## নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহৰ কেইটামান স্নেপ শ্বট্....



Chorous sung by our students at Freshmen Social



Noted singer Anupam Saikia in a musical moment



Musical chair competition participated by College Staff during College Week



A traditional Dress competition during College Week



A moment of go as you like competition, College Week 2010-11



Bride & Bridegroom competition during College Week



A scene of Street play "Bhog"




A cultural procssion organised by Rangia College Students' Union

## মহাবিদ্যালয়ৰ বিষাদ আৰু গৌৰৱ গাথা.....



A section of NCC unit of Rangia College



An NCC cadet receiving prize on Republic Day from Hon'ble SDO (C), Rangia Mrs. Barnali Deka, IAS



A moment of Flag Hoisting by Hon'ble Principal of Rangia College Dr. Jogesh Kakati on Republic Day



A section of Bharat Scouts & Guides of our College




A moment of Late Siddhinath Sarma memorial Inter College debating competition held at our College




A speech delivered by Dr. Dinesh Baishya, Principal of B. Baruah College, Guwahati as distinguished guest



A floral tribute to Late Amarendra Kr. Sarma, Ex. Principal of Rangia College




A tribute to musical maestro of Assam Dr. Bhupen Hazarika by Rangia College Students' Union

## VOICE OF THE WALL


























তুমি সেউজীয়া...
তুমি মোহনীয়া...
তুমি চঞ্চলা নিজৰা...
মই যে তোমাৰ আজন্ম প্ৰেমিক
অ' ৰঙিয়া কলেজ।

## শৰ-সন্ধান
(স্বাধীনতা আৰু শান্তিৰ  নামত উৎসৰ্গ)

ইয়াতে বান্ধিছিলা তোমাৰ যৌৱনৰ
তেজী ঘোঁৰা। বসন্তৰ বতাহৰ দৰে
সেই ঘোঁৰাৰ খুৰাৰ ধুলিয়ে
চুমিছিল
মোৰ এই তেজাল আকাশ
আৰু তাৰ প্ৰান্তৰৰ সেউজীয়া ঘাঁহ।

তাৰ পিছত, পাৰ হৈ গ'ল
চ'তৰ নিদাঘ জুই আৰু ব'হাগৰ
কতনা ধুমুহা

...মই কেতিয়াবা
এতিয়াও সপোনত সাৰ পাই উঠো
আফ্ৰিকা নে তেলেংগানা ক'ৰবাত
সেই ঘোঁৰা যেন হিল-দ'ল ভাঙি লৰিছে
আৰু তোমাৰ চাবুকত চমকি উঠিছে
নিৰ্জন ৰাতিৰ ক্লীৱতাহ্ন
১৯৬৪

## উভতি অহাৰ গান

মনৰ
মুগ্ধছায়াত
প্ৰতাৰিত সপোনৰ
উচ্ছ্বসিত তৰা,
হৃদয়ত অৰণ্যৰ ৰক্তিম স্তব্ধতা...

এতিয়া
মই অকাতৰে
আঁতৰি আহিব পাৰোঁ
তোমাৰ কাযৰ পৰা

তোমাৰ কাযৰ পৰা...
১৯৭১

## ভোগালি

তুমিতো জানাই
এই কবিৰ আৰু একো নাই।
এটাই মাথোঁ-কামিজ
তাৰো ছিগো-ছিগো চিলাই।
প্ৰেম নিশ্চয় এনেকুৱাই
আৱৰণ খুলি হৃদয় জুৰায়।
১৯৭১

